অন্তৰ্ভাৰতীয় পুস্তকমালা

অৰ্ধ চন্দ্ৰৰ ৰাতি

মূল পঞ্জাৱী
গুৰদয়াল সিং

অসমীয়া অনুবাদ
দিপালী শৰ্মা

GOVT. OF ASSAM
Call No.

নেশ্যনেল বুক ট্ৰাষ্ট, ইণ্ডিয়া

1992 (শক 1914)

অসমীয়া অনুবাদ : © নেশ্যনেল বুক ট্রাষ্ট, ইণ্ডিয়া, 1992

মূল্য : 18 00 টকা

Original Title : Adh Chandni Raat (Punjabi)

Assamese Title : Ardha Chandrar Rati

প্ৰকাশক, নেশ্যনেল বুক ট্ৰাষ্ট, ইণ্ডিয়া, এ-5, গ্ৰীণ পাৰ্ক,
নতুন দিল্লী-110 016দ্বাৰা প্ৰকাশিত।

ভূমিকা

তীব্ৰ গতিত ৰেলগাড়ীখন চলি আছিল। এটা ভৰাত প্ৰসিদ্ধ ঐতিহাসিক ডাঃ গণ্ডা সিং আৰু স্বৰ্গীয় ডাঃ বাসুদেৱ চৰণ আগৰৱালাৰ মাজত বহি মই "পঞ্জাবী ভাষাত পালি আৰু প্ৰাকৃত সংস্কৃতি"ৰ সম্বন্ধে তেওঁলোকৰ মাজত হোৱা আলোচনা শুনি আছিলোঁ। মোৰ বাবেতো আপোনাৰ নাম যে "গণ্ডা সিং" সেইটোৱেই সেই পুৰণিকালৰ দিনবোৰৰ বিষয়ে জানিবৰ বাবে যথেষ্ট।

সেই সময়ত ডাঃ আগৰৱালা "অষ্টম অধ্যায়"ৰপৰা পাণিনিৰ দিনত ভাৰতীয় জীৱন উদ্‌ঘাটিত কৰাত ব্যস্ত আছিল। "মোৰ অধ্যয়ন সম্পূৰ্ণ কৰাৰ ক্ষেত্ৰত কেইটামান সমস্যাই বাধা দিছে আৰু আজি পৰ্যন্ত সমাধান হৈ উঠা নাই, কিয়নো পঞ্জাবৰ বিষয়ে মোৰ জ্ঞান বহুত কম। কেতিয়াবা সময় সুবিধা হ'লে আপোনাৰ লগতে গোটেই পঞ্জাব ভ্ৰমণ কৰিম।"

এইদৰে কিছুসময় পঞ্জাবীৰ শুদ্ধ গাঁৱলীয়া নামৰ ওপৰত কথা-বাৰ্তা চলিল। মই তেওঁলোকক আমাৰ গাঁৱৰ লোকসকলৰ কেইবাটাও পালী প্ৰাকৃত উদাহৰণৰ নাম ক'লোঁ। কথা-বতৰাৰ মাজত ব্যক্তিৰ নামৰপৰা পঞ্জাবৰ গাঁও তথা এলেকাসমূহৰ নামৰ ফালে আঁতৰি যোৱাটো স্বাভাৱিক আছিল। এনেদৰে যেতিয়াই লেখকৰ মুখৰপৰা অন্য নামৰ মাজতে "আমাৰ মালৱা" শব্দটো ওলাল তেতিয়া ডাঃ আগৰৱালাৰ গাম্ভীৰ্য আঁতৰিল। হঠাৎ তেওঁ এলানি প্ৰশ্ন সুধিবলৈ আৰম্ভ কৰিলে।

"কি ক'লে আপুনি, মালৱা?"

"কোনখন মালৱা?"

"পঞ্জাবতো কোনো মালৱা আছে নেকি?"

"এই মালৱা ক'ত আছে?"

তেওঁক যেতিয়া কোৱা হ'ল যে ফিৰোজপুৰ, ফৰিদকোট, ভটিণ্ডা, বৰ্ণলা, পাটিয়ালা তথা লুধিয়ানা অঞ্চল মালৱাৰে অন্তৰ্ভুক্ত বুলি ধৰা যায়, তেওঁ যেখোন আনন্দতে নিজৰ বহা ঠাইৰপৰা প্ৰায় জঁপিয়াই উঠিল। এনে লাগিল যেন তেওঁৰ এটা চিন্তা দূৰ হৈ গ'ল। পঞ্জাবৰ মালৱাৰ ভূগোলৰ বৰ্ণনাৰ লগত পাণিনিৰ ভূগোলৰ বৰ্ণনা একেবাৰে

মিলি গ'ল। আগতে তেওঁ এখন মালৱাৰ কথাকে জানিছিল, মধ্য প্ৰদেশত থকা মালৱা। তেখেতে মধ্য প্ৰদেশৰ মালৱাৰ বৰ্ণনাৰ লগত পাণিনিৰ বৰ্ণনা মিলাবলৈ কৰা চেষ্টা সততে ব্যৰ্থ হৈছিল। কিন্তু সেইদিনা এনে সংযোগ ঘটিল যে তেওঁ কোনো যত্ন নকৰাকৈয়ে সফলতা লাভ কৰিলে।

পঞ্জাবৰ এই মালৱা—যাৰ অনুসন্ধান প্ৰাপ্তিয়ে স্বৰ্গীয় ডাঃ বাসুদেৱচৰণ আগৰৱালাৰ দৰে গহীন বিদ্বান এজনক আনন্দত আত্মহাৰা কৰি তুলিছিল, কেইদশকমান আগলৈকে এই মালৱা এক বৰ দুৰ্গম এলেকা আছিল। ইয়াৰ মাটি সাধাৰণতে বালিময়, ওখ-চাপৰ আছিল আৰু পানীৰ অভাৱৰ কাৰণে অঞ্চলটো অনুৰ্বৰ আছিল। ঠায়ে ঠায়ে কেৱল কিছুমান জোপোহা আৰু টুকুৰা-টুকুৰ খেতি দেখা গৈছিল, নতুবা বহু দূৰলৈকে মাটি এনেয়ে চন পৰি আছিল। গাঁৱৰ সীমাৰ বাহিৰ অঞ্চল প্ৰাকৃতিক অৰণ্যৰে ভৰা আছিল। কোকৰ পলাশ, অণ্ড-কৰোল আৰু পীলু ফৰবাহ আদি ডাঙৰ গছেৰে এই এলেকাটো ভৰি থকাৰ ফলত যাতায়তৰ বাবে বৰ কষ্টকৰ আছিল। মালৱাৰ পানী নিমখীয়া আছিল। ভাল পানী অতি বিৰল আছিল। বহুত গাঁৱত গাঁওবাসীয়ে যি পুখুৰীবপৰা খোৱা পানী ব্যৱহাৰ কৰিছিল, পশু-পক্ষীয়েও তাৰেই পানী খাইছিল। পানীৰ কাৰণে প্ৰায়েই ইজন-সিজনৰ মাজত কাজিয়াৰ সৃষ্টি হৈছিল। গাঁওবোৰ বহুত আঁতৰে আঁতৰে থাকিলেও আকাৰত হ'লে ডাঙৰ ডাঙৰ আছিল। জীয়াই থাকিবৰ কাৰণে অধিবাসীসকলে নিৰ্মম প্ৰকৃতিৰ লগত কঠোৰ সংঘৰ্ষ কৰিব লগা হৈছিল। এই এলেকাবোৰত চৰকাৰী শাসন টনকিয়াল নোহোৱা বাবে জনসাধাৰণৰ মাজত চৰকাৰী শাসনৰপৰা মুক্ত হৈ থকাৰ প্ৰবৃত্তিয়েই গা কৰি উঠিছিল। অধিবাসীসকলৰ শৰীৰ আটিল আৰু মজবুত আছিল। মৰম আৰু শত্ৰুতাও গভীৰ আৰু চিৰস্থায়ী আছিল। নিজৰ জীৱন বিপদাপন্ন কৰি হ'লেও মান-মৰ্যাদা আৰু আত্ম-সন্মান ৰক্ষাৰ ক্ষেত্ৰত লাভ-লোকচানৰ কথা নাভাবিছিল। ৰণক্ষেত্ৰত মৃত্যু হৈ বীৰগতি পালে তেনেলোক পাৰিবাৰিক আৰু সামাজিক মৰ্যাদাৰে ভূষিত হৈছিল। মেল-সমাবেশত বীৰৰমূলক গীত গাই শুনোৱা হৈছিল। তেওঁৰ সমাধি তেওঁৰ সোঁত বোৱাই দিয়া বীৰৰৰ কাম বুলি ধৰা হৈছিল। ক'বলৈ গ'লে হিন্দু, মুছলমান আৰু শিখ, তিনিও ধৰ্মৰ লোকেই এই মালৱাত আছিল যদিও প্ৰকৃততে পৰম্পৰাগত লোক-জীৱনৰ আহিতেই সকলোৱে জীৱন যাপন কৰিছিল।

গাঁৱত নাগ-দেৱতাৰ ডাঙৰ মেলা বহিছিল, সমাধি আৰু কবৰত পূজা দিয়া হৈছিল আৰু মানুহ অথবা জীৱ-জন্তুৰ বেমাৰ ঝাড়-মন্ত্ৰৰাৰা আৰোগ্য কৰা হৈছিল। প্ৰত্যেক

গাঁও স্বয়ং সম্পূৰ্ণ আছিল। প্ৰতিখন গাঁৱৰ নিজৰ নিজৰ ঐতিহাসিক পৃষ্ঠভূমি, সমান সন্মান আৰু একে ধৰণৰ সামাজিক ব্যৱস্থাৰ বাবে এক সুগঠিত সামাজিক আৰু সাংস্কৃতিক ব্যৱস্থাৰ উদাহৰণ আছিল য'ত মাটিৰ মালিক জাট্ সম্প্ৰদায়ৰ লোক, বিভিন্ন ব্যৱসায়ত কাম কৰা বনুৱা, বাঢ়ৈ, কাৰিগৰ, সৰু-সুৰা দোকানদাৰ, নিম্নশ্ৰেণীৰ জাতিৰ লোক তথা মহিলা সকলোৰে নিজৰ নিজৰ স্থান নিশ্চিত আছিল।

এই সীমাবদ্ধ, দুৰ্গম আৰু ৰোমাঞ্চক মালৱা অঞ্চলটোক কোনো পঞ্জাবী লেখকৰ লিখনিত প্ৰকাশ হোৱা নাই। তথাপিও এই অঞ্চলটোত মোগলকাল আনকি তাৰ পিছতো বহুতো মহত্বপূৰ্ণ ঐতিহাসিক ঘটনা ঘটিয়েই আছিল। অৱশ্যে বৰ্তমান মালৱাৰ জীৱন, যি যোৱা চাৰি-পাঁচ দশক ধৰি পঞ্জাবৰ খেতি-বাতি, ৰাজনীতি আদিত সক্ৰিয় অংশ গ্ৰহণ কৰিছে তাক অনেক ঔপন্যাসিকে অঙ্কিত কৰিবলৈ যত্ন কৰিছে। তেওঁলোকৰ ভিতৰত বলৱন্ত গাৰ্গী, জচৱন্ত সিং কনৱল, ৰাম স্বৰূপ অণখী, ওম প্ৰকাশ গাসো আৰু ডেকা লেখক কৰ্মজীত কুসা আদি অন্তৰ্গত। কিন্তু 1975 চনত ভাৰতীয় সাহিত্য একাদেমীৰদ্বাৰা পুৰস্কৃত হোৱা গুৰদয়াল সিঙৰ 'অৰ্ধ চান্দনী ৰাত' উপন্যাসখন মালৱাৰ ওপৰত লিখা লিখকসকলৰ ভিতৰত বিশিষ্টতাৰ কাৰণে পাঠক আৰু আলোচকসকলৰ বিশেষ ধ্যান আকৰ্ষণ কৰিবলৈ সমৰ্থ হৈছিল। তেখেতে নিজৰ উপন্যাসত কোনো ৰাজনৈতিক দলৰ সমৰ্থক হ'বলৈ বিচৰা নাই, কিন্তু পাঠকৰ সহানুভূতি আৰু প্ৰগতিবাদৰ দাবী কৰিব পৰা লিখকসকলৰ দৰে তেখেতে সদায় নিজকে দলিত, নিৰ্ধনী আৰু নিৰ্বলী সকলৰ লগতে জড়িত কৰি আহিছে। নিজৰ ৰচনাত তেখেতে পাত্ৰ, ঘটনা আৰু দৃশ্যৰ হুবহু বৰ্ণনা দিবলৈ বিচাৰে। তেখেতক লেখাত উদ্দেশ্যবাদী লিখক যেন নালাগিলেও তেখেতৰ ৰচনা উদ্দেশ্যহীন নহয়। তেখেত প্ৰচাৰক নহয় যদিও ব্যক্তি তথা সমাজৰ সন্মুখত থকা প্ৰশ্নসমূহৰ প্ৰায়বোৰৰ বিষয়ে তেখেতৰ জ্ঞান আছে। 'অৰ্ধ চান্দনী ৰাত" পঢ়ি মোৰ মনত এনে ধৰণৰ কিছুমান প্ৰশ্নৰ উদয় হৈছিল।

যি তীব্ৰগতিত মালৱাৰ পৰিবৰ্তন হৈছে তাৰ বাসিন্দাসকলৰ মনোবৃত্তিৰ ওপৰত আৰু গাঁৱৰ বিভিন্ন বৰ্গৰ লোকসকলৰ পৰস্পৰ সম্বন্ধৰ ওপৰত এই পৰিবৰ্তনৰ বাৰু কি প্ৰভাৱ পৰিছে?

পৰম্পৰাগত মৰ্যাদাৰ ক্ষেত্ৰত আধুনিকতাৰ তীব্ৰ প্ৰহাৰে কিমান গভীৰ আঁচ পেলাব পাৰে আৰু কেনেধৰণৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিব পাৰে বাৰু? অতি কম সময়ৰ ভিতৰত ঘটা অতি বেছি পাৰ্থিব উন্নতিয়ে একেখন গাঁৱৰ আনকি একেটা পৰিয়ালৰ বিভিন্ন বয়সৰ লোকসকলৰ মূল্যবোধৰ ক্ষেত্ৰত কেনেধৰণৰ সংকট সৃষ্টি কৰিব পাৰে বাৰু?

কোনো প্ৰচলিত অৰ্থব্যৱস্থাৰ ওপৰত ব্যক্তিগত বীৰত্বই হানি কৰিব পাৰে জানো ? লিখকে এনে ধৰণৰ প্ৰশ্নসমূহৰ উত্তৰ অতি কৌশলেৰে সৈতে উপন্যাসখনৰ বৰ্ণনাৰ মাজেদি নিষ্পত্তি কৰিছে। সেইবাবেই এই উপন্যাসখনৰ সামাজিক মহত্ব যথেষ্ট। কিন্তু আগতে উল্লেখ কৰাৰ দৰে গুৰদয়াল সিংহই নিজৰ মত বা উদ্দেশ্য প্ৰকট কৰি সুকুৰে। তেখেতৰ কলা-কৌশলৰ সফলতা এই কথাৰপৰা অনুমান কৰিব পাৰি যে কোনো ধৰণৰ প্ৰেম-প্ৰীতিৰ বৰ্ণনা নথকা, কোনো মালৱাৰ তিৰোতাৰ উল্লেখ নথকা আৰু ৰোমান্টিক শৈলীৰপৰা সম্পূৰ্ণ মুক্ত এই উপন্যাসখনিত লিখকে এনে আকৰ্ষণৰ সৃষ্টি কৰিবলৈ সক্ষম হৈছে যে পাঠকৰ বাবে উপন্যাসখন এবাৰ আৰম্ভ কৰিলে মাজতে এৰা কঠিন হৈ পৰে। ইয়াৰ কাহিনী অতি সৰল। মোহনে তেওঁৰ দেউতাক পালা সিংহৰ মৃত্যুৰ প্ৰতিশোধ ল'বৰ বাবে গাঁৱৰ সৰ্বাধিক মাটি আৰু সকলোতকৈ ডাঙৰ পকা ঘৰটোৰ মালিক, মধৰদাৰ ঘণেক হত্যা কৰে, যাৰ পৰিণতি হিচাপে মোহনে আজীৱন কাৰাবাস শাস্তি ভোগ কৰিব লগা হয়। কাৰামুক্ত হৈ গাঁৱলৈ উভটি আহি মোহনৰ সকলো বেলেগ বেলেগ যেন লাগে। তেতিয়া পুৰণি মালৱাই নতুন সাজ পিন্ধিছিল। গাঁৱৰ পৰিৱৰ্তিত বাতাৱৰণৰ লগত নিজকে খাপ খুৱাব নোৱাৰি মোহনে গাঁৱৰপৰা মিলগত নিজৰ খেতিৰ পথাৰত থকা ঘৰত থাকি নিজকে খেতিৰ কামত বিলীন কৰি দিয়ে আৰু লৰা এটি থকা বিধৱা এগৰাকীক কিনি আনি নিজৰ সংসাৰ পাতে আৰু সুখেৰে ঘৰ গৃহস্থী পাতিবলৈ যত্ন কৰে। কিন্তু নিয়তিৰ বিধান আছিল বেলেগ। প্ৰসৱ কাল কটোৱাৰ অজুহাত দেখুৱাই মদনৰ ঘৈণীয়েকক মাক-বাপেকে তেওঁৰ ঘৰৰ পৰা লৈ যায় আৰু পইচাৰ লোভত আন কাৰোবাৰ হাতত বেচি দিয়ে। আন পিনে মোহনে কিবা কথাত খং উঠি নম্বৰদাৰৰ মহলালৈ গৈ চিঞৰি গালি পাৰে। কিন্তু মহলৰপৰা ওলাই নিজৰ ভায়েক সজ্জনৰ হাতত আহত হৈ কিছু সময়ৰ পিছত মৃত্যুমুখত পৰে। এইটো কথা স্পষ্ট যে মালৱাৰ জীৱনৰ কেইবাটাও দিশ প্ৰকাশিত কৰাত সমৰ্থ হোৱাৰ বাহিৰে এই কাহিনীটোত তেনে কোনো বিশেষত্ব নাই। এনে সাফল্যৰ সম্ভাৱনাৰ সুযোগ লোৱাত গুৰদয়াল সিং পাৰ্গত। উপন্যাসখনৰ এনে কোনো পাত্ৰ নাই, তেনেহলে তেনে পাত্ৰই কিছু সময়ৰ বাবেহে উপন্যাসখনত ভুমুকি মাৰিছে বা তেওঁৰ নাম কেৱল উল্লেখহে কৰা হৈছে, সেয়ে নিজৰ বিশেষ ব্যক্তিত্বৰ ছাপ পেলোৱা নাই। নতুন মালৱাৰ বাসিন্দাসকলৰ বাবে বৈঠকত বহি যুক্তি-তৰ্ক কৰিবলৈ সময় বৰ কম। কিন্তু গুৰদয়াল সিঙে উপন্যাসখনত কাহিনীৰ শৃঙ্খলা ৰাখিবৰ বাবে কাহিনীটোৰ পিছৰ অংশ নিশ্চিত কৰিবৰ কাৰণে চৰিত্ৰসমূহৰ আৰু এটা দিশ কুটাই

তুলিবলৈ বৈঠকৰ প্ৰয়োগ কৰিছে। আৰু লেখকে এই সুযোগতে বাৰ্তালাপৰ ভাষাৰ ক্ষেত্ৰত নিজৰ ক্ষমতা প্ৰয়োগ কৰিছে। পঞ্জাবৰ আন কোনো ঔপন্যাসিকে এই ক্ষমতাৰ ওচৰ চাপিব পৰা নাই আৰু কোনো অনুবাদতে এই ভাষাৰ সৌন্দৰ্য ফুটি উঠিব নোৱাৰে।

গ্ৰামীণ শব্দাৱলী অধিক নহ'লেও গাঁৱলীয়া লোকসকলে ব্যৱহাৰ কৰা শব্দৰ চিত্ৰ বনাই বা শব্দৰ মূৰ্তি গঢ়ি, পুৰাণ, ইতিহাস আদিৰ কাহিনী সঠিক স্থানত প্ৰয়োগ কৰি নিজৰ ভাষাক সজীৱ, তীব্ৰ, প্ৰভাৱী আৰু মনোৰঞ্জক কৰি তুলিব পাৰি। গুৰদয়াল সিঙে গাঁৱলীয়া লোকসকলৰ এই স্বভাৱৰ কথা জানে। সেইবাবে তেওঁ ভাষাৰ ক্ষেত্ৰত আৰু প্ৰতিটো চৰিত্ৰৰ মুখত যেনেধৰণৰ ভাষা প্ৰয়োগ হ'ব লাগে ঠিক তেনেদৰেই ৰাখিছে। কিন্তু 'অৰ্ধ চান্দনী ৰাতি'ত তেওঁ উচ্চ সম্প্ৰদায়ৰ লোকৰ ভাষা প্ৰয়োগ কৰা নাই। তেখেতে তলখাপৰ মানুহৰ ভাষাই বেছিকৈ পছন্দ কৰিছিল। গাঁৱৰ সকলোতকৈ ধনী গণ্যমান্য লোক নম্বৰদাৰ ঘণ, যাক উপন্যাসখনত গাঁৱৰ জাট্ সম্প্ৰদায়ৰ হালোৱাসকলৰ তুলনাত বৰ্গৰ জমিদাৰসকলৰ প্ৰতিনিধি হিচাপে প্ৰস্তুত কৰা হৈছে। মোদনৰ প্ৰহাৰত মৃত্যু হোৱাৰ আগতে ঘণে এবাৰো আমাৰ সন্মুখলৈ অহা নাই। ঘণেৰ পুতেকইতো বৰ্গ বিৰোধিতাৰ বাবে মোদনৰ প্ৰহাৰৰ চিকাৰ হয় (অৱশ্যে তেওঁলোকৰ মৃত্যু নহয়।) কিন্তু তেওঁলোকেও প্ৰমুখ চৰিত্ৰ হিচাপে মঞ্চত আমাৰ সন্মুখলৈ অহা নাই। তেওঁলোকৰ ঘৰনো কেনে ধৰণৰ সেই বিষয়েও জনা নাযায়, কিয়নো গুৰুদয়াল সিঙে তাৰ ভিতৰত প্ৰৱেশ কৰিবলৈ মান্তি নহয়। তেওঁলোকৰ কথা-বাৰ্তানো কেনে ধৰণৰ সেই বিষয়েও জনা নাযায়। কিয়নো গুৰদয়াল সিঙে নিজেই সেই বিষয়ে চিন্তা কৰিবলৈ নিবিচাৰে। কিন্তু নিম্ন শ্ৰেণীৰ দুখীয়া বৰ্গৰ প্ৰতিজনকে গুৰদয়াল সিঙে বেলেগে চিত্ৰিত কৰিছে আৰু প্ৰত্যেকৰে চেহেৰা, ঘৰ-দুৱাৰ, ভাষা আদি সূক্ষ্ম আৰু বাস্তৱিকভাৱে প্ৰস্তুত কৰিছে। মোৰ বিশ্বাস যে গ্ৰামীণ মালৱাই ভাষাৰ ফোনোগ্ৰাফিক প্ৰস্তুতিৰ ক্ষেত্ৰতে গুৰদয়াল সিঙক ঔপন্যাসিক হিচাপে দীৰ্ঘায়ু প্ৰদান কৰিব।

নতুন দিল্লীৰ সাহিত্য একাডেমীয়ে যেতিয়া গুৰদয়াল সিঙৰ উপন্যাসকলাক ৰাষ্ট্ৰীয় মঞ্চত মান্যতা প্ৰদান কৰে তেতিয়া ঔপন্যাসিকৰ বয়স আছিল মাত্ৰ বিয়াল্লিছ বছৰ। এই বিয়াল্লিছ বছৰ তেখেতে নিজৰ শিক্ষা, নিজ হাতেৰে বাঢৈ কাম কৰাৰপৰা আৰম্ভ কৰি প্ৰাইমেৰী স্কুলৰ শিক্ষা আৰু তাৰ পিছত কলেজৰ অধ্যাপক হৈ পৰিয়ালৰ অভাৱ দূৰ কৰাত জীৱন অতিবাহিত কৰিছিল। এতিয়া তেওঁৰ অৱস্থা কিছু উন্নত হৈছে।

কিন্তু তেওঁৰ গাম্ভীৰ্য আৰু সাধনাৰ কোনো পৰিৱৰ্তন হোৱা নাই। সেয়ে মই আশা কৰোঁ যে তেখেতে অতি শীঘ্ৰে উপন্যাস ৰচনাৰ ক্ষেত্ৰত 'অৰ্ধ চন্দ্ৰ'ৰপৰা 'পূৰ্ণ চন্দ্ৰ' হিচাপে প্ৰকাশ পাবলৈ সক্ষম হ'ব।

প্ৰীতম সিং

"সিংহ, কোনফালে যায়নো ?"

"নাই, ইয়ালৈকেহে······"

"ইয়ালৈ, ক'লৈ ?"

"এই, আগৰ গাঁৱলৈকে··· ·· ।"

পিছৰ মানুহটোৱে অকণমান হাঁহিলে। আগৰ মানুহটোৱে খঙো নকৰিলে, পিচলৈও ঘূৰি নাচালে।

"এতিয়াতো গাড়ী অহাৰ সময়লৈকে বহুত আন্ধাৰ হ'বগৈ। এনেকুৱা সময়ত দূৰলৈ যাবলগীয়া হ'লে কিমান অসুবিধা হ'ব! আৰব বাবে এতিয়াৰপৰাই অৱস্থা বেয়া হৈছে।" পিছফালৰ মানুহটোৱে নিজে নিজে কৈ কৈ আহি আছিল। পিছে অকস্মাৎ ঘপহকৈ সি আগৰ মানুহটোক সুধিলে,

"ভাই, তই কলা নেকি ?"

"নহয়।"

এনে ধৰণৰ অপ্ৰত্যাশিত, কৰ্কশ উত্তৰ শুনি সম্ভৱ পিছৰ মানুহটোৰ ভয় লাগিল। সি একেবাৰে মনে মনে থাকিল আৰু আগৰটোৰ পাম্প-চুৰ খৰপ খৰপ শব্দৰ গম লৈ আৰু অলপ পিছ পৰি খোজ দিবলৈ ধৰিলে। আগৰ মানুহটো সম্ভৱ ভাল মানুহ নহয় বুলি তাৰ মনত সন্দেহো হ'ল।

"ভাই সিংহ, মই মাত্ৰ এই গাঁওখনলৈকে যাম। তোৰ যদি বহুদূৰ যাবলগীয়া আছে তেন্তে নিঃসন্দেহে তই ইয়াতে থাকি যাব পাৰ। ৰাতিপুৱালেই গুচি যাবিগৈ। হ'বনে বাৰু ?"

"অশেষ ধন্যবাদ !"

মাতত আগৰ নিচিনাই কৰ্কতা দেখি পিছৰ মানুহটোৰ ভয় আৰু বাঢ়ি গ'ল। কিন্তু, বেপৰোৱাভাবে গীত এটিৰ এশাৰী গাবলৈ আৰম্ভ কৰিলে আৰু মাজে মাজে চুয়োৰে মাজত দূৰত্বও বাঢ়িবলৈ ধৰিলে।

"যি গলিৰপৰা যমদূতে লৈ যাব,
শুনিছোঁ সি বৰ ভয়াবহ।
ভাই লৈ যাব······ ।"

সি চিঞৰি গাবলৈ ধৰিলে।

আগলৈ গৈ চাৰিআলি পালেহি। তাৰপৰা যেনেগৈ হৈ পৰা আলিটো লোমাই পিছৰ মানুহটোৰে চিঞৰি মাত দিলে। কিন্তু এইবাৰ তাৰ মাতত বাওফলা চিঞৰৰ লগতে অলপ ব্যঙ্গও আছিল। "আহ ভাই, ইয়াতে বৈ যা। এতিয়া এই আধা ৰাতি ক'লৈ খটং-মটংকৈ যাবি।"

আগৰ মানুহটো মনে মনে শুচি গ'ল। ক'ব নোৱাৰোঁ কিয় তাৰ সেই মানুহটোৰ পগলা ক্লাৰবাৰত খং উঠিবলৈ ধৰিলে। পিছে এই খংটো আচৰিত যেন লাগিল। সি কিমান সলনি হৈ গ'ল, এই ভাবটো তাৰ মনত ইমান দ-কৈ সোমাল যে ফাটেকৰপৰা ওলোৱাৰ পাছত খোজে খোজে তাৰ এইটোৰেই মনত ভাৱ হৈ আছিল। বাবুৰপৰা টিকট খোজাৰ সময়ত, ডবাত উঠা আৰু বহাৰ সময়ত, এনেকৈয়ে নিস্পৃহৰ দৰে লাগিছিল। সকলো মানুহৰ ফালে সি এনেকৈ চাইছিল যেন সচকিত চকুৰে সকলোৰে তাকহে বিচাৰি ফুৰিছিল। তাৰ নিজৰ শৰীৰৰ ওপৰত কেইযাটাও চকুৰ চুম্বন অনুভৱ হৈছিল। নিজৰ চকুকেইটা মাতালৰ চকুৰ দৰে লাগিছিল।

গাড়ীত উঠাৰ পাছত আবেলিলৈকে সি কাৰো লগত কথা নপতা সত্ত্বেও তাৰ মনত এনেকুৱা ভাব হ'বলৈ ধৰিলে যেন সি মানুহৰ লগত কথা-বতৰা পতাৰ ধৰণ পাহৰিয়েই গ'ল।

মানাৰ শক পুখুৰীটোৰ ওচৰ পাই সি গাৰপৰা কম্বলখন শুচালে আৰু চকু তুলি বাঁওফালে থকা পুখুৰীটোলৈ চালে। পুখুৰীটোৰ পাৰত বোৱা তিনিজোপা গছৰ এতিয়া মাত্ৰ এজোপাহে বাকী আছেগৈ। ওখ টিলাটো ক'তো দেখা নগ'ল। যিবোৰ ওখ-চাপৰ ঠাই আছিল সেইবোৰো একেবাৰে সমান কৰি পেলোৱা হৈছে। পিছে এইটো কথা ভাবি জেৱাৰ পাছতো গোটেই মাটিখিনি অচিনাকি যেন লাগিল। বজাৰৰ বিজুলী চাকিৰ তিৰবিৰাণ আৰু ষ্টেচনৰ ডাঙৰ গেছ দেখি প্ৰমাণ পালে যে সি সঠিক বাস্তাৰে আহিছে। পুনৰ ত্ৰিবেণীৰ ফালে চালে। নিমজোপা আগতকৈ ডাঙৰ আৰু গধুৰ হ'ল। কিন্তু বৰগছ আৰু আঁহত গছজোপা এতিয়াও আগৰ নিচিনাই হৈ আছে।

আগৰাড়ি গ'লত বুৰত খুন্দা এটা খোৱা যেন পালে। অনুভৱ হ'ল তাৰ বিচাৰশক্তি যেন নিজৰ স্থানৰপৰা আঁতৰি গৈছে। নহ'লেনো এনেকৈ সন্দেহ হোৱাৰ কি

কাৰণ থাকিব পাৰে? সোত্তৰ-ওঠৰ বছৰ সি এইটো বাটেৰে অহা-যোৱা কৰিছে—শস্ত বেচিবলৈ, চোঁড়া কিনিবলৈ, গোচৰত হাজিৰ হ'বলৈ, ঘৰৰ অন্যান্য কামতো। এই বাস্তাটো সি কেনেকৈ পাহৰিব পাৰে। বৰ হাস্যস্পদ আৰু আচৰিত কথা!

"এহ, এইটো কি কথা!" মুৰটো লৰাই সি যেন নিজৰ মনটোক ধাৰি দিলে আৰু আগলৈ খোজ ল'লে।

আন্ধাৰ আৰু গাঢ় হ'ল। চতুৰ্থীৰ চন্দ্ৰ পাছফালে আছিল। চন্দ্ৰৰ মৃদু পোহৰত চেঁচা ধূলিত খোজ কাঢ়ি নিজৰ ছাঁটোকে ভূতৰ নিচিনা লাগিল। এবাৰ থপহকৈ নিজৰ ছাঁটো দেখি কেলৈ ক'ব নোৱাৰোঁ নিজকে নিজৰে অচিনাকি যেন লাগিল।

আটাইতকৈ ডাঙৰ কথা হ'ল তাৰ দাঁতিৰ কুঠৰীত থকা বুদ্ধেটুপুৰ কথা মনত পৰিল বাতিপুৱা দাঁত ঘঁহাৰ সময়ৰেপৰাই হাঁহিবলৈ আৰম্ভ কৰে আৰু আধা ৰাতিলৈকে হাঁহিয়েই থাকে। হাঁহোতে হাঁহোতে কোৱাৰি বিবাবলৈ আৰম্ভ কৰে। নিজেও সকলো সময়তে হাঁহিয়েই থাকে। খেমালিৰ বাহিৰে সি কোনো কথাকে ভাবিব নোৱাৰে। কিমান যে উৎপাত কৰে! দাড়ি আধা বগা হৈ গ'ল, কিন্তু সক ল'ৰাৰ নিচিনাকৈ অইনকো "চেনি-মিঠাই" খেলিবলৈ লগাই দিয়ে। সি তাতকৈ এক বছৰৰ আগতে জেলৰ আহিছিল আৰু এতিয়াও সত্তৰ আৰু দুবছৰ থাকিব লাগিব। যাবৎ-জীৱন কাৰাদণ্ড খাটিছিল।

যেতিয়াই ঘৰৰ কথা ওলায় তেতিয়াই টুপেৰে খেমেলীয়া সুৰত মুৰ লৰাই কয়, "চা, আমিতো আইতাৰ ঘৰলৈ আহিছোঁ। নাই আৰ্জন কৰিবলৈ চিন্তা কৰিব লাগে, নাই ল'ৰা-ছোৱালীৰ কুৰ্তা-পায়জামাৰ, জোতা-জোতাৰ চিন্তা কৰিব লাগে। চাচোন একেবাৰে জোঁৱাই ল'ৰাৰ নিচিনাকৈ আছোঁ। ঘৰত থাকিলেতো মাটিৰ লগত মাটি হৈ, একেবাৰে গাধ হৈ থাকিব লাগে। পুহ-মাঘ মাহৰ ৰাতি এনেই জীৱ ওলাই যায়, তাতে আকৌ পানী তোলাৰ কাম। ইয়াত চাহাব হৈ বুৰি ফুৰিছোঁ, সময়মতে খোৱা, সময়মতে উঠা, সময়মতে শোৱা, সময়মতে কাম কৰা—মানুহকনো ইয়াতকৈ আৰু কি লাগিছে? আৰু কিহৰ কাৰণে চিন্তা কৰিম? লেখেলা-চেপেটা ভিৰোতাজনী, তাকো মই ইয়ালৈ অহাৰ পাছত সকৰে চন্তালি ল'লে। গাঁৱৰ মানুহে আহি মোক এই কথাটো তৃতীয় মাহতে কৈ গ'ল। পিছে সকৰে ভয় বা সংকোচত জনাহেও মোক লগ পাবলৈ অহা নাই। কি যে পাগল মানুহ! যৱক মই সুখীহে হৈছোঁ বুলি খবৰ দিছোঁ—ঘৰৰ সম্মান ঘৰতেই বৈছে। যদি মানুহৰ দুৱাৰে-দুৱাৰে মুৰ খুন্দিয়াই ফুৰিলেহেঁতেন তেতিয়াহ'লে জানো নিজৰ সম্মান থাকিলহেঁতেন? সেইবুলি জনোৱাতহে

ভাইটোৱে পুনৰ মোক লগ পাবলৈ ইয়ালৈ অহা-যোৱা কৰিছে। এতিয়াতো তাই নিজেও আছে। ...... প্ৰথম-দ্বিতীয়বাৰ অ'হেঁ'তে সেউজীয়া আৰু গোলাপী ৰঙৰ ফুলকৰা বেচৰৰ কাপোৰৰ ওৰণি লৈ আহিছিল, আৰু কইনাৰ নিচিনাকৈ ডেৰ হাত দীঘল ওৰণি টানি থিয় হৈছিলহি। মন্নো সৰু হোৱা নাই নহয়। মই কৈছিলোঁ— "ভগৱানৰ ইচ্ছাত এতিয়া ৰবজনাবৰ ভৰিত হাত লগাই দে......।" তাই হাঁহি দিলে। এতিয়া ভগৱানৰ কৃপাত হীৰাৰ নিচিনা দুটা ল'ৰা সিহঁতৰ। সিহঁতে তাত আৰাম কৰি আছে আৰু মই ইয়াত বৈ আছোঁ...... গাড়ী চলি গৈ আছে। সেইটোও মোৰ নিজৰ ঘৰ আৰু এইটোও মোৰ নিজৰ ঘৰ।"

"কিমান ধৰণৰ মানুহ যে এই সংসাৰত আছে!" সি ভাবিলে আৰু তাৰ লগে লগেই তাৰ মনটো উদাস হৈ গ'ল। কাৰণ একো বুজি নাপালে। কেৱল এনেকুৱা লাগিল, যেন জেনৰ খদ্দেৰোৰ এৰিবলগীয়া হোৱাৰ কাৰণে দুখ লাগিছে। টুপেঞে যেতিয়া হাঁহি হাঁহি কৈছিল—"শুকৰে তোক পুনৰ আইতাৰ ঘৰলৈ আনক। এনেয়ে খং নকৰিবি। ইয়াৰ নিচিনা আৰাম সঁচাকৈয়ে ক'ৰবাত পাবিনে?" সেই সময়ত জেনৰ লগৰীয়াৰ মোহ আৰু বেছি বাঢ়িছিল। এবাৰতো চিঞৰি চিঞৰি কান্দিবলৈও [illegible] গৈছিল।

তাৰ নিজৰ এই অৱস্থাতো বৰ আচৰিত যেন লাগিল। মানুহ ঘৰলৈ উভতি আহিবৰ সময়ত জানো উদাস হয়? বজাৰবপৰা ঘৰলৈ উভতিবৰ সময়তো তাৰ ম'হটোৱে গোটেই বাস্তা জঁপিয়াই আহে। কিমান চাগৈ ভাগৰুৱা আৰু ভোকাতুৰ আছিল, তথাপি অইন ম'হক আগত যাবলৈ নিদিয়ে, যিখিনিতে বলং নাইখা এটলীয়া বাস্তা পায় তাতে দৌৰাৰ নিচিনাকৈ বেছিকৈ দৌৰিছিল, নাকী চস্তালিবলৈ নিদিছিল।

সি আকৌ এবাৰ মুৰ তুলি চালে। খিংগৰ গাঁও ওচৰ চাপি আহিল। ঘৰৰ বাহিৰৰ যেবৰ কাৰত ওখ ওখ সিজু, নিম, বকুলৰ গছৰ দৃশ্য বৰ আচৰিত লাগিল। গাঁৱত ভুকি থকা কুকুৰ, দুই-এঠাইত জ্বলা লেম-চাকিৰ পোহৰ আৰু এহাল চোতালৰ সন্মুখত জলি থকা জুইৰ শিখা সকলোবোৰ আচৰিত-আচৰিত যেন লাগিল। যেন সাধু শুনাৰ সময়ত কল্পনাত কোনোবা গাঁৱৰ দৃশ্যহে দেখিছে।

আলিবাটটো পোমেপোনে গাঁৱৰ মাজেদি গৈছে। ওপৰেদি গ'লে বহুত ঘূৰিব-লগীয়া হয়। সকলো মানুহ গাঁৱৰ মাজেদিহে ওলায়। কেৱল গৰু গাড়ীবোৰহে বাহিৰৰ বাস্তা হৈ যায়। তথাপি পিছে সি বাহিৰৰ আলিবাটটোৰেদিহে খোজ ল'লে।

গাঁও এৰিয়াও তুখন পথাৰৰ দুৰত থাকোঁতেই সি তাৰ মুখখন কম্বলখনেৰে ঢাকি ল'লে। কোনোবাই তাৰ পিছ লৈছে বুলি সন্দেহ হৈ গৈ থাকোঁতেই সি ভয়ে ভয়ে কেইবাবাৰো পিছফালে ঘূৰি চালে।

এইখন গাঁৱৰ একক্ৰোশ মান আগৰপৰা সিহঁতৰ গাঁৱৰ খেতি আৰম্ভ হৈছে। নিজৰ গাঁৱলৈ অলপ দুৰ থকাৰপৰা তাৰ উদাসীনতা যেন একেবাৰেই নাইকিয়া হৈ গ'ল। তাৰ এনেকুৱা লাগিল যেন ভৰিৰ তলত থকা মাটিখিনি—কোনোবাই যিখনেৰে ভুৰভুৰীয়া কৰি যোৱা মাটিখিনি সিঁচৰতি কৰি থৈছে—তাৰ খেতিৰ মাটি। ...... মাটি যে কেনেকুৱা বস্তু! সংসাৰখনো মাটিৰেই গঢ়া, আৰু মানুহ মাটিতেই মিলি যায় বুলি কয়। সম্ভৱ সেইকাৰণেই তাৰ মাটিৰ প্ৰতি ইমান মোহ হৈছে ......।

তাৰ মনটো আনন্দত নাচি উঠিল। সমুখৰ প্ৰায় ছয় ফুট দীঘল মাটিৰ ঘেৰটো পাৰ হোৱাৰ পাছত ঠাইখন অলপ ওখ দেখা গ'ল—যেন কিছুমান সৰু সৰু পাহাৰহে। কিন্তু, সেইখিনিত যে বকুল গছবোৰ আছিল সেইবোৰৰ এজোপাও দেখা নগ'ল। ধেৎ, পতাকা থকা খেতিখিনিৰ ওচৰত নিশকতীয়া বগৰিৰ গছ এজোপাহে বাচি আছেগৈ। উদ্দৎ ঘেৰটো দেখিবলৈ বেয়া হৈছে। কিন্তু, যেৰ সেইটোৱেই, যাৰ লগত তাৰ ল'ৰাকালৰেপৰা এতিয়ালৈকে এৰাব নোৱৰা সম্বন্ধ।

সোঁফালেদি এটা সৰু চৰাই টিক্-টিক্ কৰি উৰি গ'ল আৰু পোৱালি চৰাইটো অকলে ঘেৰটোৰ ফালে উৰি গৈ আইনাৰ গিলাচত শব্দ কৰাৰ দৰে শব্দ এটা কৰি আন্ধাৰত মিলি গ'ল। সি উচপ খাই উঠিল আৰু তাৰ মূৰৰপৰা ভৰিলৈকে কঁপনি উঠি গ'ল।

সিহঁতৰ পথাৰখন আৰু আগলৈ আছিল। আলিটো সিহঁতৰ নলাটোৰ দাঁতিয়েদি গৈছিল। ৰাস্তাটো বেঁকা আছিল। আলিটো ঘূৰাৰ কুৰি খোজমান আগতেই তাৰ কলিজা ধপ্‌ধপাবলৈ ধৰিলে আৰু কান্ধত আঁৰি লোৱা ফুল থকা মোনাটোৰ ফিটাডাল তললৈ খহি পৰিল। অলপমান বৈ মোনাটো ঠিক কৰি ল'লে আৰু মোনাত থোৱা কিছুমান পুৰণা কাপোৰ আৰু ল'ৰা-ছোৱালীৰ খেলনা পিটিকি চালে। কম্বলখন ভালদৰে মেৰিয়ালে আৰু জোতাত লগা চেঁচা বালিবোৰো জোকাৰি ল'লে। আগবাঢ়ি গৈ যেতিয়া আলিটোৰ মূৰ পালেগৈ তেতিয়া সেইফালে মুখ কৰিবলৈ মনে মানামিলে। খোজ ঢিলা হৈ গ'ল। সি চিধা ৰাস্তাৰে আগবাঢ়িয়েই থাকিল।

একে জঁাপেই তাৰ ৰাস্তা সলনি হৈ গ'ল। একেবাৰে পোনে পোনে গুচি গ'ল। তুই দাঁতিত ক'তো পথাৰৰ সীমা নাই, ন-পুৰণি গছ-গছনিও নাই। এনেহেন

লাগিছিল যেন যুগা-ক'লা ৰবণৰ নতুন বাটেহে তাৰবাবে বন্ধা হৈছে। গাঁৱৰ দুয়োপিনে কোনো গছ-গছনি দেখা নগ'ল। পুৰণা ৰাস্তাৰ কোনো চিন-মোকামেই নাই। মাটিৰ সীমা পুনৰ বিতৰণৰ বাবে চাগে ওলট-পালট হ'ল। এই কথাটোৱে তাৰ মন আৰৌ উদাস কৰি পেলালে। আঁঠুত ঠাণ্ডা লগাৰ কাৰণে ভৰিবোৰ কঁপিবলৈ ধৰিলে। সোঁ ভৰিত মোচোকা খাই বিবোৰাত লাহে লাহে খোজ দিবলৈ ধৰিলে।

ভালদৰে চালত গাঁওখন তাৰ বৰ অচিনাকি যেন লাগিল। কোঠাটোৰ সাত ঠাইত জ্বলি থকা চাকি দেখা গ'ল। কেতিয়াবা গোটেই গাঁৱত তিনিটা কুঁৱা হৈছিল। এটা তাৰ নিজৰ পকা আৰু দুটা কেঁচা—পৰতাপ আৰু দয়ালোৰ। গাঁ'ওখন কিছু বহলো হ'ল যেন লাগিছে। এইকালৰ ৰাস্তাতো বহুত নতুন ঘৰ হ'ল গাঁৱৰ বাহিৰৰ কাষৰ ৰাস্তাৰ দাঁতিত থকা বকুল গছবোৰৰ এতিয়া এজোপাও নাই। মুৰ নথকা কুঁৱাটোৰ আঁহত গছৰ ডাঙৰ পৰিয়ালৰ ভিতৰত কেৱল চাৰিটা ঠাল ৰৈছেগৈ।

আৰু ওচৰ চাপিলত তাৰ চকু জলক-তবক লাগি গ'ল আৰু এনেহেন ভাব হ'ল যেন সি লোকৰ গাঁৱতহে সোমাইছেহি।

আঁঠুটোৰ বিষ বাঢ়ি আহিল। কিছু সময়ৰ পাছত এনেকুৱা লাগিল যেন সি চোঁচোৰাইহে আগবাঢ়িছে। তাৰ পিছত ক'ব নোৱৰাকৈ ভিতৰৰপৰা ধোঁৱাৰ মিচিনাকৈ ধূলি কিছু উৰি আহি তাৰ মুখত পৰা যেন অনুভৱ হ'ল। এটা আচৰিত চিন্তাই জুইৰ লেলিহান শিখাৰ দৰে তাৰ দেহটো পুৰি পেলাবলৈ ধৰিলে। সি আজি আহিব বুলি কাৰো মনতেই নাই। যোৱাবাৰ ভাইটোক লগ পাওঁতে সম্ভৱ সি এই দিন আৰু তাৰিখৰ কথা কৈছিল। আৰু কোৱা নায়েই জানিবা, জনাটো সিহঁতৰ দায়িত্বও নহয় নেকি? যাক......কিবা কাৰণত যেনিবা সেইখিনি নাপালে-গৈয়েই, কিন্তু সেইবুলি ষ্টেচনলৈতো আহিব পাৰিলেহেঁতেন!

মনটো সঁচাকৈয়ে উদাস হৈ গ'ল। এনে সময়তে তাৰ মনলৈ আহিল তাৰ পৰিয়ালৰ বাবে ওখ ঠাইত সজা ঘৰটোৰ কথা। সি কিছু সময় স্থিৰ হৈ থাকিল, যেন সি কোনোবা পুৰণা বন্ধুহে লগ পালে। গাঁৱৰ তিনি-চাৰিখন পথাৰ পাৰ হৈ এটা চাৰিআলি পাই ওখ ঠাই টুকুৰাৰ কাষে ঘূৰিলে। কমাৰৰ ঘৰৰ দাঁতিয়েদি পাৰ হওঁতে সি চকু ফুৰালে। গোটেই ঘৰটো একেদৰেই আছে। চৰখন কাৰিকৰৰ চাকি-কল সেই আগৰ দৰে থিয় হৈ আছে, কিন্তু কলটোৰ ঠাই সলনি কৰা হৈছে। তাৰ কাৰখানাৰ মেৰত এটা খুঁটা পৰি আছে আৰু চালত দিয়া খাপৰিবোৰ আগতকৈ বেলেগ যেন লাগিছে। কিন্তু ইয়াত নতুনকৈ লগোৱা বস্তু একো নাই।

মানুহ এটাই কান্দত কিবা এটা লৈ লৰ মাৰি গলিটোৰপৰা বাহিৰ হৈ গ'ল আৰু তাৰ পিছফালেদিয়েই পাহাৰীয়া খেতিখিনিৰ কালে গ'লগৈ। তাৰ পলাই যোৱাৰ ধৰণটো একেবাৰে কুঁজা গজ্জনৰ দৰে লাগিছিল। অনায়াসে সি মাত দিব পাৰিলে-হেঁতেন। তথাপি পুনৰ তাৰ আৰু কিবা তাৰ আছি গ'ল আৰু সি মনে মনে তাৰফালে চাবলৈ ধৰিলে। মাত মাতিব নোৱাৰিলে।······আচলতে সিয়েই, গজ্জন। বেকৰলী খেতিৰ ফালে ঘুৰি গ'ল।

ওথ ঠাইত থকা ঘৰটো সমুখত দেখা পালে। ঘৰটোৰ দাঁতি-কাষৰিয়ে কেৱল কপাহৰ খেতি দেখি সি অলপ থমক খাই ৰ'ল। ওথ ঠাইটুকুৰাও ওপৰৰ ফালে সক কৰা যেন মনে ধৰিলে। তাৰ গাঁৱৰ ওচৰৰ মাটিৰ সীমাত চিচু আৰু নিম গছ ডুজোপা ক'তো নেদেখিলে। এইপিনে থকা ঘৰৰ বাটচ'ৰাৰ দুৱাৰখন সক কৰা যেন লাগিল। পদুলিমুখত থকা নিম গছজোপাৰো মাত্ৰ চাৰিভাল মান ঠালহে আছেগৈ। সি যিমানেই ওচৰ চাপি আহিল সিমানেই তাৰ মন আতুৰ হৈ পৰিল। ইয়াত আগৰ দৰে একোকেই দেখা নাই যেখোন!

ঘৰটোলৈ সোমাবলৈও কোনোফালৰপৰা বাস্তা বিচাৰি নাপালে। কপাহ এইপিনে ঘনকৈ হৈছে। বালীয়া মাটিত ইমান কপাহ হোৱা দেখি সি আচৰিত হৈ গ'ল। ওথ ঠাইটুকুৰাও যেন ওপৰৰপৰা চাক কৰি পেলালে। মাটিডোখৰো তাৰ সম্পূৰ্ণ বেলেগ যেন অনুমান হ'ল। বাঁওফালে ঘুৰি নলাটো দেখিলে, কিন্তু সেইফালেদিয়েই তেটা ভাঙি পথাৰৰ সীমাৰ কাষেদি পানীখিনি বৈ গৈছে।

সেইফালেদিয়েই ওলাই চাপটো পাৰ হৈ যেতিয়া সি ঘৰ পালেগৈ তেতিয়া সি বিশ্বাসেই কৰিব নোৱাৰিলে যে এইটোৱেই সেইটো ঘৰ য'ত সি এজন যুৱক হৈছিল, য'ত সি গোটেই পৰিয়ালটোৰ মুখিয়াল হৈ কেইবা বছৰো পৰিয়ালটোক চলাই আছিল।···বাটচ'ৰাৰ দুৱাৰখন ভাগি পৰি কোনোমতেহে কঁকালৰ সমান ওথ হৈ থিয় দি আছে। দুই-এক ঠাইত জাঁপ মাৰি পাৰ হৈ যাব পাৰি। দুৱাৰৰ কাষত ঘাঁহ-বন ভৰি পৰিছে। হাউলি হাতখন মাৰি পঠিয়ালত কিবা কাঁইটীয়া গছৰ কাঁইট সোমাই গ'ল। বিষত চকুৰ পানী ওলাই আহিল—কাঁইটৰ ইমান বিষ!···কথাবোৰ একো ধৰিব নোৱাৰিলে।

পিছপিনৰ কোঠাটোৰ সমুখৰ দেৱালখন খহি পৰিছে। সি তাৰপৰা পাৰ হৈ ভিতৰলৈ আহিল। ভিতৰখনত ঘাঁহ-বনেৰে ভৰি পৰিছে। ঠায়ে ঠায়ে কীকৰ আৰু বগাঁৰৰ ঠাল পৰি আছে। ইয়াত গৰখীয়াই আহি গৰু চৰায় যেন লাগিছে। দেৱালৰ

লগে লগে কৰা খুটাবোৰো একেবাৰেই ভাগি গৈছে। ৰাটচ'ৰাৰ দুৱাৰখনৰ দুয়োপাট দুৱাৰ এক্কৰাই পেলোৱা হৈছে। এপিনেদি চৌকাঠটোও বেঁকা হোৱা যেন লাগে। ওপৰৰ সকলোবোৰ ইটা খহি গৈছে। ক'লা দুৱাৰখন বৈত্যাই মেলি থোৱা মুখখনৰ দৰে ভয় লগা হৈছে (কেতিয়াবা জুইৰ ওচৰত বহি এই দুৱাৰখনৰেই, তলৰ খেতিত পিঁচা কোমল হালধীয়া শস্যবোৰ হাতখন মুঠিমাৰি 'দুৰবীণ' কৰি চাইছিল, আৰু সেইটো তাৰ কল্পনাৰ বৰ মধুৰ দৃশ্য আছিল)। বাঁওহাতে দেৱালৰ কাষতে ভাত ৰান্ধিবলৈ কৰা ঠাই টুকুৰাত পিছত সি এখন চালিও দি দিছিল। সেইবোৰৰ এতিয়া চিন-চাবেই নাই। দুয়োটা কোঠাৰ দুৱাৰ বন্ধ কৰাই আছিল। দুয়োটাতে ডাঙৰ ডাঙৰ তলাও মৰা আছে। কিন্তু দেৱালৰ মাটিবোৰ জহি যোৱাৰ কাৰণে ইটা ওলাই পৰিছে। ওপৰৰ ছালখনো ভাগি পৰিব যেন লাগিছে। বাঁওহাতে থৰি থোৱা ঘৰটোৰ ঠাইত এহাতমান টিনৰ টুকুৰা এটাহে আছেগৈ।

...আৰু এইবোৰ দেখাৰ পাছত যেন ভাব শূন্য হৈ গ'ল। দহ বছৰে সি এই ঘৰৰ সপোন দেখিছিল। সি প্ৰতি দুই-তিনিদিনৰ মূৰে মূৰে এনেকুৱা সপোন দেখিছিল যে পিছদিনাখন এই ঘৰটোৰ কথাকে ভাবি কটাইছিল। নিজৰ লগৰীয়াবোৰৰ লগত ইয়াৰ কথাকে পাতিছিল। সি এখন্তেকো ভৱা নাছিল যে সি অহাৰ পাছত ঘৰখনৰ এই অৱস্থা হ'ব।

পিছ মুহূৰ্ততে সি চকুৰে সৰিয়হ ফুল দেখিবলৈ ধৰিলে আৰু মূৰ ঘূৰাই একো নেদেখা হ'ল। মাটিৰে তৈয়াৰী নগ্ন ইটাৰ দেৱালত ভেজা দি সি কিমান সময় বৈ আছিল ক'ব নোৱাৰে। কাণত সোঁ-সোঁ শব্দ হ'বলৈ ধৰিলে আৰু মূৰটো এনেকুৱাকৈ গৰম হ'বলৈ ধৰিলে যেন কোনোবাই গৰম চাহহে ঢালি দিছে।

কিছু সময়ৰ পাছত তাৰ ভাব হ'ল—তাক যেন কোনোবাই তাত থিয় হৈ থকা দেখিছে, আৰু দৌৰি গৈ গোটেই গাঁওখনতেই চোৰ-চোৰ বুলি হুলস্থুল লগাই দিব।...সি অনায়াসে জাঁপ মাৰি দুৱাৰখন পাৰ হৈ বাহিৰ ওলাই আহিল।

গাঁৱত সঁচাকৈয়ে অলপ হুলস্থুল লাগিছিল। ডাঙৰ মাত, চিঞৰ-বাখৰ, তই-তই, মই-মইৰ কোঢ়াল শুনা গ'ল। কোনোবাটো মাত চিনাকি যেনো লাগিল। বেগা-বেগিকৈ সি কপাহ খেতিৰ সেই ঢাপটোৰেদি ঘূৰিলে আৰু মানাবালা গলিটোৰেদি আগবাঢ়িল। কিন্তু গলিটোত সোমোৱাৰ আগতে নিহালে চৈনীৰ দুৱাৰ মুখত দপদপাই জ্বলা জুইকুৰা দেখি সি আতঙ্কত থিয় হৈ ৰ'ল। ভিতৰৰপৰা অহা পোহৰ গলিটোত পৰিছে। দুৱাৰ মুখত কোনোবা ল'ৰা এটাই জুইৰ ওচৰত ঘূৰি ফুৰা মাকৰ

জগত ভ'ঙৰ মাতেৰে কাজিয়া কৰিছে আৰু অন্তৰ বাদ্ধ খুলিছে। জুইৰ ৩চৰৰপৰা নিহালে চৈনীৰ ঘৈণীয়েক পৰিচিন্নীয়ে শুংতে উন্মত্ত হোৱা ল'ৰাটোক কথা শুনাইছে।

"আহিবলৈ দে তোৰ দেউতাৰক! তেতিয়া ক'ম নহয়, পুতেকে কি কি কথা কৈছে। ...আৰে বুজিছ, দুদিন আহিল, চম্ম নহওঁতেই মোৰ মুৰৰ চুলি ছিঙিবলৈ আহিছে, আগলৈ আৰু হৈছে আমাক মূৰৰ ওপৰত লৈ ফুৰিব।"

"তই এতিয়াই গৈ তাক কৈ আহ", ল'ৰাটোৱে ভাইহুকৈও জোৰেৰে চিঞৰি উত্তৰ দিলে। "সি কি মোৰ ওপৰত দাৰোগা ওলাবলৈ আহিছে!...বেচিকৈ বলকি থাকিলে মই গৈ ফৌজত ভৰ্তি হ'মগৈ। কাম কৰি কৰি হাত পুৰি গ'লেও নাম নাই।"

"যা যা, নাম ভৰ্তি কৰোৱা মানুহবোৰ তোৰে অপেক্ষা কৰিয়েই বহি আছে আৰু হাত লৈগৈ তোক চিধাই লেফটেনেণ্ট কৰিব নহয়। চাই ল তোৰ নিচিনা নিকৰ্মাবোৰে মেলাত তন্দুৰবালাৰ বাণ্টি ধঁহাবহে কাম কৰে—বৰ ওলাইছে মহাপুৰুষজন।"

খুব ভালকৈ সি ভাবিলে—এইটোনো নিহালেৰ কোনটো ল'ৰা। কিন্তু, মাহুটো বুজিব পৰা নগ'ল। তাৰ পাছত মনত পৰিল বাৰ-তেৰ বছৰৰ আগতে যেতিয়া নিহালেৰ পৰিয়ালে ঘৰ এৰি ভিতৰৰ ঘৰলৈ গৈছিল, তেতিয়া তাৰ সৰু ল'ৰাটো পাঁচ-ছবছৰীয়া আছিল। তাক সকলোৱে 'ভীটী-ভীটী' বুলি মাতে। বোধকৰোঁ গিয়েই। বৰ উৎপতীয়া আছিল। মাটিৰ খেলনা বেচা বেপাৰী আহিলেই সি তাৰপৰা পেঁপাটো লৈ সকলোৰে কাণত বজাই ফুৰিছিল। কোনোবাই ভয় খোৱা দেখিলে সি ইমান জোৰেৰে খিলখিলাই হাঁহে যে ডিঙিত চৰহা মাৰি ধৰি মৰা যেন হয়। নিহালেৰ আটাইকেইটা ল'ৰাৰ ভিতৰত তাকেই ভাল লাগে।

তাৰ বৰ মন গৈছিল খুড়ী পৰচিন্নীক (খুড়া নিহালেৰ ঘৈণীয়েক হোৱাৰ কাৰণে খুড়ী নিহালী বুলি মাতিছিল) সেৰা এটা জনাই যাবলৈ। সি কল্পনা কৰিবলৈ ধৰিলে যেনেকৈ তাক দেখিলেই পৰিচিন্নী খুড়ীৰ আঁথে ভাজিলে ফুটাৰ দৰে এই মাত একেবাৰে মাখনৰ দৰে কোমল হৈ যাব। এইটো কথা ভাবি খুড়ীজনীৰ প্ৰতি তাৰ বৰ মোহ হ'ল। পৰিচিন্নী খুড়ীয়ে যিদৰে তৎক্ষণাৎ স্বভাৱ সলনি কৰিব পাৰে সেইদৰে যেই-সেই তিৰোতাই নোৱাৰে। যেতিয়া খং উঠে তেতিয়া খঙৰ মাত্ৰা জ্বৰৰ পাৰা উঠাৰ দৰে ওপৰলৈ উঠি যায়, কিন্তু সেই সময়তে কোনোবাই হাঁহি মাতিলেই বা কোনোবা ওচৰ-চুবুৰীয়া আহি বহিলেই তৎক্ষণাৎ ফুলৰ নিচিনাকৈ তেওঁৰ মুখত হাঁহি ওলাই পৰে। লগে লগেই হাঁহি হাঁহি কিমান মিঠা কথা ক'ব, কিমান নম্ৰ হৈ ঘৰলৈ অহা আলহীক সোধ-পোছ কৰিব! কেতিয়াবা সঁচাকৈয়ে সেই মানুহবোৰক মিঠা কথা কৈ

ঠগা যেন লাগে। সেইকাৰণেই তিৰোতাবোৰে তাইৰ নাম সেইটো দিলে। কিন্তু সি সৰুৰেপৰাই পৰচিন্নী খুড়ীৰ এই দুমুখীয়া স্বভাব সকলো সময়তে দেখি আহিছে। নিজৰ মাকৰ বাহিৰে যদি সি আন তিৰোতাক ভাল পাইছিল তেন্তে সেয়া আছিল পৰচিন্নী খুড়ীয়েই।

গলিটোত সোমাওঁতেই কপালখন চাটি মাৰি মূৰেৰে সৈতে মুখখন ঢাকি ল'লে। কিন্তু জুইকুৰাৰ পোহৰ আৰু তীব্ৰ হৈ উঠিল। সি মুখ লুকুৱাই তাৰপৰা ওলাই যাবলৈ চেষ্টা কৰিলে। কিন্তু ওলাব নোৱাৰিলে। দুৱাৰ মুখলৈ আহি ভালদৰে ভিতৰখন চালে। পৰচিন্নী খুড়ী নিজৰ ৰক্ত-আৱৰ্ত দেহাটো লৰাই এখন বিছনা চোঁচোৰাই চোঁচোৰাই পিছফালৰ কোঠাটোলৈ টানি নিছে। মাতৰ তিতা অলপ কমি গৈছিল যদিও ল'ৰাটোক গালি পাৰিবলৈ এতিয়াও এৰা নাছিল। ডেকা ল'ৰা এটাই দুৱাৰমুখৰপৰা পাছি এটা লৈ ভিতৰৰপৰা ওলাই, ভোৰভোৰাই ভোৰভোৰাই সন্মুখতে থকা বস্তু বিচনেৰ ঘৰটোৰ ফালে আগবাঢ়িল। তাক ভিতৰৰপৰা ওলাই অহাত সি দেখিলে—সুঠাম ডেকা ল'ৰা এটা চেহেৰাত তাৰ নিজৰ আত্মীয় যেন লাগে। ল'ৰাটোৱে এবাৰ তাৰ ওপৰত দৃষ্টি ফুৰালে আৰু বস্তু বিচ:নৰ ঘৰত সোমালগৈ।

বাকী আটাইবোৰ গলিতে খোপ্ মৰা এক্কাৰ বিয়পি আছে। দুয়োফালৰ ঘৰবোৰৰ দুৱাৰ বন্ধ। কাৰোবাৰ কাৰোবাৰ ঘৰৰ দুৱাৰৰ ফাকেৰে অকণ অকণ পোহৰ ওলাইছে। কিন্তু বেছিভাগ মানুহেই খাই-বৈ উঠিছে। গলিটো আগৰদৰেই আছে। নত্যৰ পদূলিয়েদি ওপৰলৈ উঠিব লাগে আৰু মিয়ানৰ পদূলিৰ দাঁতিয়েদি তললৈ নামি যাব লাগে। পাৰ্থক্য কেৱল এইটোৱেই দেখা গৈছে যে যিবোৰ ঠাই গাত আছিল সেইবোৰ সমান আৰু যিবোৰ ওখ ঠাই আছিল সেইবোৰ চাপৰ কৰি পেলোৱা হৈছে। কিছুমান ঠাইত গাত হৈও গৈছে। দুয়ো কাষৰ ঘৰবোৰৰ ভিতৰত কেৱল খেৰজীৰ পৰিয়ালেহে নতুন দুৱাৰত হাত দিছে আৰু লগতে পকা কাৰ বহাৰ সাজিছে। বাকী আটাইবোৰ ঘৰৰ বেৰালবোৰ আগৰদৰেই কেঁচা মাটিৰে লিপাই আছে। গলিৰ ভাঁজটোত থকা দীপনৰ ঘৰৰ বাৰান্দাৰ কাষতে যি এডাল শকত গছ গজিছিল সেইডালো একেঠাইতে আছে। পিছে কেতিয়াবা গৰু গাড়ীৰ খুন্দা খাই অলপ বেঁকা হৈছে।

পুনৰ গলিটো ঘূৰোঁতেই মিয়ানে মৌড়ৰ ঘৰৰ ওপৰত তাৰ চকু পৰিল। ঘৰৰ ৰং-চঙেই সলনি হৈ গৈছে। লোহাৰ কজা থকা এপটীয়া দুৱাৰৰ সলনি এতিয়া নতুন

খাটাম লগোৱা কাঠৰ দুৱাৰ হ'ল আৰু দুৱাৰৰ দুয়োপিনে লোহাৰ বৰ দিয়া খিৰিকীও লগোৱা হ'ল। দুৱাৰৰ বাঁওপিনৰ বহা ঠাইত এখন বৰ দীঘল চাৰি কৰি লৈছিল। তাৰ দাঁতিয়েদি যাবলৈ তাৰ বৰ সঙ্কোচ লাগিল। পিছে আক ঢুখোজমান আগবাঢ়ি গৈ আগন্তুকৈও আচৰিত হ'ল যে "সিইঁতে" গাঁৱৰ আটাইবোৰতকৈ ভাল ঘৰ সাজিলে।

তাতো পকা ঘৰ সাজিলে। 'সিইঁতেই' সাজিছে চাগৈ! সি অনুমান কৰিলে (কিয়নো পাঁচ-ছয় বছৰতো সি 'সিইঁতক' কাৰোপৰা খাৰ কৰিবলৈ দিয়া নাই। পাকিস্তান এৰি অহা এটা পৰিয়াল পাকিস্তান হোৱাৰ কিছুদিনৰ পাছত ইয়াত আহি বহিছিলহি। কিন্তু মাহটোৰ ভিতৰতে 'সিইঁতে' তাক গালি-শপনি দি, ভয় দেখুৱাই, বজাৰলৈ পঠিয়াই দিলে। তাৰ পাছত অকিচাৰৰ জগত বিলিকুলি, এইখিনি ন'বলৈ বুদ্ধি পাঙিলে। তাৰ পাছত কামটো হ'ল চাগৈ ......)।

আক তাৰ কলিজাৰপৰা এৰাতমান দীঘল নিশ্বাস ওলাই আহিল—সি শত্ৰুৰ এই অপকৰ্ম সহ্য কৰিব নোৱাৰিলে। সি মনে মনে দাঁত-মুখ কামুৰি গালি পাৰিলে আক কঁকাল পোনাই, ধীৰেৰে গৈ নতুন দুৱাৰখনৰফালে মুখ কৰি থুৱাই দিলে আক আগলৈ খোজ দিলে।

গলি একেটাই। এই গলিটোৰে সিটো মূৰত তাৰ নিজৰ ঘৰ। কিন্তু, সি বেতিয়া দুই-তিনিটা ঘৰ পাৰ হৈ নিজৰ ঘৰৰ সন্মুখত খিয় হ'লগৈ তেতিয়া নিজৰ ঘৰৰ অলমি হোৱা চেহেৰা দেখি সুখ পালে। পদুলিমুৰৰ বেৰালখন পকা কৰি দুৱাৰখন বহল আক ওখ কৰি দিছিল। এটুকুৰা সৰু পকাৰ বাৰান্দাও কৰা হৈছে। বাঁওহাতে শলখা পকা এখন খিৰিকী আক ওপৰত ভেন্টিলেটাৰো দিছে। তাৰ ওপৰত, ক'ত বেউতাকে খেৰ-বাঁহৰ চাৰি দিয়াৰ কথা ভাবি থাকোঁতেই এই ঘৰ এৰি থৈ গোটেই পৰিয়ালটোকে উঠাই নি টিকিৰত বহুৱালেগৈ, তাত পকাৰ চ'টি হ'ল। বাৰান্দাৰ মুখৰ সৰু সৰু খিৰিকীৰে ওলাই অহা চাকিৰ পোহৰখিনি তিৰবিৰাই থকা চকু দুটাৰ নিচিনা লাগিছিল।

ক'ব নোৱৰাকৈয়ে সি বহুত সময় ঘৰটোলৈ চালে। তাৰ পাছত গোপনে থকা আনন্দৰ নিচিনাকৈ তাৰ চকুকেইটা উজ্জ্বলি উঠিল। লাহে লাহে সি আগবাঢ়িল। কিছুসময় খিয় দি থাকি ডাঙৰ দুৱাৰখনৰ কাষে খুৰিলে আক পাছত অলপ সংকোচেৰে ঘূৰণীয়া কিং দুটাত হাতেৰে খটখটালে। কিন্তু ভিতৰৰপৰা কাৰো মাত শুনা নগ'ল। আক অলপ সময় বৈ আকৌ জোৰেৰে খটখটাই দিলে। ওপৰৰ বাৰান্দাত খিৰিকী

খুলি ভায়েকে টান মাতেৰে হুঁকাৰি সুধিলে, "কোন ?"

সি একো উত্তৰ নিদিলে। অলপ পিছলৈ গৈ খিৰিকীৰ কাষে চাই চকু তললৈ নমাই আনিলে। ভায়েকে কিছু সময় খিৰিকীৰ বাহিৰলৈ চাই ৰ'ল আৰু তাৰ পাছত নিজেই সুধিলে, "ককাইদেউ নেকি অ ?—গৈছো।"

ভায়েকৰ মুখত "ককাইদেউ" শব্দটো শুনাৰ পাছত মনত ক'ব নোৱাৰাকৈ কি উথলি উঠিল যে ডিঙি সোপা মাৰি ধৰিলে। চকু সেমেকি উঠিল। ভায়েকৰ সেই শকত-আবত চেহেৰাটো মনলৈ আহিল, যাক সি মৰমতে 'কচৰা' বুলি মাতিছিল।

"আহ, আহ, সোমাই আহ।" ভায়েকে দুৱাৰ মেলিয়েই হাঁহি মাৰি তাক আদৰণি জনালে, কিন্তু তাৰ মুখৰপৰা কেৱল 'অ' শব্দটোহে ওলাল আৰু সি ভায়েকৰ কান্ধত থপৰিয়াই বৰ কষ্টৰেহে নিজক চম্ভালিব পাৰিলে।

"তই অকলেহে আহিলি নেকি ? তোৰ লগত তাৰা নাহিল ?" ভায়েকে দুৱাৰখন বন্ধ কৰি অলপ প্ৰশ্নবোধক চাৱনিৰে সুধিলে। "সিতো কালিয়েই মণ্ডীলৈ গৈছিল— তই লগ পোৱা নাই ?"

উত্তৰত কেৱল মূৰটো লৰালে আৰু দুখোজমান আগুৱাই গৈ দুৱাৰমুখতে অপৰিচিতৰ দৰে থিয় হৈ ৰ'ল।

"মা এইফালে ৰবদেউতাৰ কোঠাত আছে।" ভায়েকে দুৱাৰ বন্ধ কৰি আন্ধাৰতে সোঁহাতে আঙুলিয়াই ক'লে আৰু থপজপতে চুকতে থকা পাক ঘৰৰ ফালে মুখ কৰি ক'লে, "ৰ, মই দিয়াছলাইটো লৈ আনোগৈ।"

সি তৎক্ষণাৎ কম্বলৰ চকু ঢাকি থোৱা অংশটো আঁতৰাই সোঁৱে-বাঁৱে দৃষ্টি নিক্ষেপ কৰিলে। বাঁওফালৰ ঘৰ গোটেইটো ভাঙি একেবাৰে নতুনকৈ সাজিলে। গলিৰ ফালে মেল খোৱা খিৰিকীখন ভিতৰৰ বৈঠকখানাৰ। আৰু লগতে এটা দীঘল কোঠা, সমুখত বাৰান্দা আৰু চুকতে ভাত-ৰুটি কৰাৰ ঠাইটুকুৰা। এই ঠাইৰপৰাই ওপৰৰ ছাদলৈ যাবলৈ পকাৰ চিৰি। কিন্তু বাঁওফালে নিঃসন্তান ৰবদেউতাৰ পুৰণা ঘৰটো। এইপিনৰ কেঁচা বাৰান্দাত জন্তুবোৰ থিয় হৈ আছে আৰু শুহাৰ নিচিনা ঘোপমৰা এন্ধাৰ কোঠাতো আন্ধাৰ দৈত্যৰ নিচিনা ভয়ঙ্কৰ মুখৰ খোলা কেঁচা বাৰান্দাখন আৰু ভয় লগা হৈ পৰিছে।

"সোমাই আহ, ককাইদেউ", ভায়েকে সেই ভয়লগা মুখখনৰ পিনে গৈ দূৰৰপৰা মাতিলে আৰু দিয়াছলাইটো জলাই খাওঁ খাওঁ মূৰ্তি ধৰি থকা বাৰান্দাখনৰ দুটা চিৰি উঠি আগুৱাই গ'ল। কেইবাবাৰো দুৱাৰখন খটখটাই মাকক মাত দিলে।

কিছু সময়ৰ মূৰত ভিতৰৰপৰা অহা মাতটো বুজিব পৰা নগ'ল।

দুৱাৰখন খোলাৰ লগে লগে ভায়েকে দিয়াছলাইটো মাৰি ভিতৰ সোমাই বন্তিৰে মাকক খবৰ দিলে, "ককাইদেউ আহিল আই।" "হাঃ হাঃ" মাকে এনেকুৱাকৈ মাতিলে যেন পুতেকৰ কথা একো শুনাই নাই নাইবা বুজিয়ে পোৱা নাই—"মোদন? ক'ত আছে?"

মোদনে লাহে লাহে আগুৱাই গৈ দুৱাৰমুখত উপস্থিত হ'লগৈ। ভায়েকে সন্মুখৰ টেবুলত থকা চাকিটো জ্বলাই দিলে। দুৱাৰমুখত স্তব্ধ হৈ অবাক দৃষ্টিৰে থিয় হৈ মাকে তাক চিনি নোপোৱা যেন লাগিল। সিও বাহিৰৰ কালে এনেকৈ চাই আছে যেন অন্ধকাৰত বাস্তাহে পাহৰি গৈছে।

"হেৰ সক! ক'ত আছে······মোদন ক'ত আছে?"

"সেৱা জনাইছোঁ মা!" মোদনৰ মুখৰপৰা যেন ডিঙি কাটিহে শব্দকেইটা ওলাল। তাৰ ডিঙিটো পুনৰ সোপা মাৰি ধৰিলে।

"হেৰ ক'ত আছ তই? এইফালে আহ, মই তোৰ মূৰ আক মুখত চুমা খাওঁ। মই কাণীয়েতো দিনতেই নেদেখোঁ······ভূত হৈ বহি থাকোঁ! এইফালে আহ····· " আক কাণীৰ নিচিনাকৈ সোঁহাতখন লবাই বাঁওহাতেৰে দুৱাৰৰ সহায় লৈ মাক যেন আনন্দত উত্তাৱল হৈ উঠিল।

সি ওচৰ চাপি আহিলত মাকে প্ৰথমে দুয়োহাতেৰে খেপিয়াই মূৰটো মোহাৰিলে, আক তাক সাবটি ধৰি ক'লে, "মোদন, তইতো মোক পাঁচ বছৰ বখালি।···এতিয়া আক এই বুঢ়ীমাৰৰ কিবা আশা থাকি যাব পাৰেনে? ···পিছে দেখিছিনে, মই মৃত্যুকো দূৰৈলৈ ঠেলি থ'লোঁ। মই কৈছোঁ যে মোৰ মোদনক নেদেখাকৈ মই কেনেকৈ যাওঁ? ভালেই হ'ল, তই আহিলি—এতিয়া মই যাব পাৰিম। শান্তিৰে মৰিম!"

ক'ব নোৱাৰোঁ তেওঁ কি অলিয়া-বলিয়া কথা কৈ আছে। মোদনে শিলৰ দৰে তেওঁৰ ওচৰত থিয় হৈ আছে।

"থাক ককাইদেউ, মই কটি কৰি আনো, তই বহ"—বুলি কৈ সকয়ে তৎক্ষণাৎ বাহিৰলৈ গ'ল।

"নালাগে দে, মই বাস্তাতে খাই আহিছোঁ"—মোদনে ক'ব খুজিও এই কথাকেইটা ক'ব নোৱাৰিলে। কিন্তু নিজৰ মনকে মনেৰেই এই গোটেইকেইটা কথা ক'লে আক ভায়েকে দিয়া এই উত্তৰটোও শুনিবলৈ পালে, "খাই ক'ত আহিছ?"

"আহ, আহ, মোৰ ওচৰত বহহিচোন আহ!" এইবুলি মাকে তাৰ বাহুত ধৰি নিজৰ বিছনাখনৰ পিনে আগবঢ়াই নি ক'লে। পুনৰ তাৰ কান্ধ আৰু পিঠিত লাহে লাহে খপবিয়াই বিছনাৰ পিনে লৈ গ'ল। বিছনাৰ ওচৰলৈ গৈ বিছনাখন খেপিয়াই ইকালে-সিকালে হাত মাৰিবলৈ ধৰা দেখি মোহনে মাকৰ কান্ধত ধৰি বিছনাৰ মূৰৰ শিতানত বহুৱাই দিলে আৰু নিজে ভৰি পথানত বহিল।

"সক গ'ল নেকি?" মাকে বহিয়েই সুধিলে আৰু উত্তৰলৈ অপেক্ষা নকৰাকৈয়ে ক'বলৈ ধৰিলে, "মই বোপাই মোহন, এতিয়া প্ৰতিটো পল-দণ্ড হিচাপ কৰি জীৱনটো কটাইছোঁ। মোৰ এতিয়া কিবা অৱশেষ আছেগে জানো? বোপাই, মোক ফুটা কলহৰ দৰে দলিয়াই দিলে···" শেষৰ শব্দকেইটা বৰ ক্ষীণ মাত্ৰেৰে কৈ উচুপিবলৈ ধৰিলে। তাৰ পাছত বহুত সময়লৈকে মূৰত জোৰা লেতেৰা কাপোৰখনেৰে চকু মোহাৰি মনে মনে থাকিল। কিন্তু পুনৰ সক ছোৱালীৰ দৰে বাকীথিনি ক'বলৈ আৰম্ভ কৰি বহু সময়লৈকে কৈ গ'ল। অনৰ্গল কৈ গ'ল।

"এই ইহঁতবোৰে, বোপাই, মোক মেতৰণী-মুচিয়ানী কৰিছে এৰিলে। একো কথাই নুশুনে। তাৰ ডাঙৰজনীয়েতো গোটেই দিনটো এনেয়ে হেই হেই কৰি থাকে আৰু সেই চালি থকা গৰাকী! তেওঁতো নিজৰ মাকৰ ঘৰৰ ফুটানিকে এৰিব পৰা নাই। এতিয়া দেখিছ নহয় মোৰ কি অৱস্থা হৈছে।···তোলৈ বাট চাওঁতে চাওঁতে সম্পূৰ্ণ এবাৰ বছৰ পাৰ হৈ গ'ল। চকু থব হ'ল, দেহো ভাগৰি পৰিল, আৰু তই এতিয়া এনেকুৱা সময়ত ওলাইছহি যেতিয়া মই একো কামৰে লায়ক হৈ থকা নাই। এতিয়া মোৰ দেহাটোকে চম্ভালি ৰাখিব নোৱাৰোঁ···দেহাটো কিয়—তই বহি আছ, তোৰ মুখখনকে দেখা নাপাওঁ···কৰ, কি কৰ, কৰ!"

ইমান সময়ে দুই-তিনিবাৰ কন্দামুৱা হৈ গৈছিল, চকু পানীৰে ভৰি গৈছিল আৰু তেনেকৈ বৈ বৈয়ে সক মাতেৰে কথাবিলাক কৈ গ'ল। কিন্তু ইয়াৰ পাছত মাতটো নিজে নিজেই ডাঙৰ হৈ গ'ল।

"বোপাই, তই বৰ শক্তিহীন হৈ গ'লি অ', নহয়নে?" তেওঁ আগবাঢ়ি আহি মোহনৰ পিঠিত হাত ফুৰাই ক'লে, "তই আগৰ মোহন নহয় যেনেই লাগিছে অ' বোপাই। তাত যমদূতৰ হাতত মানুহনো কেনেকৈ ভাল হৈ থাকিব পাৰে? মোক সকলে কৈছিল—আই, তাত মানুহৰ ছাল্ চেলোৱা হয়। চাচোন তেনেহ'লে, সেই পুত্ৰ খোৱাবোৰ যমদূতবোৰকৈ কমনে?···বাৰু বোপাই, ভাল হ'ল তই আহিলি। এতিয়া তই হাড়-ভাল কামত ল'ব পাৰিবি, কলহ ভাঙিব, গাঁতু মাৰিব, নহ'লে নকৰক

মুৰ খুন্দিয়াই ফুৰিব লাগিব। ভালেই হ'ল! ধন্য ভাগ্য! ···ভয়েই যাওঁ···"

আৰু "ভই" বুলি কৈয়ে আয়ে উচুপিবলৈ ধৰিলে আৰু তাৰ লগে লগে উশাহ দীঘলীয়া হৈ পৰিল। কাহ উঠি কিছু সময় গোঙোঠা মাৰি ৰ'ল। কিন্তু মোহনৰ লক্ষ্য কিছু সময়ৰপৰা তেওঁৰ ফালে নাছিল। সি এই আন্ধাৰ, মাটিৰ তলৰ নিচিনা কোঠাটো চাই আছিল আৰু অকস্মাতে তাৰ বায়েকলৈ মনত পৰিল। মাজৰাতি ধৰণত ৩২ কাৰ বাইদেৱেক লগত আহি শুইছিলহি। বাইদেউৰ সুন্দৰী গাভৰু দেহৰপৰা মাৰ গাখীৰৰ নিচিনা গোন্ধ ওলাইছিল। এই গোন্ধৰ নিচাতে যেন লেপৰ তলত মুৰ সুমুৱাওঁতেই টোপনি আহি গৈছিল (কেইবাবাৰো এই গোন্ধৰ খাতিৰতেই সি মাকৰ লগত কাজিয়া-পেচাল কৰি ইয়ালৈ শুচি আহে)। বাইদেৱেকে তাক লেপৰ তলত সুমুৱাই বুকুৰ মাজত সাৱটি লৈ শুই থাকে। ইমান মিঠা কথা কয়, ইমান ভাল কথা কে শুনায় যে···এতিয়া এই কথাবোৰ মনত পেলালেই মোহনৰ মন উথলি উঠে, আৰু পাঁচশ বছৰৰ আগতেই মৰি ভূত হোৱা বাইদেৱেকৰ মোহে তাক ইমান কষ্ট দিবলৈ ধৰিলে যে ততালিকে তাৰ চকু পানীৰে ভৰি পৰিল।

তথাপি পুনৰ সি তাৰ জেদ ধৰা বাইদেৱেকৰ কাৰণে তাইৰ খাটিবতে তাইৰ একজনী নিঃসন্তানৰ মাটিৰ কাৰণে হোৱা মোকৰ্দমাৰ কথা ভাবিলে। আৰু তাৰ পাছত এই মাটিৰ তলৰ অন্ধকূপৰ নিচিনা কোঠাটোলৈ এনেকুৱাকৈ চালে যেন তাক পুনৰ জেলৰ কোঠাত বন্ধ কৰি দিয়া হ'ল।

এই অন্ধকূপটো জেলৰ কোঠাতকৈও বেছি ভয়ঙ্কৰ যেন লাগিল। চাকিৰ পোহৰতে মন কৰিলত দেখিলে একা-বেকা চ'ঙৰ ঘুণে ধৰা কৰা আৰু দাঁত ঠাইত বেঁকা হৈছে, চাক-চিকুণ নকৰা আজলা চ'ঙখন একেবাৰে উলাম অহা যেন লাগিল। তাৰ তলেদিয়েই সিবো কেনেকৈ আহি এই বিছনাখনত বহিছাহি তাকে ভাবি সি খুব আচৰিত হ'ল। দুৱাৰখনো যেন সৰু ল'ৰা-ছোৱালী অহা-যোৱা কৰিবলৈহে কৰিছিল—মানুহটো একেবাৰে হাউলিহে ভিতৰলৈ আহিব লাগে। ঘৰটোৰ সমুখৰ খণ্ড, মাটিতকৈ এহাতমানহে ওখ আৰু তাতকৈ আগত থকা চোতালখন ঘৰৰ ভেটিতকৈও ডেৰ-দুহাতমান ওখ। এইদৰেই এই মাটিৰ ঘৰটো চোতালতকৈ দুই-তিনিহাত তলত। সিহঁতে সকলে মাখো-বোলৰ খোঁৱা হৈ এই চোতালৰপৰা প্ৰায় তিনিহাত ওখ চালতৈগৈ মজিয়াৰে উঠেগৈ।

ভিতৰত একো বস্তুৱেই নাছিল। এটা চুকত বাইদেউৰ পুৰণা যুঁঠা সৰু চন্দুকটো এতিয়াও সেইদৰেই পৰি আছে (চোৰাংবোৰলৈ হুচ খাকোতেও চন্দুকটো ইয়াতে পৰি

আছিল আৰু তাৰ খুৰাকেইটাৰ ওচৰত পুৰণা মাটি জমা হৈ আছে)। ভগা-ছিগা বেৰৰ-পৰা লিপা মাটিবোৰ এৰাইছে। বহু বছৰ কোনেও লিপা-মোচা কৰা নাই। কড়িয়া চ'তিৰ তলত, চৰাইৰ বাহৰ সূতা, বচি আৰু খাঁহ-বন ওলমি আছিল। সি চাই থাকোঁতে থাকোঁতেই বাড়লিয়ে কিমানবাৰ যে চ'তিৰ ফুটাটোৰে কিমানবাৰ যে ওলোৱা-সোমোৱা কৰিলে! তলৰ ঠাইখনো যেন শেলুৱৈয়ে ধৰিছে (বৰষুণৰ দিনত যেতিয়া এইকালে বৰষুণ হয় তেতিয়া এই মাটিৰ তলৰ ঘৰটো পানীৰে ভৰি যায়। বাইদেউৰ দুৱাৰৰ সন্মুখতে এটা গাত খন্দা আছিল। ইয়াত জমা হোৱা পানীবোৰ সেই গাতটোৰেদি লগে লগেই ওলাই গৈছিল।) কিন্তু এতিয়া সেই গাতটো নাই, চোতালত চালৰ বাহিৰ ফালে বাইদেৱে কৰা ওখ ভেটিটোও খহি গৈছে। তাৰ জানো কি মন গ'ল সি মাকৰ কথাৰে একেবাৰে মন নিদিয়াকৈ সুধিলে, "আই, ইয়াত বৰষুণ-চৰষুণ হৈছিল নেকি?"

"হয় বোপাই! দীপান্বিতাৰ সাত-আঠদিনৰ আগতে চাৰি টোপালমান পৰিছিল। পিছে একো নহয়, ছিটিকনি অকণমানহে।"

মোহনৰ অন্তৰত ক'ৰ নোৱাৰোঁ কি বৈৰাগ্য ভাৱ জাগিল যে তাৰ মুখেৰে হুমুনিয়াহ ওলাই আহিল। তাৰ পাছত কাতিমাহ ধূলি-ধূসৰিত বতৰত 'চাৰিটোপাল'ৰ কথা মনত পৰিল যাৰ কাৰণে ওখ ঠাইত থকা বালিবোৰৰপৰা ওলোৱা গোন্ধটোৱে মোহনৰ মন উত্ৰাৱল হৈ উঠে আৰু সি কোৰখন লৈ খেতিৰ ফালে দৌৰা-দৌৰিকৈ যায়—লাগে খেতিত কাম হওকেই বা নহওক। ৰাতি হ'লে দিনটো নাহে নাহে যেন লাগে। পথাৰলৈগৈ হাল চলাই মিখিনি সেউজীয়া ফচল কৰি আছে সেই ফচলৰ চাপটোৰ ওপৰত সি এনেয়েই ঘূৰি ফুৰে। যেতিয়া নলা ঠিক কৰিবলগীয়া নাথাকে, তেতিয়া সি চাপৰ ওপৰত উঠি চিঞৰি চিঞৰি মিৰ্জাচাহিবাৰ প্ৰেম কাব্য গাই ঘূৰি ফুৰে।

সেই ভাবধাৰাৰ প্ৰবাহত তাৰ মনটো ভাহি গ'লত বুকুখন ধপধপাই উঠিল। মাকে তেতিয়াও নিজে নিজেই বৰষুণৰ কথা, ভালকৈ হোৱা খেতিৰ কথা, গাঁওখনৰ মানুহবোৰৰ কথা কৈয়েই আছিল।

"আই, আমি যদি বাহিৰৰ ঘৰটোলৈ ওলাই যাওঁ?" ক'ব নোৱাৰোঁ কি ভাবি মোহনে ক'লে। তাৰ কথা শুনি মাকো স্তব্ধ হ'ল। খন্তেক পিছতে সিও এই কথা কেইষাৰত নিজেই আচৰিত হ'ল। "পগলাটো ক'ৰবাৰ!" মাকে খংটো আন্দাজ কৰি ক'লে, "তাতনো এতিয়া কিটো আছে? তাত আবৰ-জোখৰ পৰি আছে। সাত

বছৰ পাৰ হৈ গ'ল। মই ভাবো সে ভুবুকিকে মৰাসে নাই, ধ্বংসতো তেতিয়াই হৈছে। এতিয়ানো ভাত কিটো আছেনে? আৰু তাতে ভাতনো কোনে আমাক এই মাক-পুত্ৰেকক কটি সেকি দিব বোপাই?"

মোহনে মাকৰ এই চহৰীয়া কথা শুনি খিচিকিয়ালে। সি আৰু কোনো কথা সুধিয়ালে।

ভায়েকে খাবলৈ আনিলে। কাঁহী, বাটি, গিলাচ আটাইবোৰেই নতুন গঢ়ৰ আছিল। এটা বাটিত চেনিৰ ওপৰত ধবধ ঘিউ ঢালি থোৱা আছিল। আনটো বাটিত অলপমান মাহৰ আগ্না আছিল।

"সক, এইটো লৈ যা।" মোহনে চেনিৰ বাটিটো ঘূৰাই দি ক'লে।

"ককাইদেউ, ঘাইল নাছিল, সেইকাৰণে দিছো। এইখিনি খা" ভায়েকে ওলোটাই দিয়া বাটিটো দি ক'লে, "ভই খাচোন, মই তোৰ বিছনাখন বৈঠকখানাতে পাৰি আহোঁ।"

কিন্তু মোহনে তাক লগে লগেই চিঞৰি মাতি ঘূৰাই আনিলে। "তই এনেকুৱা কৰ—মোৰ বিছনাখন আৰু কাপোৰখিনি ইয়ালৈ লৈ আহ—তাত ক'ত……ইয়াতেই ……।" ইয়াতকৈ বেছি একো ক'ব নোৱাৰিলে।

"কেলৈ তাত কিহৰ দৰ্কাৰ?" ভায়েকে অলপ অপ্ৰস্তুত হৈ ক'লে।

"কোনো কথা নাই বোপাই, তই তাতে শোগৈ। ইয়াততো কেলৈ কষ্ট কৰিব লাগিছে……" মাকেও ক'লে।

পিছে মোহনৰ আৰু আচৰিত লাগিল। সিনো বাক মাকক এৰি কেনেকৈ বৈঠকখানাত শুবলৈ যায়? আৰু তেনেহ'লে মাকে এই কথাবোৰ কেলৈ কৈছিল?

"তই বিছনাখন উঠাই ইয়ালৈ লৈ আন, বচ।" সি তাৰ সেই পুৰণি মাতত ক'লে, তাৰ সেই মাতটো ভায়েকৰ এতিয়াও মনত আছে। যদিওবা মোহন কেজলৈ যাবৰ সময়ত সি বৰ ডাঙৰ নাছিল, তথাপি সি ককায়েকৰ স্বভাৱৰ কথা ভালদৰেই জানিছিল। এতিয়াও তাৰ কিছু মনত আছে। যেতিয়া সি এনেকুৱা টান মাতেৰে কথা কয় তেতিয়া তাৰ আগত কোনেও একো মাতিব নোৱাৰে।

ভায়েকে "ভাল বাক" বুলি কৈ বিছনা আনিবলৈ গ'ল। মোহনে থালখন কোঁচত তুলি ল'লে।

কিছু পাছত ভায়েক-ককায়েক দুয়ো একেখন বিছনাতে বহি ঘৰ-গৃহস্থীৰ কথাত ব্যস্ত হৈ প'ল। ভায়েকে তাক পাৰ হোৱা পাঁচ-সাত বছৰৰ ঘৰ আৰু গাঁৱত হোৱা সক-ডাঙৰ ঘটনাৰ বিষয়ে ক'লে। মোহনে তাক বিষে বিষে প্ৰশ্ন সুধিলে। কিমা

পুৰণি কথাৰ সোঁত ওলালে মাকেও নিজৰ 'কথা' আৰম্ভ কৰি দিয়ে। কিন্তু আৰম্ভ কৰাৰ পিছতেই মাজতে এৰি মূৰ লবাই তাৰ হাঁতে হাঁ মিলাবলৈ ধৰে। ৰাতিৰ তৃতীয় প্ৰহৰ শেষ হ'ল। কিন্তু এতিয়ালৈ নাই তাৰ মনে উঠিব খুজিছে, নাই মোহনৰ টোপনি ধৰিছে।

"ৰাক, তই এতিয়া গৈ শোগৈ, বহুত দেৰি হ'ল। ঢলপুৱাতে গৰুহাল লৈ যাব লাগিব", মোহনে ক'লে।

"নাই, গুটি সিঁচাৰ কামতো হৈয়ে গ'ল। এতিয়া এটুকুৰা খেতিত অন্য জাতৰ ধেঁহু বোৱাৰ ভাব আছিল, সেইটুকুৰা কাইলৈৰ ভিতৰত তৈয়াৰ হৈ উঠাৰ সম্ভাৱনা নাই। তদুপৰি এইবিধ ধেঁহু যেতিয়াই মন যায়, সিঁচি ল'ব পাৰি। কয় বোলে, পুহ মাহ পাৰ হওঁতেও যদি এই ধেঁহু লগোৱা যায়, তেতিয়াও আনবোৰ ধেঁহুৰ লগতেই তৈয়াৰ হয়। দুই-এটুকুৰা ঠাইতহে ঢাপ দিবলৈ বাকী আছে। বেলি ওলোৱাৰ পাছতহে যাম।"

আৰু কিছুসময় কথা পতাৰ পিছত ভায়েকে পানী-ভূমিৰ কথা সুধি শুচি গ'ল। তাৰ কথাত মোহনৰ মন বহুখিনি আশ্বস্ত হ'ল—যেন কিবা লুকাই থকা কথা প্ৰকট হ'বলৈ ধৰিছে। পিছে যেতিয়া চাকি নুমাই, দুৱাৰ বন্ধ কৰি বিছনাত দীঘল দিলে তেতিয়া পুনৰ নিজৰ 'কোঠাটোৰ' কথা মনত পৰিল। এনেকুৱা ঘোৰ অন্ধকাৰেই তাতো আছিল......।

মাকে পুনৰ ঘৰৰ মৰ্য্যাদাহীন বোৱাৰীবোৰৰ কথা আৰম্ভ কৰিলে আৰু মোহনে কিবা কোৱালৈ মনে কৈ যাবলৈ ধৰিলে। মোহনৰো টোপনি অহা নাছিল, কিন্তু মাকৰ কালে তাৰ ধ্যান নাছিল।

কুকুৰাই প্ৰথম ডাক দিলত মোহনে অলপ অস্বস্তি বোধ কৰিলে। মূৰ তুলি আলফালে চালে। মাকে নিজে নিজে কথা কৈ শুই পৰিছে। সিও লেপেৰে মুখখন ঢাকি ল'লে। কিন্তু যেনেকৈ জেলৈ যোৱা প্ৰথম ৰাতিটো টোপনি নোহোৱা হৈছিল, সেইদৰেই আজিও টোপনি অহা নাই। সেইদৰে ঠাইবোৰবো অচিনাকি আৰু অদ্ভুত লাগিছে। যেন চকু মেলাতেই থাকিল। মনটোৱে ক'ব নোৱাৰাকৈ ক'ৰবাত বিচৰণ কৰিবলৈগৈ। কুকুৰাই ডাকৰ উপৰি ডাক দি গ'ল, এইটোৱে মনটো আৰু বিচলিত কৰিলে।

...আকৌ তাৰ লেবেকা মাটিৰ গোন্ধ নাকত লাগিল। সেই সময়ত সি উঠি বহিল। কাণ পাতি শুনিলে—কোনোবা বুঢ়া, খোৰকৰোঁ সম্ভোধা অকালীয়ে 'সংগ্ৰাম'

'চাহে গুৰু'ৰ জপ কৰিছে, মাজে মাজে জপজী চাহাবৰ তুৰ্কী পঢ়া, গলিটোত প্ৰতি-ধ্বনিত হৈছিল। তেওঁৰ লাঠীৰ শব্দৰপৰা এনেকুৱা লাগিছিল যেন তেওঁৰ আঁঠুকেইটা একেবাৰে অকামিলা হৈ গ'ল।

মোহনে ক'ব নোৱাৰোঁ কি ভাবিলে। সি উঠিল আৰু কবলখন মেৰিয়াই লাহেকৈ চোৰৰ নিচিনাকৈ বাহিৰলৈ ওলাই গ'ল। কোঠাৰ ভিতৰত হোৱা লেমেকা মাটিৰ গোন্ধৰ তীব্ৰতা গলিলৈ গৈ আৰু বাঢ়িল আৰু সি বেগাবেগিকৈ খেতিৰ ফালে খোজ ল'লে।

যেতিয়াই পালা আহিল, লাজতে বাহিৰ নোলোৱা হ'ল। হবকোৱে খুলাই খুলাই হাঁহি গ'ল কিন্তু তাই বিচনা নেৰিলে। যি যি বন্ধু-বান্ধৱে শুনিলে তাইক বুজাবলৈ আহিল কিন্তু তাই বাৰে বাৰে এইটোকে ক'লে, "হয়নে, মই বাৰু কি অপকাৰ কৰিছিলোঁ? ইয়াৰ উত্তৰ দিয়া—মই তেওঁৰ কি চৰ-চাৰি কৰিছিলোঁ।"

এই ডেৰ বছৰতে সি বহুত নিশকতীয়া হ'ল। নিয়ৰ পানীত এনেকুৱা কাহ হ'ল যে গোটেই ৰাতিটো কাহি কাহি কামিহাড় এবাৰি যোৱা যেন হ'ল। শৰীৰটো এতিয়া চলি ফুৰিব পৰা অৱস্থাত নাই। নিজে উঠি পানীৰ গিলাচটোও ল'ব নোৱাৰে। হবকোৱে দহ-পোন্ধৰ দিনমান ধৰকৰা চিকিৎসা কৰালে। বাপু কবিৰাজৰপৰা দৰৱ আনিও খুৱালে। ৰামদাৰিয়াৰ পুতেক জধুৰ হতুৱাই বেজী দিয়ালে। (জধু এতিয়া এই অঞ্চলৰ নামজলা ডাক্তৰ হৈছে।) কিন্তু বেমাৰীৰ একো উন্নতি নহ'ল। বাপুৱে কৈছে, "পানীৰ কাৰণে তাৰ পেটত জোলা উঠিছে।"

এদিন-দুদিনকৈ বিশদিন পাৰ হ'ল আৰু পালা যেন বৈয়ামৰ তলিত থকা নিমখখিনিৰ দৰে গলি গ'ল। যিয়েই দেখিলে, হায়-হায় কৰি উঠিল। মানুহবোৰে কিমান দিনৰ আগতেই ভৱিষ্যৎবাণী কৰিছিল এওঁ আৰু নাবাচে বুলি।

যেতিয়া তেওঁ ঘৰৰ মানুহখিনিক ডেৰ-দুমাহ দুখ দি নিজৰ কৰ্মফল ভোগ কৰি স্বৰ্গপ্ৰাপ্ত হ'ল তেতিয়া ভৱিষ্যৎবাণী কৰাবোৰে সম্মানত বহি আন্দাজতকৈও বেছিকৈ ভৱিষ্যৎবাণীৰ কথাকে চৰ্চা কৰিলে। "যিদিনাই সি আহিছিল, মই তেতিয়াই চাইছিলোঁ যে এতিয়া আৰু সি নাবাচে।"

এদিন মই গৈছিলোঁ সাত-আঠদিন মানৰ আগতে। হবকোৱে মোক কৈছিল, "লোকে হবতেয়া, হেনো তিনিদিন হ'ল এই মুখত একো দিয়া নাই, মচ, দিন-ৰাতিয়ে কেৱল শুই আছে। মই গৈ সুধিলোঁ—হেৰ, তই এইদৰে কেনেকৈ ভাল হ'বি? কিবা এটা খোৱা-লোৱা কৰ আৰু নহ'লে শৰীৰকে অলপ পী বা।" উত্তৰ দিলে, "পেটটো

যেনেকৈহে জ্বলিছে একো বস্তুকে সহ্য কৰিব নোৱাৰোঁ।"

"সহ্য কেনেকৈ কৰিব? যেতিয়া মানুহক কামে দেখা দিয়ে তাৰ পাছত অন্ন-পানী কেনেকৈ যাব, পগলা!"

"মই আগতেই কৈছিলোঁ নলয়, হৰকৌৰ, ভগবানে এই সক সক কামবোৰত সহায় কৰিব।"

এনেয়েও পিছে পালেৰ অৱস্থা ভাল হ'ব যেন নালাগে। মইতো কৈছিলোঁৱেই, "লাগে যদি চহৰৰ হস্পিতেললৈ লৈ যাওঁ—নিজৰ ঘৰৰে গৰু-গাড়ী। দুঘণ্টাত পামগৈ। আৰু শুনিছোঁ তাৰ ডাক্তৰো হেনো ভাল।"

"আৰে পগলা, ডাক্তৰে কি কৰিব? যেতিয়া সময় আহিব কোনেও হাত সাৰিব নোৱাৰে।...তয়েই চাচোন, বাবগে কালক যেখোন নিজৰ ভৰিতেই বান্ধি লৈছিল। কিন্তু এতিয়া সি ক'ত? কোনোবাই যদি কালক ধৰি বান্ধিব পাৰিলেহেঁতেন তেনেহ'লে ৰজা-মহাৰজাবোৰ নমৰিলহেঁতেন। তেওঁলোকৰ হাতত কি বস্তুৰনো কম আছে? নাই ধনৰ কম, নাই ডাক্তৰৰ কম, নাই ঔষধৰ কম, বিচাৰিলে চৰাইৰ গাখীৰো অনাব পাৰে।"

ইয়াৰপৰা কোনেও হাত সাৰিব নোৱাৰে। যি জন্ম ল'লে, সি মৰিবই। আহিলে সকলোৰে যাব লাগিব।

আৰু এসপ্তাহ। তাৰ পাছত উপদেশ দিয়াবোৰৰ সকলো নিজৰ কাম-কাজত ব্যস্ত হৈ গ'ল। হৰকৌৰৰ মনত এনেকুৱা এটা দুখ বহি গ'ল যে মাথ মাহ পাৰ হওঁতেই নিজেই বিছনা ল'লে। কটি-পানীৰ কষ্ট হ'ল। পৰচিন্নী আহি দুয়োবেলা কটি সেকি দিলেহি। কিন্তু কোনেনো কিমান দিন কৰিব পাৰে? নিজৰ পৰিয়ালটোকে মানুহে চলাবিৰ নোৱাৰে, লোকৰনো কেনেকৈ কৰিব পাৰিব? আৰু এই কথাটোকে পৰিচিন্নীয়ে সৰলভাৱে বুজাই দিলে।

"চা হৰকৌৰ, এইদৰে তোৰ গোটেই ঘৰখন মাটিৰ লগত মিলি যাব। এতিয়াও আৰু তই এইদৰে কিমান দিন দুখ কৰি পৰি থাকিবি? আৰু ভগৱানৰ দয়াত তোৰ তিনিটা হীৰাৰ মিচিনা ল'ৰা আছে। যিজনী ছোৱালী আছিল, তায়ো নিজৰ ঘৰ চলাইছে। তোৰ এতিয়া ভয় কিহৰ? সকলোৰেইতো এদিন যাব লাগিব। কৰ্ম তাইৰেহে যাব ভাগ্যত ল'ৰাৰ সুখ লিখা নাই। এতিয়া চাবি, চৰ হৈ যাব। তোৰটো তিনিওটা ল'ৰাই হচিয়াৰ। ডাঙৰটোৱেতো ভগৱানৰ দয়াত গোটেই পৰিয়ালটো চলাইছে। এতিয়া দেৰ-দুই বছৰ, তাৰ পাছত ইহঁতেই ঘৰ চলাবি, আৰু কোন

আছে তোৰ ?…চাৰি বছৰৰ পিছত সৰু তাৰ সহকৰ্মী হ'ব। তেনেহ'লে তই কিহৰ কাৰণে চিন্তিত হৈছ ? বিপদতো তৰথৰীইঁতৰ ওপৰতহে বাঢ়িছে। …উঠ। উঠি পেলাই অলপ হাত-ভৰি লৰা। মই কিবা গোটেই জনমটো বাচি থাকিমনে ? বুজিছ, সকলো মিছা। ক'ব নোৱাৰোঁ—মই কেনেকৈ দৌৰাদৌৰিকৈ আহি তোৰ ল'ৰাকিটালৈ যেনেতেনে ৰুটি সেকোঁহি, নিজৰ ঘৰতেই নিজৰ কামৰ অন্ত নাই। এতিয়া ঘৰলৈ যাম, তেতিয়া সেই আমাৰ নিলাজীজনীয়ে—ক'ত ৰবখনত পৰি থকা কামখিনি শেষ কৰিব, দুগুণ কাম উলিয়াইহে বহি থাকিব পাৰ।

যোৱাৰী আনিছিলোঁ তাই সুখ দিবলৈ। মইতো প্ৰথমজনী আনিয়েই বেজাৰ পাইছোঁ। হেৰ অন্ধকাৰ। এই ৰাতি অহা বয়সতে যদি কোনোবাই কয়, মোৰ কঁকাল বিষায়, মই পাচলি কাটিব নোৱাৰোঁ, মোৰ নখ ফাটে বাচন ধুব নোৱাৰোঁ—হে ভগৱান ! …অন্ধকাৰ ! আমি পঞ্চাশ বছৰীয়া হৈও কি লোহাৰে নিৰ্মিত নেকি, যে গোটেই দিনটো সিহঁতৰ কামো চম্ভালিম, আৰু নিজৰো ?…বন্ধ কৰ ! সিহঁতৰ কি সুখে কুলাব !"

পৰচিন্নীয়ে কেতিয়াবা নিজৰ আপোনজনৰ, কেতিয়াবা নিজৰ পৰিয়ালৰ কথা শুনাই শুনাই সাত দিন মানতে দিনতে, সঁচাকৈয়ে তাইৰ অন্তৰখন সলাই পেলালে। মোহনে হাতৰপৰা ডাক্তৰক সকলো অৱস্থা বুজাই ঔষধো আনিলে—এটা গাঢ় ৰঙা ৰঙৰ আইনাৰ বটল, আৰু কিছু ৰং-বিৰঙী বড়ি। হৰকোৱে নিজেই মনটোক বুজালে—এনেকৈ পৰি থাকিলে কেনেকৈনো ঘৰ-গৃহস্থী চলিব। তাই আজি অলপ, কাইলৈ অলপকৈ চলা-ফুৰা কৰিলে। বতৰটোও অলপ গৰম হ'ল। তাই দহ-পোন্ধৰ দিনত ভাল হৈ উঠিল।

ফাগুন মাহ। সৰিয়হবোৰ পূৰঠ হৈছিল। ওখ সৰিয়হ ঠালবোৰে গুটিৰ ভৰত মাটি চুইছিলহি। গছবোৰো ইমান ঘন আছিল যে মাজেদি পাৰ হৈ যোৱাই অসুবিধা। আৰু সকলোবোৰ শস্যই ভাল হৈছিল। (আহিন-কাতি মাহত বৰষুণ ভালদৰেই হৈ গৈছিল, আৰু শাওণ-ভাদ মাহতো বৰষুণৰ হিচাপেই নাছিল।)

তাই যেতিয়া পথাৰ পালেগৈ, তাৰ মনৰ সকলো উদাসীনতা দূৰ হৈ গ'ল। মোহনৰ কাম-বন বেছি হ'লে তায়েই সকলো লৈ আছে। মোহন আৰু সন্তানৰ খেতিৰ কামৰ অন্তই নাছিল; আৰু উপকৰা কাম কৰিব কোনে ? সৰু পঢ়িবলৈ যায়। সিহঁত আহিয়েই খঁতৰৰ নিচিনাকৈ অকলে ঘূৰি ফুৰে। কিন্তু কেতিয়াবা কেতিয়াবা কঁকালৰ বিষে অনুভৱ কৰায় যে তাই আৰু এতিয়া ঘৰ চম্ভালিব নোৱাৰে।

এদিন মোহনৰ আগত কথা উলিয়ালে, "সোপাই মোহন, মই অহা আহিনত বিয়া

পাৰ্তোঁনে ? যোপাই, এতিয়া মই আৰু অকলে কাম কৰিব নোৱৰা হৈছোঁ।"

থন্তেকলৈ সি মৌন হৈ ৰ'ল। তাৰ পাছত অলপ বেপেৰোৱা সুৰত ক'লে, "আই, আৰু কিছুদিন যাবলৈ দিয়াচোন। বিয়া কিবা ক'ৰবাতে পলাই যাব নেকি ?"

হৰকোৰে যুক্তি পালে। "বাৰু।" কাৰোতো মুখ বন্ধ কৰিব নোৱাৰি, কোৱা-মেৰেতো ক'বই যে বাপেকটো মৰাৰ পিছত খাট চাই আছিল। মনে মনেই হৰকোৰে তাৰ যুক্তিত সুখী হ'ল। মনটোক বুজালেঁ।—ইমান দিন পাৰ হৈ গ'ল যেতিয়া, তাত আৰু এবছৰ বঢ়ৰেই।

কিন্তু এবছৰ কটোৱাতো তাইৰ কাৰণে বৰ টান আছিল। যোদনলৈ ছোৱালী খোজা-বঢ়াবো সাত বছৰ হৈ গ'ল। এই সময়ত কমেও তাইৰ বয়স চোধ বছৰ হ'লহি। তাইৰ সগৰবোৰৰচোন দুটা-এটা ল'ৰা-ছোৱালীও হ'ল। পিছে গ্ৰহৰ এনেকুৱা ফেৰ যে তাইৰ দিন অহাই নাই। প্ৰথমে খুড়াক-ৰবেউতাকে হ'বলৈ নিদিলে ; বৰবপৰা অধৰী কৰি এই টিলাটোত থহালেহি। তাৰ পাছত হ'ব লগাটোৰেই হ'ল "সিয়েই" ডিডিত লাগিলহি। দুবছৰ যোকৰ্দমাতে ধৰ উছন গ'ল। ইয়াৰ পিছতে পালেৰ যও হ'ল। তেৰ বছৰ বেলৰপৰা ওলাই আহিয়েই স্বৰ্গগামী হ'ল।

আমিনো এনেকুৱা মাটিত শস্ত কইছিলোঁনে ?—হৰকোৰে কেতিয়াবা কেতিয়াবা এই কথাটো ভাবি উদাস হৈ যায়। মানুহে সুখেৰে কাম কৰে, ঘৰত বোৱাৰী, ল'ৰা-নাতি, আজোনাতি, সকলোৰে আনন্দত মগ্ন। কিন্তু ঈশ্বৰে এতিয়ালৈকে মোক একো সুখ নিদিলে কেলৈ ?

"কাবোৱাৰ কৰ্মৰ কাৰণে কোনোবা দায়ী নেকি ?" পৰচিন্নীৰ ওচৰত যেতিয়া তাই কথা কৈ বহি আছিল তেতিয়া আশ্বাসৰ সুৰত উত্তৰ দিলে, "চাচোন চা এতিয়া তয়েই চা, মোৰ ঘৰজনাৰ পাঁচোটা ল'ৰা। পাঁচোটাই বেলেগে বেলেগে নিজৰ নিজৰ ঘৰ-সংসাৰ চলাব লৈছে। মাটি-বাৰীবো একো কম নাই। নোনোৰাকৈ দুৱাৰৰ এখোজো বাহিৰলৈ নোলায়। বোৱাৰীবোৰ যদিও বেলেগ বেলেগ, বহি ভবা যায় সিহঁতৰমো সাহু-শহুৰেকৰপৰা কি পাবলগীয়া আছে। হ'লেও নিজৰ নিজৰ কৰ্ম। কোনোবাজনী আহিল্‌ পাখীৰ ছানা কাঢ়ি দিলেহি ; কোনোবা আহি কাপোৰ ধুই দিলেহি ; কোনোবা-জনীয়ে বহি থাকোঁতেই কটি খুৱাই গ'লহি। এতিয়া তই চাচোন, মোৰ ধাইৰেউ-জনীৰ (ঘৰজনাৰ মৈণীয়েক) কথা। তাই কিবা তিৰোতাৰ লগৰ তিৰোতানে ? বিছনাৰপৰা তথি মাটিত নথয়। তোৰ সন্মুখতে বাণী হৈ বহি আছিল নে নাই ? আৰু ইফালে, মৰো এজনী আনিলোঁ, তাইৰো অহাৰপৰাই বেমাৰ, পেট-প্ৰস্ৰাৱ

কৰাৰদৰেকো নিজেহে ধৰি দিব লাগে।…এতিয়া তয়েই ক, কাৰোবাৰ ভাগ্য কাঢ়ি আনিব পাৰি নেকি ?"

"সেইকাৰণে মিছাই চিন্তা নকৰিবি। শুনা, এয়া যেনেকুৱা শুটি দিছিলোঁ, তেনেকুৱা শস্যকে কাটিব লাগিব—কোনেও একো কৰিব নোৱাৰে। মানুহে কয়, 'হেৰ মন, ভাগ্যত যি লিখা আছে তাক নীৰৱে মানি ল।'

পিছে এই আটাইবোৰ আমাৰেই দুৰ্ভাগ্য আছিল নে আৰু ভুগিবলগীয়া কোনো নাছিল নেকি ?" কেতিয়াবা কেতিয়াবা হৰকোৱৰ খং উঠিলে অন্তৰে বিদ্ৰোহ কৰি উঠে। কিছুমানে যেয়া কথা কৈও ভাল খোৱা-পিন্ধা কৰে আৰু আৰামত থাকে। সেইবোৰে কোনোকালেই ভাল কথাৰ নাম নলয়। ইফালে ইয়াত পালেই গোটেই জন্মটো মৃত্যুৰ শেষ নিশ্বাস লোৱালৈকে কাকো বেয়া কথা নকৈছিল। তথাপি এই 'ভাগ্যলেখা' সদায় কেলৈ ওলোটাকৈ লেখা দিছিল ?

"কিন্তু সকলো কালেই নিষ্ঠুৰ ঈশ্বৰে ওলোটাকৈ যেন আমাৰ কালেহে চলাইছিল। তেওঁ কাকো দেখা নাপালে ?" পৰচিয়াক কৈ তাই উচুপিবলৈ ধৰিলে।

"এয়াতো তেওঁৰ ইচ্ছা ! দেখা নাই জানো—কিছুমান মানুহ যজাৰ দৰে আছে, আনন্দত কটাইছে, আৰু কোনোবাই গোটেই জীৱনটোৱেই কান্দি-কাটিয়েই পাৰ কৰিছে। পিছে তেওঁকোনো কোনে এনেকুৱা নকৰিব বুলি কৈছে ? ……এইটোতো ঈশ্বৰৰ ইচ্ছা, ভাল বুলিয়েই ধৰি ল'ব লাগিব, নামানিলেনো কোনে তাৰ ভৰি ভাঙিব ?"

কিন্তু ক'ব নোৱাৰোঁ কেলৈ, হৰকোৱৰ আত্মাই এই কথাটো কেলৈ স্বীকাৰ কৰিব নোৱাৰিলে। পিছে, যেতিয়া একো উপায় নাপালে তেতিয়া উঠি মনটো টান কৰি, পাৰ হৈ যোৱা ভাল দিনৰ কথা সুঁৱৰি কাম কৰিবলৈ লাগিল আৰু হুমুনিয়াহ কাঢ়িলে—থাক, কেতিয়াবাতো তেওঁ শুনিব।

যোৱনে এদিন অসময়ত খেতি-পথাৰৰ কালে বাবলৈ ওলোৱা দেখি হৰকোৱে সুধিলে, "কেনি যাব ?" আগ-পিছ নোহোৱাকৈ তাৰ মনত কি লাগিল ক'ব নোৱাৰোঁ। জোতা খুলি পুনৰ বিছনাৰ ওপৰত বহিলগৈ। খঙাল মাতেৰে ক'লে, "মা, তোৰ চুলি পকি গ'ল, পিছে এতিয়াও বুদ্ধি নহ'ল।"

হৰকোৰ লাজত মাৰি গ'ল। ডেকা পুতেকৰ মুখত তেওঁ কেতিয়াও এনে জোকোৱা মৰা কথা শুনা নাছিল। গোটেই জনমটো পাৰ হ'ল, পিছে পালেৰ মুখতো কেতিয়াও তেওঁ টান কথা শুনা নাছিল। আইনৰ ঘৰত সদায়েই গালি-গালাজ হয়, আঠিৰে

মাৰপিটো হয়, কিন্তু তেওঁৰ ঘৰৰপৰা মানুহে কোনোদিনে চিঞৰি কথা এবাৰ কোৱাও শুনা নাছিল।

"বাক বোপাই, মাফ কৰি দে! মোৰ ভুল হৈ গ'ল।" ইমানকে কৈ খন্তেকৰ কাৰণে তেওঁ মৌন হৈ ৰ'ল, পিছে বেছি দেৰিলৈকে মনে মনে থাকিব নোৱাৰিলে। মনত ভয় লাগিল।

"বোপাই, এইদৰেতো তোৰ বাপেৰেও খং কৰা নাছিল। আৰু এনেকুৱা চিন্তা-সন্দেহতো আমি কেতিয়াও কৰা নাছিলোঁ, আজিকালি সংসাৰত এনেয়েওতো সকলো কথা মানিবলৈ এৰি দিছোঁ। তই কেলৈ এই চিন্তা ইমান কৰিছ?"

মোহনে ক'ব নোৱাৰোঁ, ক'বলৈ কি কি কথা ভাবিছিল, কিন্তু পুনৰ মুখেৰে একো কঠোৰ শব্দৰ প্ৰয়োগ কৰিব নোৱাৰিলে।

"আই, তুমি সময়-অসময় নোচোৱা—আৰু একো কথা নাই নেকি? মানুহৰ মন বিভিন্ন সময়ত বিভিন্ন হৈ থাকে, পিছে তুমি সকলো সময়তে পগলাৰ নিচিনাকৈ কথা কৈ যোৱা......।"

"বোপাই, মই কিনো কথা কৈছিলোঁ? বাৰু ভালেই হৈছে, তই নিজকে নিজে শাসন কৰিবলৈ কৈছ, পগলাটো মই নিজে নিজেই হৈ গ'লোঁ......।"

মাকৰ এই সৰু ল'ৰা-ছোৱালীৰ নিচিনা কথা শুনি মোহনৰ যেন চেতনা হ'ল। সি ভাবিলে—সঁচাকৈয়ে টান কথা কৈ পেলাইছে। লাজতে সি মনে মনে থাকিল। (তাৰ চকুৰ আগত ভাহি উঠিল সিইতৰ বাবেই মাকে কিমান যে দুখ সহ্য কৰা নাই! পালে মৰাৰ পাছত ঘৰখন চলাবলৈকে দেহা মাৰি মতা মানুহৰ দৰে ঘৰ আৰু খেতিৰ কাম কৰিছে।)

"আই, কথাটোক অইনফালে নিছা কেলৈ? মইনো তোমাক কেতিয়া কৈছোঁ যে তুমি একো কৰা নাই? ......কথাটো বুজাচোন।"

"বোপাই, মই এতিয়া কিটো বুজিম? ......বুজাতো তইতৰ মাজতহে বৈ গৈছে।"

মোহনৰ মুখ ঘুৰোৱা যেন লাগিল। তাৰ ভয় লাগিল—কথা বেয়াৰ ফালে ঢাল খায় বুজি। ......ঢাল খাই যদি খাওক, সি খং মনেৰে ভাবিলে। ক'লে, "মানুহ যেতিয়া নিজে নিজে অসুখী হয়, তেতিয়া কুকুৰৰ নিচিনাকৈ মৰিবলৈ দিয়াই ভাল। বুজিছকবোৰে এনেই নকয় যে মাইকী মানুহৰ বুদ্ধি চুলিৰ আগত থাকে। তাৰ তীব্ৰ খং উঠিল আৰু জোতা পিন্ধি ওলাই গ'ল। হৰকৌৰে প্ৰথমতে মুখৰ ভিতৰতে কিবা ভোৰভোৰালে। তাৰ পিছত ডাওৰ মাতেৰে কান্দিবলৈ লাগিল।

তেওঁৰ মাত শুনি সজ্জন জাগিল আৰু লেপৰ তলৰপৰা মুখ উলিয়াই সুধিলে, "আই, কি হৈছে তোৰ এই মাজ ৰাতিখন ?"

হৰকোৱে ভয় খাই মনে মনে থাকিল। পিছফালে ঘূৰি সজ্জনৰ ফালে চোৱাৰো সাহস নাছিল। টোপনি ভঙাৰ কাৰণে সজ্জনৰ খং উঠিল আৰু দুই-এষাৰ খঙেৰে কৈ আকৌ লেপেৰে মুখ ঢাকি শুই থাকিল।

হৰকোৰ উঠি চোতাললৈ আহিল। চোতালৰ দুৱাৰখন খোলাই আছিল। ভিতৰৰ কোঠাটোৰ দুৱাৰখন খট্‌খটাই চালে—ভিতৰৰপৰা বন্ধ। ভিতৰৰ মাইকী ম'হজনীয়ে দানাৰে পেট ভৰাই ফোচফোচাই আছিল। আন্ধাৰত দুৱাৰমুখত পৰি থকা খৰিৰ দ'মটো বৰ কিবা কিবা যেন লাগিছিল। দুৱাৰমুখৰ নাদটোৰ পাৰত খেৰবোৰ সিঁচৰিত হৈ পৰি আছিল। হৰকোৱে পোনতে দুৱাৰখন বন্ধ কৰিলে আৰু তাৰ পাছত খেৰবোৰ সামৰিবলৈ লাগিল।

পথাৰত শিয়ালে হোৱা দিছিল। যেতিয়া সি বয়, তেতিয়া নিস্তব্ধ ৰাতিটো মুখ মেলি অহা ৰাক্ষসটোৰ নিচিনা লাগে। জাৰ হাড়ৰ মাজলৈ সোমাইছিল। (দুই-এদিনৰপৰা জাৰ ঘপহকৈ বাঢ়ি গৈছিল।) চোকাত খেৰখিনি পেলাই দি, হৰকোৱে নিজৰ বাহু দুটা তাঁতত বোৱা ফুলাম কাপোৰখনৰ তলত সুমুৱাই ল'লে আৰু বেৰৰ ওপৰেদি টিলাত থকা বকুল গছ জোপাৰ ঠাল-ঠেঙুলিৰ ফালে চাই চাই নিজকে নিজে বকিবলৈ লাগিল—কেনেকৈ জানো এই ঠাণ্ডাখনত কি কাৰণলৈ গৈছে! আজিতো পানী দিবলগীয়াও নাছিল।···দিবলগীয়া থাকিলে কৈ গ'লহেঁতেন। আৰু তৌজুৰেতো সাত দিনৰ আগৰেপৰা চিঞৰিবলৈ আৰম্ভ কৰিছে, বৰমা, এইবাৰ পানী ৰাতি আহিব। মৰি যাম!···তেনেহ'লে কেনি গ'ল? ক'ৰবালৈ···তাইৰ শৰীৰটো কঁপি উঠিল।

কোঠাটোৰ দুৱাৰমুখলৈ আহি তাই আকৌ ঘূৰি গ'ল। ক'ব নোৱাৰাকৈ পদূলি-মুখৰ দুৱাৰখনৰ শলখাডাল খুলি আছিল। ঘূৰি আহোঁতে চকুকেইটা ধোঁৱা-ধোঁৱা যেন লাগিল। দেখিলে যে চোকাত পেলাই দিয়া খেৰৰ কাৰণে পদূলিমুখত ধোঁৱাই ধোঁৱা হৈছে।

এনেকুৱা লাগিল যেন ঠাণ্ডা আৰু বাঢ়ি গৈছে। ভিতৰলৈ আহি লেপৰ তলত সোমালহি। পিছে ঠাণ্ডা নকমিল। কিছু সময়ৰ পাছত যেতিয়া গৰম অনুভৱ হ'ল, তেতিয়া অকস্মাৎ এনেকুৱা লাগিল যেন কোনোবাই কোঠাটোৰ দুৱাৰখন খট্‌খটাইছে। খৰমৰাই তাই উঠি বহিল আৰু 'গৈছোঁ' বুলি কৈ দুৱাৰমুখৰ ফালে আগবাঢ়িল। শলখা খুলি দেখিলে বাহিৰত কোনো নাই। চোকাত দিয়া খেৰবোৰ জ্বলি উঠিছে।

অকণমান ধোঁৱা ওলাইছে—সেয়াও শুকান গোবৰৰ পিঠাৰপৰাহে।

আকৌ বেতিয়া আহি বিছনাত সোমালহি তেতিয়া চিন্তাই লগ ল'লে। ক'ৰ নোৰখাকৈ মনটো ক'ৰবাত ঘূৰি ফুৰিলে। আগ-পিছ সকলো চিন্তা কৰিলে। যদি মই এই চিন্তা কৰিয়েই শেষ কৰিব পাৰিলোঁহেঁতেন—যোৱন ক'লৈ গ'ল, একো নোকোৱাকৈ?

ইকাতি-সিকাতি কৰোঁতেই ৰাতিটো পাৰ হৈ গ'ল। খন্তেকলৈও চকুৰ পতা জাপ নাখালে। যোদনো ঘূৰি নাহিল। সজ্জনে এনেকুৱা নিশ্চিন্ত মনেৰে শুইছে যে সংসাৰৰ কথাৰ একো খবৰেই নাই। মনটোৱে কৈছিল তাক জগাই, কৈ দিবলৈ। পিছে সাহ নহ'ল।

বাহিৰলৈ উঠি আহি দেখিলেহি—গৰু-ম'হবোৰ মেলি দিবলৈ দেৰি হ'ল; ৰ'দ ওলালেই। সেয়া ৰাতি আৰু এয়া দিন। আকৌ পুনৰ ৰাতি। তাৰ পাছত আৰু দুটা দিন আৰু দুটা ৰাতি পাৰ হ'ল। পিছে যোদন ঘৰলৈ উভতি নাহিল। সজ্জনেই খবৰ কৰিলে, পিছে একো শুং-সূত্ৰ নাপালে। পৰচিন্নীয়ে দিনৌ দুবাৰ-তিনিবাৰকৈ খবৰ ল'লেহি। ৰাতিও দেৰিলৈকে বহি থাকে। প্ৰথম দুদিনতো এইবুলি কৈয়েই হৰকৌৱক সান্ত্বনা দিছিল, "একো চিন্তা নকৰিবা। সি কিবা সক স'ৰা নেকি যে নাইকিয়া হৈ যাব? ক'ৰবালৈ যাবলৈ মন গ'ল হ'বলা! মানুহৰ মন কেতিয়াবা উদাস হয়েই। আৰু তাতে এই বতৰত কামো নাই, জনীয়েকৰ ঘৰলৈ যাব পায় চাগে'। পাহুনলৈও তাৰ বৰ মৰম নহয়! কিন্তু তৃতীয় দিনাখন তায়ো চিন্তাত বুৰ গ'ল।"

"কোনে কেনেকৈ জানিব? চালাক-চতুৰ ল'ৰা। এইদৰে ৰাজ-ৰাতি উঠি মনে মনে গুচি গৈছে—তাৰবা মনত কি ভাৱ খেলাইছিল!"

পিছে কাৰো চিন্তাই একো কাম নিদিলে। পঞ্চম দিনাখন যিদৰে মনে মনে গৈছিল, সেইদৰে সেই একে সময়তে, ৰাজৰাতি ঘূৰি আহিল। হৰকৌৱে অহাৰ সময়ৰেপৰা তাক সুধিবলৈ ধৰিলে—সি ক'লৈ গৈছিল, পিছে সি একো উত্তৰ নিদিলে। সজ্জনেও সুধিলে, "ককাইদেউ, কাননগো আহিছিল। মই কৈ দিছোঁ—ককাইদেউ কামলৈ গৈছে। সাত দিনৰ ভিতৰত ঘূৰিব। তই ইমান দিন ক'ত আছিলি? কিবা কাম আছিল নেকি?"

"আৰু কাম নহ'লে মই কি অকাৰণত ঘূৰি ফুৰোঁ? আগতেও মই কিমানবাৰ বাহিৰলৈ গৈছোঁ।"

তাৰ খঙাল মাতটো শুনি সজ্জন সেই সময়ত মনে মনে থাকিল। পিছে মনে মনে

তাৰ এই কঠোৰ উত্তৰত তাৰ মনত যি খং উঠিল তাক দমাব নোৱাৰিলে, "ই কি ভাবিছে ?" সি মনে মনেই ক'লে, পিছে ওপৰতে লাহেকৈ ক'লে, "চা, তই খং কৰিছ কেলৈ ? মই কেৱল সুধিছোঁহে… ।"

"তইতে সোধা নাই ; চালাকি কৰি ভেদ উলিয়াবলৈ চাইছ। তইতৰ মনত এই ভাব হৈছে কিজানি—মোহনে নিজৰ ঘৰ পাতিবলৈ ঘূৰি ফুৰিছে।…পিছে যদি মই ঘৰ পাতিবলৈকে খুজিলোঁহেঁতেন, তেতিয়াহ'লে সকলোৰে আইতাটৰ মনত পৰিলহেঁতেন, তাই সিংহা !…"

তৰ্ক বাঢ়ি যোৱা দেখি হৰকোৰে মোহনৰ হৈ মাত লগালে, "নাপায় নহয়, মোৰ বোপাই। এনেয়ে কেলৈ খং কৰিছ ? ইতো তোক কেৱল সুধিছেহে। যদি এতিয়াই দুইটাই এইদৰে কথা ক'বলৈ আৰম্ভ কৰ, তেন্তে এই পাহাৰ সদৃশ গৃহস্থীখন চলাবিবি কেনেকৈ ?"

হৰকোৰে মোহনক কেতিয়াও উচ্চ-বাচ্য কথা কোৱা নাছিল। তাক কেতিয়াও জোকোৱাও মৰা নাছিল। কিন্তু আজি যেন তেওঁৰো খং উঠিল। কিনো হ'ল পিছে সি ঘৰ-গৃহস্থী চলালিলে ? মানুহৰ লক লক ল'ৰা-ছোৱালীয়ে দহ বছৰৰ আগৰেপৰাই দায়িত্ব লৈছে আৰু ইয়াৰ দুবছৰতেই বিতৃষ্ণা জাগিল ! হৰকোৰে ভাবিলেহে পিছে ওপৰতে কৈ-দেখি দুয়োটাকে মনে মনে ৰাখিলে।

কথাটো কোনেও বুজি নাপালে, পিছে সকলোৰে মুখবোৰ ওকমি থাকিল। ঘৰখনৰ বাতাবৰণ উৎসাহ-নিশাহ বন্ধ হোৱাৰ দৰে হ'ল। হৰকোৰে কোমলকৈ, মিনতিৰ সুৰত এই পৰিস্থিতি পুনৰ সহজ কৰিবলৈ চালে, পিছে মোহনৰ গোমোঠা মুখখন কোনোপধ্যেই মাজাৰবিল।

আকৌ তিনিদিনাৰ দিনাখন, আবেলি চাহ খাই, তৎক্ষণাৎ জোতা পিন্ধি মোহন বাহিৰলৈ ওলাই গ'ল। ভয়তে হৰকোৰে তাক একো সুসুধিলে। ………

টিলাৰ ওচৰৰ বকুল গছৰ ওচৰ পালত তাৰ মনটো খোখোক-মোখোৰ জাগিল। সি ৰ'ল। প্ৰথমে ভাবিলে—ঘূৰি গৈ ঘৰবপৰা বাঠিডাল লৈ আনিব নেকি ? কিন্তু পিছত সুস্থিৰ খোজেৰে খেতিৰ কাষে আগবাঢ়িল। এতিয়ানো মোক খেতি কিটো কৰিবলৈ ? তাৰ এই ভাবটো হ'ল আৰু সি গাঁৱৰ বিপৰীতফালে ঘূৰি গ'ল। আকাশৰ তৰাৰ ফালে চকু দিলে, এতিয়া দেখি দেখি হোৱা নাই। 'আজু ৰহৰেউতা এতিয়া গাব পাই থাকিব পায়।'—এই কথা ভাবি মনটো অলপ পাতল লাগি গ'ল। আৰু তাত কোনোবা বন্ধু-বান্ধৱো থাকিব পায়।

গাঁৱৰ বাহিৰৰ ৰাস্তাৰ দক্ষিণমুৱা হৈ সি লকেশ দেউতাৰ ঘৰৰ সন্মুখ পালেহি। পিছে আটাইবোৰ চাকি নুমোৱা দেখি সি অলপ নিৰাশ হ'ল! দেৰিয়েই হৈ গ'ল কিজানি, সেইকাৰণে ৰেঙুলোক শুলেই হ'বলা। পিছে পদুলিমুখৰ দুৱাৰৰ ওচৰ পাওঁতেই ভুপুৰিৰ ভিতৰত কাহ শুনিলত তাৰ মনৰ সকলো ভাব যেন নাইকিয়া হ'ল।

লালু ৰবদেউতাই নিজৰ খাটিয়াখনৰ ওপৰত বহি, পাহাৰ-পৰ্বত আঁকা কাপোৰখন গাত মেৰিয়াই লৈ শণৰ সূতা কাটি বহি আছিল। খাটিয়াখনৰ ভৰি-পথানত ফটা লেপখন আৰু গিলিপ নোহোৱা গাৰুটো পৰি আছিল। সন্মুখত দুটা দ'ৰা বহি আছিল—বাজুৰ গিয়ালা আৰু সন্তোষ ঝিজ্জনৰ শেৰী। মোহনে যেতিয়া ভালদৰে শেৰীৰ চুটিকৈ কটা মোচ আৰু নিপোটল মুখৰ চেহেৰাটো দেখিলে তেতিয়া অলপ আচৰিত হ'ল। সি সেউজীয়া ৰঙৰ পাগুৰীটো কাণৰ দাঁতিয়েদি পকাই বান্ধিছিল আৰু নতুন পেটীডাল চিকমিকাই থকা দেখিছিল। মোহনে হাতত লাৰে ভৰিত লাৰে দুৱাৰদলি পাৰ হৈ চালিখনৰ ফালে আগুৱাই আহি ক'লে, "ৰবদেউতা, প্ৰণাম।" লালুৱে উত্তৰ তাৰ ফালে চালে, কিন্তু চিনি নাপালে। "কোননো?" বুলি সুধি সি মোহনৰফালে চাই থাকিল। কিন্তু শেৰীয়ে তাক তৎক্ষণাৎ চিনি পালে। "অ, তই" ফুলৰ দৰে হাঁহি মাৰি তাক স্বাগতম্ জনাই সুধিলে, "আজিনো এইফালে কোনে মুখ কৰালে? ধন্য মোৰ ভাগ্য! আজিনো ক'লা পকৰাৰ ঘৰত ভগৱানৰ কেনেকৈ পদধূলি পৰিল?" লালু ৰবদেউতাই নিজৰ বিশৃঙ্খল মোঁচটাৰ হাতেৰে মোহাৰি বাকী থকা দাঁত দুটা উলিয়াই আৰু কাপোৰখন চম্ভালি খাটিয়াৰ মূৰৰ ফালে হাউলি গৈ ক'লে, "আহ, ইয়ালৈ আহ মোৰ ওচৰত বহহি।"

কিন্তু মোহনে মনে মনে গিয়ালেৰ ওচৰত বহি পিছফাললৈ এনেকুৱাকৈ দৃষ্টি দিলে, যেন কিবা এটা বিচাৰিছেহে।

"এইটোকে ল ভাই পিনহা—আসন গ্ৰহণ কৰ। ৰবদেউতাৰ দৰবাৰ।" শেৰীয়ে ইটা এচটা হাতত তুলি দি হাঁহি মাৰি ক'লে।

লালুৱে মোহনক খাটিয়াত বহাবলৈ পুনৰ আগ্ৰহ কৰিলে, কিন্তু মোহন নাহিল।

"আৰু কচোন, তোৰ কি খা-খবৰ?" শেৰে স্নেহেৰে সুধিলে।

"ভালেই আছোঁ। দিনকাল যেনেকৈ পাৰ হয়, সেয়েই ভাল।"

"এতিয়াতো দিন পাৰ হৈছে?"

মোহনে শেৰৰ কথা কিছু বুজিব পাৰিলে। (তাৰ ইংগিত সম্ভৱ তাৰ বাপেকৰ মৃত্যুৰ ফালে আছিল) সি মনে মনে থাকিল।

"আৰু ভাই মোহন, তাৰ পিছত শুনাচোন, গোটেই পৰিয়ালটো ভাল আছে নহয় ?"

"সকলো তোমাৰ কৃপা, ককাদেউতা।"

"কিৰপাটো সেই নীলা আকাশবহে। যেচেৱা মানুহৰনো কোন কৃটা !" লালুৱে নিজৰ খহটা দাড়িবোৰ খজুৱাই হাঁহিলে।

লালুৰ মুখৰপৰা ওলোৱা প্ৰতিটো শব্দ, প্ৰতিটো কথাই মোহনৰ ভাল লাগে। তেওঁ প্ৰতিটো আখৰকে চাঁচি, মিহিকৈ, যথাই আৰু প্ৰয়োজন বোধ কৰিলে কোমলকৈ কয়। শুনোতাৰ ওপৰত যেনেকুৱা প্ৰভাৱ পেলাব লাগে তেনেকুৱাকৈ পেলায়। অন্তৰখনো তেওঁৰ বেয়া নাছিল।

মাটি-বাৰী ল'ৰাবোৰে চম্ভালি ল'লে। নিজৰ চতুৰ্থ অংশটোও ল'ৰাবোৰৰ নাতিৰ জোৰত নিজৰ কৰি ল'লে, সকলোৱে ভালকৈ সেৱা-শুশ্ৰূষাও কৰিছিল, নাতি-নাতিনীবোৰে তেওঁক বহি থাকোঁতেই কটি-পানী যোগাইছিল। গোটেই দিনটোৱেই কুলৰ নিচিনাকৈ হাঁহি আছিল। নাই কাৰোবাক উদাস হ'বলৈ দিছিল, নাই কাৰোবাক উদাসীন কথা ক'বলৈ দিছিল।

লালুৰ নাকটো দীঘল, সৰু, ক'লা, ভিতৰলৈ সোমোৱা শিয়ান চকু আৰু গালৰ ওলাই থকা হাড়কেইডাল দেখি তাৰ কিয় ক'ব নোৱাৰোঁ এনে ভাব হ'ল যেন ডেকাকালত লালু সুন্দৰ আৰু ভলবলীয়া আছিল।

"ককাদেউতা, চাহ আনিম নেকি এটোকমান ?" গিয়ালেই প্ৰথমে লালুৰ কালে, তাৰ পাছত সেৱীৰ কালে আৰু মোহনৰ কালে চাই যেন তিনিওকে সুধিলে।

"কোৱাচোন দেউতা, দাইলত দিউ ঢালি দিওঁনে ?"

"হেৰ চুৱৰ, এনেকুৱা কাম কিবা সুধি কৰেনে? তইতো সেইটো কামেই কৰিবি।" লালুৱে ডাঙৰকৈ হাঁহিলে। "চাহপাত আছেই, গুৰো আছে ; কেটলিটো জুইৰ ওপৰত তুলি দে—মই জানো যে ভাগ্যে গাখীৰ বহুত আছে—কোনোবাটো নহয় কোনোবাটো গৰু-ম'হে তোমাৰ ইয়াত গাখীৰ দিয়ে আছে।"

লালুৰ এই সংকেতত সেৱীয়ে ক'বলৈ আৰম্ভ কৰিলে, "ককাদেউতা, তই লোকক এনেকৈ দখাৱ যে তোটা বুদ্ধিৰ কাবাডী খেলুৱৈৰ দৰে একেবাৰে অৱস্থা নোহোৱা কৰি পেলায়। তোৱেই দিন আৰু ! কিন্তু গিয়ালটো মোৰ খুলশালী ল'ৰা। তাৰ লগত মাজে সময়ে ধেমালি কৰিবৰ মন যায়।"

"অ', মৰোতো তাকেই কৈছোঁ যে ভাই, গোটেই দিন আৰু…খুলশালীৰ লগত

খেমালি কৰাৰ।"

গিয়াছে ইটাৰ চুলাৰ জুই জ্বলাই কেটলিটো তুলি দিলে। সিহঁত তিনিটাৰ কাণ্ড-কাৰখানা দেখি মোদনৰ মনতে হাঁহি উঠিল।

"বৰদেউতা, তুমি ডেকাকালত বৰ খেমেলীয়া আছিলা হ'ব পায়?" গিয়াছাই জুই জ্বলাই সুধিলে।

"এইটো তই ঘৰত সুধিবি, মোক কি সুধিছ?"

"ঘৰত সোধোঁতেইতো গম পাইছোঁ।"

"আৰে ভাই মোদনা, খেতি-বাতিৰ কি খবৰ?"

লালুৱে কথাৰ মোড়টো সলনি কৰিবৰ বাবে মোদনৰ ফালে চালে।

"ভালেই হৈছে! ভালেই হৈছে! ভালেই হ'ব লাগে। তোৰ দেউতাৰ বৰ কৰ্মী মানুহ আছিল। গোটেই জন্মটোৰে গোণা ম'হৰ দৰে অৰ্জন কৰিলে, পিছে এক পইচাও নাসাঁচিলে।—পিছে সংসাৰত এনেকুৱা মানুহৰ আদৰ নাই। হয়!… নাইকিয়া আদৰ!" লালুৱে দুই-তিনিবাৰ মূৰটো জৰাই শেষৰ শব্দকেইটা আওৰালে।

"বৰদেউতা, আজিকালি দুষ্ট-বদমাচবহে দিন। দুষ্ট-বদমাচ চোৰ্বা হয় আৰু বদমাচী হিৰোতা প্ৰধান হোৱাটো কথাই হ'ল আজিকালিৰ কথা।" 'শেৰীয়ে চমৰাবৰ দৰে হুংকাৰ দি ক'লে। "এইবোৰেই কথা, এইবোৰেই কথা তোৰ। বুদ্ধিয়ক কথা তোৰ। এফিয়াই দুষ্ট-বদমাচ মিলিয়েই ইয়াৰ (মোদনৰ) বাপেকক এই দুৰ্দশা কৰিলে যে নাই?—আৰে তুমিও বদমাচ হৈ যোৱা, মোৰ……" লালুৱে এটা পাতলীয়া গালি পাৰিলে আৰু মুখখন এনেকুৱাকৈ ভেঙেচুৱালে যেন কিবা তিতাহে চোবালে। উজ্জ্বল চকুকেইটা ৰঙা হৈ উঠিল।

"শেৰয়া, এনেকুৱা পাপী মানুহবোৰ পোক দি দি মৰে…।"

"এই বদমাচবোৰৰনো ক'ত পোক পৰে অ' বৰদেউতা?—চাই ল'বি তোৰ সন্মুখতেই পেট ওলমিহে যাব লাগিছে।"

"মহয় মহয়। তইতো চাব খুজিছ। চাই থাক। পাপৰ কলহটো পূৰ্ণ হ'লেহে ডুব যায়। ইহঁতৰ বীজ বংশ নাশ হ'ব—বংশ বীজনাশ।…হেৰ পগলা, পানেৰ জিচিনা সাধু মানুহৰ ওপৰত অত্যাচাৰ কৰি ভাবিছ মেকি সুখেৰে থাকিব বুলি? …চাই থাকচোন! হেৰ পগলা! তই কেনেকুৱা কথা কৈছ? ই চালাই যদি কটাৰ টুকুৰাটোও বিচাবিংলনীয়া মহয় মোক লাজু বুলি নাযাতিবি।" লালুৰ মুখৰপৰা শব্দবোৰৰ লগত যেন জুইহে ওলাল। চুলাত গিয়াছে অংগাৰা জুইৰ পোহৰত

তেওঁৰ হাড় ওলোৱা গালখনৰ মিঠাবৰণীয়া ছালখন বগা হৈ উঠিল। তেওঁৰ ভিতৰত যেন কিবা এটা উত্তাপ আছিল। "তুমি একো নাজানা নেকি?" জালুৱে ভুঁইকুৰাৰ-ফালে চকু ফুৰালে আৰু খন্তেকলৈ সকলোবোৰ মনে মনে থাকিল। তাৰ পাছত জালুৱে যেন নিজৰ ভিতৰত গুমগুমাই থকা সকলো কথা বাহিৰ কৰি দিবলৈ আৰম্ভ কৰিলে। "আন্ধাৰ নাই হোৱা নহয় ভতিজা? পাপেৰ নিচিনা মানুহ জানো ঘৰে ঘৰে জন্ম হয়? এনেকুৱা কোমল, এনেকুৱা স্নেহশীল, এনেকুৱা মিঠা কথাবোৰ! কথা ক'লে এনেকুৱা লাগে যেন মুখেৰে কথা কোৱা নাই। সিহঁতে এনেকুৱা মানুহক ফাঁকি দিলে। এইটো কি জুলুম নহয় নেকি? "হে ভগৱান!" মোৰ ওচৰত সি আহি বহিছিলহি। খুব কান্দিছিল। কৈছিল, ককাইদেউ, ইহঁতে মোক থাকিবলৈ নিদিয়ে। মই ঘৰ এৰি লৈ গৈ খেতিতে কোঠা লাগিম। মই কৈছিলোঁ—নালাগে, তই দেউতাৰ-ককায়েৰৰ ঘৰ এৰি পাহাৰত গৈ কেলেই বহিবিগৈ? এইদৰেতো তোক কাইলৈ ভাৰপৰাও উলিয়াই দিব। তেতিয়া তই কি কৰিবি? কিন্তু অৱশেষত সেই অমঙ্গলীয়াবোৰে তাক সন্ন্যাসী কৰিহে উশাহ ল'লে। থাক বাদ দিয়া, মৈমিক কাজিয়া কৰি থকাতকৈ এইবোৰেই ভাল।—চকুৱে নেদেখিলে, কাণেৰে নুশুনিলে মানুহে কথাবোৰ পাহৰি-চাহৰিয়েই যায়। পিছে তাতো সেই নীচবোৰে ক'ত পিছ এৰিলে? পিছ ল'লে···আৰু অৱশেষত সেই সাধু মানুহটোক মাৰিহে এৰিলে—চাণ্ডাল ৰাক্ষস!—এনেকুৱাই হয় আচল ৰাক্ষসবোৰ—অ'।"

নিজৰ দেউতাকৰ কথা শুনি মোহনৰ শোকে খুন্দা মাৰি ধৰিলে। অৱশ্যে আন মানুহেও এনেকুৱা ধৰণৰ বহুত কথা কয়, পিছে সেইবোৰ কথাই মনত ইমান প্ৰভাৱ নেপেলায়। তদুপৰি, পাপা মানুহটো এনেকুৱা আছিল যে সি গোটেই জীৱনটোত কাৰো ক'তো বেয়াটো কৰা নাছিল। কাৰো লগত যেতিয়া একো লেন-দেনেই নাছিল, তেনেহ'লেনো কাৰোবাৰ লগত কাজিয়া-পেচাল লাগিব কেনেকৈ? তেওঁ মৰাৰ এতিয়া দুই-তিনি মাহ হৈ গ'ল। মোহনে গৈ যাৰ ওচৰত বহেগৈ, সিহঁতে এতিয়াও পাপেৰ কথাই কয়। তেওঁৰ সদ্নাম গায়। কেইবাবাৰো মোহনৰ এই কথাবোৰ মনে পৰা আৰু উচটোৱাকিবৰ যেনো লাগিছিল।

"শেৱয়া, এই জাতটো এনেকুৱা বটাৰে তৈয়াৰী যে তাত কাঁইটো নোলোৱাৰ। জালুৱে এতিয়াও নিজৰ মনটো পাতল কৰি কৈছিল, "বৃত্তিকবোৰে এনেয়ে কোৱা নাছিল নহয়—মূৰ্খ, কাউৰী আৰু দুৰ্নীয়ে পৰিয়ালক পাতল কৰে আৰু আঢ়ৈ ঘঁহ, ঘঁহিয়াজে নিজৰ পৰিয়ালৰ সৰ্বনাশ কৰে। থাক, এতিয়া ভিতৰৰ আচল কথাটো

শুনি ল'। এইটো কথা সস্তৱ মোহনে গম নাপাব—গম পাবিনো কেনেকৈ। এইটো কথা ইয়াৰ ককাকৰ সময়ৰহে। আৰু সঁচাকৈ ক'বলৈ হ'লে ইয়াৰ আজোককাকৰ সময়ৰহে।"

"ইয়াৰ এজন ৰবদেউতাক আছিল। হ'ব আৰু পঞ্চাশ-ষাঠী বছৰীয়া পুৰণি কথা। এতিয়াৰ নিচিনা নগৰখনৰ নহয়। ইয়াৰ দেউতাকৰ, সেই চালা বৰ পেটুৱা অৰ্জুনৰ, যি পালেৰ নিচিনা মানুহক বেজাৰ দিলে। সেই বুঢ়া যাবলৈ ওলাল, মোমায়েকৰ ঘৰলৈ আৰু নিজৰ মাটিখিনি ইহঁতক দি থৈ গ'ল। সেইবাবে বুজিছ ইহঁতবোৰে প্ৰায় পোন্ধৰ-বিশ বছৰলৈকে সেই মাটিৰ অৰ্জন খালে। তাৰ পিছত বুঢ়া মৰিল। বুঢ়াৰ ল'ৰা ডাঙৰ হ'ল। দেখিছই নহয়, এতিয়াও সিহঁতে নিজৰ মাটি চম্ভালি আছে। বুজিছ, সিহঁত ইহঁতৰ ওচৰলৈ আহিলে—এই মুখ্য পঞ্চঅৰ্জুনৰ কাৰণে। ইয়াৰ এটা ডাঙৰ ভায়েক আছিল, ভতিজাকৰ নিচিনা। তাক তোগা-তোগা বুলি মাতে। তইতি জনা-বুজা হোৱাৰ আগতেই সি মৰিল। কাজিয়া কৰাত সি অৰ্জুনৰো বাপেক আছিল—আৰু মৰিলেও এনেকৈয়ে, কুকুৰ-মেকুৰীৰ নিচিনা কাম কৰি···"

খন্তেক সময় মনে মনে থাকি লালুৱে কথাৰ আঁত ধৰি ক'লে, "চোৰাচোন, সেই ল'ৰাটুকক ইহঁতে পানী এটোপাও নাখাচিলে। একো কথাই নক'লে। পিছে ইহঁতে ক'লে, 'কোনখিনি তোমাৰ, মাটি?···সেয়াতো তোমাৰ দেউতাই আমাৰ ওচৰত বন্ধক থৈ গৈছিল।'—ইমান ফাকি! অন্ধকাৰ নামি আহিল। পিছে সিহঁতৰো এটা ল'ৰা উগ্ৰ আছিল। সি ক'লে, 'ভাইহঁত, তোমালোকে লিখাখন দেখুওৱা।' হে ভগবান, ইহঁতে এনেয়েই এখন পুৰণা বহী উলিয়াই জাল টিপচহী দেখুৱাই দিলে। সেই ল'ৰাবোৰনো এতিয়াও সক হৈ থাকিব কেলৈ? তদুপৰি সিহঁতৰ সকলো কথাই জনা আছিল—সিহঁতৰ কি, গোটেই গাঁৱৰে লক লক ল'ৰা-ছোৱালীবো জনা আছিল। হৈছে, ভগবানে ভাল কৰক সিহঁতে পঞ্চায়ত বহুৱালে। সেই সময়ত তাক গাঁৱত সকলোৱে মানিছিল। গাঁৱত কিবা মোকাবিলা হ'বলৈ হ'লেই 'মাতা মৌনেক।' যদি কেতিয়াবা কোনোবা দুই ভাইৰ মাজত কিবা হিচাপ-নিকাচৰ কাজিয়া হয়, 'মাতা মৌনেক।' মানুহটোও একেবাৰে মোল জনাই সত্যবাদী আছিল। আপোন মানুহ বুলি কাকো সি খাতিৰ নকৰিছিল। কাৰো ওচৰত সেও নহৈছিল, কাকো ভয়ো নকৰিছিল।"

"ইয়াৰ নিজা বাপেকৰ কথা কৈছা মেকি বৰদেউতা" চাহ কৰি থকা পিয়ালে সুধিলে। "তাকতো মইও দেখিছিলোঁ।"

নহয় ভতিজা। এই মোমনৰ দেউতাকৰ এজন ককায়েক আছিল। বৰদেউতাকৰ ল'ৰা। হেৰ অপইতা, সেয়াই মীচৰৰ আজোককাক—পেট আটাইবোৰৰে একেটাই নহয়। পিছে তেওঁৰ ঘৰত ল'ৰা হোৱা নাছিল। তেওঁৰ সম্পত্তি ইহঁতবোৰে চম্ভালিছিল। মোমনৰ দেউতাকো মানুহৰ মাজত এটুকুৰা হীৰা আছিল। সমুখত থকা সোণৰ দ'মতো হাত নিদিলে। তেওঁ কৈছিল, 'মোৰ হাতত থকাই দিয়া সকলো বস্তুৱেই আছে। মইনো কেলেই কোনোবাই এনেয়ে পোৱা মাটিৰ ওপৰত চকু দিওঁ? —পিছে তুমি জানাই নহয় এনেকুৱা মানুহ বিৰল হয়। সেই কাৰণেই মৌনে বুঢ়াই পুমৰ ভৰা পঞ্চায়তত ইয়াক ভালকৈ এনেকা দিলে। মিছা কথা নৰজিল। গোটেই গাঁওখনেই জলি গ'ল, আৰু এৰৰীয়া কৰিলে। মাটিৰ কয়চলা ল'ৰাহঁতৰ কালে পঞ্চায়তে কৰিলে। পিছে ই ইমান নীচ আছিল যে সিহঁতক এৰি নিদিয়ে। তেতিয়া সিহঁতে পঞ্চায়তৰ পাঁচ-সাতটা মানুহ লগত লৈ ল'লে আৰু চাৰি-পাঁচটামান সঙ্গীয়া ভায়েকো লগত আনিলে। পাঁচ-পাঁচ হাত ওখ ডেকা, পালোৱান যুৱক। আহি সিহঁতে হাল জুৰিলেহি। গতিকে কথা ইমানতে শেষ হ'ল।

তাৰ পাছত শুনা। বেচেৰাহঁতৰ বাবে ছুখন ঘৰৰ কাম চলোৱা টান হৈ পৰিল। সৰু ল'ৰাটোৱে ইয়াতে থকাৰ কথা ভাবিলে। তেতিয়া সিহঁতে ঘৰ ভাগ কৰি নিদিলে। এইদৰেই আকৌ কাজিয়াৰ সূত্ৰপাত হ'ল। সেইবাৰো বিচাৰ মৌনে বুঢ়ায়েই কৰিলে……পিছে এই নীচটোৱে গৈ ল'ৰাকিটাৰ ওপৰত মোকৰ্দমা কৰিলে। এইবাৰেই মিছা মোকৰ্দমা—নিজে নিজেই ছুটা দোষ উলিয়াই ল'লে। বুজিছা, যিমান দিনলৈকে মোকৰ্দমা চলি থাকিল, সেই ল'ৰাকিটা মৌনেৰ আশ্ৰয়ত থাকিল। মৌনে আৰু পালেৰ বৰ অজ্ঞাল লৈছিল। ই চালা ইহঁতৰ শত্ৰু হৈ পৰিল। পিছত মোকৰ্দমাতো হাৰিল। ঘৰো ভাগ কৰিলে, কিন্তু মনৰপৰা প্ৰতিশোধৰ ভাৱ নগ'ল।

বুজিছা, সেই যে অৰ্জুনৰ ডাঙৰ ভায়েক—যাৰ কথা তুমি কৈছা, সি এদিন ৰাতি মদ খাই ইহঁতৰ দুৱাৰমুখত গৈ চিঞৰ-বাখৰ কৰিবলৈ ধৰিলে। মৌনে বুঢ়া ঠাণ্ডা মানুহেই আছিল, পিছে ঠাণ্ডা মানুহৰ লগতহে চাণ্ডা আছিল। এনেয়ে বঢ়া মানুহ, তাতে তেওঁৰ লগত তিনি কিলোমান ওজনৰ এডাল ডাঙৰ গদা আছিল। শুনিছোঁ ডেকা কালত তেওঁ হেনো ভালুকো মাৰিছিল। ডাঙৰ ডাঙৰ পালোৱান-বোৰো তেওঁৰ ওচৰ নেচাপিছিল। পিছে ইফালেদি আমাৰ মোমেৰ দেউতাকো ওখ-ডাঙৰ মজবুত মানুহ আছিল। বুজিছা, একেখন দুৱাৰৰ ভিতৰত সাওৰৰ

আছিল। চোতালখন উমৈহতীয়া। তাৰ পিছত চিঞৰ-বাখৰ শুনি তেওঁলোক দুয়ো ওলাই আহিল। সেই বদমাচটোৰ সন্মুখত মৃত্যুৱে নাচি আছিল। যেতিয়াই ই সিহঁতক গালি দিবলৈ আৰম্ভ কৰিলে, বচ তেতিয়া আৰু কোনে বাধে, মৌনে বুঢ়া তাৰ ওপৰত জঁপিয়াই পৰিল। মাৰি মাৰি চেপেটা কৰিলে। খুউব পিটিলে, কিন্তু ক'তো দেখা পোৱাকৈ দাগ নবহিল। পিছে একোবত মৌনে বুঢ়াৰ এটা মাৰ তাৰ ভৰিত পৰিলত তাৰ হাড় ভাগি গ'ল।

বচ, তাৰ পিছত কথা বাঢ়ি গ'ল। বিবাদ গৈ আদালত পালেগৈ। পিছে গোটেই গাঁওখন মৌনে বুঢ়াৰ লগত গৈ বজাৰ ওচৰ পালেগৈ—সেই কালত তেওঁৰ কথাই সকলোৱে মানিছিল। ঘটনাৰ কথা শুনি তেওঁ গাখীৰক গাখীৰ, পানীক পানী কৰি ন্যায় বিচাৰ কৰিলে। কথা কেনেবা দেখি ই বৰ নম্ৰ হৈ ভৰিত মূৰ থ'লেগৈ। মৌনৈ পিছে খোলা অন্তৰৰ মানুহ আছিল। সকলোৱে কোৱা-মেলা কৰাত তেওঁ সন্মতি পত্ৰত চহী কৰিলে।

কিন্তু তেতিয়াৰপৰা সিহঁতৰ ভিতৰত আখেজ থাকি গ'ল। এতিয়া ইহঁতে যি শত্ৰুতা কৰিলে, সেয়া সেই আখেজতহে কৰিলে। পালেৰ নিচিনা কোমল মানুহ সংসাৰত আছেনে? তাৰ ল'ৰাবোৰো ডাঙৰ হ'ল—সিহঁতে তাকো পৰাজিত কৰিব পাৰে। সিহঁতেনো এতিয়া কাজিয়া নকৰিব বুলি কোনে ক'ব পাৰে?

"বৰদেউতা, যেতিয়ালৈকে জাঠৰ মাজমূৰত মাৰ নপৰে, তেতিয়ালৈকে কেতিয়াও বুজি নাপায়। আৰু যেতিয়ালৈকে ডিঙি কাটি তাৰ ওপৰত ইটা নথয়, তেতিয়ালৈকে নমৰে। শেষীয়ে শতাব্দী পুৰণি কথা "বুঢ়া মানুহে কোৱাৰ দৰে" ক'লে।

এৰা, হওঁতে তোৰ কথাটো সঁচায়েই। পিছে পাঁচোটা আঙুলিতো সমান নহয়। বহুত ভালো হয় ই চালাটো একেবাৰে ঠেক মনৰ।

কিয় ঠেক মনৰ হ'ব? প্ৰকৃততে কাৰো লগত এতিয়ালৈকে সমুখা-সমুখি হোৱা নাই। কথাতে কয় নহয় যে তোৰ লগত যুঁজিব বংশীধৰনে। ভাল মানুহৰ লগত এতিয়া পৰিছ। কিন্তু মোৰ নিচিনা শিং থকা ছাগলীৰ লগত যদি যুঁজ লাগিলহেঁতেন তেতিয়া দেখিলাহেঁতেন কেনেকৈ দাঙি ধৰি নাকত পেলাই দিব পাৰোঁ।

লালুৱে মূৰটো জোকাৰি ক'লে, "ভায়েককেইটাও কম নহয়। কোনটোৱে বহুত দূৰলৈ চিন্তা কৰে? কোনোটোৱে তোমাৰ দৰে তেজ গৰম হোৱা কথা সহ্য কৰিব নোৱাৰে।

"বহুত দূৰলৈ চিন্তা কৰাবোৰক সংসাৰে থাকিবলৈ নিদিয়ে······আৰু মানুহে

বুজি নয় ভাই, ইয়াৰ এনেয়ে দম নাই—উত্তৰা চাহপানীৰ চাহপাত্ৰখিনি একাষে থৈ গিয়ানেই এনেয়ে ওপৰতে মাত মাতিলে।

"হেৰ বোপাই, এইটো ঠিকেই, পিছে......"

"পিছে কি? তইতো নিজেই আমাক নিছবাৰ কথা শুনাইছ—সেই গুৰু গোবিন্দ সিংহৰ কথা।"

"অ'—হয়! সেই কথাটো আধীত লিখিছে, কিবা মই মনেৰে গঢ়িছো নেকি?

"মইনো কেতিয়া ক'লোঁ মনেৰে গঢ়া বুলি। পিছে কথাটো খাটাং নহয়। ধৰ্মেউতাই যদি এনেকুৱা মানুহৰ সন্মুখত মুখ দেখায়, তেতিয়াহ'লে এনেকুৱা মানুহ আৰু ওপৰলৈ উঠি যাব।"

"গুৰু গোবিন্দ সিংহৰ কোনটো কথা ধৰ্মেউতা?" শেষে চকুৰ দৃষ্টি যোগনৰ ওপৰত দি সুধিলে।

"হেৰ অপদাৰ্থ, আগতে তইঁতে কিমানবাৰ শুনিছ সেই অধ্যায়ৰ কথা। যেতিয়া গুৰু চাহেৰ নংদেৰলৈ গৈছিল, এজন পাঠানৰ লগত পাশা খেলি কৈছিল, তাই নিজৰ শত্ৰুৰ ওপৰত যি প্ৰতিশোধ নলয় সেই মানুহনো কিবা মানুহনে? তাৰ পিছত সেই পাঠানে তাৰ ওপৰত মাৰ মাৰিলে।"

"বাক বাক।" ......শেষে মুখ মেলালে। "এই কথা বহুতবাৰ শুনিছোঁ—এই কথাবাৰতো ঠিকেই...... ।"

গিয়ানে ডাঙৰ বাটিত চাহ ঢালি দিলে। সকলোকে চাহ দিবৰ সময়ত সি কথাৰ গতি আইনফালে ঘূৰাই দিলে। প্ৰথম চাহটোকে যেন যোগনৰ কলিজা পুৰি দিলে। দ্বিতীয় ঢোক খাওঁতে ভিতৰৰপৰা গৰম তাপ ওলাবলৈ লাগিল—আৰু তাৰ পিছত বক্ষে বক্ষে জ্বলি উঠা যেন লাগিল। চকু শুকান বকুল গছৰ ডালবোৰ অস্তঠাৰ নিচিনাকৈ উজ্জ্বলি উঠা যেন লাগিল। আৰু সি ঘূৰি পেলাই শেষী আৰু গিয়ানৰ কাষে চালে। পিছে সিহঁত দুয়োটাই ল'লুৰ লগত আজে-বাজে কথা কৈ হিঁ হিঁ কৰি হাঁহি আছে। সিহঁতৰ হাঁহিয়ে যেন অন্তৰত জ্বলি থকা জুইকুৰাত মিঠাতেলহে ঢালিছিল। (সিহঁত দুয়োটা আচলতে তাৰ সকলোৰৰ লগৰীয়া আছিল, কিন্তু যেতিয়াৰেপৰা সি পৰিয়াল চাৰ লগাত পৰিল, তেতিয়াৰেপৰা মেল-মিল কমি গ'ল। আৰু আজি যেতিয়া সি সিহঁতৰ আচল ৰূপটো দেখিলে, তাৰ মন আগৰৰে 'সমাপ্ত' কৰিবলৈ চালে।) পিছে তথাপি সি সচৰাচৰ কথাৰ দৰে থৰখিনি গিলি থ'লে......

"ভাল থাক ৰবদেউতা, বাচ শুকজীৱী হটে।" শেষৰ গৰম চাহ আৰু ভিতা ঘোট ঢোক মাৰি চাহৰ বাটিটো মাটিত থৈ মোদন উঠি থিয় হ'ল আৰু সিইতৰ কাষে নোচোৱাকৈয়ে তাৰপৰা উঠি গ'ল।

"ভাই, মোৰ ভাগৰ চাহ এতিয়াও বাকী আছে।" গিয়ালে ডাঙৰ মাতেৰে ক'লে।

"থাক, আকৌ কেতিয়াবা খাম্‌হি।" মোদনৰ এই কক্ষ মাত আৰু হঠাৎ উঠি গুচি যোৱাটোত লালুৱে অলপ চক খালে আৰু মুখত একো কথা নোলাল।

"ল'ৰাইত, মোদন কিবা কথা-বতৰাত থং খোৱা নাইতো!" মোদনে দুৱাৰমুখ পাৰ হৈ ওলাই যোৱা দেখি লালুৱে বৰ নম্ৰ হৈ সুধিলে।

"হৈছে!" শেৰীয়ে মাত লগালে, "যদি ইমান থং থকা হ'লহেঁতেন, তেতিয়া-হ'লে এতিয়াৈলেকে শত্ৰুৰ থঙৰ বাঢ়নি হৈ সুফুৰিলেহেঁতেন।" মোদনে বাহিৰৰ চাপৰ বেৰখনৰ ওপৰেদি পাৰ হওঁতে শেৰীৰ এই কথাকেইটা শুনিবলৈ পালে আৰু ভৰিকিটা থৰক্-বৰক্ হৈ গ'ল। এবাৰ সি পিছলৈ ঘূৰি চালে, পিছে চকুৰে যেন আন্ধাৰ দেখিলে। বেৰৰ সহায়ত সি চম্ভালি ল'লে, আৰু যেতিয়া তাৰ মনটো অলপ ঠিক যেন লাগিল, তেতিয়া সি দীঘল দীঘল খোজ দি ঘৰৰ ফালে মুখ কৰিলে। ৰাস্তাত সি কেইবাজনো মানুহ পালে, পিছে সি কাকো চিনি নাপালে। দুজনেতো তাক মাতো লগালে, পিছে সি একো গম নাপালে। ঘৰৰ সন্মুখ পাই সঁচাকৈয়ে তাৰ এনেকুৱা লাগিল যেন সি অঙঠাৰ ওপৰেদি খোজ কাঢ়ি আছে। দুৱাৰ খুলিব খুজি হঠাৎ কিবা কথা মনত পৰিল আৰু সি তাৰপৰা উভতি আহিল।

পথাৰৰ চাৰিওফালিটো ঘন আন্ধাৰ আছিল। আকাশত থকা তৰাৰ উজ্জ্বলতাও বেষৰ কাৰণে অনুজ্জ্বল হৈ পৰিছিল। ৰাস্তাৰ দুয়োকাষে থকা গছ-গছনিৰ চেহেৰাবোৰো বৰ ভয় লগা হৈছিল। গছবোৰৰ আকাৰ বৰ ডাঙৰ আৰু অদ্ভুত যেন লাগিবলৈ ধৰিলে। কঁকাললৈকে ওখ লেউজীয়া ক'লা থেঁহু, লেউজীয়া বুট আৰু হালধীয়া দবিৰহ—সকলোবোৰ একে ক'লাৰং যেন লাগিল। চাৰিও চাপৰোৰ ঘৰফৰ মিচিনা ঠাণ্ডা হৈছিল। তাৰ জোতাৰ তলেদি ঠাণ্ডা বালিৰ স্পৰ্শ অনুভৱ কৰিছিল, কিন্তু এই স্পৰ্শই ঠাণ্ডা লগোৱাৰ পৰিবৰ্তে ৰক্তে ৰক্তে গৰমহে লাগিছিল। ইমান সময়লৈকে মোদন পোনোপথা হৈয়েই আহি আছিল। খেতিৰ পথাৰ এতিয়াও একক্ৰোশ মান দূৰত আছিল। অন্তৰত হৈ থকা উত্তাপৰ তাৰ লাহে লাহে কম হৈছিল। ইয়াৰ লগে লগে খোজো মধ্যম হৈছিল। বকুলৰ

টিলাটোৰ ওচৰ পাই সি মূৰ তুলিলত টিলাত থিয় হৈ থকা পুৰণা ঘৰখন গছৰ তলত, একা-বেঁকা ঠাল দুটা হাত মেলোৱা মানুহৰ দৰে লাগিছিল। এই ঘৰখন জোপাই তাক ল'ৰাকালৰেপৰা এতিয়ালৈকে বহুত কথা মনত পেলাই দিলে। তাৰ পাছত যেতিয়া তলমুৰ কৰি আগবাঢ়িল, তেতিয়া এটা কথা, কুকুৰৰ ওপৰত পৰা মাখিৰ দৰে বাৰে বাৰে তাৰ মূৰত ভেনভেনাবলৈ লাগিল। —সিহঁতবোৰ এই ঘৰখনৰ তলেদিয়েই গৈছিল……আৰু তাৰ পিছত এটা কথাৰ লগত আৰু এটা কথা ওলাই জোৰা খালেহি—যেন কোনোবাই হাত মেলোৱা ঘৰখনৰ ওপৰত লাগি থকা মৌৰ ওপৰত পৰা মাখিৰ ওপৰতহে শিল মাৰিলে।

যোদনে তাৰ দেউতাকৰ দীঘল, পাতল নম্ৰ হাঁহিটো শুনা পালে আৰু নিশ্চল, সৰু চেহেৰাটো দেখিলে। তাৰ পাছত সেই ফুল থকা কাথাখন মেৰিয়াই খুটৰ ওচৰত বহি থকা, কোঠাটোৰ বাহিৰত পাৰি থোৱা বিচনাত ব'হত পিঠি পাতি বহি থকা দেখিবলৈ পালে। তেওঁৰ মূৰৰ আধাতকৈও বেছি চুলি এতিয়াও ক'লা হৈয়েই আছে, পিছে দাড়ি আটাইবোৰেই বগা হ'ল। ক'ৰবাত দুই-এডালহে ক'লা আছিল। জেলৈ যোৱাৰ আগতেতো আধাখিনি দাড়িয়েই ক'লা আছিল, ইমান সোনকালে, এই ডেৰ বছৰতে, দাড়িখিনি বগা কেনেকৈ হ'ল? “……তই বছৰৰ কথা কৈছু, ভতিজা, চিন্তা আৰু বদনামে সাতদিনতে মানুহক বুঢ়া কৰি দিয়ে।” ……সি লালুৰ নিচিনা কোনোবা মানুহৰ মাত প্ৰত্যক্ষভাৱে শুনিবলৈ পালে, কিন্তু চেহেৰাটো ধৰিব নোৱাৰিলে। মাতটো যেন এতিয়াও শুনিয়েই আছিল—

……এইপিনেই ইয়াতে এটা বুঢ়া আছিল। তাৰ নাম আছিল নথানা। তই জনা-বুজা হোৱাৰ আগৰে কথা। তেওঁৰ পাঁচটা ল'ৰা আছিল, কম বয়সতে হোৱাৰ বাবে সমনীয়াৰ নিচিনাই লাগিছিল। সেইকাৰণে তেওঁক দেখিবলৈ তেওঁলোকৰ ডাঙৰ ককায়েকৰ নিচিনা যেন লাগিছিল। এতিয়া ডাঙৰটোৰ কিবা বেমাৰৰ কাৰণে দাড়িবোৰ বগা হ'ল, পিছে দেউতাকৰ এডালো দাড়ি বগা হোৱা নাছিল। —কাতিমাহৰ বেমাৰত এটাৰ পিছত এটাকৈ পাঁচোটাই মৰি থাকিল; তাৰ পিছত বুজিছা, নাথানাৰ গোটেইখিনি দাড়ি এমাহৰ ভিতৰতে বগা হৈ গ'ল—এয়াতো মই নিজ চকুৰেই দেখিছোঁ……”

‘ ……হয়নে তুমি কি দেখিলা?”……এইবুলি কৈ থকা মানুহজনক এটা চিপাহীয়ে গালি দি প্ৰশ্ন কৰিলে, “কি দেখিছিলি ক।” —একো নাই হুজুৰ, মইনো কি দেখিবলৈ আছে। মই এনেয়েই কথা কৈ আছিলোঁ।

……আৰু তাৰ পিছত এই বণ্ডা পাগুৰী আৰু বুটজোতা পিন্ধা জীয়াই জীয়াই

যমদূতকেইটা গিৰিপ-গাৰাপ কৰি সিহঁতৰ ঘৰত আহি সোমালেহি। সিহঁতৰ দেউতাকক সিহঁতে কোঠাৰ ভিতৰতে বেৰি ধৰিলেহি। তিনিটা চিপাহীয়ে ঘৰৰ বাহিৰত পহৰা দি আছিল—যেন সিহঁতে কিবা গড়ৰ চাৰিকাষ বেৰি ৰাখিছে। গাঁৱৰ ল'ৰা-ছোৱালী-বোৰ—যি দূৰতে ভয় খায়, ভয়াতুৰ চাৱনিৰে টিলাৰ ওপৰত থকা বকুল গছৰ ওচৰত বৈ ইহঁতৰ ফালে চাই আছিল। ইহঁতবোৰে গালি পাৰিছিল আৰু চাৰিটা চিপাহী আৰু দাৰোগাই পালেকে আদি কৰি গোটেই পৰিয়ালটোক বেৰি ধৰি পদূলি মুখত ৰহাই ৰাখিছিল। দাৰোগাই অবাইচ মাত মাতি মাতি যেতিয়া পালেক ডকাইতৰ বিষয়ে সোধা-সুধি কৰি আছিল, তেতিয়া পিছফালে থিয় হৈ থকা দুটা চিপাহী ঠেলা মাৰি ভিতৰত সোমাই গ'ল আৰু বন্দুক আৰু বাচন-বৰ্তনৰ অনুসন্ধান কৰিবলৈ লাগিল।

"ঐ, কচোন, কোন কোন মানুহ আছিল?" দাৰোগাই বাৰে বাৰে এইটো কথাকেই সুধিছিল।

"মইতো আপোনাক সাতবাৰ কৈ দিছোঁ যে ভাই, মই একো নাজানো—ক'ৰ-পৰা আহিছিল, ক'লৈ গ'ল।" পালেৰ ভতিজাকৰ অনুজ্জ্বল চকু জ্বলি উঠিছিল, আৰু তেওঁৰ মাত কঠোৰ হৈ পৰিছিল, "মোৰ জানো সিহঁত কিবা খুনশালী হয়? ......জৰাতিথন আহি সোমাইছিল। হোজাটো হৈ সিহঁতে ক'লে, 'ভাই আমি বাটকৰা। ৰাতিটো কটাব লাগে।' এইদৰে যদি কোনোবা আহি সোমায়হি তেতিয়াহ'লে কি ঘৰৰপৰা খেদি দিব পাৰি নেকি? আমি সিহঁতক কটা-পানীও দিলোঁ—একো মিছা কোৱা নাই। বিছনাও দিলোঁ। আমি কিবা সপোনতো ভাবিব পাৰোঁ নে তেওঁলোক কেনে মানুহ? সিহঁতৰ হাতত কোনো অস্ত্ৰ-শস্ত্ৰও নাছিল আৰু কথা-বতৰাও বেয়া নাছিল। তেনেহ'লে কি সিহঁতৰ কপালত লিখা আছিল নেকি সিহঁত বেয়া মানুহ বুলি?"

দাৰোগাই যোগনৰ বাপেকৰ এই 'মুখতে কথা কোৱা' শুনি খঙতে বঙা-চঙা হৈ গ'ল। তাৰ পিছত সি ক্ষীণ, গৰগৰীয়া কঁপা মাতেৰে সোঁৱে-বাঁৱে থকা চিপাহীক হুকুম দিলে, "এইদৰে কাম নহ'ব। ইহঁতৰ তিৰোতাবোৰক নাঙঠ কৰ......"

চিঞৰি-বাখৰি যোগনৰ মাকে দাৰোগাৰ ভৰিৰ তলত নিজৰ মুৰ দোঁৱালো। সেই সময়তে দাঁতিত থিয় হৈ থকা ঘনা মুখিয়ালে ডাঠ দাড়ি-খিনিত হাত বুলাই ক'লে, "হৈছে আৰু মাফ কৰি দিয়ক হুজুৰ! আৰু যি আইন-কানুন কৰিবলগীয়া আছে কৰক।"

"এই জাতে আইন-কানুন মানিবনে ?" দাঁত কৰচি দাৰোগাই মোহনৰ বাকৰ ঠেলা মাৰি ডুবাব মুখত পেলাই দিলে আৰু আগবাঢ়ি পাজেৰ বাঢ়িত ধৰি তাৰ পিঠিত লাঠি বৰষিলে।

মোহনৰ চকুৰ আগত একেবাৰে অন্ধকাৰে আবৰি ধৰিলে। সি নিজৰ মুখখন আকৌ ভয়ানক তপত যেন পালে। চকুৰ পলকতে পানী ওলাই বৈ গৈ নাকৰ ফুটাবে সোমাই গ'ল। আৰু হঠাৎ চকু মেলোঁতেই যেন খাই বৈ গ'ল·········

সন্মুখত দেখা পোৱা শকত গা-গছৰ তলত কোনোবা মানুহ থিয় হৈ আছিল। তাৰ আকাৰ বাঢ়ি লাহে লাহে গছ জোপাৰ সমান হ'লগৈ। তাৰ পিছত সি আকাশলৈ বিয়পি গ'ল······লগে লগে ধোঁৱা হৈ চাৰিওফালে বিয়পি গ'ল······এতিয়া অন্ধকাৰত হাতখনকে নেদেখা হ'ল।

মোহনে চকু মুদিলে আৰু মুখত অনুভৱ কৰা টিংটিঙনিটো বিষ হৈ গোটেই গাত বিয়পিল।

"ফুঁ মাৰি উৰাই দিম চালাইঙক !" সি বাহু দুটা ওপৰলৈ তুলি ক'লে আৰু নিজৰ দাঁতৰ কৰচনি এনেকুৱাকৈ শুনিলে যেন কোনোবাই শুকান হাড়হে পিহিছে।

"ফুঁ মাৰি উৰাই দিম !" দুয়োটা বাহু ওপৰলৈ তুলি আকৌ গৰজিলে। তাৰ মাতৰ ধ্বনি গাঁৱলৈকে শুনিলে।

তাৰপৰাই চিঞৰাই নিজৰ খেতিৰ লক্ষ্যস্থানলৈ দৌৰ মাৰিলে। গোটেই শৰীৰটো ম'হ গাড়ীৰ মেৰুদণ্ডৰ নিচিনা হৈ গৈছিল। কোনো অঙ্গতে কোমলতা থকা নাছিল। ভৰিৰ দপদপনিত গছৰ পাতবোৰ বতাহ নোহোৱাকৈয়ে থৰথৰাবলৈ লাগিছিল······ আৰু এনেকুৱা লাগিছিল যেন এতিয়া সি ভীমসেনৰ দৰে হাতী এটাক ধৰি ইমান দূৰলৈ দলিয়াই দিব পাৰে যে হাতী আকাশত ঘূৰি ফুৰিব, তললৈ আৰু নপৰে······

পথাৰত বকুল গছজোপাৰ গা-গছৰ ওচৰত দুই-তিনিদিনমানৰ আগতে কলহত ভৰাই থোৱা ছয়টা গুলী থকা বন্দুকটো সি আঙুলিৰেই খুচৰি উলিয়ালে। পিস্তলটো মাটি লাগি থকা হাতখনেৰেই টানকৈ ধৰি বকুল গছৰ ঠালবোৰৰ কালে নিচান কৰি ঘোঁড়া টিপি দিলে। 'ধাই' ডাঙৰ শব্দেৰে সৈতে পাতৰ মাজত গুলী ৰনকনাই উঠিল আৰু শুকান পাতৰ খৰ্খৰ্ শব্দ হ'ল। গুলী মৰাৰ পাছত একেবাৰে ইমান ঘন নিস্তব্ধতাই আবৰি ধৰিলে যে লাহেকৈ তললৈ খহি পৰা পাতৰ শব্দটোও পৰিষ্কাৰকৈ শুনা গ'ল।

মনটো যেন কিবা এটা আবেগত উথলি উঠিল ; কিন্তু লগে লগেই ভিতৰত জ্বলি

থকা জুইকুৰা আৰু ধপধপাই জ্বলি উঠিল। পিষ্টলটো কঁকালত সুমুৱাই ল'লে আৰু হাতৰ ঠাৰিত বান্ধি থোৱা কমালখন টানকৈ ধৰি দ্বিতীয়বাৰৰ কাৰণে কলহত ভৰাই থ'লে। কমেও পাঁচ-সাতটা গুলী আছিল। উলিয়াই আনি জেপত ভৰাই থ'লে আৰু কলহটো আকৌ গাঁতত সুমুৱাই ভৰিৰে মাটি সিঁচি দিলে আৰু উভতি খোজ ল'লে।

নিজৰ বুটৰ খেতিৰপৰা ওলাবৰ সময়ত সি নিজৰ সোঁৱে-বাঁৱে কঠোৰ দৃষ্টি নিক্ষেপ কৰিলে আৰু তাৰ কেইদিনমানৰ আগতে ভদ্ৰলোকজনে কোৱা কথা মনত পৰিল। আবেলি পানী দিবৰ সময়ত যেতিয়া সি মেৰটোত ঘূৰিছিল তেতিয়া বুটৰ খেতি দেখি সি কৈছিল, "ভাই বুটে এতিয়া কয়—চিন্তা নোকোৰাকৈ খুন কৰি দে, মই উলিয়াই আনিম।" পিছে লগতে সি 'কোনেও যেন নেদেখে' বুলি কৈ থুৱাই দিছিল......... পিছে ইয়াৰ লগত কিবা অইন কথা কোৱা মনত নাই।......সেই সময়ত মুখিয়াল ধনাৰ ঘৃণনীয় চেহেৰাটো চকুৰ আগত ভাহি উঠিল, যেনেকৈ দীঘল চেহেৰাটোত ভোটোকা নাকটো আৰু ঘন কাঁইটৰ দৰে দাড়ি আৰু মোচ—তাৰ ঘৃণাত বমি অহা যেন হ'ল আৰু তাৰ শৰীৰ অসহ্যৰূপে উত্তপ্ত উঠিল।

চাৰি আলিটোৰ কাষে আগবঢ়াৰ সময়ত পিষ্টলটো উলিয়াই হাতেৰে ভালদৰে খামোচমাৰি ধৰিলে আৰু ভৰিটো মোহাৰি বৰ ওচৰৰপৰা ভালকৈ নিৰীক্ষণ কৰিলে। পিষ্টলৰ ক'লা ক'লা আকাৰটো বৰ ভয়ানক লাগিল। সেইটো দেখি মনটো খুচিবৰ ভৰি পৰিল। আকাশত বিৰ্‌পি পৰা মেঘবোৰৰ কাৰণে অন্ধকাৰ বেছি হৈছিল। খোজ ল'বৰ সময়ত নলাৰ কেঁকুৰীটোতে ভৰিটো পিছল খালে। পিছে মনত ভ্ৰম উঠিল যেন কোনোবাই পিছৰপৰা ভৰিত ধৰি টানিছে। ঘূৰি পেলাই পিছফাললৈ চালে—বহুত দূৰলৈ, সৰু ডাঙৰ গছৰ ক'লা ক'লা আকৃতিবোৰৰ বাহিৰে একো দেখা নগ'ল।

চাৰি আলিত ভৰি দিওঁতেই তাৰ চকুৰ আগত আকৌ ভাহি উঠিল। পিছে তাৰ এনে লাগিল যেন এই ধূলি সমুখত উঠা ক'লা মেঘবোৰৰ কাৰণে হৈছে। খোজৰ তীব্ৰতা এবাৰ আকৌ কমি গ'ল আৰু তাৰ পিছত ভৰিয়ে এনেদৰে জঁপিয়াই থাকলৈ ধৰিলে যেন বাস্তাৰ কাঁইটেৰে সিঁচৰতি হৈ আছে। ভৰি চলং-পলং কৰিবলৈ লাগিল। পিষ্টল থকা হাতখন কঁপিবলৈ লাগিল আৰু কিবা কাৰণত এটা অপৰিচিত ভয়ে আগুৰি ধৰিলে, যেন কোনোবাই তাৰ পিছে পিছে আহিছে আছে। তাক মন কৰি আছে। সন্দেহত এবাৰ চুৰাৰখনৰ পিছলৈ ঘূৰিও চালে, পিছে চাৰি আলিটোৰ

ৰহত দূৰলৈকে একো নাছিল ; সন্মুখতো একো দেখা নাছিল।

……পিছে গাঁৱৰপৰা সত্তৰ আধা ক্ৰোশমান এইফালে ভুলবোৰ খেতিৰ চাৰি-আলিৰপৰা দুটা মানুহ অহা দেখা গ'ল। সিহঁতক দেখিয়েই সি বৈ গ'ল। সিহঁত সেইফালেই আহিছিল—মনে মনে ভূতৰদৰে ক'লা-মলা হৈ। ……সন্মুখত থকা মানুহটোৱে অলপ বেৰী কাঢ়িলে আৰু তাৰ মাতটো মেঘৰ গাজনিৰ দৰে যেন লাগিছিল। তাৰ মনত ভ্ৰম যেনো লাগিছিল……পিছে বিশ্বাস নহৈছিল—'এইটো কেনেকৈ হ'ব পাৰে ?"

"কোন ?" ৰাস্তাৰ ওচৰলৈ আহি আগৰ মানুহটোৱে কঠোৰ আৰু ভাঙৰ মাতেৰে সুধিলে।

এতিয়া আৰু ভ্ৰম হৈ থকা নাছিল। আৰু মোহনৰ পিষ্টল থকা হাতখন খুড়পি নালৰ দৰে টানকৈ মেৰ খাই ধৰিলে, আঙুলিকিটা জেপত সোমাল। দেহটো কঁপিবলৈ ধৰিলে আৰু চকুৰপৰা তপত লোহাৰ দৰে ওলোৱা গৰমখিনিৰ কাৰণে যেন চকুৰ পতা পিৰিকিয়াবলৈ লাগিল।

"ভাই, তইনো কোন ?" …সি এইদৰে পুতলাৰ নিচিনাকৈ চাৰিআলিৰ ওচৰত থিয় হৈ থকা দেখি সেই মানুহটোৱে আকৌ দাবি দি সুধিলে।

"তোক কাক লাগে ?" মোহনে চোলাৰ বুটাম খুলি সৰু অথচ মেজাজ মাতেৰে ক'লে, আৰু দুখোজমান আগবাঢ়ি গ'ল।

সিহঁত দুয়োটা মানুহেই ভয় খাই দহ-পোন্ধৰ খোজমান দূৰত গৈ থিয় হ'লগৈ। মোহনে এইবাৰ সিহঁতৰ আকৃতিকেইটা পৰিষ্কাৰকৈ দেখা পালে। সন্মুখত থকাটোৱে চোলাৰ বুটাম মাৰি ল'লে। তাৰ কান্ধত বন্দুক ওলমি আছিল আৰু পিছৰটোৰ একালে কান্ধত কোৰ আৰু কুঠাৰ আছিল। সন্মুখৰটোৱে পিছফাললৈ ঘূৰি পিছ-ফালৰটোক সৰু মাতেৰে কিবা কথা ক'লে আৰু সি দুখোজমান পিছলৈ আঁতৰিও গ'ল।

"এইদৰে কয়, বাক দেখা যাব।" এইবাৰ তাৰ মাতটো কঠিন আছিল।

চোৰাটোক এতিয়াই গম পায়। মোহনে নিচাখোৰৰ দৰে ঢলং-পলং খোজেৰে আগবাঢ়ি ক'লে আৰু তাৰ মজবুত আঙুলিকেইটা পিষ্টলৰ ঘোঁৰাৰ ওপৰত ৰ'লগৈ।

"তই কোন ? মোহন নহয় জানো, পালেৰ ?…… মই ধনা ! চাৰি আকৌ ক'ৰবাত বাপেকৰ দৰে বদমাচি-চৰমাচ কৰি সিংহৰ দাঁতিত হাত দিবিৰ" আৰু সি কান্ধৰপৰা বন্দুক মনাই দুয়োহাতেৰে ধৰি ল'লে।

মোহনৰ গোটেই শৰীৰ কঁপিবলৈ ধৰিলে। চকুৰ আগতে আৰু এবাৰলৈ অন্ধকাৰে চাটি ধৰিলে। তাৰ পাছত তাৰ সোঁহাতখন যেন নিজে নিজেই ওপৰ উঠি গ'ল। "ধুম"···গমগমাই যোৱা শব্দৰ লগে লগে যেতিয়া গুলীটো মুখিয়ালৰ কাষৰ কাবেদি পাৰ হৈ গ'ল, তেতিয়া সি মুখ থেকেচা খাই মাটিত পৰিল।

"চাবি বোপাই, মোক এই চুৰীয়াটোক ক'ৰবাত মাৰি নেপেলাবি। মই ছিলুহে।" পিছত থকা ঘনাৰ লগৰটো দুৰলৈ আঁতৰি গ'ল আৰু দৌৰি পলাল।

"উঠি থিয় হচোন এতিয়া। বৰ দাদা ওলাই ফুৰিছিল নহয়। ···অই ঘণীয়া, মুখীয়া।" মোহন আগবাঢ়ি গ'ল আৰু মস্ত উটৰ নিচিনাকৈ চিঞৰিলে। তাৰ মাত বহুদূৰৰ পথাৰলৈকে চিকাৰ মাতৰ দৰে শুনা গ'ল।

মোহনক আগবাঢ়ি অহা দেখি ঘনাই উভতি চাবি আলিৰ ওপৰত উঠিলহি আৰু কঁকাল কুঁজা কৰি পলাবলৈ ধৰিলে।

"এতিয়া আৰু বাবলৈ নিদিওঁ, ঘনা সিং, দগাবাজ।"

মোহনে মেৰটো পাৰ হ'ল আৰু গুজৰিবলৈ ধৰিলে। "এতিয়া তই শকতি বাঢ়িল! যদি তোক মৃত্যুৱে নামাতিলেহেঁতেন তেতিয়াহ'লে কি তই মোৰ লগত সমুখা-সমুখি হ'ব লাগিলহেঁতেননে—স্বয়ং যমদূতে তোক ঘৰৰপৰা উলিয়াই আনিছে—খল ঘেঁচা......"

টি···ই···ই···ই কৰি দ্বিতীয় গুলীটো এৰিলে। পলাই পলাই যাওঁতেই ঘনাই ঠেকা খাই মুখ থেকেচা খাই পৰিল। তাৰ পিছত চম্ভালি লৈ আকৌ দৌৰ মাৰি যাওঁতে তাৰ মুখেদি বিনীত সুৰত কিবা অস্পষ্ট শব্দ ওলাইছিল যিটো মোহনে শুনিলে। সি ঘনৰ ওপৰতে আহি উঠিলহি। চাবিখোজ দূৰত দীঘল উশাহৰ দ'ম লৈ দৈত্য সদৃশ ঘনৰ কাষৰ ভলত গুলী মাৰি আৰু এবাৰ হম দিলে—"এতিয়া থিয় হৈ লগ পাই ল পাজেৰ ল'বাৰ লগত।"

"মাৰিজি হেবৌ তই।" ঘনৰ ডিভিৰপৰা মৃত্যুমুখী ঘৰ্ ঘৰ্ শব্দ ওলাই আহিল আৰু সি কটা গছৰ দৰে বাগৰি পৰিল। "এয়া তই কি অন্ধকাৰ বাতি আনিছি মোৰে? মইতো তোৰ লগত একো বেয়া কাম কৰা নাছিলোঁ। অ—তই...।"

"হয়নে তই কেতিয়া কৰিছিলি, বাকস! —তোৰ তেজ পিওঁ, আমাৰ ঘৰ বৰ্বাদ কৰা ঘনেয়া"...আৰু মোহনৰ এই চেহেৰাটোৰ ওচৰত বৈ থিয় হৈ থকা বকুল গছৰ পাতবোৰো যেন সৰিবলৈ ধৰিলে। পিছত আকৌ এটা গুলী মাৰি সি আবাত পোৱা ঠাই টুকুৰা পাজেগৈ আৰু পিটল দুখৰলৈ হজি মাৰি বাঁও হাতেৰে ঠাই টুকুৰাত

খঁহাই হাতেৰে তাৰ ডিঙি চেপি ধৰিলে।

"তোক বান্ধি থাম, হেৰ বাক্সস ঘনিয়া··· !" ঘনেই এবাৰ তাৰ কান্ধত হাত দিলে। পিছে সেই মুহূৰ্ততে তাৰ হাত শিথিল হৈ আকৌ এবাৰ সৰি পৰিল। "সক সক ল'ৰা-ছোৱালী ! ···শেষ হৈ যাব মোহনা !" ···ঘনেৰ ডিঙিৰে ক্ষীণ মাত ওলাল আৰু পুনৰ তাৰ ডিঙিয়ে ঘৰঘৰাবলৈ ধৰিলে।

সেই সময়ত সি ঘনাৰ কান্ধত উঠি থিয় দিলে। কাঠৰ মুঢ়াৰ দৰে আটিল তাৰ শৰীৰটো যেন শিল পাথৰহে হৈ গ'ল। পিছে ঘনাৰপৰা ওলোৱা শেষ কথাই আৰু এবাৰ তাৰ শৰীৰত হানিলে আৰু দাঁত কৰচিবলৈ ধৰিলে। হাতৰ মুঠি মোটোকাই আকৌ এবাৰ গৰজি উঠিল—"যেতিয়া তই পানেৰ ওপৰত অন্যায় কৰিছিলি, তেতিয়া তই কাৰ মুখলৈ চাইছিলি অ'—অই পাপী ?"

তাৰ পিছত তাৰ হাতখন ঠাণ্ডা ঠাণ্ডা যেন লাগিল। প্ৰথমে সি ঘনেৰ চটুকটাই পৰা শৰীৰটোৰ ফালে চালে, তাৰ পিছত নিজৰ হাতৰ ফালে—সঁচাকৈয়ে তাৰ হাতত কিবা চেঁচা, তিতা বস্তু লাগি আছে। হাত শিথিল হৈ গৈ আছিল। সি সেইদৰে মুঠি মাৰি যেতিয়া ঘনেৰ ঘৃণনীয় চেহেৰাৰ ফালে চালে তেতিয়া তৎক্ষণাৎ তাৰ অন্তৰ চক খাই উঠিল। সি মুখ ঘূৰাই পানীৰ ফালে আগবাঢ়িল। তাৰপৰা গাঁৱৰ বাহিৰৰ বাস্তাৰে ঘূৰি চিধাই ভিতৰৰা বাস্তাৰে খোজ ল'লে।

আকাশত মেঘ ঘন আৰু ক'লা হৈ পৰিছিল। দুই-এটোপাল বৰষুণো পৰিছিল। ৰবগছ থকা ঘৰটোৰ ওচৰেদি দূৰ দৌৰাই গৈ গৈ যেতিয়া সি পিছলৈ ঘূৰি চালে, তেতিয়া সি গম পালে, বহুত মানুহে হুলস্থুল কৰি কৰি দপদপাই দৌৰি আহিছে। সি থিয় হৈ গ'ল। গোটেই শৰীৰটো যেন অৱশ হৈ পৰিল। আন্ধাৰ ইমান বেছি হৈছিল যে হাতেই হাতক নেদেখা হৈ গৈছিল···আৰু মানুহৰ হুলস্থুলো দূৰলৈ ভাহি গৈছিল।

কিছু সময়লৈকে সি একেবাৰেই নিৰোকা-চামোন হৈ থিয় হৈ থাকিল। তাৰ পিছত ৰবগছৰ পাতে এনেকৈ খৰ্খৰাবলৈ লাগিল যেন কোনোবাই সম্পূৰ্ণ শক্তিৰে ৰবগছজোপা জোকাৰিছে। কিবা ডাঙৰ চৰায়ে এই খৰ্খৰনি আৰু বেছি কৰি আকাশৰ পিনে উৰি যোৱা দেখা গ'ল। তাৰ মূৰৰ ওপৰেদিও পখী উৰি গ'ল। লিহঁতৰ পাখীৰপৰা কেইটোপালমান পানীও পৰিল—যেনেকৈ বৰষুণ দিয়াৰ পাছত বাকী থকা কোনোবা গছৰ ডালৰপৰা সৰিছে···

সেই সময়ত সি নিজৰ হাতখন খুলি দেখিলে—আগৰদৰেই এতিয়াও তাত কিবা তিতা বস্তু লাগি আছে। তললৈ দূৰ কৰি সি এমুঠিমান মাত্তি উঠাই আনিলে আৰু

দুয়োখন হাত ঘঁহিবলৈ ধৰিলে। মাটিখিনিও চিলা আছিল। তথাপি হাতৰ ঠাণ্ডা কিছু কমি গ'ল। সি আকৌ মুঠি টান কৰি প্ৰাণপণে লাহে লাহে আৰু তাৰ পাছত খৰকৈ ভিতৰৰ ৰাস্তাৰে খোজ ল'লে।

......ক'লা পানীৰ নিচিনা বৰষুণ পৰিবলৈ ধৰিলে। তাৰ মুখৰ ওপৰেদি পাৰ হৈ সিহঁত পিছফালে গাঁৱৰ ফালে এইদৰে জলবল কৰি গৈছে যেন তাৰ সন্মুখীন হ'বলৈহে গৈছে। ......তাৰ মাজে মাজে খালী ঠাইত ক'ৰবাত ক'ৰবাত জ্বলি উঠা তৰায়ো যেন ভয় খাই সাৱধানে মোদনৰ লগত পলাই গৈছে—বগা, শুকান জুইৰ শিখাৰ দৰে।......

আৰু সিহঁতে কষ্টেকষ্টে সঁচাকৈয়ে গৈ গোটেই গাঁৱতে খবৰ দিলেগৈ। ঘনে নৰবদাৰ ঘৰৰপৰা কন্দা-কটাৰ শব্দ এই ডাৱৰবৰষাবাই গোটেই গাঁৱতে বিয়পি পৰিল। গাঁৱৰ মানুহ এটাইবোৰ সাৰ পাই উঠিল। অচিনাকি, ভয়াতুৰ, সৰু মাতৰ বাতাবৰণ-টোৱেই ভয়াতুৰ হৈ পৰিল। যেনিয়েই তেনিয়েই এই শব্দ আকাশত বিয়পি পৰিছিল, ডাঙৰ হৈ গৈ আছিল, মোদন প্ৰতি ক্ষণতে ইয়াৰপৰা দূৰ হৈ গৈছিল। পিছে তাতোকৈ ভয়াতুৰ বায়ুমণ্ডল। তাৰ নিচান ঘন ধোঁৱাৰ দৰে বিয়পি পৰিছিল। খোজ কাঢি যেতিয়া সি মুখ তুলি আকাশৰ ফালে চালে তেতিয়া তাৰ উশাহ বন্ধ হোৱা যেন লাগিল। সৰু সৰু পাল আৰু তেজে-পানীয়ে তিতা কাপোৰৰপৰা এটা অসহ্য গোন্ধ ওলাইছিল আৰু তাৰ অন্তৰখন ভয়ত কঁপিছিল।

শুকান কুঁৱাটোৰ দাঁতিলৈ আহি পিছলৈ চাওঁতে টিপটিপাই থকা চাকিৰ পোহৰ বহুত দূৰত দেখা পালে। পিছে যেতিয়া ঘূৰি সোঁৱে-বাঁৱে চকু দিলে তেতিয়া আন্ধাৰ ক'লা ৰাতি আৰু ঘন হৈ গ'ল যেন লাগিল। গছ আৰু ডাল-পাতৰ চেহেৰা পৰিষ্কাৰকৈ দেখা পোৱা নগৈছিল—ম'হৰ দৰে অস্বাভাৱিক ক'লা আকৃতিৰ নিচিনাহে লাগিছিল। ৰাস্তাৰ নলাবোৰ আৰু দাঁতিবোৰ আৰু ওখ আৰু এখোৰা-মোখোৰা হৈ গৈছিল।

ওখ টিলাটোলৈ গৈ পুনৰ সি পিছলৈ চালে। এজোপা বড়গছৰ ভিতৰেদি জলজলা এচপৰা ক'লা মেঘ দেখিলে।

.... সি বৈ গ'ল। কষ্টেকৈ অন্তৰখনেও ভয় খাই উঠিল।...প্ৰথমতেতো এইটো পণীয়াতৰা বুলি ভাবিছিল, অকণমান পিছতে গম পালে যে সেয়া কৃষ্ণপক্ষৰ জোনহে আছিল—অষ্টম চতুৰ্থ দিনৰ।...পুনৰ লাহে লাহে চন্দ্ৰৰ ৰং সম্পূৰ্ণ বগা শুকান হৈ পৰিল। তাৰ পিছত জুইৰ দৰে চিকমিকীয়া আৰু শেহত চুলিৰ নিচিনা ক'লা...।

চন্দ্ৰক এইদৰে চেমিকদলৰ দৰে বং সজোৱা ইয়াৰ আগেয়ে কেতিয়াও দেখা নাছিল।

যেতিয়া সি পুনৰ আগবাঢ়িল তেতিয়া তাৰ কঁপনি উঠিল। ৰবৰুণৰ টোপালবোৰ আৰু ঘন হৈ পৰিল আৰু মাজে মাজে জোৰেৰে ৰবৰুণো দিবলৈ ধৰিলে। সন্মুখত সোঁৱে-বাঁৱে আৰু ওপৰত ডাৱৰ ভৰি পৰিল। তাৰ গোটেই কাপোৰবোৰ তিতি শৰীৰত লাগি ধৰিলে আৰু ঠাণ্ডা বেছি হৈ হাড়বোৰকে কঁপালে। হাত-ভৰিৰ আঙুলি-বোৰ কাঠৰ খিলিৰ দৰে টান হৈ গৈছিল। কঁকাল আৰু আঁঠুৰ জোৰা কটকটাবলৈ ধৰিলে একেবাৰে সেইদৰে—যিদৰে ল'ৰাকণেও সিইতৰে এটা বগা বুঢ়া গৰুৰ হাড় গুড়ি কৰিছিল।

গাঁও দূৰতে থাকিল। আগতে বুলি পেলোৱা প্ৰতিটো খোজতেই দূৰ হৈ গৈছিল। মনটোৱে বাৰে বাৰে পিছলৈ চাই এটা মুহূৰ্তত বনেৰ টিলাৰ নিচিনাকৈ পৰি থকা বেহটোৰপৰা উৰি গৈ প্ৰথমে নিজৰ টিলাত পকা বকুল, তাৰ পিছত নিজৰ ঘৰৰ দাঁতয়ে-কাষৰে চকৰ মাৰিলে। তাৰ পিছত গাঁৱৰ গলিয়েদি সিটোপালকৈ শুচি গ'ল। টোপালত একগোট খোৱা গাঁৱৰ মানুহবোৰে নানা ৰকমৰ কথা কৈ আছিল। পিছে কাৰো মাত বুজি নাপালে, কাৰো কথা বুজি নাপালে, কেৱল কাণ তালমৰা হুলস্থূলহে শুনা গৈছিল।......

সেই বাতি আৰু এটা বাতি পাৰ হোৱাৰ পিছত যিটো দিন পাৰ হ'ল, সেইদিনা চাৰিওফালে টোপালত যোদনৰ বিষয়ে বিভিন্ন ধৰণৰ কথা শুনা গ'ল।

"চাবাচ ভাই ভাইৰ ল'ৰাক।" কলছুৱে নিজৰ আপুকণীয়া মোছত তাও দি ক'লে, "এনেয়েনো কিটো ক'ম, আগতো মাৰ গাখীৰৰ কথা মনত পেলাই দিলে।"

"কিনো উদৈশত বা-বলাই ফুৰিছ ?" নামামিৰাৱে মুখখন বেঁকা কৰি তাক পিছ-ফালৰপৰা মাতিলে, "চাৰিটা মানুহ বহি কথা পাতিলে যে কথা তালকৈ পাতিব লাগে হয় ; কিন্তু মুখখন তাল নহ'লে কি কৰিবা ?"

"বাক শুনি লোৱা কলিয়া ৰবদেউতা। শুনি লোৱা ইয়াৰ কথা ; ৰৰ মীৰাৰ চাহাবৰ কথা।" কলছুৱে শুকান ঠালত বহি নামাম বুঢ়াক নিজৰ কথাৰ গুৰুত্ব বঢ়াবলৈ, মুৰটো লৰাই ক'লে। নামামে সূতাৰ গুলীটো দুবাই আছিল। "বুজিছ, সিনো প্ৰতিশোধ লৈ কি বেয়া কামটো কৰিলে ?—প্ৰতিশোধতো ৰতা মানুহে লৈয়েই আহিছে। এইটো কিবা নতুন কথা নেকি ? তই সঁচাকৈয়ে ভাৰচোন পগলা, সিইতৰ লগত তইতে কিবা কাম কৰিছিলি নেকি ? বেচেৰাক অৱশ্যেই বেয়া কৰি দিছিল...। আৰু চাচোন, পাবেৰ দৰে সৎ মানুহ আছিল নে গাঁওখনত ? তাৰো আগতে সিইতৰ গাঁৱৰপৰা

উলিয়াই ৰোহীত আনি বহুওৰা নাছিলনে ? পুনৰ বোপাই তোৰ সন্মুখতে, তাৰ ঘৰলৈ সিঁইতে নিজেই বেয়া মানুহ পঠিয়ালে আৰু বন্দী কৰালে আৰু পিছত অপৰাধ নকৰালেনে কচোন। থাক, ইয়াৰ পিছৰেপৰা অপমানৰ আঘাত—শৰীৰটো দুৰ্বল হ'ল বুলিও ক'ব পাৰ, জেলৰপৰা ওলায়েই যদি থাকিল—সিংহৰ কি হ'ল ?—কোনোবাই মাৰিলে নেকি ? নে এনেয়ে তাৰ মৃত্যু হ'ল ?

"এৰা আৰামত বহি থাকা।" মীৰাবে যেতিয়া নিজৰ কটা মোছখিনিত তাও দি ৰঙা চকু দেখুৱাই কথা কওঁতে তাৰ হাতৰ ঠাৰিত বন্ধা নতুন ঘড়ীৰ আইনাৰ চিকমিকনি কলজুৰ চকুত পৰিল, তেতিয়া মীৰাৰৰ ওপৰত হঠাতে তাৰ খং উঠি গ'ল।

"ৰৰ কথা কোৱাটো !" মীৰাবে খন্তেক বৈ আকৌ ক'লে, "তোৰ নিচিনা দিবোৰে কথা কঁহিয়াই কঁহিয়াই এই 'দদগতি' কৰাইছে, চাই ল'ম এতিয়া পিছে কোনে খুৱাৰ। যি চাৰি বিঘামান মাটিত খেতি আছে সেয়াও মোকৰ্দমাত শেষ হ'ব। দুয়োটা মৰ ল'বা এনেয়েই বেয়া হৈ যাব, তাৰ পিছত গম পাবি—খুন কেনেকৈ কৰে...দেখিছোঁ তোমাৰ নিচিনা পৰিয়াল পোহাবোৰকো...... ।"

"তইনো কেনে কথা কৈছ মীৰাবা ?" কলজুৰ সৰু সৰু চকু আৰু দীঘল নাকটো ফোচফোচাবলৈ ধৰিলে। "মানুহে সম্পত্তি কৰে নে সম্পত্তিয়ে মানুহ কৰে ? সংসাৰত বাবে বাবে জন্ম লয় নেকি ? তদুপৰি যি মানুহৰ সন্মান নাই, সি যিমানেই লাখপতি নহওক, সি কিবা মানুহৰ জগৰ মানুহনে ? ওলখাপৰ কিপিণৰ ঘৰতো ধন কমকৈ আছে। হয় নে নহয় ? হেৰ তই, এইবোৰ কেনেকুৱা কথা কৈছ ? আৰু তই আমাৰ যি বন্ধুৰ কথা কৈছ কেতিয়াবা সময় আহিলে সিও তোক দেখুৱাই দিব, আৰু কচোন।"

মীৰাবে কলজুৰ খঙাল স্বভাৱৰ কথা ভালকৈ জানিছিল। কাজিয়া-পেঁচালতে তাৰ বাঁও ভৰিটোৰ হাড় ভাগি আছে। ডিঙিত থকা দাৰ ঘাপৰ চিনটো তাৰ সাহসী যুঁজাৰু স্বভাৱৰ প্ৰত্যক্ষ প্ৰমাণ। সি কটা-ছিঙাত ওস্তাদ আছিল। পিছে মীৰাবে মনৰ আটাইবোৰ তিতা-মিঠা কথাকে মনৰ ভিতৰতে খে—থু মাৰি দি—মনে মনে এইবুলি গালি দিলে—"ৰৰ ওস্তাদ ওলাল পণ্ডিত, চাজা ! নাওঠ ! আটৈ বিঘাও মাটিৰ গিৰিহঁত নহয়, কথাৰ কোৰ কি চাবা !"

পিছে সি নিজেও এইটো কথা বুজি পোৱা নাছিল। খেতিৰ জগত তাৰ খঙৰ কি সম্বন্ধ থাকিব পাৰে। পিছে বাহিৰে কোমল হৈ দেখুৱাই ক'লে, "মাটি-সম্পত্তিৰ কথা তই যি কৈছ নহয়, সঁচাকৈয়ে ক'বলৈ গ'লে আজিকালিতো মানুহৰ মাটি-বাৰীৰ-

খাবাইহে মূল্য বাচে, এনেয়ে কোনেও কাকো টকা-সিকা লাগিব নেকি নোসোধে "

"নোসোধে যদি সুখুধিব বন্ধু! কাবোবাবপবা লৈহে জানো খাব পাবি? পিছে ধৰ্ম বিক্ৰী কৰি ধন কোনোবাই খায়নে? যেতিয়া মানুহৰ ধৰ্মই নাথাকিল, সন্মানেই নাথাকিল, গৰ্বই নাথাকিল, তেতিয়া হ'লেনো মাটি-বাৰী সম্পত্তি সোনাত ভৰাই সাঁচি সাৰবি কি লাভ? পিছে কলজুৰে কোৱা "বন্ধুৰ নষ্ট কৰা" কথাষাব এটায়ো নাপাহৰিবে।"

"এনেকৈ নহয় এনেকৈ নহয়।" নামা বুঢ়াই বহি লৈ গম্ভীৰভাবে ক'লে, আৰু কন্তেক মনে মনে থকাৰ পাছত ওচৰে-পাজৰে চকু ফুৰাই কলজুৰ কালে চাই ক'লে, "এয়াতো মান-সন্মানৰ কথা কৈছ। তই এই কথা বাৰ ঠিকেই কৈছ, কিন্তু বুজিছ সকলোবোৰ চাব লাগে। জীয়ৰোৰ এনেকৈয়ে মৰে—কাটি মাৰি+ এটাই কিবা সাধাৰণ কথা এবাৰকে ক'লে আনটোৱে সহ্য নকৰে, কথা গৈ কাজিয়া মোকৰ্দমাত পৰিণত হয়গৈ। গোটেই ঘৰ-সম্পত্তি হাকিম-মুক্তিক, উকীল আৰু পুলিচক খুৱাওঁতেই ধ্বংস যায়। শেষত সেই কঙাল অৱস্থা—কচোন তেমেহ'লে……।"

"ঠিকেই কৈছোঁ, ঠিকেই কৈছোঁ", কলজুৰে ব্যঙ্গ হাঁহি মাৰি মুখটো লৰাই ক'লে— "মই বুঢ়া হোৱাত এনেয়ে গাত বল-শক্তি নোহোৱা হৈছে। আৰু কাওতে মাৰি তোৰ পুতেৰ চাৰি বিঘা মাটিৰ খেতি কৰিবলৈ লায়ক হৈ পৰিল। বাকী চুটুকুৰা মাটিৰ ওপৰতো চুখন চালি দিলে। নহয় জানো?………আৰু কাম-বনতো আটাইকেইটা ল'ৰাই চম্ভালি লৈছেই। তই এতিয়া হৈ পৰিছ সুখী পৰিয়ালৰ লগৰ। সেইকাৰণে বৰ বৰ কথা কৈছ নহয়? এই চোতালত বহি কানিৰ টিকিবা খাই আমাক হয়তো আনন্দিতও কৰিছিল। মনত আছেনে—বাহৰ কাহুত কছালি আছিলোঁ; সেইটোও তাৰেই শিকাৰ ফল আছিল। তই যে ইয়াত আমাক বাবেবাংকৰা পাঠ পঢ়াইছিলি, এতিয়া তই মেকুৰীৰ নিচিনাকৈ ন শ নিগনি খাই হজ কৰিবলৈ ওলালি—চাব্বাচ্ বেৰ, তয়ো সিং, তোক মাৰি ল'লোঁ।"

নামাই প্ৰথমে নিজৰ বগা ধন দাড়িৰে মিচিকিয়ালে আৰু তাৰ পাছত খঙাল মাতেৰে যেন ভেকাহি মাৰি ক'লে, "তইতো যেতিয়াই দেখা পাওঁ, কাজিয়া কৰিবলৈয়ে সাজু হৈ থাক। এতিয়াই ক'বৰাৰ কথা ক'বৰাত লগাদিলৈ।"

"তোমালোকৰতো এইবোৰ কথা 'ক'ৰবাৰপৰা ক'ৰবাত' লগা হ'বই। কোনো কথা নাই, কাৰো দিন সদায় একেবৰে নাযাবও পাৰে। তোমালোকৰ এতিয়াতো চাৰিওকালে ভালকে দেখিছোঁ, আইনৰ কামে চাবৰ মনকে নেযায়। যেতিয়া হীবাৰ

চিক্‌মিকনি চকুত পৰে, তেতিয়া মানুহে সকলো পাহৰি যায়, তোমালোকৰ কাৰণেনো কি আচৰিত কথা।"

"আই যাব দে এইবোৰ কথা। সিংহ খুৰা, ইয়াৰ লগত কথা কওঁতে শতকৰা মইৰো ভাগ হাবিব লাগিব" মীৰাবে উঠি চাদৰখন জোকাৰি ক'লে, শেষৰ 'পগলাটো ক'ৰবাৰ' শব্দটো ওলাবলৈ নিদিলে।

মীৰাবে যেতিয়া পাতল চামৰাৰ জোতা, নিকেল কৰা ঘড়ী দেখুৱাই, চিট কাপোৰৰ পাগুৰি মাৰি, ধৰমশালাৰ ফালে আগবাঢ়ি গ'ল তেতিয়া অটুট স্বাস্থ্য, শকত কলাফুল দেখি কলহুৰ মনত খং উঠিল। ভিতৰত বহি দাঁত-ওঁঠ কামুৰিলে। এনেকুৱা লাগিল যেন তাৰ অন্তৰত কিবা ক'বলগীয়া কথা আছে। এই ভাবটো মনলৈ আহিলত মুখখন ঘিঁউৰ নিচিনা বস্তুৰে কোমল হৈ পৰিল, কিন্তু মুখৰ চেহেৰা বিকৃত হৈ গ'ল।

চোতালত আৰু মানুহ আহি বহিলহি। সকলোৰে মুখত একেটাই কথা। কোনোবাই সক মাতেৰে ঘনেই কৰা যেয়া কামৰ কথা আৰু পালেৰ পৰিয়ালৰ প্ৰতি অনুকম্পা দেখুৱালে। কোনোবাই কোমল স্বভাৱৰ পালেৰ ল'ৰাৰ এই 'কামত' হায়ৰাণ হৈ মুৰ লৰালে আৰু শেষত সিহঁতৰ ঘৰখন নষ্ট হৈ যোৱাৰ বাবে দৰদ দেখুৱাই মানুহক এইটো ক'বলৈ চেষ্টা কৰিলে যেন আচলতে সি নিজৰ পৰিয়ালটোতকৈও পালেৰ পৰিয়ালৰ বাবেহে চিন্তা কৰিছিল। কলহুৱে মনে মনে কিছুসময়লৈকে এই কথা শুনি থাকিল। পিছে সি বেছি দেৰী বহি থাকিব নোৱাৰিলে। খং উঠি সি খেতিৰ ফালে গুচি গ'ল।

খেতিলৈ সি চিধা বাস্তাৰে নগৈ, পালেৰ টিলাৰ দাঁতিয়েদি যোৱা চাবিআলিৰে গ'ল। ঘৰৰ ওচৰ পাই তাৰ মন গ'ল, ঘৰলৈ গৈ ল'ৰাটোৰ খা-খবৰ কৰিবলৈ। পিছে হৰকৌৰক দুৱাৰ মুখত বহি থকা দেখি তাৰ সঙ্কোচ লাগিল। তদুপৰি তাত আৰু দুই-তিনিটামান অচিনাকি মানুহো বহি আছিল।

"এইবোৰনো কোন? কোনোবা সম্বন্ধীয়া হ'ব পায়"।—এইটোকে ভাবি সি খোজ ল'লে।

পাঁচ-ছয়খনমান পথাৰ পাৰ হোৱাৰ পিছত ভগৱানৰ কৃপাত পালেৰ সক ল'ৰাটো দেখা পালে। সি কুঁহিয়াৰৰ বোজা মূৰত লৈ আহি আছিল। সি ল'ৰাটোৰ বাহুত ধৰি ৰখালে।

"সক, তোমালোকৰ ঘৰত আজি কোন বহি আছে অ?"

"এটা মোৰ মামা, আনটো কোন মই নাজানো।" ওলমি থকা পাতবোৰ মুখৰপৰা

আঁতৰাই ল'ৰাটোৱে, আচৰিত আৰু কৌতুহলেৰে তাৰ কালে চাই উত্তৰ দিলে।

"তইঁতৰ মোদন আছিলনে ?"

"ওহোঁ।"

"ক'ত আছে ?"

"ক'ব নোৱাৰোঁ।"

"আৰু সজ্জন ক'ত আছে ?"

"ক'ব নোৱাৰোঁ সি ক'লৈ গ'ল ; পৰহিয়েই গৈ ওভোতাই নাই।" ইয়াকে কৈ ল'ৰাটো বেগাই আগবাঢ়ি গ'ল। কলচুৰে পিছফালৰপৰা মাত লগাই আৰু কিবা কথা সুধিছিল, পিছে সি কাণ নকৰিলে।

যেতিয়া সি মোদনৰ খেতিৰ ওচৰ পালেহি তেতিয়া পথাৰৰ ধেঁহুৰ উৎপাদন দেখি প্ৰথমে তাৰ মন আনন্দত নাচি উঠিল, পিছে ক'ব নোৱাৰাকৈয়ে ভিতৰৰ উদাসীনতা-খিনি ধোঁৱাৰ নিচিনাকৈ ওপৰলৈ উঠি আহিল, আৰু মনটো নিৰাশ হৈ গ'ল। (এই ভাবনাবোৰ তাৰ বৰ কিবা যেন লাগিল। সি কোনোদিনে এনেকুৱা নিৰাশা আৰু উদাসীনতাত বেছি দেৰী থকা নাছিল।) তাৰ মনত খেতিডৰা মৰা মানুহৰ নিচিনা লাগিছিল। সঁচাকৈয়ে এনেকুৱা লাগিছিল যেন ধেঁহুৰ পাতবোৰে নিষ্প্ৰাণ হৈ ওলমি চকুপানী টুকিছে।

কন্তেক পিছতে যেতিয়া কলচুৱে নিজৰ খেতি পালেগৈ তেতিয়া অপৈণত বুটবোৰ দেখি তাৰ উদাসীনতা আৰু বাঢ়ি গ'ল। অইনৰ বুটবোৰ কঁকালতকৈও ওখ হৈ গ'ল, শস্যৰ ভৰত চিধা হৈ থাকিব নোৱাৰি মাটিত লাগি গৈছে, কিন্তু এইবোৰ পাতৰহীয়া কেঁচুৱাৰ নিচিনাকৈ এতিয়াও এহাতমানেই হোৱা নাই। গুটিও ক'বলাত হে হৈছে। মেড়:টাৰেদি যাওঁতে পথাৰৰ গেঁৰমেলা শস্যবোৰ তাৰ চুলি মাইকিয়া মুৰটোৰ নিচিনা লাগিল আৰু সি পাগুৰিটো গুচাই অৱশিষ্ট চুলিৰ খোপাটো বান্ধি, পাগুৰিটো জোকাৰি আকৌ বান্ধিবলৈ লাগিল।

চুৱেদাৰৰ টিলাৰ ওচৰ পাই খেতিৰ ফালে চকু ফুৰাওঁতে সি ক'তো গেঁৰমেলা অথবা অপৈণত শস্য দেখিবলৈ নাপালে। ধেঁহু ইমান ঘন আৰু সমান আছিল যে তাৰ ওপৰত বিছনা পাৰিব পাৰি। চুৱেদাৰৰ খেতিৰ লগতে লগালগিকৈ এই এটুকুৰা খেতি ঘনে মুখিয়াৰৰ আছিল। তাত একালে সবিয়হৰ খেতি আছিল আৰু বাকী কেউফালে ধেঁহুৰ। কিন্তু নলাৰ বাঁওফালে বি চুটুকুৰা মাটি খালী আছিল, তাত হাল চলাই আৰু গুটি সিঁচি হাতৰ তলুৱাৰ নিচিনাকৈ বিহিকৈ থৈছিল। কলচুৱে কিছু

সময় সেইফালে চাই থাকিল, তাৰ পিছত টিলাটোৰেদি চুৰেদাৰৰ তৰাগছ শুকাই থোৱা বেঁকা ৰাস্তা হৈ মনেৰ ঘেঁহুতে সোমালগৈ।

এতিয়া সি নলাৰ কিনাৰত থকা ঘেঁহুবোৰ খচকি, এনেয়ে ইফালে-সিফালে ঘূৰি ফুৰিছিল—যেন কাৰোবাৰ ভৰিৰ খোজৰহে সন্ধান বিচাৰিছিল। যেতিয়া ঘেঁহুবোৰ ভৰিৰ গচকত চেপেটা হ'ল তেতিয়া তাৰ অন্তৰখন আনন্দত নাচি উঠিছিল। মুখৰ চেহেৰা এনেকুৱা হৈছিল যেন ৰাতিৰ বাকী থকা মিঠা-বজৰাৰ খিচিৰিত গৰম চাহ ঢালিহে খাইছে।

ঘূৰি ফুৰোঁতে কলজুৰে ওঁঠৰ ওপৰত জিভাখনেৰে চেলেকি আছিল। তাৰ মাকে ৰন্ধা খিচিৰিৰ সোৱাদৰ কথা মনত পৰি গৈছিল, যিটো বহু বছৰৰ আগৰ সপোনৰ নিচিনা কথা। কাৰ ঘৰ, কোনে খায়। কিন্তু তেতিয়া—ক'ব নোৱাৰোঁ এয়া কোনটো জন্মৰ কথা—সি অকলেই ৰাতি আধা বটুৱা খাই পেলাইছিল আৰু তাৰ পিছত মাকক খাটনি জুৰিছিল যে ৰাতিপুৱা চাহৰ লগত খাবলৈ অকণমান খিচিৰি যেন থৈ দিয়ে। যদি মাকে নথয়, তেতিয়াহ'লে মাকৰ ওচৰত ভ্ৰেফোন্দ পাতে। ... সেইবোৰ দিনো পাৰ হৈ গ'ল। জলকোৰ আহিলেও পিছে তেওঁ কেতিয়াও মাৰ দৰে খিচিৰি ৰান্ধিব নোৱাৰিলেহেঁতেন। খাই থাকোঁতে যেতিয়া মাকৰ খিচিৰিৰ কথা তেওঁক মনত পেলাই দিয়ে তেতিয়া কেইবাবাৰো খং উঠি তেওঁ কৈ পেলায়, "ক'ব নোৱাৰোঁ তোৰ মাৰে কি মছলা দিছিল।" সেই একেই মিঠা বজৰা, সেই জুই, সেই বটুৱাই, কেৱল ৰান্ধনি নিশ্চয় নতুন! "যচ ক'ব নোৱাৰোঁ, সেই তেনেকুৱা সোৱাদ কেনৈ নাপাওঁ।" তেওঁ আকৌ এইবুলি ক'লে। আৰু কিছু সময়ৰ পিছত খিচিৰি নোহোৱা হৈ যায়। যেতিয়া জলকোৰে চাৰিবছৰীয়া 'সোণৰ নিচিনা' ল'ৰাটো চিৰদিনলৈ এৰি থৈ গুচি গ'ল তেতিয়া কলজুৰে খিচিৰিৰতো কথাই নাই ভালদৰে সেকা ৰুটি খাবলৈও চিন্তা কৰিবলগীয়া হ'ল। প্ৰথমে কিমান বছৰলৈকে যে নিজেই আধা কেঁচা আধা-পকা ৰুটি সেকি খাইছিল! এতিয়া ল'ৰাই কৰিব পৰা হ'লত সি আৰু দুগুণহে কৰিলে। সি নাৰান্ধেই। কেতিয়াবা ভয়তে ৰান্ধিলেও দুখন মোটা মোটা ৰুটি সেকি থয়, নহ'লে বাৰান্দাত গৈ খেলিবলৈ লাগেগৈ, মাজ ৰাতিলৈকে ঘৰলৈকে নোভতে। কেইবাবছৰো হ'ল ঘৰত মাটি দিয়া নাই, ভিতৰৰ বেৰবোৰ লিপা নাই। এনেকুৱা লাগে যেন ইয়াত মানুহ নাথাকে, প্ৰেতহে থাকে। তিৰোতাৰ অবিহনে ঘৰ যে কি হয়! সেইবুলি আনৰ তিৰোতা ধৰি আনিব নোৱাৰি নহয়!

সি এতিয়া নিজৰ চিন্তাৰপৰা আৰু ধেঁছৰ খেতিৰ মাজৰপৰা ওলাই নলাৰ মেড়টোৰ ওপৰত আহি থিয় হওঁতে দেখি আচৰিত হ'ল যে সি তিনি-চাৰি বিঘামান মাটিত ঘূৰি আছিল। গচক খোৱা গছবোৰৰ পাতৰপৰা এটা গোন্ধ ওলাইছে। নাকত এই গোন্ধটোৱে জ্বলা-পোৰা কৰিবলৈ ধৰিলে, আৰু ইয়াৰ লগে লগে মনৰ আনন্দ বাঢ়ি গ'ল, কলিজাও যেন শাঁত পৰি গ'ল।

কিছু সময়ৰ পিছত তাৰপৰা যোৱাৰ সময়ত সি গাৰ সম্পূৰ্ণ জোৰ দি বাঁও ভৰিটোৰে খুন্দা মাৰিলে, আৰু মেড়টোৰ কাষে কাষে গজি উঠা গছবোৰ শিপাৰে সৈতে উঘালি পেলাই দিলে। তাৰ পিছত দাঁত কৰচি লাঠীডালেৰে এটা কোৰ মাৰিলে, বেয়া গালিও পাৰিলে আৰু পিছফালে ঘূৰি গ'ল। (পিছে মেড়টোৰ ওপৰেদি যাওঁতে ঠাট্টা কৰা যেন লাগিছিল আৰু আজি ঠাট্টাৰ লগে লগে যেন লাজো লাগিছে।) সি একেখন পথাৰৰ ঢাপেদিয়েই আগ বাঢ়িল, তাৰ পিছত ধেঁছ, বুট আৰু শুকুৰা সৰিয়হৰ মাজেদিয়েই গাঁৱলৈ উভতি গ'ল।

গাঁৱৰ ওচৰলৈ আহি অপ্ৰস্তুত হৈ সি ওচৰে-পাজৰে চাবলৈ ধৰিলে আৰু কোনোমতেই ভাবি নাপালে খেতিলৈনো কি কাৰণে সি গৈছিল। কেতেকলৈ কিবা ভাবিবলৈ চেষ্টা কৰিলে, পিছে পেটত উঠা ভোকটোৱে মাত্ৰ এইটোকে মনত পেলাই দিলে যে ৰুটি খোৱাৰ সময় হ'ল। ম'হকেইটাও ভোকত থিয় হৈ আছে। আজি সিহঁতৰ কাৰণে ঘাঁহও নানিলে।

ঘৰলৈ আহি দেখিলে—চোতালৰ দুৱাৰখন মেল খাই আছে। কোঠাটোত তলা মৰা শিকলিডাল লাগি আছে। পিছে চাহৰ বাচন-বৰ্তনবোৰ ইফালে-সিফালে সিঁচৰতি হৈ আছে. আটা চালি থোৱা ডুচিবোৰ চোকাটোৰ ওচৰত যেনেকৈ আছিল তেনেকৈয়ে পৈ গৈছে।

তাক ভিতৰলৈ সোমাই অহা দেখি ধগা পোৱালিটোৱে হেঁৰেজিয়াবলৈ ধৰিলে। কলদুৰ মনটো বেয়া লাগি গ'ল। পুতেকক গালি দি দি পোৱালিটোৰ গাত হাত ফুৰাই তাৰ লগত কথা ক'বলৈ লাগিল, "চাচোন, কি কৰোঁ, মোৰ কথা নবন্ধে। ..... মনত এনেকুৱা ভাব হয় যেন তাৰ ডিঙি চেপাধাৰি মুদুৰাই থওঁ। ইমান দায়িত্বহীন, কি ক'ম! চাচোন, ঘৰটোৰ কি অৱস্থা কৰি থৈছে। খানাৰ পাত্ৰত দাঁত লগাবলৈকো একোটো নাই, চাচোন তোৰ কি অৱস্থা কৰিছে। এতিয়াৰেপৰা তাক যেন লাগক ছাবি পঁয়ালগা যেনহে লাগিছে—এতিয়া কিবা তোৰ ভোকত মৰিবলগীয়া বয়স নেকি? ঘৰত সকলোবোৰ থাকোঁতেও তোৰ এই অৱস্থা হৈছে।

ইয়াৰ বাজৰ চলিলে চালাই ভইঁতবোৰক ধৰধৰপৰা উলিয়াই দিব। যেৎ তোৰ মাৰক ......।* পিছে সি অলকৌৰক গালি দিব নোৱাৰিলে।

তাৰ পিছত নিজৰ মিছা কথাবোৰৰ ওপৰতেই কলচুৰ খং উঠি গ'ল। পোৱালি-টোৰে এতিয়া তাৰ হাত চেলেকি, ক'লা শকত চকু দুটাৰে তাৰ ফালে নিমাখিতভাৱে চাবলৈ ধৰাত কলচুৰ ইমান লাজ লাগিল যে চকুটো অইনফালে ঘূৰাই সিঁচৰতি হৈ থকা বাচনবোৰৰ ফালে চালে। তাৰ পিছত হাত আগবঢ়াই তাৰ মক শিংকিটা মোহাৰি দিলে। তাৰ ভাব হ'ল যেন সি নিজৰ ল'ৰাৰ নিচিনা পোৱালিটোক ইমান মিছা কেনেকৈ ক'ব পাৰিলে। বুটতো এমাহৰ আগতেই শেষ হ'ল। সেউজীয়া পাতবোৰো শেষ হ'ল। কেতিয়াবা কাৰোবাৰপৰা এবোজামান খুজি আনিলে দি দিওঁ, নহ'লে শুকান ভূচিৰেই পেট ভৰাই—তেনেহ'লেনো তাৰপৰা কোনটো কথা লুকাই আছে? ......জন্তুবোৰে কেৱল ক'বহে নোৱাৰে, পিছে সিহঁতে বুজিতো সম্পূৰ্ণ পাৰ পাৰে।

সি পোৱালিটোক একো খাবলৈ নিদিয়াকৈয়ে থপ-থপালে আৰু টুকুৰিটোত ভূচি ভৰাবলৈ কোঠাটোৰ ফালে আগুৱাই গ'ল। তলাটো জোকাৰি, তলা আৰু শিকলিডাল একেলগে খুলি যেতিয়া ভিতৰলৈ সোমাই গ'ল তেতিয়া চালখনৰ পিছফালৰ অংশইদি অহা তীব্ৰ পোহৰ দেখি চিন্তিত হৈ চালখনৰ ফালে চালে। চালৰ এটা কোণত দুটা নিগনিৰ গাৰ সমান বহল ফুটা আছিল। দুটা কড়িয়াৰ মূৰকিটা তললৈ ওলমি আছিল। ফুটা কিবা জন্তুৱে কৰা বুলি বুজিছিল। সি ভালদৰে গোটেই চালখনৰ ফালে চকু দিলে। ধোঁৱাৰে লাগি থকা কড়িয়া আৰু বাটামৰ ওপৰেদি ঠায়ে ঠায়ে পানী পৰাৰ চিন আছিল। ঠায়ে ঠায়ে খেৰ-ইকৰা এৰাই গৈছিল, পুৰণা মাটি ভূৰভূৰিয়া হৈ এৰাই গৈছে। বাটামৰ মূৰৰ ফালে বেৰাজৰ জিপল এৰাই গৈছে। এডাল বাটামৰ তলৰ ইটাও ভাগি এৰাই পৰি গৈ বেৰালৰ নৈতে বেঁকা হৈ গৈছে যেন লাগিল। কলচুৰ এনেকুৱা লাগিল যেন এই কোঠালিটোলৈ প্ৰথমেহে আহিছে। কোঠাটো একেবাৰে অপৰিচিত আৰু জৰ্জৰ।

খন্তেক পিছতে তাৰ উৎসাহ বন্ধ হৈ যোৱা যেন পালে। সি সোনকালে ভূচিৰে টুকুৰিটো ভৰাই বাহিৰ ওলাই আহিল। মনটো যেন ক'ব নোৱৰাকৈয়ে ভিতৰলৈ সোমাই গ'ল। ভৰিকিটাৰ জোৰ নাইকিয়া হৈ গৈছিল। ভূচিখিনি বানাৰ পাত্ৰটোত লোৱাই, চুলাৰ ওচৰত, বেৰালৰ কাষত থোৱা পিৰমাখন চিধা কৰি সি শুই পৰিল। আৰু শোওঁতেই তাৰ এনেকুৱা লাগিল, যেন সি কুঁৱাত পৰি গৈছে—অন্ধকাৰ,

আৰু তললৈ। তলৰ উশাহ তলতে আৰু ওপৰৰ উশাহ ওপৰতে বৈ গ'ল।

বহুত সময়ৰ পিছত চকু মেলি চোতালৰ খোলা দুৱাৰৰ ফালে চকু ফুৰাই চাবলৈ লাগিল। বাহিৰত কাকো নেদেখিলে। গলিটোৰ সিফালে, গিয়াসেৰ দুৱাৰো বন্ধ আছিল। সম্ভৱ বাহিৰৰপৰা তলাও মৰা আছিল, নহ'লে গিয়াসেৰ বৈণীয়েকক ভিতৰ-বাহিৰ কৰি ফুৰা দেখা পোৱা গ'লহেঁতেন। তাইক দেখিলে কলচুৰ মনত বৰ সন্তোষ লাগে। সময়ৰ কথা—এদিন সেইদিনো আছিল, যেতিয়া তাই সিহঁতৰ 'ডগা-ছিগা' ঘৰত দিনটোত দুই-বাৰ পাক মাৰি, 'কলচু দেওৰেকৰ' লগত লক-ফুৰা খেমালিও কৰি গৈছিল, পিছে এতিয়া যেন এযুগ পাৰ হৈ গ'ল, তাই কেতিয়াও গলিটোৰ এইফালৰ আধা অংশ পাৰ হোৱা নাই। সি আকাশৰ ফালে চালে আৰু আচৰিত ধৰণৰ ডাঙৰ ডাঙৰ চৰাই উৰা দেখি আচৰিত যেন লাগিল। কিন্তু অলপ পিছতে ভাবি চাই কথাটো বুজি পালে। একাকমাস শগুণবোৰ হাড় এৰ'মনপৰা মৰা-শ এটাৰ ফালে উৰি গৈছে। প্ৰথমে দুই-পোন্ধৰটা একেলগে ওলাল, তাৰ পিছত দুটা দুটা বাবে বাবে আৰু এতিয়া অৱশেষত থাকী থকাকেইটা বেৰখনত বহি পাখি ধপধপাই থকাত কলচুৰে ভয় খাই উঠিল।

তাৰ জাৰ লগা যেন লাগিল। উঠি পেলাই কোঠাটোৰ দুৱাৰখন মেলি বিছনাখন উঠাই ভিতৰলৈ লৈ গ'ল। বচিতালৰপৰা কটা, সিকিলৰ চিলাই এযোৰা সেন্তেৰা লেপখন আনিলে আৰু মূৰে-মুখে ঢাকি শুই থাকিল।

চোতালত ম'হে হেম্বেলিয়ালে। এটা শগুণ বেগেৰে পাখি ধপধপাই বেৰখনৰ ওপৰেদি ওলাই গ'লত ম'হজনীয়ে কলচুৰ সিচিন্নাকৈয়ে ভয় খালে। তোলাই নিমাখিত চকু আৰু কাণ জোকাৰি একেলগে বহুত ভুচি মুখত ভৰালে আৰু অকণমান দূৰলৈ আহি মুখখন লৰালে। পিছে আধা ভুচি তাইৰ মুখৰপৰা ওলাই আহিল।

...... কলচুৰে কোনো কথাৰ বিষয়ে একো ক'ব নোৱাৰে। এইটোও ক'ব নোৱাৰে যে ঘৰে ঘৰে মানুহে পালেৰ চোতালত বহি পুলিচৰ কথা পাতি আছে। সকলোৰে এইটো ভাব আছিল যে ঘনেৰ ল'ৰাই অভিযোগত পালেৰ ভিনিতৈ ল'ৰাৰ নাম লেখি দিছে আৰু এতিয়া সক ল'ৰাকিটা ধৰিবলৈ পুলিচ আহিছিল। পিছে ল'ৰাকিটা পলাই গ'ল। সেইকাৰণেই পুলিচে এতিয়া হৰকৌৰক ভাবি-ধমকি দিছিলহি। শুনিবলৈ পাইছিল, কাৰোবা বৰ ঝাড়, কাকো মাৰামৈ—কণিহৰ চুতীয়া গিয়াজা আৰু পৰতাপ চিনিয়া এতিয়া ভাৱপৰা আহিছিল। গলিটোত দিয় হৈ সিহঁতে জাপে জাপে কথা পাতি আছিল।

“নহয় বুজিছ. কথা নিশ্চয় কিবা আছে। নহ’লে তয়েই কচোন, দাৰোগাই জানো এনেয়ে ছয় গুলীৰ পিষ্টলটো আনিবলৈ আৰু কৈলাৰ লগত তিনিদিন থাকিবলৈ যায় নে?” “কৈলানো কোনটো?” “হেৰ মূৰ্খ, সেই দহ নম্বৰীয়া চুৰেদাৰৰ মোকৰ্দমাত পৰিছিল।” পৰতাপে এনেদৰে কথা কৈ আছিল যেন পুলিচৰ আচল কথাটো সিহে জানিছিল। “তেনেহ’লে তই নিজেই বুধিয়ক দেখোন।” পুলিচক হাতৰ মুঠিলৈ আনিব পাৰিলে আচল কথাটো উলিয়াবলৈ কিনো অসুবিধা হ’ব? দোষীতো তিনিওটাই। কাচীৰপৰা সাৰি যাব নোৱাৰে। চাবি—তোৰ চকুৰ আগতেই সকলো হ’ব।”

গিয়ানে তাৰ কথা শুনি এটা দীঘল উশাহ টানি ‘হু’ বুলি কৈ ভিতৰলৈ সোমাই গ’ল।

ঘৰে ঘৰে সেই একেটাই চৰ্চা চলিছিল। উচন হ’ব খোজা ঘৰখনৰ কথা চিন্তা কৰি কৰি সকলোৰে অনুকম্পা ভৰা কথা কৈ আছিল। বং চাবলৈ বিচৰাসকলে ইয়াৰ পিছত কি হ’ব তাকে চাবলৈ পোৱাৰ অৰ্থে কিবা এটা হোৱাতো বিচাৰিছিল। এই আধ্ প্ৰহৰৰ আগতে চমন মহৰীক মীৰাৰৰ ঘৰৰ কাষে নঘ:নৰ কথা শুনি শুনি দূৰলৈকে যেন বাগ টানি টানি গৈ আছিল।

বা সুন্দৰ—চিঞৰ বাখৰ কৰা ভাল কথা—চিঞৰ-বাখৰ ভাল কথা—বন্ধু সুন্দৰ। চিঞৰ-বাখৰ সুন্দৰ কথা। য’ত গণ্ডগোল নাই সিয়েই বেয়া।

“এই চালা মেহৰাই হোৱা-নোহোৱাই বাক হাতত বাখি”, ঘুণে ক’লে, “হেৰ মীহকুলীয়া, তই চিঞৰ-বাখৰ কিয় কৰিছ? ভাল মানুহৰ প্ৰতি তোৰ হিংসা।”

ইয়াৰ এতিয়া থানখিত লগা ঘৰখনৰপৰা কি পাব লগা আছে? মঘৰ হেৰে ৰকি গৈ থাকিল। কিন্তু নঘনেই তাৰ কথাৰ কালে মন নিদিলে। বেহুচৰ নিচিনাকৈ চোতাললৈ দৌৰ মাৰি অহা চকিদাৰৰ কালে সি চাই আছিল। চকিদাৰটো তাৰ দাঁতিয়েদি পাৰ হৈ যাওঁতে, সি মাত লগালে, “কি হৈছে অ’! চৰ্দাৰ এতিয়া ইয়াত আছে নেকি? এইফালে ক’লৈ যাব?”

“ও! মই চাহাবক মাতিবলৈ যাওঁ।”…আৰু সি সোঁৱে-বাঁৱে খুউব তাৰদৰে নিৰীক্ষণ কৰি কান্ধত পেলাই অনা ধূলি লাগি থকা গামোছাখন বাৰে বাৰে চলালি তাৰ প্ৰতি বেপৰোৱা ভাব দেখুৱাই সেই একেটা গতিতে গুচি গ’লগৈ।

“এতিয়া চাচোন!” মঘৰে তাৰ কালে ঘূৰি চাই ক’লে, “যেতিয়া ইয়াৰ চৰ্দাৰ চাহাব আছে বা মণ্ডল-কাননগো আহি থাকোঁহি তেতিয়া ই ভৃত্য হৈ সুৰে। দেখিছ,

এতিয়া কেনেকৈ বগলীৰ নিচিনাকৈ উঠি ফুৰিছে। এনেয়ে চালা বাগুলি। ৰাতিপুৱা উঠি চকুৰপৰা বোকা নোমোচে, আজি 'চাহাব' হৈ ঘূৰি ফুৰিছে।''

চোতালত বহি থকা মানুহবোৰৰ কোনেও চকিদাৰ যোৱা কথাটোত মন দিয়া নাছিল। সি এনেকৈয়ে বকি বকি পাৰ হৈ গ'ল। মানুহে নিজৰ গুৰুত্বপূৰ্ণ কথা পতাতে ব্যস্ত।

মঘৰৰনো ক'ত সময় আছিল, এনেকুৱা গম্ভীৰ কথা কোৱাৰ বা শুনাৰ? অকল-শৰীয়া মানুহ; অলপমান খেতি; ল'ৰাটোও সৰু; দিনৰ দিনটো 'নিগনিৰ নিচিনাকৈ কুট কুট কৰি' খেতিত কিবা নহয় কিবা কৰি থাকে। কেতিয়াবা ঘৰত তিৰোতা মানুহৰ কামো কৰে। 'গাঁৱৰ নিৰ্লজ্জ মানুহবোৰৰ ওপৰত তাৰ বিৰক্তি। কিন্তু কেতিয়াবা চাৰিজনমান বয়সিয়াল মানুহ যেতিয়া আহি চোতালত বহেহি তেতিয়া সিও আহি তেওঁলোকৰ লগত বহেহি। আহিয়েই সি ভাঙৰ মাতেৰে সকলোকে কুৰু বুলি তেওঁলোকৰ কথাত নিজেও সুৰ মিলাই 'বুজিয়কৰ কথা' বুলি কয় আৰু কৈ বাৰে বাৰে মূৰটো লৰাই থাকে। তাৰ এই স্বভাৱটোত বুঢ়া মানুহকেইজনে ভাল নাপালেও মুখেৰে একো নকয়। (বহুতবাৰ কৈ চাইছে, একো কামত নাহে।) সি যেতিয়া তাৰপৰা উঠি যায়, তেতিয়া তাত বহি থকাকিজনে এনেকৈ চায় যেন আপদ এটাহে গুচি গ'ল।

এই সময়তো সি অহা-যোৱা কৰাৰ কথাটো কোনেও যেন গম নাপালে। কথা বাঢ়ি বাঢ়ি গৈ পালেহি আজোককাক পালেগৈ। ঘুণ আৰু মঘৰে সিঙে পালেৰ 'উচ্চ' বংশ-পৰিয়ালৰ কথা কৈ কৈ এতিয়া 'সেই ঘৰখন ধ্বংস' হোৱা কথাতে আছিল।

"ভাইজী, পালেৰ ল'ৰাটো একেবাৰে গৰু। সি যে কি কামটো কৰি নেপেলালে!" ঘুণে যেন দুখেৰেহে ক'লে।

"হ'ব আৰু কি? যি ভগৱানৰ ইচ্ছা! সকলো নিজে নিজে হয়, মানুহৰ তাৰ ওপৰত হাত নাই। তেওঁ সাতসমুদ্ৰৰ ৰজা—মানুহ তেওঁৰ প্ৰজা—আৰুনো কি ক'ম?"

ঘুণে ক'লে, "তোৰ কথাটো অৱশ্যে ঠিকেই।" মই ভাবিছো ভাল ভদ্ৰ মানুহ বহি থাকোঁতেই যে কি হৈ যায়?"

"উস্! তোক কৈছোঁৱেই নহয় ভগৱানৰ যি ইচ্ছা!"

ঘুণ মনে মনে থাকিল। কিন্তু কন্তেক পিছতে কথাটো সলনি কৰি ক'লে, "ভাই, তোৰ মনে এতিয়া কি কৈছে—তোৰ ঘণে বুগিয়ালৰ ল'ৰাটোৱে পিছত কাৰোবাক লগাব নেকি?"

"কেলৈ ? নহ'লে আৰু কি কৰিব ?"

"মূৰ্খক, তই কথাটো বুজিয়েই নাপাব ?" ঘুণে সৰু ৰাস্তেৰে গলিটোৰ আগলৈ-পিছলৈ চাই ক'লে, "এতিয়া সিহঁতৰ কাজিয়াৰ বাহিৰেনো কিটো কৰিব লগা আছে ?—ভালেই হৈছে, এতিয়া নিজৰ মাটি নিজেই চম্ভালিব...... ।"

"এ-হে হে, শুনচোন তাৰ কথা ! আটে জেতিয়াই চিন্তা কৰে, ওভোতা কথাই চিন্তা কৰে। ভগৱানে কৰাত, সি সিহঁতৰ বাপেক। যদি সিহঁতে একো নিজেও নকৰে নকৰায়ো, তেতিয়া সংসাৰৰ মানুহে জানো সিহঁতৰ মুখত আঙুলি নিদিব ?"

"তোৰ এই মুখত আঙুলি দিয়া কথাটো বাৰু মানি ল'লোঁ। কিন্তু মই কওঁ যে যিটো কথা অলপ ঠাণ্ডা হৈ আছিছে, আকৌ সেইটো যেন উৰু নিদিয়ে।"

চন্নন মহৰীয়ে যি কৈছে, সেইটোৱেইহে আচল কথা। যেতিয়ালৈকে সৰু-ডাঙৰৰ কাজিয়া-পেচাল নেলাগে, গাঁৱত একো বেয়া কাম নহয়, কোনো নমৰে, কোনো ধৰা-চৰা নপৰে, তেতিয়ালৈকে তোমালোকৰ কথাৰ শেষ নহয়। তোমালোকে নিজে একো কৰিবলৈ বাকী নোহোৱা, কিন্তু মানুহৰ 'ঘৰ সাৰি' বং চাবলৈ সোঁজা চিধা কৰি যোৱা—এইটো কথাৰ বাহিৰে আন কথা আৰু কিবা আছে জানো ?

"তইতো বন্ধু কথাটো কোনোবা ফালেহে নিলি। আমি কি মানুহৰ কাজিয়া লগাই ফুৰোঁ নেকি ? ......"

খুলশালীয়েকে অলপ ব্যঙ্গ আৰু খঙেৰে ক'লে, "তোমালোকে কিবা মানুহৰ মিলাপ্ৰীতি কৰোৱানে ? তোমালোকেইতো চাই থাকা কেতিয়া গুড়ৰ ফুট উঠে আৰু কেতিয়া তোমালোকে ভাগ পোৱা...... এফালে জুই লগাবা আৰু সিফালেও লগাবা। জুই লগাৰ পিছত নিজে পলাই গৈ দেৱালৰ ওপৰত উঠিবাগৈ।"

"আমি হ'বপায় মানুহৰ কাজিয়া লগাই ফুৰোঁ ?" ঘুণে সেই কথাষাৰকে পুনৰ দোহাৰিলে।

"আকনো তোমালোকে কিটো কৰা ?" বীচৰে সুতাৰ গুলীটো হাতৰ মুঠিত লৈ সিহঁতৰ মাজলৈ আহি ধমকি মাৰিলে আৰু ডাঙৰ মাতেৰে ক'লে, "পালেৰ ল'ৰাই যি বেয়া কাম কৰিলে, সেয়া তোমালোকৰ নিচিনা মানুহৰ উচটনিতেহে কৰিলে। ইয়াৰ আগতে কিবা সিহঁত আহি এই গাঁৱত থকাৰ কথাটো কোনোবাই জানিছিল নেকি ?—কোৱাচোন। একেবাৰে নিৰীহ আছিল বেচেৰা ! কয়েই নহয়, বিধবা জীৱন কিমানকৈ পাৰ কৰিলেও, তোমালোকৰ নিচিনা জলখুৰ্চনিয়াবোৰে এটাবলৈ নিদিয়া।"

"অ' সেইটোৱেই কথা।" খুলশালীয়েকে নিজৰ সমৰ্থক দেখি আনন্দত উথলি উঠিল। "এইটো কথা মই ইয়াৰ আগতে কৈছোঁৱেই যে তোমালোকৰ এই বেয়া শক্তিটো থাকিবই।"

ছয়োজনৰে আগত হাৰ মানি আশাৰ মুৰত পানী ঢালিলে। ধীচৰে কি নতুন খবৰ শুনাবলৈ আহিছিল সেয়া এতিয়াহে শুনাব পাৰিলে,—পালেৰ সৰু পুতেকজো পুলিচে ধৰি নিলে। ঘনেৰ ল'ৰাই পুলিচক পালেৰ আটাইতকৈ সৰু পুতেকটোকো ধৰি নিবলৈ কৈছিল, পিছে দাৰোগাই নামানিলে। "তই পিছে বুদ্ধিয়ক কালীয়া, পুলিচটো ল'ৰা খোৱাই। যিমান দেৰীলৈকে মুখত হাত দি থ'ব, ঠিকেই থাকে, যেতিয়াই হাত উলিয়াই আনিবা, তেতিয়াই দাঁতে কামুৰিব।" ধীচৰে নিজৰ জ্ঞান জাহিৰ কৰি কথা কৈ আছিল, "এতিয়া ই আকৌ ওলাল মনে মুখিয়াজৰ পুতেক!......ই কাকো শান্তিত থাকিবলৈ নিদিয়ে। তেতিয়া হ'লেনো যোগাই পুলিচবোৰে জানো খুচিমতে কাৰোবাৰ ওপৰত মিছা মোকৰ্দমা কৰি দুবে?...তদুপৰি সেই ল'ৰাটোও নাবালক, তাক পাকত পেলালেই গোটেই মোকৰ্দমাতো ডিচমিচ হ'ব। পিছে তাই সিংহ, আচলতে ইহঁতবোৰৰ উদ্দেশ্যৰ ভিতৰত অন্য কিবাহে আছিল"......মাতটো সৰু কৰি কন্তেক মনে মনে থকাৰ পিছত ধীচৰে অসন্মতিৰ সুৰত ক'লে, "উদ্দেশ্য এইটোৱে আছিল যে তিনিওটা ল'ৰাই যাতে কান্দত পৰে। তাৰ পিছত বুঢ়াক ভয় খুৱাই, লোভ দেখুৱাই, ভাবি দি অপমান সিহঁতক দি বাকীখিনি নিজৰ নামত সুমুৱাই ল'ব, পিছত কিবা কামত লাগকেই বা নালাগকেই। তদুপৰি মৰাটোতো মৰিয়েই গ'ল, এতিয়া সি মুৰি নাহে, ওপৰৱৰা মাৰি যি ছাৰ্জ-বাকলি একৰাৰ একৰা...।"

"কি অ' কালীয়া! সেইটো কথাই নহ'ল জানো?" দুৰ্গৰ আধা জাপ খাই থকা চকুৰ ক'লা মণিটো উজ্জ্বলি উঠিল, "তই নামানিছিলি নহয়। পাগলটো ক'বলৈ, আমি প্ৰথম দিনৰেপৰাই ইহঁতৰ পৰিয়ালক জানো। ইহঁত কোনোবা বনিয়াৰ সন্তান চাগৈ। আটৰ ল'ৰা ইহঁত হ'ব কেনেকৈ?"

কালীয়ে হাৰ মানিলে, "কোনে ইয়াৰ ভলি পাব? কোনে ক'ব কোনটো ভাল, কোনটো বেয়া? ভগৱানেহে জানে!.. তদুপৰি কাৰোবাৰ ভাল-বেয়া ভাবিলেনো কি হ'ব? যি হ'ব, হয়েই থাকিব।"

যি হ'ব লগা আছিল হৈ গ'ল। ঘণেৰ ল'ৰাই পালেৰ পৰিয়ালবিৰ্গৰ বৰ্ণত তিতৰি তিতৰি মোকাবিলা কৰি ল'লে আৰু মোকৰ্দমাত এনেকুৱা সাৰ্জমলি কৰি ল'লে যে

এবছৰৰ মূৰত যেতিয়া মোকৰ্দমাৰ ফলাফল ওলাল, তেতিয়া সকলোৱে মুখত আঙুলি দিলে। পালেৰ ল'ৰা মোদনৰ চৌধ বছৰৰ কাৰণে কাৰাদণ্ড হ'ল। ফাঁচি নহ'ল। সজ্জনক তাৰ মাজৰপৰা উলিয়াই মুকলি কৰি দিলে।

চৌপালত পুনৰ চৰ্চা হ'ল। ভাল মানুহবোৰ সুখী হৈছিল এইকাৰণেই যে "হওক তেও, বেচেৰাৰ ঘৰখন নিঃশেষ হোৱাৰপৰা বাচিল—চৌধ বছৰনো কিটো? নমৰাকে যে আহিব···যদি দুয়োটাকে সুমুৱাই থৈ ইমান দিনৰ দণ্ড দিয়'হেঁতেন তেতিয়াহ'লে কি কৰিলাহেঁতেন? "দিব পাৰিলেহেঁতেন; পইচাৰেই সকলো হ'ল-হেঁতেন—পইচাৰেনো নহয় কি?"···পিছে ঘূণৰ নিচিনা ধূৰ্তই তাৰ মাজতে মাত লগালে।

"ভাই সিংহা, এতিয়া মই কওঁনে এইটো কথা কেনেকৈ হ'ল? ··ইহঁতবোৰে হৰকৌৰৰ ভায়েকক মাতি ভাবখাবাই মনে মনে লিখা-পঢ়া কৰাই ল'লে। এতিয়া ভাগৰটোৱাৰ সময়ত ইহঁতৰ আধা মাটি ল'ব। ইহঁতৰ আৰু পালেৰ তিনিটা ল'ৰাৰ হাতত থাকিবগৈ কেৱল পোন্ধৰ আৰু তাৰ পিছত যেতিয়া মানুহৰ মূৰ কঁকালৰ তললৈ দোঁ খাব, তেতিয়া আৰু উঠাব নোৱাৰে। এতিয়া পালেৰ ল'ৰালৈ আৰুনো কিটো বাকী থাকিব? কোনোবাকালে মূৰ তুলিবলৈ সমৰ্থ হ'বনে? কেতিয়াও নোৱাৰে। গোটেই জীৱনটোলৈ সমৰ্থ নহ'ব।"

ভগৱানৰপৰা কিবা লুকাই ৰাখিব পৰা যায় বাব পাৰে, কিন্তু মানুহে মানুহৰপৰা কিবা লুকাই ৰাখিবনে? যদি বেৰৰ কাণ থাকিব পাৰে তেতিয়াহ'লে পৃথিৱীৰ চকু আৰু আকাশৰ নাকো থাকিব পাৰে। আজিয়েই বা কাইলৈকে, গোটেই গাঁওখনৰ লক-ডাঙৰ সকলো ল'ৰাই গম পাব যে পালেৰ সম্বন্ধীয়া আৰু মোদনৰ ভায়েক সজ্জনে ঘণেৰ ল'ৰাৰ লগত ভকল কিবা কথা ঠিক কৰি ল'লে।

ভাগৰটোৱাৰ সময়ত ঘণেৰ ল'ৰাই ম'হৰ শিঙৰ নিচিনা ক'লা মাটিটুকুৰা ল'লে আৰু ওচৰৰ পথাৰৰ ভলকালে পালেৰ ল'ৰাই ল'লে। ভাল মাটি টুকুৰা নিজে লৈ, মানুহক ক'ব পৰাকৈ লাত দিয়া মাটি পালেৰ ল'ৰাক দিলে। মণ্ডল-কাননগোৰপৰা আৰম্ভ কৰি ডাঙৰ ডহচিলদাৰলৈকে সকলো তাৰ কথা মতেই চলিছিল।

আটাইবোৰ কাম হৈ যোৱাৰ পিছতো মানুহে গোচৰ তৰিয়েই থাকিল। কোনোবা কোনোবা ডাঙৰ অফিচাৰৰ তালৈ আৰু মন্ত্ৰীৰ ওচৰলৈ গৈছিল, পিনে শুনে কোনে?

"আনেনো শুনিব কেলৈ—যাৰে খাব তাকে গলাগিব। চৌপালৰ কিংবদন্তীত কাজীয়ে এইটো কথাও পৰিষ্কাৰ কৰি দিলে। কটবাৰীয়ে বাতিপুৱা উঠিয়েই পানী

নিদিয়া গৰম গাখীৰত এআঙুল মান দিউ পেলাই দি পি পেলাই বগেহি তহচিলদাৰৰ ধোঁৱাই নিতৌ সিহঁতৰ ঘৰত আহি বুট খায়হি ; আবেলি পৰত কাননগোৱে বটল আৰু মুৰ্গী আনি সিহঁতৰ পিৰালিতে বহি খায়হি ; তেতিয়াহ'লে ভাল মাটিডোখৰ কি তোমালোকে পাবানে ?"

"এইপিনে আহ, এইপিনে !" ঘুণে যেন কাণীৰ ডিঙিত ধৰি আনিলে. "সেইটো কথাকেই কৈছোঁ যে কাৰো ধৰ্ম-কৰ্ম নোহোৱা হ'ল ।"

"নহয়, ইয়াত ধৰ্ম-কৰ্মৰ কিটো কথা···সেই ভগতীয়াটোৰ উচটনি ।"

"থ থ, তোৰ ভাবেৰ কথা···তইতো কথাটোৰ একো আগ-গুৰিকে নাবাপিলি ।"

আগ-গুৰি যি হ'ব লাগিছিল হ'লেই । মানুহে এনেয়েই চোতালত বহি দ'ক্‌দুৰু কৰি থাকে । মীৰাৰ আৰু ঘণেৰ ল'ৰাই নিজৰ ইচ্ছা পূৰাই ল'লে । মানুহে কান্দি-কাটি, কাগজ ক'লা কৰি দৰ্খাস্ত লেখি, বেলভাড়াৰ বাবদ পইচা ভৰি আৰু কেছাৰিত হাবাথাৰি হৈ মনে মনে বহি থাকিল । সকলোৱে বিমান দুখলৈকে সম্ভৱ নিৰ্লজ্জভাৱে চাই ৰ'ল । মাটিডোখৰ লোৱাৰ আগতে বকুল, বগৰী, বাঁহ, বন যি সঁচ আছিল সকলো কাটি ল'লে । তাৰপিছতো মাটিখিনিৰ কাৰণে কোনেও জোৰ নিদিয়া দেখি নতুন মাটিডোখৰৰ মেড়টোৰ কাৰণে হুলস্থুল কৰিলে, প্ৰতি ইঞ্চি মাটিৰ লগত মাহতো থানাত ঠেলা-ঠেলি কৰি কটালে । মণ্ডল, কাননগো, তহচিলদাৰক কিমানবাৰ যে দৰ্খাস্ত দিলে, প্ৰমাণ দিলে, পঞ্চায়ত মাতিলে, পিছে সীমাটো যেনেকুৱা আছিল তেনেকুৱাই থাকিলত, তেতিয়া ভাবাই সেইটোকে মানি মুখ জপাই 'আৰামত' বহি থাকিল ।

আজিকালিকৈ, এমাহ, দুমাহ, চাৰিমাহকৈ বছৰ বাগৰি যাবলৈ ধৰিলে । এই বছৰবোৰত নিতৌ কিবা নহয় কিবা এটা সৰু-ডাঙৰ ঘটনা হৈয়েই থাকিল—জন্ম-মৃত্যু বিবাহ-কাজিয়া পেচাল । ইহঁতৰ কাহিনীবোৰৰ পুনৰাবৃত্তি হৈয়েই থাকিল । পিছে যি হৈছিল বা হৈ আছে সেইবোৰ একো নোহোৱা কৰিব পৰা নাছিল । অন্যায় হওক বা নহওক এটা কথা অৱশ্যে হৈছিল—মানুহবোৰে মনত বলৰ খোৰাক পাইছিল ।

পাজেৰ সকটো ল'ৰা ডেকা হ'ল । সি বিয়াও কৰালে । ঘণেৰ ল'ৰাই সিহঁতৰ টিউব্‌বেল থকা পুৰণা মাটিখিনি, পানীৰে ভৰি থকা মাটিখিনিও লৈ তাত নিজৰ পুৰণা ঘৰটো ভাঙি নতুন ঘৰ সাজিলে । ঘণেৰ ল'ৰাই বঙা বঙৰ ট্ৰেক্টৰ আনিলে, চাৰি ভাগৰ এভাগ মাটিত মাণ্টাৰ বাগিছা পাতিলে ; আৰু সেইটো সুযোগতে বেছিভাগ পানী তাৰ খেতিলৈ বোৱাই আনিলে । মীৰাবেও তাৰ লগতে লগ হৈ বহুত উপাৰ্জন কৰিলে । এতিয়া তাৰ ঘৰত ৰেডিঅ' বাজে, অথচ নাম-কীৰ্তন হৈয়েই থাকে ।

ল'ৰাকিটাই নতুন চাইকেলত উঠি চহৰলৈ পঢ়িবলৈ যায়, টান চুৰিদাৰ পিন্ধে আৰু পাগুৰি মাৰে। সকলো হৈ গৈ আছিল—আৰু কাহিনীবোৰো আগৰ দৰেই চলি আছিল। মানুহবোৰে সদায় বাক্‌যুদ্ধ কৰাৰ পিছত নিজৰ ঘৰলৈ উভতি যায়।

অৱশেষত মোদনো কয়দী জীৱন কটাই উভতি আহিল। মোদন দুদিন ক'লৈকো নোলাল। দোকমোকালিতে সি ক'ৰবালৈ যায়গৈ, নহ'লে ক'ৰবাত বহি থাকেগৈ। তাৰ পিছত গোটেই দিনটো মাকৰ ওচৰত শুই থাকে। পিছে মাকৰ নিৰাশাভৰা কথাই তাক আৰু বেছি তিক্ততা দিয়ে।

তিনিদিনৰ দিনা সজ্জন ওলালহি। ঘণেৰ নিচিনাকৈ সজ্জনৰ পেটুৱা পেটটো দেখি মোদনৰ বৰ আচৰিত লাগিল। তাৰ পিছত সি হাতত বন্ধা কাপোৰখন জাপি পেলায়ো বিছনাখনত মোদনৰ ওচৰত নবহি থিয় হৈয়েই ক'বলৈ লাগিল—থিয় হৈ সি কেনেকৈ বজাৰৰ ওচৰৰ ষ্টেচনত মোদনৰ কাৰণে অপেক্ষা কৰি কৰি দুখন গাড়ী চালে। তাৰ কথা শুনি মোদনৰ ভাব হ'ল—সি মিছা কথা কৈছে। সি কি কাৰণৰ কাৰণে তিনি-চাৰিদিন বাহিৰত আছিল এই বিষয়ে মোদনৰ সন্দেহ আছিল। মোদনে ধৰিলে সি সঁচা কথা কোৱা নাই। সি ককায়েকৰ ওচৰত বহাটোও তোলনীয়া পোৰ জ্ঞান কৰিলে। সজ্জনে থিয় হৈ থিয় হৈ অহা-যোৱা কৰি, একোবাৰ নিজৰ ঢিলাকৈ বন্ধা মাৰ দিয়া পাগুৰিটোৰ তলেদি ওলোৱা ক'লা চিক্‌চিকাই থকা চুলিখিনি খজুৱালে, আৰু মাজে মাজে পপলিনৰ কুৰ্তাটোৰ হাতখন ওপৰলৈ তুলিলে। সেই ক্ষন্তেকতেই মোদনৰ ভাল নালাগিল। যাকে তাৰ বিষয়ে কোৱা সকলো কথাই সঁচা যেন লাগিল।

আবেলি পৰত তাৰ মনটো বৰ উদাস উদাস লাগিল আৰু খাবলৈ দিয়া খাদ্য এৰি মনে মনে সি বাহিৰ ওলাই গ'ল। সক ঘৰত নাছিল। সজ্জনৰ ঘৈণীয়েকে ওৰণিৰ ফাঁকেৰে তাৰ কালে কেৰাকৈ চাই, তাইৰ ভাওৰ ভণিনা নবাই নবাই, ওৰণিখন অকণমান টানি বাহিৰৰপৰা ভিতৰ সোমাই যাওঁতে তাক যেন 'অৱহেলা' কৰিলে। সেইটো দেখি মোদনৰ মনত আৰু বেজাৰ লাগিল। গলিটোৰ মূৰ পাই সংযোগবশতঃ সেৱীক সন্মুখৰ কালৰপৰা অহা দেখিয়েই সি তৎমুহূৰ্ততে সোঁহাতে ঘূৰিলে। সেৱীয়েও একেকুৰাকৈ তললৈ দৃষ্টি পেলাই আগবাঢ়ি গ'ল যেন এইকালে দেখাই নাই।

সোঁহাতে ঘূৰোঁতেই কলহুলৈ মনত পৰিল। মনটো কিবা এটা অজ্ঞাত সান্ত্বনাত উথলি উঠিল। তাৰ খোজৰ বেগ বাঢ়ি গ'ল। সি গৈ যেতিয়া কলহুৰ চোতালত ধুঁই জ্বলি থকা দেখিলে তেতিয়া তাৰ যেন সকলো অশান্তি নাইকিয়া হৈ গ'ল।

"কোন সেইটো ?" তাক দুৱাৰেদি সোমোৱা দেখি জুইৰ পোহৰৰ কামে হাতেৰে ঢাকনি দি কমলুৱে সুধিলে। মোহন মনে মনে আগবাঢ়ি আহিলত কমলু উঠি থিয় হ'ল। দৃষ্টি নিক্ষেপ কৰি থৰথৰকৈ সুধিলে, "কোননো সেইটো ?…সেইটো মোহন নহয়নে ?"

মোহনৰ মনৰ সকলো সংশয় আঁতৰি গৈ, মনটো পাতল হৈ গ'ল। (এতিয়াকৈয়ে গাঁৱৰ কোনো মানুহেই তাক এইদৰে চিনি পোৱা নাছিল, আৰু চিনিনো পাব কেনেকৈ—আগৰ মোহনটোতো নায়েই।)

"আহ অ' আহ ভাই মোহেয়া।" আটা সানি থকা হাতখনেৰে সৈতে আগবাঢ়ি আহি কমলুৱে তাক সাৱটি ধৰিলে, আৰু জোৰেৰে ভিঙিত সাৱটি ধৰি পিঠিত থপথপাই নিজে নিজেই ক'বলৈ ধৰিলে—"মই আজিহে গম পালোঁ—তইতৰ টিলাত থকা ঘৰৰ কামেও গৈছিলোঁ,—তাৰ পিছত ভাবিলোঁ তইতো ভিতৰ ফালৰ কোঠাতহে থাকিবি—তাতৈ যাবলৈ মনে নক'লে।…এতিয়াৰ কথাবোৰ তই কিবা গম পোৱা নাই নেকি—কেৰ মোপাই, পিৰাখন লৈ আহচোন…তোৰ দদায়েৰলৈ…ক'ৰনো মৰিজি-গৈ হয়নে কুকুৰৰ পুতেক। এনেকুৱা বদমাচ, কটি থায়েই ক'ত পলালে ক'ব নোৱাৰোঁ…তই অলপ ব, মই পিৰা এখন আনো।"

মোহনে হাঁহি দিলে। সি কমলুৰ স্বভাৱৰ কথা ভালদৰে জানে। এনেকুৱা সময়ত ক'ব নোৱৰা হৈ পৰে। তাৰ বন্ধুক ক'ত বহুৱাব, কি সেৱা-সৎকাৰ কৰিব—বচ তাৰ পিছত ঢেৰ কথা ক'বলৈ লাগিল। মোহনে ভাবিলে—তাৰ এই আগ-গুৰি নোহোৱা কথাবোৰ বাদ দি আন মানুহৰ কোনো কথাত ইমান আত্মীয়তা আৰু বুজি থকা যেন নালাগে।

কমলুৱে ভিতৰৰপৰা খুৰা ভগা আৰু লেতেৰা পিৰাখন আনি জুইকুৰাৰ ওচৰতে পাৰি দি সেই একেটা মাতেৰেই ক'লে, "ল এইখন, বহ। তই যে আহিলি বৰ ভাল কথা হ'ল। ভগৱানৰ কৃপাত, মনটো বৰ উদাস হৈ আছিল। তই জানই নহয় মনটো উদাস হৈ থাকিলে একো ভাল নালাগে। কোনোবা কোনোবাই ভাল বন্ধুৰ সন্ধানত ফুৰে। পিছে সংসাৰখনত 'হাজাৰ' ভাল বন্ধু থাকিলেও, অন্তৰখনে যাক নামানে তাৰ লগত বন্ধুত্ব হ'ব কেনেকৈ ? তেওঁ কৈছিল নহয়—সংসাৰত লাখ লাখ মানুহ থাকিলেও, নিজৰ আপোনজনৰ অবিহনে জীৱনটো অন্ধকাৰেই অন্ধকাৰ। ……আৰু আজিকালিৰ সংসাৰখনেই হ'ল স্বাৰ্থৰ সংসাৰ। বাৰু ক'চোন তোৰ খা-খবৰ। তাত থাকোঁতে শৰীৰটো ভালে আছিল নহয়……শহৰৰ খবৰ ? আৰু

নহয়নে৷ কি? সেই নৰকখন শহুৰৰ ঘৰ বুলি ভাবিয়েইতো দিন কটাব নালাগে জানো? নহ'লে সেই নৰকত মানুহ এখন্তেক কটোৱাটোও কষ্টকৰ। —পিছে বন্ধু, তোক দেখোন বৰ নিশকতীয়া যেন লাগিছে। নহয়নে? একেবাৰে বুঢ়াটো যেন হৈছ—পিছে মই যেতিয়া তোক লগ পাবলৈ গৈছিলোঁ তেতিয়া তোক ভালেই দেখিছিলোঁ...... দুবছৰৰ আগৰ কথা হ'ব যেন পাওঁ। বাদ দে সেইবোৰ, এটা কথা কয়দীবোৰে কোৱা শুনো—এইখন ঘৰ যেনেকৈ এৰা টান, তেনেকৈ সেইখন ঘৰ এৰিবলৈও টান—চালা মোহ বৰ ডাঙৰ বস্তু, কাবোবাৰ প্ৰতি এনেকুৱাকৈ মোহ সোমাই যায় যে সি স্বৰ্গৰে হওক বা নৰকৰেও হওক। নহয়নে বাক মোদন সিংহ?"

মোদন মোচৰ মাজেদিয়েই হাঁহি থাকিল; পিছে হৰেকৰকম কথা শুনি তাৰ মনটো গধুৰ হৈ পৰিল। ক'ব নোৱৰাকৈ হমুনিয়াহ এটা ওলাই গ'ল।

"বাক, ময়ো ছুটা লাড়ু কৰি লওঁ, তাৰ পিছত আমি ভিতৰলৈ গৈ বহিমগৈ, কাম-বন সামৰি ভিতৰত একেবাৰে নিজপ্লাল হৈ বহিমগৈ।" কলছুৱে নিজে নিজেই কৈ আছিল। সি এবাৰো মোদনৰ সমৰ্থনলৈ বাট নাচালে। "সঁচাকৈয়েই, তইনো কটি কিমান খাবি? ময় নে নহয় পগলা, এতিয়ালৈকে তই খাইছনো ক'তা—মই জানোৱেই নহয়, তইঁত 'চাহাব' মানুহৰ ঘৰত খানা অসময়তহে হয়, যদি খোৱা-খোৱা সময়মতেই কৰ তেনেহ'লে জাটনো হ'ল কেনেকৈ! চৰ্দাৰী নিয়ম বিটো—অসময়ত খাবি।"

কলছুৱে তিতা খৰিৰ ধোঁৱাত অসুবিধা পাই ডিঙিৰ পিছফালে থকা ছুই-চাৰিডাল চুলি থকা মূৰটো জোকাৰি খজুৱালে, পাতলীয়া মোচৰ মাজেদি দাঁতকেইটা চিক্‌চিকাই ওলাল। ধোঁৱাই ধৰা চকুৰপতা ওলোৱা পানীখিনি পাঞ্জাবী চোলাৰ বাহুটোৰে মুচি, খজুৱাত উঠাৰ দৰে জোৰে জোৰে চকু মোহাৰিবলৈ ধৰিলে।

"এই আৰু অলপ আটা মাৰি লওঁ। আমাৰ দুয়োটাৰ কাৰণে কম হ'ব।" মোদনে বাৰে বাৰে হাক দিয়া সত্ত্বেও কলছুৱে তাৰ কথা নুশুনি আটা অনিলেগৈ।

এইদৰে কথা পাতি পাতিয়েই আটা সানিবলৈ ধৰিলে। আটা মাৰি ঔতাই বেলনাত কটি বেলিবলৈ লাগিল।

"বুজিছ, এই বেলনাখন যে আজি কিমান বছৰৰ মূৰত ব্যৱহাৰ কৰিছোঁ....... তই ভাগ্যবান আছিছ, যি আহি জলকোৰৰ বেলনাত হাত লগাবলৈ দিলি...... বৰ হাচয়াৰ তিৰোতা আছিল বুজিছ মোদয়া কৈ থাকিলেও অন্ত নহয়। ......কি ঘৰখন......কি ঘৰখনৰ বস্তুবোৰ......এনে সুন্দৰকৈ চম্ভালি ৰাখিছিল যে চালা

মেমচাহাবেনো ইয়াতকৈ কি ভালকৈ থ'ব.. ...সঁচাকৈয়ে ক'বলৈ গ'লে আমাৰ নিচিনাবোৰৰ ঘৰত তাই আবতৰীয়া ফল আছিল। তয়োতো দেখিছিলি—এনেকুৱা তিৰোতা গোটেই গাঁওখনত আৰু আছিলনে?.. ...সেইকাৰণেই বুজিছ, দ্বিতীয়বাৰৰ কাৰণে আৰু কোনো 'ঘৈণী' আনিবলৈ মন নগ'ল। নহ'লেনো মোৰ কিবা কথাত কিবা অভাৱ আছিলনে? কাৰোবাক কোৱা হ'লে ক'ৰবাত সম্বন্ধ প্ৰস্তুতি দিলেহেঁতেন; সম্বন্ধ নকৰিলেওতো একো অসুবিধা হোৱা নাই.......সেইকাৰণে এতিয়াও মোৰবাবে মাধৱে চেষ্টা কৰিছিল; আনকি তাৰ শহুৰেকৰ ঘৰৰপৰা কোনোবা বয়লিয়াল ছোৱালী এজনী আনিও দিছিল। ভাল বুলিও কৈছিল। পিছে মই ক'লোঁ—নালাগে যোপাই, কলকোৰৰ নিচিনা তিৰোতাৰ লগত সংসাৰ কৰাৰ পিছত মানুহে আৰু কাৰো লগত কটাব নোৱাৰে। আৰু তাই যি হীৰাৰ নিচিনা ল'ৰা মোক সঁপি গৈছে, মাইমাক আহিলে তাৰ অৱস্থা নোহোৱা কৰিব......যেয়া নহ'বলৈ এতিয়ানো তাক কোনে চম্ভালিছে—চাচোন এতিয়া হয়েই চা, ক'ব নোৱাৰোঁ৷ ছালাই ক'ত ঘূৰি ফুৰি ছদকা খাই ফুৰিছে। কিনো ক'ম মোহন, সি একেবাৰেই অধৰী হ'ল—পিছে মনৰ সান্ত্বনা এয়েই যে যিয়েই নহওক সি কলকোৰৰ অংশ, যেয়া হ'ব লাগে। এতিয়াও চম্ভালিব পাৰিলে নিজে নিজে গং ল'ব। তদুপৰি বয়স কিমাননো হৈছে!"

মোহনৰ অন্তৰখন আৰু গধূৰ হৈ ধৰফৰাবলৈ ধৰিলে, কলচুৰ আগৰ জীৱনটো আৰু এতিয়াৰ জীৱনটোলৈ চকু দিলত এনেকুৱা লাগিল যেন কলচুৰ ঠাইত সি হোৱা হ'লে এতিয়ালৈকে থাকিবই নোৱাৰিলেহেঁতেন। কলচুৱে যেতিয়া আপোনমনে কথা কৈ গৈ আছিল, তেতিয়া মোহনে তাৰ বেঁকা আঙুলিবোৰ, শুকান ডিঙিটো, সোমাই যোৱা গাল দুখন আৰু দীঘল নাকটোৰ ফালে ভালকৈ নিৰীক্ষণ কৰিছিল। তাৰ এনেকুৱা লাগিছিল যেন কলচুৰ মাজত আগৰ একোৱেই নাই। মোহনতকৈ সি চাৰি পাঁচ বছৰহে ডাঙৰ আছিল, পিছে এতিয়া পোন্ধৰ-বিশ বছৰৰ ডাঙৰ যেন লগা হ'ল।

"ব'ল ভিতৰলৈ যাওঁ।" কলচুৱে অসমান বেঁকা-বেঁকি কটিখিনি কটা কাপোৰ এখনেৰে মেৰিয়ালে আৰু বাইলৰ বটুৱাটো নিজৰ দীঘল আঙুলিকেইটাৰে ধৰি কোঠাটোৰ ভিতৰলৈ সোমাই গ'ল। মোহনেও তাৰ পিছে পিছে গৈ ভিতৰখন বৰ এন্ধাৰ পালে। মিঠা তেলৰ চাকিটো টিমিক-টামাক পোহৰে চাৰিওকাষে পোহৰ বিলাবলৈ সমৰ্থ হোৱা নাছিল। তদুপৰি কোঠাটোৰ সক-সুৰা বস্তবোৰৰ যি অৱস্থা হৈ আছিল সেয়া দেখিও তাৰ আচৰিত লাগিল। তগা বিছনাখনত পুৰণা কঠা,

চাৰিটা গাৰু আৰু কিছুমান লেতেৰা কাপোৰ-কানি এনেকৈ সিঁচৰতি হৈ পৰি আছিল যেন সেইটো ঘৰত কোনো নাথাকেই।

"বহ ভাই, ইয়াতে বহ" শণ বছিৰ চাৰপাইখন পাৰি দি কলহুৱে ক'লে, "মই আহিছোঁ"।

মোদনে বহিবলৈ নাপাওঁতেই সি ভুচি থকা কোঠাটোৰপৰা বটল আৰু বাহিৰৰপৰা পানী থকা কলহটো আনিলেগৈ।

"ইয়াকে খা আৰু, বৰ ভাল বিধৰ নহয়। তথাপি কাম চলি যাব। ৰুটিৰ লগত খাবলৈ ঠিকেই হ'ব", কলহুৱে মোদনৰ ফালে নোচোৱাকৈয়েই কলহটো আৰু বটলটো মাটিত থৈ কাঁহী-বাতি থোৱা টুকুৰীটোৰপৰা পিতলৰ বাটিটো উলিয়ালে। তাৰ পিছত পাঞ্জাবীটোৰে মুচি মোদনক দি ক'লে, "মই বাকি দিম নে নিজেই ল'বি?"

"কলহু, তই মিছাকৈয়েই কষ্ট কৰিছ।" মোদনে বিছনাৰ ওপৰত বহি সৰু মাতেৰে ক'লে।

"তোৰ কুশল হওক! 'কৃষ্ণ! কৃষ্ণ'" বুলি কলহুৱে বাটিটোৰ ফালে চাই ক'লে, "এইটোনো কি কষ্টৰ কথা হ'ল অ'! নে তোক টেঙা তিয়হৰ চাটনিৰে ৰুটি খুৱাম? — হেঁ, ধৰ।...... নহ'লে এইফালে দে, ময়েই ঢালি দিওঁ।"

কলহুৱে বটলটোৰ ওচৰত বহি, মুখেৰে ভোৰভোৰাই বাটিটোত আধাতকৈ বেছি ভৰালে। মোদনে হাতত ধৰি ৰখাবলৈ চাইছিল; পিছে সি আৰু এটোক বাকীহে দিলে। তাৰ পিছত বাটিটো ধৰি কলহটো বেঁকা কৰি পানী ঢালি, কলহুৱে কিবা কোৱাৰ আগতেই মোদনে চকু মুদি একে উশাহতে গিলি পেলালে। "হৈ গ'ল।" কলহুৱে মোদনৰ মুখমণ্ডলত গভীৰ দৃষ্টি নিক্ষেপ কৰি ক'লে, "এৰা, এয়াই হ'ল জ্ঞানীৰ কাম। এট্যাই কৈ গ'ল, আনটোৱে মানি ল'লে—দুয়োটাই ব্ৰহ্মজ্ঞানী! ......এতিয়া যি বস্তু খোৱা-বোৱাৰ কাৰণে কৰা হৈছে, সেয়া এইফালে দে, মই ভাগ বটাওঁ।"

খোৱা বাটিটো হাতত লৈয়েই মদেৰে ভৰাই একে সোঁহাই পি পেলালে। তাৰ পিছত চুকত পৰি থকা টুকুৰীৰপৰা ডাঙৰ শুকান পিঁয়াজ এটা আনিলে, আৰু আঁঠুৰ ওপৰত থৈ হাতৰ মুঠিৰে জোৰকৈ ধৰি ভাঙি ল'লে। এটা ডাঙৰ বাটিত মাহৰ আধা সিজা দাইল বাকী ল'লে, থালত পিঁয়াজ আৰু দাইলখিনি থৈ ক'লে—"ল ভাই, আমাৰ এয়াই আৰু টোকোনা খাদ্য, কিবা বোলেনে কয় নহয়, "বন্ধুৰ নিমখৰ কণাটোকে মিছিৰিৰ কণা বুলি ভাবিব লাগে।"

"সকলো ঠিকেই আছে! এয়াতো ছয়ত্ৰিশ ব্যঞ্জন ভাই!" মোহনে নিচাৰ আমেজতে ক'লে। "বেছ! চাব্বাচ! কয়েই নহয় বন্ধুৰ বন্ধুত্বলৈহে চকু দিবা, তাৰ বেয়াটোলৈ চালে বন্ধুত্ব নাভাগি কি হ'ব?" কমলহুৱে ইফাল-সিফা'লৰপৰা কাপোৰ-বোৰ সামৰি বিছনা এখনৰ ওপৰত থৈ ক'লে।

মোহনৰ সন্মুখত বিছনা পাৰি দি সি কটিথিনি ভৰিপথানত থ'লে আৰু মাইলৰ বাটিটো থকা থালখন আঁঠুৰ ওপৰত থৈ আধা পিঁয়াজ ভাঙি মোহনৰ হাতত দি ক'লে, "ল, মুখ জ্বালা কৰি ল।"

মোহনৰ অন্তৰখনে সন্তোষ পালে আৰু লহজতে তাৰ মনটোৱে ঘৰৰ কথা ক'বলৈ বিচাৰিলে। মনটো গধুৰ হৈ আছিল। এবাটি এবাটিকৈ পিয়াৰ পিছত চকুত ৰঙা নিচান পৰাত গলগলীয়া মাতেৰে ক'লে, "চা ভাই কমলহু, কথা হ'ল—এতিয়া পিছে আৰু আমাৰ সজ্জনৰ লগত থাকিব নোৱাৰি।" "হে এ! এইবোৰ তই কি কৈছ?" থালখন দূৰলৈ ঠেলি দি চিন্তিত হৈ তাৰ মুখৰ ফালে চাই কমলহুৱে সুধিলে, "অ'হ পাওঁতেই এইবোৰ কেনেধৰণৰ কথা হ'ল?"

"তুমিনো নজনা, কথানো কোনটো আছে?" অলপ হুচলৈ আহি মোহনে ক'লে—"যি নিজৰ শত্ৰুৰ ওচৰত মূৰ দোঁৱায় সিও জানো কিবা মানুহ হৈ থাকিবনে? "তোৰ এই কথাটো অৱশ্যে ঠিকেই। পিছে......" "তেনেহ'লে আৰু! এনেয়ে মোৰপৰা এই কথা লুকাইছে! পিছে মানুহৰ চাল-চলনেত্তেইতো আও-ভাও গম পোৱা যায় নহয়; আৰু মোৰপৰা কি কথা লুকাই ৰাখিব পাৰে......!"

"সঁচাই কৈছ।"

"তদুপৰি তাৰ তিৰোতাও আছিল এনেকুৱা যে ভাই গোটেই দিনটো সূৰ্য্যৰ নিচিনাকৈ মুখ ওফোন্দাই থাকে, আৰু কয় বোলে, "মই জন্ম হোৱাৰ দিনা আৰু কাকো জন্ম হ'বলৈ দিয়া নাই। বুজিছ, মানুহে কুটনি কৰিলেও ভালকৈ কৰিব লাগে। মই অহা আজি দুদিনেই হ'ল, আজি সেৱা এটাকে কৰা নাই। যেতিয়া চোতাললৈ ওলায় বনৰীয়া গৰুৰ দৰে ডাঙৰ ডাঙৰকৈ হাঁহে, কেতিয়াবা কাষৰীয়া ঘৰৰ কিবা কথা কৈ মাজতে ঠাট্টা কৰি...। এনেকুৱা মানুহৰ লগত থাকিব পাৰিনে কিবা?"

কমলহুৱে অলপ চিন্তিত হৈ মোহনৰ মুখৰ ফালে চাই ৰ'ল। কন্তেকৰ কাৰণে সি একো কথা ভাবিব নোৱৰা হ'ল। তাৰ পিছত লাহে-ধীৰে লক লকৈ ক'লে—"থাক, সঁচাকৈয়ে ভাই ইমান বেয়া তিৰোতা নে মোহন?"

"মইতো ভাই এই দুদিনতে ভাইৰ প্ৰতি বিৰূপ হৈ পৰিছোঁ। মনত এনে ভাব হয় যেন ডিঙিত টিপি মাৰি পেলাম। ল'ৰাবো পিছ এৰিব। কোনে জানে তাই আছিয়েই বেছি বেয়া কৰিছে নেকি! আৰু আনফালে 'বেয়া মানুহ'ৰ ছোৱালীও। শুনিছোঁ, বাপেকো বদমাচ মানুহ। মই শুনিছোঁ—সি সন্মানৰপৰা দুহেজাৰ টকা? লৈছিল আৰু তাৰ পিছত তুই গমেই পাব যে এই সম্বন্ধটো পাতিছিল সিইঁতবোৰেই।"

"ৰাৰু!" কলহুৰ নিচাত ৰঙা পৰা, শুকান, ভিতৰ সোমোৱা চকুকেইটা চিন্তাত আৰু বেছি সোমোৱা যেন লাগিল। এই কথা সি এতিয়ালৈকে খাটাংকৈ গমেই পোৱা নাছিল। বেছি চিন্তিত হৈ সি মোদনক সুধিলে—"তোৰ ৰাৰু এইটো কথা খাটাংকৈ জাননে যে সম্বন্ধটো সিইঁতবোৰেই কৰাইছিল?"

"মই সকলো জানো, মাৰপৰা জানো কোনো কথা লুকাই থাকে?"

"অ', এইটো তোৰ বুদ্ধিয়কৰ কথা।"

কলহুৰে মূৰ্তি এটাৰ দৰে থৰ হৈ শুনি গ'ল। "ঠিকেই কৈছ, ঠিকেই কৈছ" বুলি মাত্ৰ মূৰ দুপিয়ালে। মোদনে নিচাৰ জালত ক'ব নোৱাৰেঁ। কি কি ভেদ ভাঙিলে। মনৰ বোজা পাতলিলত সি খাবলৈ বহিল। পিছে কলহুৰে দ্বিতীয়বাৰ মুখলৈ নিয়েই হুকাটোকৈ উঠি থিয় দিলে।

"মই সেই চুৰবটোক মাতি লওঁ। নহ'লে ৰাতি আছি সেইদৰেই ভোকত শুই থাকিব।"

সি চোতালৰপৰা আগবাঢ়ি গলিলৈ গৈ টেঁটু ফালিবলৈ আৰম্ভ কৰিলে। ল'ৰা ওলাই নহালৈকে চিঞৰিয়েই থাকিল। বাহুত ধৰি লগত লৈ আনোতে তাক গালি পৰা শুনিবলৈ পোৱা গৈছিল। পিছে যিখানেই কোঠাটোৰ ওচৰ চাপি আহিছিল, সিমানেই মাতটো সৰু আৰু কোমল হৈ পৰিল।

"কিহে বৰমানুহ! এতিয়া কিবা মানুহৰ ঘৰত ফুৰাৰ সময় নেকি? মোক গোটেই জীৱনতে কোনেও 'মই' বুলিব নোৱাৰিলে। কিন্তু এতিয়া যেয়ে-সেয়ে ক'ব পৰা হ'ল—'তোৰ ল'ৰা বেয়া ঠাইত ফুৰিছে।' এইটো কিবা ভাল কথানে? হয় নে নহয়? তই এতিয়া ডনা-বুঢ়া হৈছ, অলপ ভৰা-চিন্তা কৰ।···চাচোন, তোৰ খুৰাৰ তোৰ ঘৰলৈ আহিছে, তেওঁৰেই বা ক'ব কি?"

কোঠাটোৰ দুৱাৰমুখ পাওঁতেই কলহুৰে ল'ৰাটোৰ পিঠিত হাত ফুৰালে আৰু লগতে তাক কলহত পানী ভৰাই আনিবলৈ ক'লে। ল'ৰাটোৱে কলহটো আনিবলৈ গৈ মোদনৰ কাষে চাই অলপ লাজ কৰিলে, কিন্তু মদনে তাৰ মুগীৰ গলধনৰ দৰে বিয়পি

পৰা চুলিখিনিত হাত ফুৰাই মৰম কৰিলে আৰু ল'ৰাটোৰ জোঙা নাক, জাহি সুন্দৰ চেহেৰাটোলৈ চাই মৰমেৰে ক'লে—"ভাই কলহু, ইয়াক কেতিয়াই-তেতিয়াই গালি পাৰি নাথাকিবি।"

"নহয় নহয়, এনেয়েতো মই ইয়াক কেতিয়াও বেয়াকৈ নকওঁ। কথা ক'লে কুণ্ডলিনেহে কেতিয়াবা খং উঠে।" কলহুৱে ল'ৰাটোৰ দীঘল শৰীৰটোৰ তলৰপৰা ওপৰলৈকে চালে। কলহটো লৈ সি বাহিৰলৈ ওলাই গ'লত বস্তিৰ নিশ্বাস পেলাই ক'লে—"মোৰনো আৰু আছে কি মোহন ?···জলকোৱৰ এটাই চিন আছে। ইয়াকে চম্ভালিব নোৱাৰিলে মানুহে কি বুলিব ভাই··· ?"

কথাটো ইমান গভীৰ নাছিল। কিন্তু ক'ব নোৱাৰো মোহনৰ মনটো কিয় ইমান বেয়া লাগিল। সি কলহুৰ পঁয়ালগা, হাড় ওলোৱা ভঁকা যেন শৰীৰটো আৰু বগা পৰা দাড়িৰ ফালে ভালকৈ চালে। লগে লগে জলকোৱৰ চেহেৰাটো তাৰ চকুৰ আগত ভাহি উঠিল। কোমল, মাখনৰ দৰে বগা, ডাঙৰ ডাঙৰ চকু আৰু জোঙা নাক ; লাহি দেহাটোৰ সুন্দৰ অঙ্গ—যেন চোকাৰ আগত জলকোৱে কাম-বন কৰি ঘূৰিহে ফুৰিছে। আগতে যেতিয়াই সি কলহুৰ ঘৰলৈ যায়, তেতিয়াই জলকোৱে এবে উৎসাহতে 'দেওৰ' বুলি সম্বোধন কৰিছিল আৰু সি কোনো কথা উলিওৱাৰ আগতেই তেওঁ "অ' ভাই দেখোন" বুলি কয় আৰু তাৰ পাছত ঠক ঠককৈ বগা দাঁত উলিয়াই হাঁহি মুখে "কাৰোবাৰ লগত গল্প-তামাচা কৰি ইয়াতে ক'ৰবাত থাকিব পায়" বুলি ক'ব। সেই সময়ত মোহনৰ এনেহে লাগিছিল যেন তেওঁৰ মুখৰপৰা ফুলহে সৰিছে। তেওঁৰ এইদৰে হাঁহি থকা চেহেৰাটো সদায় চাই থাকিবৰ মন গৈছিল।

ল'ৰাটোৱে কলহটো লৈ ভিতৰলৈ আহিলত, মোহনে এইবাৰ ভালদৰে তাৰফালে চালে, নাকে-চাকে হুবহু জলকোৱৰ নিচিনা, শৰীৰটোহে কলহুৰ নিচিনা দীঘল হৈছে।

মোহনে ল'ৰাটোক সুধিলে—"পঢ়া-শুনা কৰিছ নে নাই ?" "গৈছিল এবছৰ-দুবছৰমান" কলহুৱে ক'লে, "আখৰপাতি পঢ়িব পৰাও হৈছিল। পিছে তইতো জানই, মোৰ অকলে কাম নহয়, খেতিলৈ গ'লে খোৱা-বোৱাৰ কষ্ট হয়, সেইবাবে স্কুল এৰুৱাই দিলোঁ। অলপ দিনলৈ ইয়াৰ মাহীয়েকৰ ছোৱালীজনীকে আনি ৰাখিছিলোঁ, কটি পানীৰ কাৰণে। পিছে এতিয়া তায়ো ডাঙৰ হ'লত, তেওঁলোকে লৈ গ'লহি। কোনেনো খ'ব আৰু ! বিকেইটা দিন পাৰ হ'ল—যেনে তেনে। গোটেই জীৱনটো মোৰ ইয়াত কোনে কটাবহি !······এতিয়াতো ইও ডাঙৰ হ'ব। তেতিয়া ক'ৰবালৈ গৈ···আৰু তাৰ পিছত···" বাকীতে যেন কথাহে পাহৰি গ'ল, সেইদৰেই তলৰপৰা

ৰটলটো উঠাই লৈ চাকিৰ পোহৰৰ কাষে চাবলৈ ধৰিলে। পুনৰ মোহনৰ পিনে চাই ক'লে—"ল ভাই, এক এক পেগৰ কাৰণে যথেষ্ট হ'ব। নহয়নে ?"

"হ'ব আৰু নালাগে, এতিয়া তই খাই ল", কমলুৱে সংকোচেৰে ল'ৰাটোৰ ফালে চালে আৰু তাৰ লাহি চেহেৰাটোত অজানিতে কিবা কোমলতাৰ অনুভৱ হ'ল। বাটিটোত আধাআধি বাকী লৈ ৰটলটো খালী কৰি মাটিৰ ওপৰত বগৰাই দিলে। বাটিটো ল'ৰাটোৰ ফালে আগবঢ়াই ক'লে—"আনিছোঁ যেতিয়া তয়ো অলপ খা। সোনকালে শেষ কৰ।"

ল'ৰাটোৱে সংকোচ কৰিলে। মোহনে দুই-তিনিবাৰ কোবাৰ মূৰত বাটিটো লৈ থিয় হৈয়েই খালে, পিছত কলহৰপৰা লৈ হাতৰ চলুৰে পানী খালে। কমলুৱে তাক বাহুত ধৰি নিজৰ লগত বিছনাতে বহুৱাই ল'লে। মোহনৰ এনেকুৱা লাগিল যেন কমলুৱে আচল নিচা এতিয়াহে খাইছে।

"ল'ৰাটো ভাল মদপী হ'ল।" সি অলপ মিচিকিয়াই হাঁহি ক'লে।

"এৰা", কমলুৱে হাঁহিয়াই ল'ৰাটোৰ ফালে চালে, তাৰ চকু যেন ল'ৰাটোৰ চেহেৰাটোৰ ওপৰতে ৰৈ গ'ল। ক্ষন্তেক পৰৰ পিছতে তাৰ হাতত ধৰি উত্তাৰল হৈ ঘপহকৈ ক'লে—"খা ভাই, তয়ো আহি বহি খাহি। তোৰ খুৱাবনো ক'ব অমৰতিয়া (অমৃত চাকি চোৱাৰ পিছত যিয়ে কাৰো উচ্ছিষ্ট ভোজন নেখায়) শিং ওলাইছে!

ল'ৰাটো ইতিমধ্যে সহজ হৈ পৰিছিল। লাহে লাহে কথা ক'বলৈ আৰম্ভ কৰি নিজৰ বন্ধুবোৰৰ আৰু গোটেই গাঁওখনৰ লুকা-চুৰিৰ কথা শুনালে। তাৰ কথা শুনি মোহনৰ মন আগতকৈও পাতলিল, মন আনন্দত নাচি উঠিল। কমলুৱে তাক ঘৰলৈ আহিবলৈ নিদিলে। ৰাতি বহুত দেৰিলৈকে কথা পাতিয়েই কটালে। পিছৰ প্ৰহৰত ভাল টোপনি আহিল। মনলৈ যেন পূৰা শান্তি আহিছিল। ৰাতিপুৱা উঠি মোহনে ভাবিলে, "ভালেই হ'ল, ৰাতিটো ভালদৰেই পাৰ হ'ল।"

পিছে চাহ খাই ঘৰলৈ উভতিবলৈ ওলাওঁতেই আকৌ তাৰ মনটো কিবা-কিবিধৰ লাগিবলৈ ধৰিলে।

"ভাই, তই খেতিৰ ফালে নাযাৱ নেকি ?" কমলুৱে সুধিলে।

"কেলৈ ?"

কমলু আচৰিত হ'ল।

"যাব লাগিব নেকি ? ব'ল বাক তেনেহ'লে যাওঁ। নলা এটাও ঠিক কৰিব লাগিব।"

ল'ৰাটোক ঘৰৰ কাম-কাজ বুজাই দি মোহনৰ লগতে কমলও আগবাঢ়িল। বাহিৰৰ চাবি আজিটো পাৰ হৈ টিলাত থকা মোহনৰ ঘৰটোৰ ওচৰ পোৱাত মোহনে কমলৰ বাহুত ধৰি তালৈ লৈ গ'ল। চোতালত থিয় দি উজাৰ হৈ যোৱা ঘৰখনৰ কথাকে বহুত দেৰিলৈকে পাতি থাকিল। খেতিলৈ যোৱাৰ সজুলি কমল বুলি গৈ ঘৰ-পৰা কাঁচি, খাড়নী, টুকুৰী আৰু এখন কোৰ আনিলেগৈ। তাৰ পিছত ঘৰটোৰ বাহিৰ-ভিতৰ সৰা-মচা কৰাত লাগি গ'ল। কমলৰ ল'ৰাটোৱে ৰুটি কেঁচাকৈ সেকি পিঁয়াজৰে সৈতে লৈ সেই ঠাই পালেগৈ। দুপৰীয়া সময়ত সক আহিল। দুইজনকে এইদৰে চাফা কৰাত লগা দেখি আচৰিত হৈ সুধিলে—"এয়া কি ভাই? তোমালোকে এয়া কি কৰিছা?

"ঘৰ চাফাই কৰিছোঁ। মইতো উলিওৱা নাই মহয়।" মোহনৰ চকু দেখি সকৰে চকু নমাই আনিলে। তাৰ পিছত কথাটো ঘূৰাই ক'লে—"মই এনেয়েহে কথাটো সুধিছোঁ, কিয়নো ৰাতিৰপৰা তই ঘৰলৈ যোৱা নাই; আমি ৰাতিও, ৰাতিপুৱাও ৰুটি লৈ তোলৈ অপেক্ষা কৰি আছিলোঁ, মায়ে অত চিন্তাহে কৰিছে। কৈ আহিব লাগে। মই ৰুটি ইয়ালৈকে লৈ আহিছোঁগৈ।"

"এৰা, তোৰ কৃপা। দহ-বাৰ বছৰ তই দিয়াকে খোৱা নাই জানো?" মোহনে গাঁত এটাৰ মুখত মাটি জেপি দি আবৰৰ টুকুৰীটো উঠাই বাহিৰৰ দুৱাৰৰ কালে ওলাই গ'ল। সকৰে তাৰ কথাটো তৎকালে বুজি নেপালে। কিন্তু অলপ ভয়েৰে উচপিচাই, কথা বাঢ়ি যোৱাৰ ভয়ত সি মোহনক কোমল সুৰত সুধিলে—"মই ৰুটি ইয়ালৈকে আনোনে ভাই?"

"তোৰ উপকাৰৰ কাৰণে ধন্যবাদ! ৰুটি মই খালোঁৱেই।"

"ক'ৰপৰা খালি?"

"কমলৰ ল'ৰাটোৱে আনিছিল।"

সকৰে বাওঁহাতৰ কোঠাটোৰপৰা তেখাৰ ভযোৰ চাফা কৰি কমলৰ কালে খঙেৰে চালে। কিন্তু সকৰ কালে কমলে একেবাৰেই চোৱা নাছিল। সক পিছলৈও যাব নোৱাৰা হ'ল, বৈ থাকিবও নোৱাৰা হ'ল। সি কন্তেকপৰ মনে মনে থিয় হৈ থাকিল। তাৰ পিছত আচহুৱা মাতেৰে ক'লে, "বাৰু তেনেহ'লে, মই চাহকে কৰাই আনো।"

সকৰে যেন ভাবপৰা আঁতৰি গৈ বলা পালে। মোহনে উত্তৰত একো নক'লে।

নিৰালী খুৰীৰ ঘৰৰ ওচৰ পাইহে সি পিছলৈ চাইছে। মোহনেও খিৰিকীৰ দুৱাৰে তাৰ কালে চালে। সি তৎক্ষণাৎ দৃষ্টি ততালৈ নমাই আনিলে। মোহনৰ অন্তৰখনৰ

যা আৰু বেছিকৈয়ে বাঢ়ি যোৱা যেন অনুমান হ'ল।

কিছুসময়ৰ পাছত সকৰে চাহ লৈ আহিল। সিহঁতবোৰে চাহ খাই ল'লে। কলচুৱে ইটো-সিটো কথাও ক'লে, কিন্তু সক আৰু মোহনে কোনো কথা নক'লে। গধূলিৰ খোৱা ঘৰত থাকোঁতে বুলি জোৰ দি কৈ সক যেতিয়া উঠিল তেতিয়া মোহনে জানিছিল যে সিও নাবায় আৰু সক বা সজ্জনেও তাক কলচুৰ ঘৰবপৰা মাতিবলৈ নাহে।

আবেলি পৰত তুয়ো সকলোবোৰ হাপিয়াৰ-পত্ৰ সামৰি ল'লে আৰু আনন্দেৰে ঘৰলৈ উভতি আহিল। ঘৰলৈ আহি কাৰিকৰৰ হতুৱাই তুৱাৰ লগোৱা আৰু ভাগি এৰাই যোৱা দেৱালখন সজোৱাৰ যো-জা কৰিলে। পিছদিনা কলচুৱে নিজেই আটাইবোৰ কামৰ ঠিক কৰিলে। সক আৰু সজ্জনৰ বিষয়ে যি ভাবিছিল, সেয়েই হ'ল। সিহঁতৰ এটাও পাছদিনা নাহিল। এই কথাটোৰ কাৰণে কিন্তু মোহনে মনতে সন্তোষেই পালে।

"চা ভাই কলচু সিংহ, যিখিনি বাকী আছিল, সেয়াও পূৰা হৈ গ'ল", বাতি শুৱৰ সময়ত মোহনে কথাটো ক'লে। "মই তোক কৈছিলোঁৱেই নহয় ভাই, ইহঁতে লোক আগৰেপৰা এৰিবলৈ বিচাৰি আছিল। এতিয়া কোনোবা আহি কিবা পৰৰ লৈছেনে ? এইটোৱেই ভাল। গোটেই সংসাৰখনেই হাতজীৱন মানুহৰ ওচৰত মুখ ঘোঁৱাই থাকে। সিহঁতে গম পাইছেই যে মই যি কাম আৰম্ভ কৰিছোঁ সেয়া একেবাৰে পূৰা নহ'ব। পিছে আমাৰনো আৰু কি আছে ? সুখে-সন্তোষে আৰামত থাকিব পাৰিলেই হ'ল।"

"অ', এইটোৱেই নেকি কথা ? টেঙৰ মানুহে এনেকৈয়ে ভাবে। কথাতে কয় নহয়, 'তোৰ সহায় ঈশ্বৰৰ সহায়ৰ সমান।"

তুয়ো ওপৰে ওপৰে এই 'মিছাটোকে' স্বীকাৰ কৰি লৈছিল, যদিও মনে মনা মাছিল। সতিকে কজেক পিছতে কথা হীৱনীয়া হোৱাত আকৌ ওলোটাটোৱে কোৱাও লাগিল। মোহনে খঙতে সক আৰু সজ্জন দুয়োটাকে গালিও পাৰিলে, লগতে শপতো খালে যে যদি তাৰ বাজৰ চলিলাইহঁতেন তেতিয়া সি জীয়াই থকালৈকে সিহঁতৰ লগত কোনো সম্পৰ্ক নেৰাখে। "হেৰা ভদ্ৰলোক, পুৱাই পুৱাই এনে ধৰণৰ আত্মসম্মানহীন, শত্ৰুৰ লগত বিভিযালি কৰা মানুহৰ সৈতে কথা হোৱাই অনুচিত। সি আটৰ ল'বা হয় বুলিয়েই এনে কথাবে ? সংসাৰতো তৈনিক কোনোবা নহয় কোনোবা এটাৰ জনম হ'বই।"

তাৰ এই কথাত কলহ গৰজি উঠিল। আৰু চাৰি দিন মানৰ পাছত মোহনে দুই-এজন বুধিয়ক মানুহৰ লগত পৰামৰ্শ কৰি দুই ভায়েক আৰু ওচৰচুবুৰীয়াবিলাকৰ জোৰ কৰিয়েই মাকক লগত লৈ টিলাৰ ঘৰটোত থাকিবলৈ ল'লে। মাকে সেইখন ঘৰৰপৰা ওলাই আহি সম্ভৱতঃ সুখী হোৱা নাছিল। পিছে 'শকুনি' বোৱাৰীবিলাকৰ পৰা হেৰাই পাই সন্তোষ পালে।

"বোপাই মোহন! মইনো কটি-পানী কেনেকৈ কৰিম? চকুৰে কোনোমতেহে দেখা পাওঁ।" অভিযোগৰ সুৰত মাকে ক'লে।

"আই, মোৰ কি হাত নাইকিয়া হৈছে?" মোহনে অযথা টান মাতেৰে ক'লে, "তাত ইমান বছৰে কোমল কটি হ'বলা ডাঙৰ 'চৰ্চা'ৰে কৰি দিছিল?"

"নহয় বোপাই, সেইটোতো ঠিকেই, পিছে......" মাকৰ 'পিছে'টোৰ অৰ্থ মোহনে ভালকৈ বুজিছিল। তাৰ এনেকুৱা লাগিছিল যেন চাৰি দিনমান একেপ্ৰকাৰে বহি থাকি কথাটো তল পেলাব পাৰিলেই ৰক্ষা।

গধূলিলৈ চুলাত জুই ধৰিলত ঘৰখন ভূতৰ ঘৰযেন লগা হ'ল। লাহে লাহে, ওৰণি টানি নিহালী খুৰীও আহি বহিলহি। প্ৰথমে মোহনৰ মুখত চেনেহেৰে হাত ফুৰালে। তাৰ পিছত মুকলিকৈ হাঁহি পেলালে। লাহেকৈ হাঁহি সামৰি, ভগা পিৰাখনৰ ওপৰত বহি নিজেই ক'বলৈ ধৰিলে—"মোহন আহিছে বুলি মই পৰহি-চঠাদিনাই গম পালোঁ। পিছে অমঙ্গলীয়া ঘটনাটোৰ বাবে একো কৰিব নোৱাৰিলোঁ। সুবিধাই নোলাল। হৰকৌৰ, তোৰচোন তেনেই অৱস্থাই নাইকিয়া হৈ গ'ল। কিবা বেমাৰ হৈছে নেকি?"

"মোৰনো কি আৰু ভালে যাবৰ দিন, নিহালো। বেমাৰতো হ'বই।"

"এৰা, উপযুক্ত ল'ৰা-ছোৱালীয়ে ঘৰত ভৰি দিলে কিহৰ চিন্তা?" নিহালীয়ে মুখত হাত দি সক আৰু গম্ভীৰ মাতেৰে ক'লে, "মোৰ ভগা-ছিগা ঘৰলৈ যৰ বোৱাৰী আহিয়েই ঘৰৰ চেহেৰা সলনি কৰি পেলালে। শুনিছোঁ, বোপাই মোহনা, তইতো স্বাস্থ্যবানেই আছিলি নহয়? কিন্তু কেনেকুৱা স্বাস্থ্য? তাতনো কাৰোবাৰ স্বাস্থ্য থাকেনে—যমদূতৰ ঘৰত?"

"বুজিছা খুৰী, ভাত মই শহুৰৰ ঘৰত থকাদি থাকি আহিলোঁগৈ।"

নিহালীয়ে প্ৰথমে জোৰদি লাহেকৈ হাঁহিলে। কিন্তু পিছমুহূৰ্ততে লাহে লাহে বেমাৰী মাতেৰে আসৰদৰে মুখত হাত দি ক'লে—"সেয়া পিছে কেনেকুৱা শহুৰৰ ঘৰ অ' ......শহুৰৰ ঘৰ যেতিয়া কৰিছি তেতিয়া জোলোৱা 'ঠিকনাত'হে হ'ব। এতিয়া বহি নিজৰ মাৰজনীৰ শেহৰ দিনকেইটা সুখত কটাবলৈ দিব খুজিছ তেন্তে

কিবা নহয় কিবা এটাতো সখিয়-খিয় কৰিবই লাগিব। কিমান দিনলৈ তই এইদৰে কেঁচা খৰিৰ ধোঁৱা খাই থাকিবি? এনেয়েতো ট দেখাকে নিদিয়ে, তাতে আকৌ পুত্ৰ। মানুহেতো ঢেৰ কাম কৰে, তইনো কিটো কৰিছ? ব'ল, কথা শেষ হ'ল, গোটেই জীৱনতো এইদৰেই কটাব নেলাগে।"

খুৰীয়েকৰ কথা শুনি মোদনৰ মনটো অলপ বুজিল। কেঁচা খৰিৰ ধোঁৱাৰ কথাটোহে মোদনৰ মনত লাগিল। "গোটেই জীৱন এইদৰে কেঁচা খৰিৰ ধোঁৱা ফুঁৱাই কোন মতাই চকু ফুটাব পাৰে?" সি ধোঁৱাই ধৰা চকুৰপৰা ওলোৱা পানীখিনি পাগুৰিৰ ওলাই থকা আগটোৰে মচি ভাবিলে আৰু হাঁহি হাঁহিয়েই ক'লে—"হ'ব বাৰু খুৰী, মইনো কেতিয়া নালাগে বুলি কৈছোঁ? কোনো কথা নোহোৱাকৈ আজিয়েই কাণী-চানি এজনী লৈ আহাঁ।"

"পগলাটো ক'ৰবাৰ!" খুৰীয়েকে আদেশৰ সুৰত ক'লে।

"কচোন বাৰু, কিহৰ অভাৱ আছে? চাই থাক—কাইলৈৰপৰাই যদি ছোৱালী দিয়া মানুহেৰে ভিৰ নহয়...... সুথত থকা মাটি বাৰীৰ মালিক.......চকল ডেকা। ছোৱালীৰ মাক-বাপেকক কি বা উঠ-ঘোঁৰাবোৰ লাগিছে নে? আৰু এই কণা-চণাৰ কথা ভু কি কৈছ? একেবাৰে ছবিৰ নিচিনা ছোৱালী আহিব।"

মোদনে আনন্দ অনুভৱ কৰিলে। কিন্তু ইপিনে মনে মনে ভাব হ'ল—খুৰীয়েকে কিজানি তাৰ মন পাৰলৈহে দেখাকিতে মিছা সান্ত্বনা দিছে।

পিছে প্ৰতিদিনেই এই সক ঘটনাটোক লৈয়েই যেন, 'অবিশ্বহৰ পাহাৰ' সাজি গ'ল। মনত ইমান জ'লনা আৰু আক্ৰোশে দেখা দিলে যে মনে সজা গোটেই খেলখনেই ভাগি গ'ল আৰু সম্ভৱ মোদনৰ এই 'উত্ৰাৱলতা'ত মাহটোৰ ভিতৰতে ভায়েকহঁতৰপৰা মাটি ভাগ কৰাই ল'লে। সজ্জনে গালি-গালাজেৰে কথা ক'বলৈ ধৰাত সি স্থিৰ হৈ টান মাতেৰে নক'বলগীয়া কথাও কৈ পেলালে—"সজ্জন ভাই, বেছিকৈ মুখ মেলিব নেপায়। বাৰ বছৰ তইহঁতে মোৰ ভাগৰ উপাৰ্জন খাইছ। লাগে যদি সেই কেইবছৰৰ হিচাপটোও কৰি ল।"

মোদনৰ মুকীয়া চেহেৰা দেখি সজ্জনে কাণ বন্ধ কৰি বহি থাকিল। তাৰ জুই যেন চকু দেখি সি এনেয়েই ভয় খাইছিল। তাৰ এই চকু হত্যাকাৰীৰ চকু যেন লাগিল।

কেইবাদিনলৈকে মানুহে চোতালত বহি এইটো কথাকে চৰ্চা কৰিলে। "বুজিছ ভাই, পাৰেৰ ঘৰ আগতে উছন যোৱা মাছিল। এতিয়াহে উছন যাব। ককাই-ভাইৰ মাজত ভাঙোনে ধৰিলে আৰু ঘৰ নৰয়।"

"একো নহয়, ভালেৰেই থাকিব। ভায়েক-ককায়েক বেলেগ হৈয়েই আছে, আগতেনো কেইঘৰ উহন গৈছে ?"

"সেইটো নহয়, এইটো কথা অলপ বেলেগ। যেতিয়ালৈকে যুঁটিৰ বান্ধ থাকে তেতিয়ালৈকে সকলো ঠিকেই থাকে। পিছে আঁত খাই থকা যুঁটিটো এবাৰ খোল খালেই বিপদ আৰু মানুহেও থাপ লৈ বহি থাকে। কাৰ ঘৰত কেতিয়া কাজিয়া-পেচালৰ গণ্ডগোল শুনা যায় আৰু সেইবোৰতে তামচা চাবলৈ পায়।"

"ভাল বাৰু। তয়ো চেষ্টা কৰি চা। আজিকালি ভাই, সংসাৰখনেই চালাক হ'ল। মানুহে পিঠিত হাত থ'বলৈকে নিদিয়ে।"

"এৰা, সকলোৱেই নিজৰ নিজৰ মতে ভাবে। পিছে একগোট নোহোৱাৰ বাবেই জাতিৰ ঘৰৰ একেবাৰে বৰ্বাদ হৈ যায়। ভগৱানৰ পৃথিৱীত একতাৰ দৰে বস্তু আনো কিবা আছে ?"

একতাৰ দৰে যে আন কোনো বস্তু নাই, এই কথা মোহনেও জানিছিল। কিন্তু একতাহে যে নৰ'বগৈ এই কথা জানিও সি ভয় খোৱা নাই। কিন্তু সৰু আৰু বোৱাৰ কালে চাল লোৱাৰ পাছত পঞ্চায়ত আৰু বন্ধু-বান্ধৱক মাতি কাইলৈকে বিটো কৰিব লাগিব সেইটোৰ আজিয়েইনো লেঠা নেমাৰে কিয়—তাকে ভাবি সি কুঁহিয়াৰ চোবাই আছিল। তথাপি সি যিমানদূৰ সম্ভৱ চেষ্টা কৰিছিল যাতে কোনো উপকৰা সমস্যা আহি নপৰে। পিছে সজ্জন বাচিৰ ওলাই নাহিল। কিন্তু কথা গৈ যেতিয়া গৰু-নাঙল ভাগ বটোৱাত পৰিলগৈ তেতিয়া সি যি 'চালাকী' কৰিব লাগে কৰি গ'ল। আটাইবোৰ ভগা-ছিগা বস্তু মোহনৰ ফালে দিলে। তাৰ এই 'চালাকী' দেখি মোহনৰ খঙো উঠিল। পিছে মনটোক সি এইবুলি বুজনি দিলে যে "এয়েই হ'ব, মোৰ ঘৰতনো কোনটো কেঁচুৱাই কান্দি আছে! ইহঁতবোৰৰ ডাঙৰ পৰিয়াল, যদি কিবা কম-বেছিও হৈছে তেনেহ'লে কোনো কথা নাই।"

"......পিছে, ভেদভাৱ কিবা বস্তু-বাহানিৰবাবে হয় নেকি? ভেদ হয় মনৰহে।" মোহনে ইয়াকো ভাবিলে যে "এই ভেদভাৱ আহোঁতেই আৰম্ভ হৈছে। এবাৰ এই ভাব হ'লৈ আকতো জোৰা লগাব নোৱাৰি।"

সজ্জন মানুহটো আগতকৈ বেলেগ হৈ পৰিল। পিছে সৰুৰ মাজত এতিয়াও সেই লক্ষণে দেখা দিয়া নাই। সি এতিয়াও বাপুৰা-পদুমি মাকৰ খবৰ ল'বলৈ আছে। বৰভৰৰ শস্য ভাগ-বটোৱাৰ সময়ত সজ্জনতকৈ ভাব অলপ বং-বাগো হৈছিল আৰু সি গোটেই গোচৰটোকেই সুবিধাজনক ঠাইত চলাই দিলে।

"সৰু, তোমালোকে শত্ৰুৰ লগত হাত মিলাই ভাল কাম কৰা নাই, বাৰু ঠিক আছে······ পিছত পস্তাবি!" যোদনে এদিন সহিব নোৱাৰি থোকা-থুকি মাতেৰে সাৱধান বাণী শুনাই ক'লে।

সৰু উদাস হৈ বহি আছিল। ক্ষন্তেক পৰৰ পিছতে সি সৰু ল'ৰাৰ দৰে কান্দিবলৈ ধৰিলে। "কিমান বিপদত পৰিছোঁ, সেয়া মইহে জানিছোঁ।" সকৰে ইয়াকে কৈয়েই মনে মনে থাকিল। ইয়াৰ পিছত যোদনেও এইটো কথা আৰু শুনিয়া'লে।

"বোপাই, ইয়াকতো ডুবালে ডাঙৰটো আৰু তাৰ ঘৈণীয়েকে", মাকে সুযোগ পাই যোদনৰ আগত ক'বলৈ ধৰিলে, "ইয়াৰ টেঁটুত সকলো জাপি দি, নিজে ধোৱা কাপোৰ পিন্ধি 'সিহঁতৰ লগত' ঘূৰি ফুৰে, 'আজি মই সাৰ আনিব লাগে, আজি মই বীজ আনিব লাগে, আজি পানীৰ কাজিয়া ভাঙিবলৈ পানীৰ দাৰোগাৰ ওচৰলৈ যাব লাগে।' ই অকলশৰীয়াটোৰ মূৰৰ ওপৰতে সকলো ভাৰ দিয়ে। যিবা এটা মানুহ ৰাখিছে, সিও পৰোৱায়েই নকৰে।"

যোদনৰ সকলৈ দয়াও উপজিছিল আৰু খঙো উঠিছিল, কিয়নো সকলে জানি-শুনিও এতিয়ানো সি সজ্জনৰ বাবে নিজৰ হাড় ভাঙিবলৈ গৈছে কেলৈ? পিছে সি কেতিয়াও এই কথা আনৰ আগত প্ৰকাশ নকৰিলে। দুই ভায়েক একেলগে থাকক, এয়েই ভাল। যিয়েই নকৰক, তথাপি সিহঁত ভাই-ককাই। "নিজৰটো মৰিলে অন্ততঃ হাত নি পেলাবগৈ।"

হাতত পইচা নাছিল। তথাপিও বতৰৰ শস্যৰবাবাই প্ৰথমে ভাল-বেয়া গৰু আৰু গৰুগাড়ী গোটাব লাগিব। ভাগৰটোৱাৰ সময়ত প্ৰথমে সজ্জনে তাক এটা বুঢ়া গৰু দিবলৈ মান্তি হৈছিল। পিছে যোদনে ব্যঙ্গৰ সুৰত মুখ জোকাৰি কৈছিল যে—"এইটোৰে এই আধৰ-জোখৰ থকা মাটিতে হাল বাবি, এইটো নহ'লেও মোৰ কাম চলিব।"

কলচুক কথাটো কোৱাত সি কৈ দিছিল—"তই কি কাৰণে চিন্তা কৰিছ? মোৰ হাতত কাম চলাবলৈ সকলোবোৰ আছে—গৰু আছে, ভগা-ছিগা গৰুৰ গাড়ী, বাঁহৰ আৰি, মুগা সকলো আছে।"

পিছে যোদনে ভাবিছিল—তাৰ নিজৰ হাততো এই সকলোবোৰ থাকক। সি নিজৰ ঘৰ পাতিবলৈ ইচ্ছা কৰিছিল। কলচুৱে তাৰ লগত কিমাননো আৰু কৰিব! তাকো সহায় কৰিবলগীয়া অৱস্থাহে। বেটভাক-ককাদেউতাকৰ দিনত মুঠ চাৰি-পাঁচ বিঘা খেতি আছিল। জলকোৰ জীয়াই থাকোঁতে আনৰ মাটি আধিত লৈও হাল বাইছিল। পিছে শেষলৈ নিজৰে চাৰি বিঘা মাটিৰ সহায়তে

দিন কটাবলগীয়া হৈছে। সঁচা কথা ক'বলৈ গ'লে, সি কেতিয়াও মন পেলাই নিদিছিল। বহুত আশাৰে তাৰ মনটো ভৰা আছিল। "ভালে ভালেই দ'ৰাটো কাটিলৈ ডেকা হ'বগৈ। কোনোবা ভাল ঘৰৰপৰা খুজি ছোৱালী এজনী বিয়া কৰাই আনিম আৰু তেতিয়া সেকি খোৱা কটি খাবলৈ পাম। লেতেৰা কাপোৰ ধোৱা-পখলা কৰি থোৱা পাম...... আৰু দুৱাৰমুখত খাটিয়া পাৰি ভৰিৰ ওপৰত ভৰি তুলি বহি থাকিম। আকনো কি উট-ঘোঁৰা লাগিছে? ......" কলচুৰ এনে ধৰণৰ মূৰ্খৰ নিচিনা কথাবোৰত কেতিয়াবা মোদনৰ হাঁহি উঠি যায়। পিছে এনেহে লাগে যেন এনেকুৱা কথাবোৰ কলচুৱে কেৱল নিজৰ মনক সান্ত্বনা দিবলৈহে কয়। "এইদৰে বালিৰ ঘৰ সাজিলে দিনবোৰ ভালদৰে যায় মোদয়া। যদি গোটেই দিনটো হাই হাই কৰি ফুৰোঁ কোনেনো আহি আমাৰ ইয়াত সোণৰ দেৱাল সাজি থৈ যাবহি? হয় নে নহয় বাৰু?"

কেতিয়াবা কেতিয়াবা মোদনৰ কলচুক সঁচাকৈয়ে নিজৰ আশ্ৰয় যেন লাগে। অকলে খেতিলৈ যাবলৈ মন নেযায়। সম্ভৱ এইকাৰণেই হয়তোবা সজ্জনৰ 'চালাকী' বুজি নেপাই সি ডাঙৰ হাবিতলীয়া মাটিডোখৰ লৈ লৈছিল। সেই সময়ত সম্ভৱ তাৰ এইটো কথালৈ মনেই নাছিল যে কৰলগীয়া এই মাটিলৈ পানী সেইটো দমকলৰ-পৰাই আনিব লাগিব যিটো দাঁতিৰ কই খোৱা খেতিত ঘণ্টাৰ দ'ৰাই বহুৱাইছিল, (সম্ভৱ সজ্জনে আগতেই ভাবিয়েই ভাগ কৰিছিল) পিছে পিছত যেতিয়া মোদনে এই কথাটো বুজি পালে তেতিয়া সি ভাবি চাই কলচুক নিজৰ মনৰ কথা ক'লে।

"যি হয় হওক, সোপাকে বুট-সৰিয়হ থিয়ৈ থিয়ৈ মৰি যাওক, শুকাই যাওক, তথাপি মই সেই চালাৰ পানী নলওঁ। ....আৰু কিয় মই লগাম সেই চালাৰ তেজ থকা পানী?"

"নাই, কেতিয়াও হ'ব নোৱাৰে।" কলচুৱে মুখটো লৰাই গম্ভীৰভাৱে চকু ডাঙৰ কৰি উত্তৰ দিলে। "এনেকুৱা কথা-কাম কোনোবা বাপৰ বেটাই কেতিয়াবা কৰিব পাৰেনে? কোনোমতেই কৰিব নোৱাৰে। পিছে তই ইমান অধীৰ হৈছ কেলেই বন্ধু? তহচিলদাৰৰ অফিচত মোৰ এটা মানুহ আছে, যদি শস্য পকাৰ আগতেই তোৰ খেতিত পানীৰ ব্যৱস্থা কৰিব নোৱাৰোঁ, তেতিয়া ক'বি। নহ'লে কথি যে ভাই এনেয়েহে কুকুৰে ভুকিছিল। চাই লবি যদি চালাৰ বুকুৰ পোৰণি নোতোলোঁ। ......আৰু তই তোৰ খেতিত সিঁহতৰ পানী কেলেই লগাবি? শত্ৰুৰ তেজহে লগোৱা হ'ব—লাগে কোটকে দিয় বা খেতিতে দিয়। পইচা দি, বল লৈ,

পানী ল'ম লক্ষ্মণপৰা ? এইটো কিবা কথা হ'ল নেকি ?"

মোহনে আগতেই পকা সিদ্ধান্ত কৰি থৈছিল। তাতে ঘণেৰ ল'ৰাবনো দৰ্কাৰ কি ? কথাৰ সামৰণিখেই পৰিছিল। পিছে এতিয়ালৈকে এবাৰহে খেতিত পানী দিছিল। বৰষুণৰো কোনো সম্ভাৱনা নাই। ঘণেৰ মেড়টোৰ দাঁতিৰ খেতি যেন এতিয়াই হালধীয়া হৈ গৈছে।

"লাগে হালধীয়াই হওক, লাগে শুকাই একেবাৰে শুকাই যাওক, পিছে মইতো পানী নলওঁ।" "বাক ঠিক আছে! মই তোৰ এইটো কথাত বৰ সুখ পাইছোঁ।···এই মাটি-বাৰীবোৰ কোনে লগত লৈ যাব ? যি মানুহৰ আত্মসন্মান নাই, সি যিহকে কৰি কুকুৰক তাৰ কিবা মূল্য আছে নেকি ? সিহঁতৰ কোনো জাত নাই। পেট পেলাই ঘৰে ঘৰে বহি পেলনীয়া খাই কুকুৰ-মেকুৰীয়েও জীৱন কটায়। তেনেহ'লে মানুহ আৰু জন্তুৰ মাজতনো পাৰ্থক্য কিটো থাকিল হেঁ ?" (পিছে আগৰ দিনৰ মানুহ আৰু জন্তুৰ বিষয়ে এই কথা ক'বৰ সময়ত মনে মনে সন্দেহো হৈছিল কমলৰ।)

এদিন হুয়োটা খেতিলৈ যাওঁতে ঘণেৰ মেড়টোৰ ওপৰত থিয় হৈ কমলৰে এটা চকু মুদি চাই ক'লে, "চা, চাচোন ভাই মোহন্না, এতিয়াও সীমাটো কেনেকৈ আছে চা। এয়া ইয়ালৈ আহি চা—মেড়টো কেনেকৈ বাঢ়িছে। এতিয়াও মণ্ডলক মাতি আনি বেঁকাখিনি পোন কৰি ল'লে কমেও পাঁচ-সাত খোজ ঠাই ওলাব। পিছে মণ্ডলৰ মোৰ···লগাভগা বহুতৰ এই কাম পছন্দ নহ'ব। টুলীত ভুচি ভৰাই এইবাৰ মোৰ সন্মুখতে তাত দি থৈ আহিছে। আৰু এই পোন্ধৰ দিন হৈছে, গৰুগাড়ীৰে এগাড়ী শুকান খৰিও গৈছে। তদুপৰি খেঁৰ, খোঁৰাৰ বাবে বুট, ম'হৰ বাবে কপাহৰ গুটিলৈকে সকলো ইহঁতবোৰৰ ঘৰৰপৰাই যায়। তেতিয়া হ'লে সি মোৰ হৈ কেনেকৈ কৰিব ? আৰু তদুপৰি আগতে কথা সিকাই থৈছে চাগে। এয়া কি জুলুম নহয় নেকি মোহন সিংহ ? ভদ্ৰতাৰ খাতিৰত কোনো ওজৰ-আপত্তি নকৰাৰ কাৰণে আজি মেড়টো এনেকুৱা কৰি জুলুম কৰিছে। গৌহজদাল সত্তৰ সেই সাপৰ মূৰৰ নিচিনা একা-বেঁকা মেড়। জুলুম হয় নে নহয় ভাই ? সোধোঁতাও কোনো নাই নহয়।···"

মোহনে তাৰ কাষত থিয় হৈ চাই দেখিলে তিনি ঠাইত মেড়টো বেঁকা হৈ হুহাতমানকৈ ভিতৰ ফালে সোমাই গৈছে। মোহনে 'হুঁ' বুলি কৈ মূৰ জোকাৰিলে, পিছে মুখেৰে একো নক'লে।

পিছদিনা যেতিয়া কমলৰ পানী দি থকা সময়তে ঘণেৰ ল'ৰাৰ আধিয়াৰৰ লগতে কমলৰ মুখামুখি হ'ল তেতিয়া সি মেড়ৰ ওপৰত থৈ-হকাৰ চাবি ক'লে, "আই

ঘুন্দু, সিন্ধহা, তোৰ চৰ্দাৰে কি কূটবুদ্ধি লগাইছে? ভাবিছোঁ—এয়া সিইঁতৰ বুদ্ধি নহয়তো? অলপ এইফালে আহি মেড়টো চাছিলোন।"

ঘুন্দুৱে ভয় খাই গ'ল, পিছে যৰ নৈমানটো হৈ ক'লে, "চৰ্দাৰ, মইনো কিটো জানো, মালিকেহে জানে, মালিকেহে কৰিছে। ইয়াত মোৰনো কিটো পাৰলগাই আছে নে ছিৰলগাই আছে! লাগিলে মই শপত খাব পাৰোঁ।"

"পাৰলগা-ছিৰলগা নেথাকিলেও, পিছে আটাগুড়ি সানিবলৈ পানী লাগিব নে নাই? মেড়টো বান্ধোতেও তই লগত লাগিছে বান্ধিছ। সিহঁতেতো নিজে আহি বন্ধাহি নাই।"

"তোমাৰ সেইটো কথা ঠিকেই, কলহু সিন্ধহা।" কোমল আৰু ভয়াতুৰ মাতেৰে ঘুন্দুৱে মুখখন ঘূৰাই তললৈ হাউলি এটা সৰু মলাৰপৰা দাঁহ-বন উঘালি ক'লে, "পিছে তুমিতো জানাই—আমি গৰাকীৰ কথামতেই চলিব লাগে, যাৰপৰা চাৰি-পাঁচ সেৰ শস্য লৈ খাব লাগে। আমি অযথা এইবোৰত লাগিলে বিপদ আছে।"

কলহুৰ অকস্মাৎ খং উঠি গ'ল আৰু তাৰ মুখৰপৰা গালি ওলাব খুজিও বৈ গ'ল। মুখৰপৰা লেতেৰা পাগুৰিটো গুচাই, থিয়ৈ থিয়ৈয়ে সি আঁঠু দুটাৰ মাজত সুমাই ল'লে আৰু মুখৰ চুলিখিনি খুলি খোপাটো বন্ধাৰ সময়ত তাৰ চকুকিটা ৰঙা হৈ উঠিল। তাৰ পিছত খঙতে পাগুৰিটো আকৌ মাৰি ক'লে, "অ' তেনেহ'লে কথা এইটো যে মই এতিয়া এই মেড়টো চিধা কৰিব লাগিব। তই তোৰ গৃহস্থক কথাটো সুধি আহি সেইদৰে চিধা কৰি দিবি...। চাই ল'বি, যাতে এই ঠাইত গিৰিহঁতৰ আগত এই ঠাইত তোৰ মূৰ কটা নেযায়।"

কলহুৱে সেইদৰে খঙে-ৰাগে, কোৰখন লৈ মেড়ৰ লগে লগে আগবাঢ়ি গৈ পিছফালে ঘূৰিলে আৰু ঘুন্দুৰ কাণে চাই পুনৰ খঙাল মাতেৰে গৰজিলে, "চা, মই মেড়টো পোন কৰিছোঁ। তই আহগৈ আৰু মাতি আনিবি তোৰ গিৰিহঁতক।" আৰু সঁচাকৈয়ে যণেৰ খেতিৰ কঁকালৰ সমান হোৱা খেঁছবোৰ গঙেৰে উঘালি পেলাই মেড়টো চিধা কৰিবলৈ লাগিল। ঘুন্দুৱে তাৰফালে কেইবাবাৰো থিৰ হৈ চালে আৰু সি মুখৰ ভিতৰতে ভোৰভোৰালে। পিছে তাৰ ওচৰলৈ নাহিল। কন্তেক পিছতে পানী বন্ধ কৰি সি কাষত চাৰখন লৈ এনেদৰে গুচি গ'ল যেন সহায় বিচাৰিহে গৈছে। কলহুৱে নিজে নিজেই খঙতে বকি থাকিল আৰু মেড়টো ঠিক কৰি থাকিল।

আবেলি যোৰনে কথাটো গম পাই চিন্তামগ্ন হ'ল। তাৰ এনে ভাব হ'ল যেন এতিয়া আকৌ কাজিয়াহে আৰম্ভ হ'বগৈ, তাৰ পিছত ক'ৰ নোৱাৰোঁ কিহৰপৰা কি হয়গৈ।

"পিছে মোৰয়া, সংসাৰত মানুহ বাৰে বাৰে জন্ম নহয়। এবাৰেই জন্ম হয়, এবাৰেই মৰে।···তেনেহ'লে মানুহ মানুহৰ দৰে মৰিব লাগে। তই বচ এতিয়া এইফালে থাকিবি···মই অকলেই ব্যৱস্থা কৰিম। এইদৰেই চাই ল'ম। ই কাইলৈকে আহি মোৰ ঘৰৰ দেৱাল বগৰাব।···কাটিবলগীয়া উটক আগতেই মোখোৰা লগোৱা ভাল, পিছত আৰু কি লাভ ?"

"এতিয়াও মোখোৰা লগাব পৰা নাই নেকি ?" মোদনে অলপ হাঁহি ক'লে।

"তোৰ এইটো কথা ঠিকেই। পিছে তাত এতিয়া অলপ কাম বাকী আছে···। এতিয়াও ! মই তোক এই কাম দেখুৱাওঁ। তই এইফালে থাকিবি, বচ।"

পিছে ক'ম নোৱাৰোঁ কি ভাবি কলজয়ে নিজৰ খেতিলৈ যোৱাতকৈ তিনি-চাৰি দিনলৈকে সদায়েই মোদনৰ খেতিলৈহে দুই-তিনিবাৰকৈ গৈ চাই আহিলগৈ। পিছে না কোনোবাই আহি সি পোনাই থৈ যোৱা মেড়টো ভাঙিছে না কোনোবা মানুহ সেইডৰা খেতি চাবলৈ আহিছে।

"কি হ'ল, কথা কি ?" পঞ্চম দিনাখন সি মোদনক যেন নিজৰ মনৰ ভাবটো প্ৰকাশ কৰি ক'লে, "কোনোবাই কিবা ক'লে জানো ? হেৰ পগলা', কেতিয়াবা চেষ্টা কৰিলেও এই বুঢ়াই শুদাই নেৰে।"

মোদনেও আনন্দ পালে। কথা বেয়াৰ ফালে ঢাল ল'ব বুলি যি ভয় কৰিছিল সেইটো নহ'ল। পিছে কলজুৰ অৱস্থা অলপ ওলোটা হ'ল। তাৰ মনটোত যেন ক'ৰবাত এতিয়াও খুঁত বৈ গ'ল।

"পিছে একো জুতি নহ'ল দোস্ত !" সি নিজৰ ডিঙিত তৰোৱালৰ তৃতীয় চিন-ডোখৰত খজুৱাই অলপ নিৰাশৰ সুৰত ক'লে। "মই ভাবিছিলোঁ হাত দুখন-দুখন হ'ব, তাৰ পিছত চেহেৰা চাম। বাৰু, কিমাননো দেৰি লাগিছে। পানীলগা আৰু মেলেৰিয়াই নিজৰ চেহেৰা দেখুৱাবই।" মোদনে হাঁহি দিলে। (কলজুৰ পানীলগা আৰু মেলেৰিয়াৰ কথাত তাৰ হাঁহি উঠি গ'ল।) সি কথাটোত হাঁহিৰ খোৰাক দি ক'লে, "কলজু ভাই, এয়া তুমি ৰব বিসদৃশ কথা কোৱা নাইনে ? এইটো কথানো কেনেকৈ খাপ খালে কোৱাচোন।"

"বিয়েই নহওক ভাই সিন্ধা, আমি সিইতৰ ঘৰত সোমাই দম দিমেই। তই চাই লচোন। লাগিলোঁৱেই বৈতিয়া লাভ পুকলৈকে মনত ৰাখিব······কেৱল মোৰ এটা কাম কৰি দিবি। ······সময়ত মোৰ লৰাটোৰ বিয়া কৰাই মোৰ নামটো ৰাখিবি।"

পিছৰ কথাখাৰ সন্তৰ কমলুৱে ধেমালিতে কৈছিল। পিছে শুনিয়েই মোহন গম্ভীৰ হৈ গ'ল। তাৰ ভাব হ'ল—কমলুৰ নিচিনাকৈ তাৰ নিজৰ ভিতৰতো উগুল-থুগুল ভাব দিনক দিনে বাঢ়ি গৈছে। তাৰ যেতিয়াই-তেতিয়াই এইটো ভাব হয় যে মাক বুঢ়ী হৈ গৈছে আৰু চকুৰ দৃষ্টি কমি গৈছে। যেতিয়া নিজৰ কেঁচা খৰিৰ ধোঁৱাৰে চকুৰ পোৰণি উঠে তেতিয়া মনলৈ নানান চিন্তা আহে আৰু মনত ভয় লাগিবলৈ ধৰে। পিছে আচলতে এনেকুৱাহে লাগে যেন মনৰ খোখোৰ-মোখোৰৰ কাৰণে এইটো কথা নহয়, এয়া তাৰ মনৰ সুপ্ত বাসনাহে।

আৰু এদিন মনক বান্ধি ৰাখিব নোৱাৰি সি কমলুৰ ঘৰত বহি হাঁহি হাঁহি কথাটো উলিয়ালে—"ভাই, এতিয়া চাৰিদিনমান সুখত কটাবৰহে মন গৈছে।"

কমলুৱে চাকিৰ পোহৰতে আচৰিত হৈ তাৰ ফালে চালে। মোহনৰ চেহেৰাটো দেৱ-দূতাহতে সলনি হোৱা যেন লাগিল। শুকান গাল ফুলন ঠন ধৰি উঠিছে, মুখৰ ৰং উজ্জ্বলি উঠিছে, চকুৰ দুয়ো ফালৰ দাগ দুটা পাতলি গৈছে। আগতে মাথোন নাকটোহে জিলিকি আছিল। এতিয়াহে চেহেৰাটো ওলাই পৰিছে। দাড়ি ঘন আৰু ডাঙৰ হৈ গৈছে, মোচকোছা চকচকাই কোনোবাডাল দাড়িৰ লগালো হৈছেগৈ।

ক্ষন্তেকলৈ কমলুৱে তাৰফালে মনে মনে চাই থাকিল আৰু তাৰ পাছত অন্তৰখন আনন্দত নাচি উঠিল। তাৰ দীঘল আপুৰুগীয়া মোচকোছা নিগনিৰ নিচিনাকৈ লৰালে আৰু দাড়িখিনি দুটামান আঙুলিৰে মোহাৰি ক'লে, "কুশল হওক তোৰ! কুশল হওক তোৰ! আজিহে তই লাখটকীয়া কথা কৈছ। পগলা, তই বাজি বুলি কচোন, চেৰ প্ৰস্তাৱ আনি দিম নহয়। কচোন, কাইলৈৰপৰাই কথা আৰম্ভ কৰোঁ।"

"আৰম্ভ কৰ বন্ধু।" মোহনেও সেইদৰেই হাঁহি হাঁহি ধেমালি কৰিলে।

"নহয়, গৰুৰ নামত শপথ খা। ধেমালি কৰা নাইতো?"

"ধেমালি কিহৰ? গৈ খবৰ লৈ আহগৈ।"

"তেনেহ'লে আজিয়েই গৈ খুবীক কওগৈ—আদবিহলৈ পানীৰ লোটা লৈ দুৱাৰ মুখত ৰৈ থাকক।"

পিছদিনাখন কমলু সঁচাকৈয়ে ওলাই গ'ল। সি মোহনৰ লগত আৰু একো দীঘলীয়া কথা নেপাতিলে। যাবৰ সময়ত সি এইটো অৱস্থে জকলাকৈ কৈ গ'ল তাৰ ল'ৰাটোক আৰু গৰুটোক চায় যেন।

তৃতীয় দিনাখন যেতিয়া ঘূৰি আহিল মোহনে গোপনীয় সম্বন্ধৰ কথা শুনি আচৰিত হৈ গ'ল। ইয়াৰ আগতে তাৰ বিশ্বাসেই হোৱা নাছিল যে কমলু এইবোৰ কথাত

ইমান চতুৰ হ'ব পাৰে।

"বুইছ খুৰী, তই যদি বাকী বুঢ়াকালছোৱা বিচনাৰ ওপৰত বহি কটাব লোৱাৰ লোক জীউনেৰ কলছু বুলি নামাতিবি " মোদনক অপমান কথা বুজাই দি গৈ হৰকৌৰৰ বিচনাত বহি ক'লে—"এনেকুৱা গুণৱতী এজনী আছিব যে তই সেই চুয়োজনী বোৱাৰীৰ কথা একেবাৰে পাহৰি যাবি—বিকেইজনী ইয়ালৈ আহি আজিলৈকে তোক সেৱা এটাও কৰাহি নাই।"

হৰকৌৰৰ বিশ্বাস নহ'ল। তেওঁ দুৰ্বল চকুৰে পলক পেলাই শুকান ওঁঠত হাঁহি বিৰিঙাই প্ৰথমে তাক আশীৰ্বাদ দিলে, তাৰ পিছত নতুন বোৱাৰীৰ পৰিয়ালৰ বিষয়ে কথাবোৰ অকাই-পকাই সুধিবলৈ লাগিল যেন কোনো কথাতে বিশ্বাস হোৱা নাই। পিছে, কলছুৰে কথাবোৰ একো গম-গতি নিদি ওপৰতে কৈ গ'লে।

"বোপাই, তই এতিয়াও ল'ৰাকালৰ নিচিনাকৈ ওপৰতে কথাবোৰ কৈছ।" হৰকৌৰে হাৰ মানি কথাটো হাঁহি উৰাই দি ক'লে আৰু পুৰণা কথা খুচৰিবলৈ লাগিল।

"যেতিয়া তই তিনি বছৰীয়া আছিলি, তেতিয়া তই ইমান দুষ্ট আছিলি যে, মই তইতৰ ঘৰলৈ গ'লে মোৰ মুখৰ ওৰণি টানি গুচাই দিয়। মোৰ মুখৰ ওখ টেমুনাটোৰ ওপৰত আঙুলি বুলাই মুখেৰে "ঘুৰ ঘুৰ", "মোটৰ মোটৰ" কৰি তিভিৰপৰা ওপৰলৈ আৰু ওপৰৰপৰা তিতিলৈ মটৰ চলাবলৈ ধৰ। এদিন মই হাঁহি মাৰি তোৰ মাৰক সুধিলোঁ, এই মটৰৰ কথা কি তই শিকাইছ নেকি? তোৰ মাৰে ক'লে, মই কেলেই শিকাম? নিজে নিজেই ক'ব নোৱাৰোঁ, ক'ৰপৰা শিকিছে। সদায় নতুন নতুন কথা বেখুৱায়। ক'ব নোৱাৰোঁ ইয়াৰ মুখটো কিহেৰে ভৰা!"

আৰু ক'ব নোৱাৰোঁ কি কথাৰ কাৰণে আনন্দিত হৈ, এই বাৰ বছৰৰ পিছত হৰকৌৰে ইমান জোৰেৰে হাঁহিলে।

এইবাৰ কলছু গহীন হৈ পৰিল, যেন পুৰণা কথাবোৰে তাৰ মনতো হেন্দোলি গ'ল, কিন্তু তাৰ পাছত আকৌ কথা সলাই ক'লে, "হৈছে খুৰী, পাগলীৰ দৰে কথা কৈছা। পাহাৰৰ ওপৰত কলে কুঁহিয়াৰ জানো মিঠা হয়? মই যি কলছু সেই কলছুৱেই।"

"কুশলে থাক বোপাই, মই এনেয়েহে ধেমালিতে কৈছোঁ।" হৰকৌৰে এনেকৈ ক'লে যেন তেওঁ কলছুৰ খং উঠে বুলিহে ভয় কৰিছে। গহীন হৈ ক'লে, "তোৰনো কিটো আছে! তোৰ মাৰ কম বুদ্ধিৰ আছিলনে? বেৰাৰত কিবে ধুনীয়া ধুনীয়া

চৰাই, ম'বা আঁকি থয়! গোটেই গাঁওখনতে কোনেও তাইতকৈ ভালকৈ দেৱাল মুচিব নোৱাৰিছিল : তাইৰ সমান কোনে, কেনেকৈ কৰিব? তোৰ দেউতাবোতো কোনো প্ৰকাৰে কম নাছিল—গোটেই গাঁওখনে তেওঁক সুধিহে কাম কৰিছিল। এতিয়া আমাৰ লগত কেৱল তিনি পুৰুষৰ সম্বন্ধ হৈছেগৈ। আমি যদি নেথাকো তেতিয়া হ'লে কোনে জানিব? পিছে ভগৱানৰ কথা ভগৱানেহে জানে, বোপাই। চাই ল, এয়া সেইখনেই ঘৰ, দুৱাৰ সেইখনেই···বচ! থাক, তোৰ এটা তেও জীয়াই আছে, ভগৱানে দয়া কৰিলে আপোনা-আপুনিয়েই সকলোবোৰ ঘূৰি আহিব···তেওঁৰ ঘৰতনো কি বস্তুৰ অভাৱ হৈছে···?"

হৰকোঁৱৰ ওৰণিৰ আগটোৰে চকু মোহৰা দেখি কলচুৰ মনটো আৰু গধুৰ হৈ পৰিল। পিছে ওপৰতে সান্ত্বনা দিয়াৰ সুৰত টান মাতেৰে ক'লে, "তই চিন্তা কেলেই কৰিছ খুৰী, তই বহি থাকোঁতেই সকলো কৰি দেখুৱাম।" 'নিজৰ সংসাৰ'খন পাতিবলৈ মোহনৰ পুৰা-গধূলি দুগুণ-চাৰিগুণকৈ মনটো বাঢ়ি যাবলৈ ধৰিলে। এই গাঁৱতে যা ভাতে তিৰোতাৰ বিষয়ে এনেকুৱা আগ্ৰহ ইয়াৰ আগতে কেতিয়াও অনুভৱ হোৱা নাছিল। আনকি সি, তিনিটা ম'বা-ছোৱালীৰ মাক হোৱা, আগতে খোৰাঁথৰা কৰাজনীক কলচুক খবৰ নিদিয়াকৈয়ে শহুৰেকৰ ঘৰত চাই আহিলগৈ—এনেয়ে তাতৰ মোমায়েকক লগ পোৱাৰ ভাও ধৰি। নিজলৈ ছোৱালী খোজা গাঁওখনত এবাতি কটাই আহিলগৈ। আৰু যেতিয়াবেপৰা সি তাইক দেখিলে তেতিয়াবেপৰাই মনটোক কোনো প্ৰকাৰে সংযত কৰিব নোৱৰা হৈছে। দুই-এবাৰ মনটো বাঢ়ি গৈ অসংযত আৰু চঞ্চল হৈ গৈছিল। যেন সেই পুৰণা ভাব ভিতৰৰ চণ্ডালটো বাকচৰ দৰে মূৰ দাঙি উঠি গুজৰিছে এনে ভাব হ'ল।···পিছে ক'ব নোৱাৰোঁ কি বুদ্ধি কৰি সি শিকলি লগাই এই 'পগলা হোৱা হাতীক' শাসন কৰিলে। এই গোটেইখিনি কথা সি কাকো ক'বলৈ ইচ্ছা নকৰিলে। (সি যেন নিজকে নিজৰপৰা লুকাই ৰাখিবলৈ বিচাৰিলে।)

কলচুৱে থৰাদিৰ কচল কটাৰ দিনলৈও বাট নেচালে। আগতেই গৈ সকলো কথা ঠিক কৰি আহিল। কথাটো পইচাৰ লেনদেনলৈ আহি হৈ গ'ল, কিয়নো পইচা সিইতে চাৰে ওঠৰশ খুজিছে। আৰু ইমানখিনি পইচা মানুহৰপৰা সোনকালে গোটাব নোৱাৰে। পিছে কলচুৱে ক'ব নোৱাৰোঁ কোন সময়ত নিজে নিজেই থামাৰ অংশীদাৰ সুকৃথু দুখিয়াৰৰ লগত বন্দবস্ত কৰি নিজৰ দুবিঘা মাটি বন্ধকত দিলে আৰু আচৰিত হ'ব লগা কথা এইটোহে আছিল যে এইটো বিষয়ৰ কথাৰ গন্ধাহো মোহনৰ গাত

লাগিবলৈ দিদিলে। পিছে এইটো কথা ঠিক হওঁতে মোদনে গম পাই ক'লে, "ভাই, তই এইটো ভাল কাম নকৰিলি।" মোদনে অভিযোগৰ সুৰত ক'লে, "তোক ইমান ৰ কুঁৰা খাল্লিবলৈ কোনে কৈছিল? যদি এইটোৰেই কথা আছিল তেনেহ'লে মোক কোৱা হ'লেই হয়, আমি অলপ দিন ৰ'লোঁহেঁতেন। নহ'লে মই নিজেই ক'ৰবাৰপৰা ব্যৱস্থা কৰিলোঁহেঁতেন।"

কলহুৱে প্ৰথমে অলপ সংকোচ কৰিছিল, পিছে নাকটো মোহাৰি, খাড়িত আঙুলি বুলাই অলপ কক্ষ মাতেৰে ক'লে, "মোদন সিন্হা, তই মোক হ'বলা তেনেই অপদাৰ্থ মানুহ বুলি ভাবিছ? ভাই, তোৰ মনৰ ভিতৰত এইটোকে খেলাইছে যে আমি ইমান দুৰ্বলী মানুহ আৰু সেই গতিকে এইটো কথা পিছলৈ পেলাই থৈ দিব লাগে! মই যেতিয়া জানোৱেই তোৰ হাতত টকা-পইচা নাই আৰু আমি এইটো কাম জকল কৰিবই লাগিব······আৰু তই কচোন, তইনো কি ব্যৱস্থা কৰিবি?"

"মোৰ চাৰিবিঘা মাটি বেছি দিম···আৰু কি?"

"আৰু মই যে বন্ধকত থৈছোঁ, সেয়া কি মোৰ কাৰণে নেকি?·· বন্ধু, তইনো কেনেকুৱা কথা কৈছ? তোৰ আৰু মোৰ মাজতনো কি পাৰ্থক্য আছে? তই ভাবিছ চাপৈ কলহুনো মোৰ কিটো হয়! তই মানুহটো কিবা! সংসাৰত কোননো কাৰ কিটো হয় অ ভাই, সেই কাৰণেই মানুহলৈ মৰম থকাটোহে আচল কথা। কাৰোবাক অন্তৰেৰে ভাল পালেই জানো 'হাতত তুলি খাই পেলোৱা' হয়? এতিয়া যদি মই তোৰ কাৰণে কিবা এটা কৰোঁ তেতিয়া হ'লে কিবা আপত্তি আছে নেকি? ভাই, তই এইটো কথা যদি অনুগ্ৰহ বুলি পাইছ, তেতিয়া হ'লে তোৰ যেতিয়াই মন যায় ঘুৰাই দিবি। মোৰ ল'ৰাটোৰ বিয়াত লগাই দিবি। এনেকৈয়ে দিবি। আৰু কিবা থাকিল? ইয়াৰ পিছত তই আৰু নেভাবিবি যে মই তোৰ ওপৰত কিবা অনুগ্ৰহ কৰিছোঁ, নাইবা কাৰোবাৰ আগত কিবা ক'ম, নাইবা মনতে ভাবিম। বুইছ বন্ধু! তই এইবোৰ কৈ মোৰ মনটোহে বেয়া কৰিলি।" শেষৰ কথাকিষাৰ ক'বৰ সময়ত যেতিয়া কলহুৱে মুখখন আমোলাই পেলালে মোদনৰ সঁচাকৈয়ে দুখ লাগি গ'ল। মৰমতে কলহুৰ অন্তৰখন ভিতৰৰপৰা বাহিৰলৈকে তিতি গ'ল। সি মুখেৰে একো মাত্তিব নোৱাৰিলে।

"বাদ দে এইবোৰ অদৰ্কাৰী কথা", "কলহুৱে এইবুলি কৈ নিজেই কথাৰ মোৰ ঘলাই ক'লে, "মই যি কৰিছোঁ তাৰ বাবে মোৰ ওপৰত বিশ্বাস ৰাখ। পাঁচোটা আঙুলি সমান নহয়। এইখন পৃথিৱীত বুজিছ এনেকুৱা মানুহো আছে যি গোটেই

জীৱনটোত এবাটি চাহৰ বকবকনিও আনৰ মুৰৰ ওপৰেদি পাৰ হ'বলৈ নিদিয়ে। আকৌ এইখন পৃথিৱীতে এনেকুৱা মানুহো আছে যি হাজাৰ চেষ্টা কৰিও বাঁহ এডালকে যতনাব নোৱাৰে। সঁচা হয় নে নহয়? তইতো বুদ্ধিয়ক মানুহ, পইচা বেছি ডাঙৰ বস্তু নহয়, অন্তৰখন ডাঙৰ হ'ব লাগে। মতা মানুহৰ অন্তৰ ডাঙৰ হয়েই। যিবোৰ ছালা মনত কাঙাল, সিহঁতৰ পইচাৰে কোনোবাই কিবা গোমধান সিজাব নেকি? তই এনেকৈ নেভাবিবি যোৱয়া!...আৰু তই এইটো ভাবি চাচোন—যোবনো কিটো আছে? এটাই ল'বা, সিও নিজে নিজে ডাঙৰ হৈ নিজকে চলাজিব, মই মাত্ৰ এবাৰ ওখ টিলাত উঠি বাঁহী বজাই যাম। মানুহ যদি জন্ম হৈ মানুহৰ নিচিনাকৈ নেথাকে তেনেহ'লে কুকুৰ-মেকুৰীৰ দৰেহে হ'ব। কুকুৰ-মেকুৰীতো সদায়েই হাজাৰ-বিজাৰ জন্ম হৈ মৰে। এনেকুৱা সস্তীয়া জীৱননো জীৱননে? হয়নে নহয়? কথাটো কৈ কৈয়েই কলহুৱে নিজৰ ডিঙিত, য'ত আগতে আঘাত পাইছিল, স্বভাৱবশতঃ খজুৱাবলৈ লাগিল আৰু খজুৱাৰ কাৰণেই সেইটুকুৱা ঠাই ৰঙা পৰি গ'ল।

কলহুৰ এই কথাবোৰৰ উত্তৰ যোগনৰ ওচৰত নাছিল। বহুৰঙী মানুহৰ সকলো কথাৰে কোনে বলে পাৰিব? কিন্তু কলহুৰ এই আপোনভাব কেতিয়াবা কেতিয়াবা, ক'ব নোৱাৰোঁ, বেলেগ যেনহে লাগে। কেতিয়াবা যেতিয়া সি নিজে বাতি অনিদ্ৰা অৱস্থাত গভীৰ চিন্তাত মগ্ন হৈ ইয়াৰ কাৰণ ভাবে, তেতিয়া তাৰ এনেকুৱা লাগে যেন এনেকুৱা ভাব তাৰ দীঘলীয়া কয়দী জীৱন কটোৱাৰ কাৰণেহে হৈছে। আৰু সঁচাকৈয়ে ইয়াৰ লগে লগে তাৰ শৰীৰটো-মনটো কিবা সলনি হোৱা যেন লাগি যায়। কেতিয়াবা কেতিয়াবা তাৰ ভ্ৰম হৈ যায় যেন গোটেই গাঁওখনৰ মানুহে তাক বাহিৰৰপৰা অহা মানুহ বুলি ভাবে আৰু তাৰ কাষে চকু ডাঙৰ কৰি চায়, দূৰত থাকিবলৈ চেষ্টা কৰে। ......এদিন বাতি সি আঢৈমাহ-তিনিমাহমানৰ পুৰণা কথা এটা ভাবি ইমান অস্থিৰ হ'ল যে তাক যেন যেজীৰেহে খিৰিবলৈ ধৰিছে। সি প্ৰথমবাৰৰ বাবে অনুভৱ কৰিলে যেন গাঁৱৰ ভিতৰত কলহু, মধৰ আৰু দুই-এক পুৰণা বন্ধুৰ বাহিৰে কোনেও তাক লগ পাবলৈ নাহে। সিও কাৰো ঘৰলৈ নেযায়। গলিৰ মাজেদি তললৈ মূৰকৈ পাৰ হওঁতে তাৰ এনেকুৱা লাগে যেন সোঁৱে-বাঁৱে সকলো মানুহে তাক সন্দেহৰ চকুৰে আচৰিত হৈ চাইছে। ল'ৰা-ছোৱালীবোৰ ভয় খাই দূৰলৈ পলাই যায়, বুঢ়িয়কবোৰে মুখ ঘূৰাই নিয়ে। যেতিয়াই মুৰ দাঙি চায় তেতিয়াই প্ৰমাণ পায়। সঁচাকৈয়ে মানুহে তাক বেয়া চকুৰে চায়। এনেকুৱা সময়ত তাৰ শৰীৰলৈ যি পৰিবৰ্তন আহে তাত আৰু বেছি অচিনাকী

ভাব গোট খায়। এনেকুৱা সময়ত খৰধৰকৈ সি ঘৰলৈ উভতি যায়, নহ'লে ডিঙিটো পোন কৰি তাৰ স্থিৰ দৃষ্টি ঘৰ, চোতাল আৰু ভিতৰলৈকে, ভিতৰৰ কোঠা আৰু কোঠাৰ চুকে-কোণে এনেকৈ ভেদি যায় যে দেখাবোৰৰ এনেহেন লাগে যেন সি মানুহৰ ভিৰোতাবোৰৰ কাজেহে চাই আছে।

পিছে এইবোৰ কথাৰ উপৰিও আৰু এটা কথাই তাৰ মূৰৰপৰা ভৰিলৈকে কঁপাই দিয়ে। সি কেতিয়াও ঘণেৰ কথা ভবা নাছিল। নাই কোনোবাই তাৰ লগত নাইবা দিয়ে কাৰোবাৰ লগত ঘণেৰ বিষয়ে চৰ্চা কৰিছিল। পিছে পাঁচ-দহদিনমান সি যোদনক সপোনত দেখা দিছিলহি। বাকলৰ দৰে গোজৰণি মাৰি, দপদপাই গৈ আহিল আৰু তাক উৎপাত কৰিবলৈ লাগিল। যোদনে এই উপদ্ৰৱৰপৰা হাত সাৰিবলৈ বহুত চেষ্টা কৰিলে, পিছে যেতিয়া সি কোনো প্ৰকাৰে তাক অধীনলৈ আনিব নোৱাৰিলে, তেতিয়া দাঁত-মূৰ কামুৰি ঘণেৰ ওপৰত জঁপিয়াই পৰিল...পিছে তেনে সময়তে টোপনিৰপৰা সাৰ পালে। কেতিয়াবা কেতিয়াবা গোটেই শৰীৰ তাৰ ঘামত তিতি যায় আৰু নখবোৰ হাতৰ মুঠিত সোমাই যায়; কিবা গোপন ভয়ত তাৰ শৰীৰ কঁপি উঠে। কেতিয়াবা কেতিয়াবা গাটো ভালে থাকিলে বাৰে বাৰে চকু মুদি চেষ্টা কৰে যেন তাৰ ছিগি যোৱা সপোনটো আকৌ দেখে আৰু সি ঘণেক কেঁচাই কেঁচাই মাৰিব পাৰে। তাৰ মনটো বৰ অস্থিৰ হৈ পৰে আৰু গোটেই ৰাতি তাৰ টোপনি নাহে।

এই সপোনৰ কথা সি ভয়তে কলৈকো কেতিয়াও কোৱা নাই। মনে মনে ভাবি থাকে—এই কথাবোৰৰ কি অৰ্থ থাকিব পাৰে! তাৰ পিছত ভাব হয়—এনেকুৱা সপোন দেখা। ইয়াতকৈ বেছি সি একো ভাবিব নোৱাৰে। পাঁচ-সাতদিনমানৰ পিছত এনেকুৱা চিন্তা-ভাবনা আকৌ আৰম্ভ হয়।

এই কথাটোৰ কাৰণে যোদন যেন চিন্তাত পৰিল। ঘৰলৈ আহিলে নিলিপা-নোমোচা ঘৰটো দেখি উদং উদং লাগে। খেতিলৈ গ'লে তাতো তাৰ অকলশৰীয়া ভাব হয়। খেতিত দিকেইডাল বকুল আৰু ৰঙৰী গছ থিয় হৈ আছে সেইকিডাল দেখিলেও উদাস উদাস লাগে। বুঢ়া গছজোপাও (এতিয়া বি দুবিধা মাটিত একেবেই পৰিপূৰ্ণ হৈ ঢুকি থিয় হৈ আছে) যেন বুঢ়া হৈ জীয়াই থকা দিনকেইটা পূৰ কৰিছে এনে লাগিল···আৰু দিন পূৰ হোৱাৰ পিছত এই খেতিখিনিও টকলাধূৰীয়া সাধুৰ লাওখোলাৰ ভূমীয়া পদাৰ্থৰ দৰে, ভগাযুৰ অপ্ৰাপ্তিয়াম হ'ব। এই কল্পনাৰ দৃশ্যটো আৰু মুখৰীয় লাগিল। সি যেতিয়া দেখিকৈ ঘৰলৈ উভতে (খেতিৰপৰা সদায় সি ৰাতি

থাৰৰ পৰত ওভতে), তেতিয়া ঘৰবোৰৰপৰা ওলোৱা ধোঁৱা, চাকিৰ, লেমৰ পোহৰ আৰু কাৰোবাৰ কাৰোবাৰ চালিৰ সন্মুখত চুলাত জ্বলোৱা জুইৰ পোহৰ দেখি তাৰ মনটো কেনেবা লাগে। অনায়াসে তাৰ দৃষ্টি সেইবোৰৰপৰা আঁতৰি তাৰ অৰুণশ্ৰীয়া ওপৰৰ খেতিত থিয় হৈ থকা পাত নাইকিয়া, ঠাল-ঠেঙুলি কাটি পেলোৱা গছজোপাৰ নিচিনা টিলাত থকা ঘৰটোৰ ওপৰত পৰিল। তাৰপৰাও ধোঁৱা ওলোৱা দেখা গ'ল, চাকিৰ পোহৰো দেখা গ'ল, তথাপি ক'ব নোৱাৰোঁ এই ঘৰখন তাৰ উছন হোৱা যেন লাগিল। বাকী গোটেইখন গাঁও আনন্দেৰে আছে আৰু তাৰ ঘৰখনহে যেন উছন গ'ল।

এই ভাবটো আহিলে তাৰ অসহ্য হয়। এনেকৈয়ে সি তিনি-চাৰিবাৰ যেন এই ঘৰটোলৈ ভয় লাগি ওপৰৰ ৰাস্তাৰে বাহিৰে বাহিৰে কলঙৰ ঘৰলৈ গুচি গৈছিল। পিছে সাজৰাতি তাৰপৰা ঘূৰি আহিলেও পুনৰ সেই একেই চিন্তাই তাক বেৰি ধৰেহি। ···বাকী আটাইবোৰৰ ঘৰৰ ভিতৰত মানুহে আনন্দেৰে থাকি শান্তিত টোপনি গৈছে, আৰু তাৰ ঘৰত মাকে সাৰে থাকি তালৈ বাট চাই আছে চাগে···"মোপাই, তই ইমান দেৰি কৰিলি?" হুমুনিয়াহ কাঢ়ি মাকে কেৱল ইমানকেহে ক'লে, আৰু তাৰ গাৰত নিজকে নিজে কৈ থাকিল, "নকৰিনো আৰু কৰিবি কি! ঘৰত কোনোবা মাত দিব লগা থাকিলে তেতিয়া নিজেই সময়মতেই আহিলিহেঁতেন।···তেতিয়াতো খেতিতো মাত শুনিলিহেঁতেন। তোৰ দেউতাৰে কৈছিল···তেতিয়া তই চাৰি-পাঁচ বছৰীয়া আছিলি··· "মই মোদমৰ হাঁহি নিস্তব্ধ ৰাতি, গুটি ধৰা খেতিত পানী দিয়াৰ সময়তো শুনিবলৈ পাওঁ।" তই যেতিয়া সৰু আছিলি তেতিয়া আধা ৰাতিলৈকে ডাঙৰ ভনীয়েৰৰ লগত চুপতি কৰি 'খি-খি' কৰি ডাঙৰ মাতেৰে হাঁহিছিলি। আধা ৰাতিলৈকে নাই নিজে শুইছিলি নাই আনক শুবলৈ দিছিলি। কৈছিলি, "দেউতা আহিলে তেওঁৰ লগত শুম।" এদিন বেলি ওলোৱাৰ পিছতহে যেতিয়া খেতিত পানী দি উভতি আহিছিল সেইদিনাও তই তেওঁ অহাৰ পিছত তেওঁৰ লগতেই শুইছিলি। তয়ে কচোন, কোনে কি কৰিব? ···কি ক'ম, গোটেই ৰাতি আমি মাক-জীয়েক দুয়োজনীয়ে তোক কোলাত লৈ লৈ ভাবিব দিবত কিবা হৈ গৈছিলোঁ। ছোৱালীজনীয়ে কৈছিল, "মা, মোৰ কঁকাল এবাই যাব, এতিয়া তই ল।" মই ক'লোঁ, "আইজনী, মই গোটেই দিনটো কাম কৰি কৰি ভাগৰি পৰিছোঁ, কন্তেকলৈ চকুকিটা মুদি লওঁ। তই আৰু অলপমান সময় ধৰ। ক'ব নোৱাৰোঁ তোৰ গাত কি ভূতে পাইছিল। তই একন্তেকলৈও চকু মুদিলি।"

মাকৰ এই কথাবোৰ শুনি মোহনৰ অন্তৰৰ বাতোৰৰ আৰু নাড়ি গ'ল। তাৰ এনে

লাগিল যেন মাকে এই গোটেই সাধুটো জোৰা লগাই লগাই শুনাইছে। মাজে মাজে তাৰ খঙো উঠিছিল, পিছে মাকৰ চিধা আৰু সৰল কথাবোৰৰ কাৰণে মনে মনে থাকিল। তাৰ অনুভৱ হ'ল যেন জন্ম হ'বৰ দিনাৰেপৰাই সি মাকক দুখকে দি আহিছে। আৰু সেহতৈকে সিনো মাকক দুখকেই দি যাবনে ?

তাৰ পিছত তাৰ ঘৰ পতাৰ সপোন ইমান গভীৰভাৱে খেলাবলৈ ধৰিলে যে সি পিছদিনাখনেই মামাকক লগ ধৰাৰ কথা কৈ তাৰলৈ খোজাবঢ়া কৰা ছোৱালীজনীৰ গাঁও-খনত পাক এটা মাৰিবলৈ বুলি ওলাল। ইয়াৰ আগতেও যোৱা দুমাহত সি তিনিবাৰ এনেকুৱা কৰিছে।

কলচুৰ কথাতো তাৰ সন্দেহ হ'বলৈ ধৰিলে। পিছে কলচুও ইমান চতুৰ আছিল যে কথাটোৰ কোনো ভেদ খুলি নিদিলে। যেতিয়া কথাটো ওলায় তেতিয়াই কৈ দিয়ে ...'ৰচ'।

বাকী আন কথাত সি যিমান বেছি কয়, এইটো কথাত সিমানেই মনে মনে আছে। পিছে এদিন অকস্মাৎ মোদনৰ পৰিবৰ্তন হোৱা চেহেৰালৈ চাই তাক চিন্তাত পেলাই দিলে।

"ভাই মোদনা, তই এইদৰে মুখখন ওন্দোলাই আছ কেলেই ?" সি হাঁহি হাঁহিয়েই কথাষাৰ ক'লে, "মাথোন দুই-চাৰিদিনমান আৰু ধৈৰ্য্য ধৰ। সকলো কাম ঠিকমতে হৈ যাব। অন্য কথা নাই, এনেয়ে ছাললাই কথাটোত পাক লগাই গৈছে···কোনো কথা নাই, সকলো ঠিক হৈ যাব, চিন্তা নকৰিবি।" আৰু সেই সৰু কথাটোৰ কাৰণে যি পাক লাগিছে সেই বিষয়ে মোদনৰ মনত বাৰে বাৰে সন্দেহ হয় ; পিছে কলচুৰ ৰক্ষুৰত ইমান সন্দেহ কেতিয়াও হোৱা নাই যে তাক ছিঙি পেলাব। এই ডোলছাল ছিঙি সি যাব ক'লৈ ? ···প্ৰথম কথা—তাৰৰাবা অকলশৰীয়া জীৱন কটোৱাটো টান, আৰু দ্বিতীয়তে, কলচুক বাদ দিলে সি একেবাৰে অকলশৰীয়া হৈ যাব। কলচুৱে তাৰ মনৰ খোখোৰ-মোখোৰ অৱস্থাটো ভালদৰে অনুভৱ কৰিছিল, সেইকাৰণে সি এতিয়া আৰু দেৰি নকৰি পিছদিনাই সাজু হৈ যাবৰ সময়ত ক'লে, "বুজিছ ভাই সিন্হা, এইবাৰ যদি শুদামুখে আহোঁ তেনেহ'লে তই মোক কলচু বুলি নামাতিবি আৰু। ৰচ্, হয় এই পাৰ, নহয় সেই পাৰ, হেস্তনেস্ত নকৰাকৈ আৰু নাহোঁ।" সঁচাকৈয়ে এইবাৰ একো নকৰাকৈ ঘূৰতিল। তৃতীয় দিনাখন উভতি আহি তাৰ পিছদিনা মোদনক লৈ আকৌ ঘূৰি গ'ল। ছোৱালী ঘৰৰ লগত কথা পতাই দিলেগৈ। যি দুই-এটা কথা মোদনে গম পালে তাৰলৈ চাই প্ৰথমে কলচুৰ ওপৰত তাৰ সন্দেহ হৈছিল। তাৰ পিছত সেইবোৰ

কথা এনেয়ে বদনামী যেন লাগিল। পিছে উভতিৰ সময়ত সেই কথাচহকীয়ে যেন গোটেই কথাটোৰ ওপৰতে বহন পানি দিলে। আবেলিৰ সময়ত বাহিৰ-ভিতৰ চোৰাৰ তাও ধৰি মোহনক গাঁৱৰ বাহিৰলৈ লৈ গ'ল আৰু বাহিৰৰপৰা ঘূৰি অহা তিনি-চাৰিজনীমান তিৰোতাৰ ফালে দেখুৱাই, তাইকো দেখুৱাই দিলে। তাইক দেখিয়েই যেন মোহনৰ মূৰ ঘূৰি গ'ল।

"ধৈৰ্য্য, ধৰ, ধৈৰ্য্য ধৰ", কলহুৱে তাৰ মূৰত হাতফুৰাই এনেদৰে ফুচুলালে যেন মৌৰ মাৰিবলৈ ওলোৱা গৰুটোৰ গলধনত হাতফুৰাই ৰখাই দিলে। আৰু অলপ হাঁহি ক'লে, "কি অ' দেখিলি নহয় কলহু সিনহাৰ মেজিক! কথা এইটো ভাই সিনৃহা।…এতিয়ানো কি, যেতিয়া এই দেৱালত চালত চৰাই-কুকুৰা আঁকিবলৈ আৰম্ভ কৰি দিব আৰু তোকো মৰমিয়াল হ'বলৈ শিকাব তেতিয়া এই উৰণীয়া সাপজনী কি বস্তু তেতিয়া গম পাবি। ক'বি "হেঃ হেঃ হেঃ দেখিছ, সিঙা বজোৱাৰ দৰে ডিঙিটো কেনেকৈ লৰিছে। চকু কেইটা চাচোন তই…চকু!"

মোহনৰ পৃথিৱীখনেই ঘূৰাযেন লাগিল। কলহুৱে সঁচাকৈয়ে ফাকি দিছেঁ বুলি ভ্ৰম হ'ল। আৰু 'যদি এইবোৰ এটাইবোৰ সঁচাই দেখিছোঁ তেতিয়া তাই অভিশপ্ত পৰিব।'

পুনৰ গাঁৱলৈ উভতি আহোঁতে কলহুৱে বহলাই কিছু কথা ক'লে। মোহনে সেই আটাইবোৰ সঁচা বুলি ভাবি শুনি গ'ল।

"চা ভাই, সঁচা কথা কোৱাই ভাল। পিছত মনৰ ভিতৰত খোকোজা লাগি থকা ভাল নহয়।" কলহুৱে গম্ভীৰ হৈ বুঢ়া মানুহে কোৱাদি বুজালে, "তাইৰ বয়স হ'ব ত্ৰিশ বছৰৰ ওচৰা-উচৰি। এটা ল'ৰা হৈ মৰিল। তাইৰ গৃহস্থক ভতিজাকে মাৰোঁতে আনটো ল'ৰা কোচত আছিল। তাই মাকৰ ঘৰলৈ গুচি আহিল। আৰুনো কি কৰিব ভাই! আৰু তাৰ পিছত তই নিজেও বুজ। চাচোন, হোৱাজী ঘৰত ৰখাটো কিমান অসুবিধা। আৰু সদায় জলা জুই একুৰা চকুৰ আগত লৈ কোন মাক-বাপেকে চাই থাকিব পাৰে? বৰ ডাঙৰ কথা। তাতে দিনো যেনেকুৱা হৈ আহিছে কোননো ভাই-বন্ধুৱে হোৱাজী চম্ভালিব! এনেয়ে ভাগ্যৰ বলত ককায়েক-ভায়েক দুটা আছে। পিছে সিহঁতে নিজৰ সংসাৰকে চম্ভালিব নোৱাৰে। গোটেইটো জন্মলৈ কোনে দায়িত্ব ল'ব? বাপেক মৰিলে এটাইবোৰ কাম দৰায়েকৰ হাততেই। তাইৰ কাৰণে দুৰৰ, ওচৰৰ কেইবাটাও সম্বন্ধ আহিছিল। সেহি দিগদাৰ সেইকাৰণেই হ'ল। এতিয়া কচোন—তোকনো কোনটো কথা আঁৰ কৰিছোঁ? এতিয়াতৈকে কথাটো

পকা নাছিল কাৰণে তোক মই কোৱা নাছিলোঁ। এতিয়া গোটেইবোৰ নিজে দেখি গম পালি ভালেই হ'ল। দিগন্তৰ এইটোৱেই আছিল যে সিইঁতে আপত্তি কৰিছিল ল'ৰাটো 'দাগী' আৰু বয়সো বেছি, আমি সম্বন্ধ নকৰোঁ। মই শপত খাইছিলোঁ যে মই কামটো সমাধা নকৰাকৈ নেযাওঁ লাগে মোৰ মুৰ-ভৰিৰে খাজী ৰাখিম। সিইঁতে কৈছিল যে "যদি ল'ৰাটো দাগী নহৈ চোৰ হ'লহেঁতেন তেন্তে আমি পিছফালেদিয়েই যৌতুক দি বিয়া দিম, পিছে এতিয়া ....।" মই তেতিয়া ভাই, "এতিয়া, এতিয়া" কৰিবলৈ নিদিলোঁ। চাফা কথা কৈ দিলোঁ, "তোমালোকে মুখেৰে আচল কথাটো কৈ দিদিয়া কেলেই কি লাগে?" প্ৰথমে কথা তিনিহেজাৰ চলিল, আৰু তাৰ পাছত লাহে লাহে দেৰমাহৰ পাছত দুহেজাৰ হ'লগৈ—তইতো নিজেই জানই, আজিকালি দুহেজাৰ টকানো কি? আৰু ওচৰপৰি মুৰ্খ, কীৰাৰনো দাম লবাৰ পাৰিনে! .....দাৰী কোনাত থকা ল'ৰাটোতো তই দেখাই নাই, সুন্দৰ! তাৰ ৰৰদেউতাক দদায়েকে ল'ৰাটোকে বিচাৰিছিল—মাটি ভাগ কৰিবৰ কাৰণে—তাইৰ দেওৰেক ৰৰজনাকইতে তাক মানুহটোকহে বিচাৰিছিল বুজিছ ছালা।" আৰু সি কথা কৈ কৈ মাজতে কি ভাবি জানো কন্তেক গোমোঠা হৈ বৈ গ'ল আৰু লাহেকৈ অভিযোগৰ সুৰত ক'লে, "মোৰনো কিটো ল'ব, নিজে নিজেই কাৰোবাৰ গৰাভুকু খাই ডাঙৰ হ'ব বেচেৰা। যদি কিবা সাহস হয় তেন্তে সি নিজে নিজে গৈ সম্পত্তি চমজি ল'বগৈ···আৰু নহ'লে তইতো বুদ্ধিয়কেই, তোৰ সহায় হ'ব, কান্ধ পাতি ল'ব—এতিয়া ছাল্লাক চল্লাদি ডাঙৰ কৰিলে তাৰ চকুৰ লাজেও নেৰাখিবনে? সিতো আৰু জন্তু নহয়, মানুহহে!"

কমলুৰ আটাইবোৰ কথাই চিন্তা কৰিবলগীয়া। পিছে আন কাৰোবাৰ অংশ এটা লামৰি লোৱাটো মোহনে ভাবিব পৰা নাই। তাৰ অনুভৱ হৈছিল যে যিকোনো 'জাটৰ' ল'ৰাৰ কাৰণে এইটো ধৰনামৰ কথা, তথাপি সি মনে মনে থাকিল। তাৰ ভাব হ'ল যে তাৰ নিজৰে নিজৰ ওপৰত শাসন নাইকিয়া হ'ল। কমলুৱে যেন তাক কাঁচা কাঠতহে বৈছে, কোনোফালে লবাৰ-চৰাবলৈকো উপায় নোপোৱা হৈছে।

তাৰ পিছত বিয়ানদিন কমলুৱে অপেক্ষা কৰিলে, সিমান দিনেই মোহন ঘোৰোৰ-মোৰোৰত পৰি ঘূৰা-পকা কৰি থাকিল। আনকি যেতিয়া কমলুৱে ঘূৰি আহি তৎক্ষণাৎ কৈ দিলে যে "ঐ এতিয়া সাজু হৈ থাক, বাজিপুৰা যাব লাগিব", তেতিয়া মোহনৰ মুখটো সঁচাকৈয়ে ঘূৰাই গ'ল।

সেইদিনা বাজিৰেই মোহনে মনটো ডাঠ কৰি বাকক লকলোৰোৰ কথা খোলোচাকৈ

ক'লে। প্ৰথমে শুনিয়েই মাক নিৰ্বাক হৈ ৰ'ল; তাৰ পিছত তেওঁৰ বেয়া দিনৰ কথা কৈ কৈ চকুৰ পানী বোৱাওঁতে গোটেই ৰাতি পাৰ হ'ল। মাবে মাবে ইয়াকে ক'বলৈ ধৰিলে, "এই সময়ত যদি তাই জীয়াই থাকিলহেঁতেন, তেনেহ'লে তোৰ লগত এইবিলাক টেঁটুত লেলাগিলহেঁতেন; আৰু যদি তোৰ সেই পুৰণা খুজি খোৱাজনী হ'লহেঁতেন তেনেহ'লে আজি তই এইবোৰ কৰিব লাগিলহেঁতেননে? ····· তদুপৰি তোৰ দেউতাৰ গাঁৱত বাজনা বজাই তাইৰ লগ'লহেঁতেননে? ······হে নিষ্ঠুৰ ঈশ্বৰ! মোৰে কৰ্মফল! মোৰ ·······।" মোদনৰ মাজে মাজে মাকৰ ওপৰত খং উঠি আছে, আৰু কেতিয়াবা নিজৰে নিজৰ মনটোৰ ওপৰত ধিক্কাৰ আছে। ৰাতিপুৱাতেকে যেতিয়া মাকে তাৰ কথাৰ উত্তৰ নিদিলে, কথাৰ কোনো আগগুৰিকে চিন্তা নকৰিলে, তেতিয়া সি মাকক নোকোৱাকৈয়ে, কাপোৰ পিন্ধি, সকলোবোৰ পিছৰ কথা পিছত হ'ব বুলি এৰি দি কলচৰ লগত থোজ ল'লে।······

ঘৰে ঘৰে চৰ্চা হ'বলৈ ধৰিলে। মানুহবোৰে কথাত ৰহণ সানিলে। ৰাস্তাত বহি মীৰাৰৰ ল'ৰাই পেৰেমিয়াই পেৰেমিয়াই কথা উলিয়ালে। পিছে বয়সৰ মিচিৰা মানুহে আচল কথাটো বুজিবলৈ চেষ্টা কৰিলে আৰু ইয়াক সংসাৰৰ নিয়ম বুলিলে। পিছে যি হৈ গ'ল তাক এতিয়া কোনে নোহোৱা কৰিব? গোটেইবোৰ ৰাতবুৰ মানুহে নিজেই কৰিছিল আৰু নিজে নিজেই মনে মনে থাকিল।

এদিন সকৰে মুখখন যেনেযেনিয়া কৰি খেতিত কাম কৰি থকা মোদনৰ ওচৰলৈ আহিল। নলাৰ মেড়টোৰ ওপৰত বহি সি ককায়েক সজ্জনৰ নাম লৈ লাহেকৈ ক'লে, "এনেয়ে যি হৈ গ'ল, সকলো ভালেই হ'ল। পিছে সক ককায়ে কৈছে আগতে কথাটো গম পোৱাহেঁতেন ক'ৰবাত নহয় ক'ৰবাত এটা ভাল ব্যৱস্থা কৰিলেহেঁতেন।" কথাটো শুনিয়েই মোদনৰ খং উঠি গ'ল। তাইৰ ক্ৰোধান্বিত হৈ চাই ক'লে, "তই কৈ দিবি গৈ যে মোক ইমান মূৰ্খ বুলি ভাবিব নেলাগে। মই যাব বহুৰ এনেকুৱা ঠাইত কটাই আছিলোঁ য'ত মানুহে যদি যাবদিনো থাকে তেতিয়াও উৰণীয়া সাপ ঠাণ্ডা হৈ যায়। ·· তদুপৰি তইঁতবোৰে মোক ভাবিছ কি বুলি? তইঁতবোৰে মৰিবলৈ ওলোৱা মানুহ এটাকো পানী এটোপা মুখত দিব নোৱাৰ, তেনেস্থলত মোৰ কিটো ভাল কৰি দিবি?"

সকৰে অলপ ভয় খাই গ'ল। কথাটো আহি তাৰ ওপৰতে পৰা দেখি সি কিবোৰত পৰি ক'লে, "নহয় বুজিছ, মই তাক বহুতবাৰ ক'লোঁ যে ভাই, যি হৈ গ'ল সেয়া ঠিকেই হ'ল। পিছে সি মোক জোৰকৈহে পঠিয়াইছে, কৈছিল যে······।"

"মই কিষা সেই পঢ়িওৱাটো আৰু তই অহাটো নেজানো নেকি ?" মোহনৰ আৰু খং উঠিল, "কিটো কথা তই সেই ছাগা 'পটুৱা'ৰপৰা তই যিবোৰ শিকি আছি সেইবোৰ মই আগৰেপৰাই জানো। তইঁতবোৰৰ মনত এইটোৱেই ভাব আছিল যে ছাগাই খুন্দা খাই মৰি যাব আৰু আমি তাৰ মাটিবাৰী সোপাকে লৈ ল'ম। এইটোৱেই নহয় জানো ? পিছে মিছা বদনাম নিদিবি ! সঁচাক সঁচা বুলি ক'বই লাগিব। মই যদি তইঁতৰ একো নহওঁ, তইঁতো মোৰ একো নহয়। মই তইঁতৰ ওচৰলৈ খুজিবলৈ নেযাওঁ।"

সকলো আৰু ভয় খালে। হঠাৎ মোহনৰ কি হ'ল সি ধৰিবকে নোৱাৰিলে। সি ঘৃণি অহাৰপৰা, সকল সাঙুৰি 'তইঁতবোৰ' শব্দটো ব্যৱহাৰ কৰি ইমান টান কথা সি কোৱা নাছিল। সকৰ মনটো বৰ বেয়া লাগি গ'ল।

"তইতো ভাই মোকো লগতে সাঙুৰিছ।" বৰ কোমল মাতেৰে সি ক'লে, "মোক জানো তই নেজান।"

মোহন মনে মনে থাকিল, পিছে কন্তেক পিছতে আকৌ জ্বলকৈ জ্বলি উঠিল··· "তইনো কি অৱতাৰ ওলালিহি, তয়ো তাৰে ভায়েকহে। যেতিয়া গোট সংসাৰখনেই তললৈ মূৰ কৰি মিলি গৈছে তইনো সিইঁতবোৰৰ লগত মিলি কিনো নোহোৱা কাম কৰিছ···পিছে এইবোৰ স্বাভিমানী মানুহৰ কাম নহয় দেই···।"

খঙেৰে সক উঠি গুচি গ'ল। মোহনে একেথৰে তাৰ মুখলৈ চাই থাকিল আৰু পিছত তাৰ পিচফালে গৈ থকা চাই তাৰ ভাব হ'ল যেন প্ৰথম জন্মৰ কিবা এটা ঘটনাহে পুনৰাবৃত্তি কৰা হৈছে। এই কথাটোলৈ তাৰ আগৰেপৰাই এটা অস্পষ্ট ধাৰণা আছিল। এবাৰ এই খেতিৰপৰা সকল সেউজীয়া পাত কাটি আনিবলৈ কওঁতে সি খণ্ডত ভোৰভোৰাইছিল। সেই সময়ত সি দহ-এঘাৰ বছৰীয়ামানহে আছিল। মোহনে খঙতে আহি তাৰ মুখত এক চৰ মাৰি দিলেহি আৰু সি চিঞৰি চিঞৰি কান্দিবলৈ ধৰিলে। সক ল'ৰা, এনেকৈ চিঞৰি কন্দাটো মোহনে চাই থাকিব নোৱাৰিলে। পাঁচোটা আঙুলিৰ সাঁচ গালত বহি গৈছে। তাৰ মনত বেজাৰ লাগি গ'ল। পলাই যোৱা সকক সি মাতি আনিবলৈ যত্ন কৰিছিল ; কিন্তু ভয়তে সকলে আৰু বেগাইহে দৌৰিবলৈ ধৰিলে।

আৰু আজিও মোহনৰ ওচৰৰপৰা তাক সেইদৰেই পলাই গুচি যোৱা যেন লাগিল, পিছে আজি সি তাক মাতও নেমাতিলে আৰু মাতিবৰ মনও নগ'ল। তথাপি মনৰ থোখোৰ-থোখোৰ অৱস্থাটো বাঢ়ি গ'ল। কন্তেক পৰলৈ সি কোৰখনৰ নালটোতে

ভেঁজা দি ৰৈ থাকিল। তাৰ পিছত মনটোৱে অন্ধকাৰে গতি কৰিলে। আকৌ তাৰ ঘৰলৈ মনত পৰিল (আজিকালি তাৰ সদায়েই পৰে)।

পাঁচ-ছয় দিনৰ ভিতৰতে দানীয়ে ঘৰখনৰ ৰেহ-ৰূপ বদলাই পেলালে। ভিতৰে-বাহিৰে লিপি-মুচি ধুনীয়া কৰি পেলালে। ঘৰৰ আটাইবোৰ কানিকাপোৰ পুখুৰীত নি ধুই আনিলেগৈ। চোকা নতুনকৈ সাজিলে আৰু ঘৰখনৰ লাগতিয়াল বস্তুখিনি যতনাবলৈ মন পুতি লাগি গ'ল। আহিয়েই তাই মাকক পালেঙতে বহুৱাই থ'লে। ৰাতিপুৱা-গধূলি পোনতে খাবলৈ মাককেই দিয়ে। ৰাতিপুৱা উঠিয়েই মাকক তৰি চুই সেৱা কৰে। কিন্তু হৰকোৰৰ মন কোনোমতেই কোমল হোৱা নাই। দানীয়ে লগত অনা ল'ৰাটো—যিটোৰ এতিয়াও চাৰি বছৰেই হোৱা নাই—হৰকোৰৰ বাবে বিহ যেন লাগিছিল।

মোদনে সকলো কথাই বুজিছিল। পিছে সি ভাবিছে, যিদৰে দানীয়ে আহি পায়েই ঘৰখন চম্ভালি ল'লে, সেই হিচাপে আৰু কিছুদিনৰ পিছতেই সকলোবোৰ নিজে নিজেই ঠিক হৈ যাব। পিছে পৰহিৰ ঘটনাটো মনত পৰিলেই তাৰ সন্দেহ হ'বলৈ ধৰে। পৰহি ৰাতি শুই শুই দানীৰ হঠাতে কিবা কাৰণত বেজাৰ লাগি গ'ল। গাখীৰৰ বাবে আমনি কৰি থকা বাবে গেলুক তাই চৰ মাৰি দিলে আৰু গালিও পাৰিলে। মোদনে আচৰিত হৈ তাইৰ ফালে চাই থাকিল। আৰু দুবাৰ-তিনিবাৰমান সোধাৰ পাছত উচুপিবলৈ ধৰিলে। কেনেকৈনো আনো, ফুটা কপাল লৈ আহিছোঁ বুলি। মোৰ ওপৰত কোনেও বিশ্বাস নকৰে·· ডেৰ বছৰলৈকে নবৌৱে কথাত ৰহণ সানি গোটেই গাঁওখনতে বদনাম ৰটিলে। ক'বলৈ ধৰিলে—এইটো তাৰ লগত পলাই যাব আৰু শহুৰেকৰ ঘৰলৈ গৈ জেঠায়েকৰ লগত থাকিবলৈ আৰু এতিয়া ইয়াতো তাই কাজিয়া কৰিবলৈ সাজু হৈ আছে। মানুহ বুজিবলৈ দুই-চাৰিদিনতো চাই ল'ব লাগে। পাঁচোটা আঙুলি সমান নহয় নহয়······ভগৱানে মোক বিপদত পেলালে কিনো কৰিম! ইমানখিনি নকৰিলেওতো হয়। ···ৰজা-ৰাণীৰো বেয়া দিন আছে।

তাইক বাৰে বাৰে চকুপানী মোচা দেখি ক্ষন্তেকলৈ মোদনে ভাবিলে—এইবোৰ স্ত্ৰী-চৰিত্ৰ। তিৰোতাৰ চৰিত্ৰ সি দেখা নাই যদিও শুনিছে। কলজুৱেও কতবাৰ সাৱধান কৰি দিছে, "এই জাতিটোক বিশ্বাস নকৰিবি। কোনো সঁজাত নাই, এশ এটা চৰিত্ৰ এদিনতে দেখুৱাব পাৰে।" পিছে দানীৰ সৰল নাক-মুখ, তাইৰ নম্ৰতা আৰু আদৰ-সাদৰ দেখি তাৰ নিজৰ ওপৰতে খং উঠি গ'ল। সি দানীক সান্ত্বনা দি মুহ কৰালে। মাকৰ স্বভাৱৰ বিষয়ে বুজাই দি আন কথাত লাগিল।

দেখি সি আৰু আচৰিত হ'ল যে ল'ৰা-ছোৱালীৰ নিচিনাকৈ বুজাই দিলতে ক্ষন্তেকতে দানীয়ে বুজি পালে আৰু তাই শহুৰেকৰ ঘৰৰ কথা এইদৰে শুনাবলৈ লাগিল যেন গিৰিয়েকৰ ঘৰৰপৰা উভতি অহা ছোৱালীয়ে নিজৰ বান্ধৱীকহে শুনাবলৈ লাগিছে। তাই এইটো কথালৈও একেবাৰে মন নকৰিলে যে তাই কাৰ আগত কেনেকুৱা কথা কৈছে। মোদন থোধোৰ-মোধোৰত পৰিল। মাজ ৰাতিলৈকে তাইৰ বিষয়েই ভাবি থাকিল।

পিছে সি এই আটাইবোৰ চিন্তা শুকান পাত সৰকাই দিয়াৰ দৰে সৰকাই দিলে। এতিয়াও দিনটোৰ বহুত সময় বাকী আছিল, কিন্তু মোদনৰ ভিতৰখন এনেদৰে শুকাই যাবলৈ ধৰিলে যেন তাৰ বৰ ভোক লাগিছে। বাকী থকা কামবোৰ আধা-ভুখৰীয়াকৈ এৰি থৈ সি ঘৰলৈ ঘূৰি আহিল।

মাঘৰ শেহৰ পৰেক। জিলমিলোৱা ৰ'দ। মাৰ যাবলৈ লোৱা বেলিটো সুন্দৰ লাগিছিল। মাঘ মাহ সোমাওঁতেই দিয়া এজাক ভাল বৰষুণৰ কাৰণে ক'ৰবাত ক'ৰবাত গজি উঠা গছ পথাৰৰ মাজে মাজে মূৰ দাঙি উঠিছে। টিলাত থকা বুঢ়া গছজোপা আগতকৈ দুগুণ যেন দেখা গৈছে। সোঁহাতে থকা মানাৰ পথাৰত, দুই-তিনিখন সৰিয়হ ডলিত ইমান পৰিপূৰ্ণকৈ ফুল ওলাইছিল যেন গোটেই পৃথিৱীখনেই হালধীয়া হৈ পৰিছিল। এই ৰঙত, ছাঁ পৰা ঘেঁহু আৰু বুটবোৰ হালধীয়া আৰু সেউজীয়া যেন লাগিছিল। লাহে লাহে বলা বতাহৰ গতিৰ লগে লগে এতিয়া সৰিয়হবোৰ লৰিছিল। তেতিয়া সৰিয়হৰ ৰং আকাশত এনেদৰে মিলি যোৱা যেন লাগিছিল যেন নীলা ৰঙৰ অথাই-সাগৰত সৰিয়হ ফুলৰ হালধীয়া ৰঙৰ নৈ এখনহে বৈ গৈছে……পিছে এই উপমাতো মোদনে কেৱল শুনিছিলহে, সেইকাৰণে সি কল্পনা কৰিবই পৰা নাছিল। সেইকাৰণে সি এইবোৰ উপমা বাদ দি কান্ধত কোৰ আৰু হাতত কাঁচিখন লৈ আহি আহিয়েই ভৰপূৰ পৃথিৱীখনক যেন চকুৰে চুমা খাই আহিল— এই ভাবটোও তাৰ বৰ আচৰিত যেন লাগিল। মনটো আনন্দত নাচি উঠিল।

ক্ষন্তেকলৈ মোদনে উপলব্ধি কৰিলে, জীৱনটো উদ্দেশ্য মোহোৱা বস্তু নহয়। ইয়াক এইদৰে সজীৱ কৰি ৰাখিব লাগে যাতে মানুহ জন্মৰ সফল হয়। সি বহুবাৰ ডকৰাৰত শুনিছিল, "প্ৰাণী, তই ইয়ালৈ কিবা কথা ল'বলৈ আহিছ", আৰু আজি বাৰে বাৰে এইটো কথা মনলৈ আহিছে যেন গোটেইখিনি প্ৰাপ্তি সিয়েই পালে।

সি অতি ধীৰে ধীৰে লয়লাস গতিৰে হিচাপ কৰি কৰি খোজ দিছিল। নিজৰ পথাৰৰ বাতাৰ ধূলিয়ে তাৰ নতুন জোতাৰ তলেদি যেন তলুৱা চুইছে। এই স্পৰ্শই তাৰ গোটেই শৰীৰত তাপ দি যোৱা যেন পালে।

কাপোৰবোৰো পাখিৰ নিচিনা চিলা, ধুলিৰে ভৰা আৰু কোমল। বাৰ বছৰ দিন ধৰি জেলৰ টান পকাৰ ওপৰত পৰি থাকি থাকি শুকান খৰিৰ দৰে হৈ গ'ল, সেইবোৰ হাড়ৰ কাৰণে নতুন কাপোৰৰ পটি আৰু গৰিয়াল দিয়া পপজিনৰ চোলাৰ কোমল স্পৰ্শৰ অনুভৱ ইমান কোমল কোমল আৰু নতুন যেন লাগিছিল যে সিয়েই তাৰ মনত এক নতুন শিহৰণ তুলি দিছিল। পাগুৰিৰ নতুন কলপ আৰু টেঙা দৈৰে ধোৱা চুলিৰপৰা ওলোৱা গোন্ধটো ইমান মধুৰ আছিল যে সেইবাবেই তাৰ গম্ভীৰ উশাহ ল'বলৈ ইচ্ছা হৈছিল। ৰাস্তাৰ কাষ পাই সি আলি থকা পথাৰৰ খেতিৰ ওপৰ ভাগলৈ যাবলৈ ধৰিলে। সেইখিনি পাই যোৱনে কন্তেক পৰ বৈ আকৌ খোজ কাঢ়িবলৈ ধৰিলে। পৃথিৱীখন সবিস্ময়ৰ হালধীয়া ফুপাট্টাৰ লগত সেউজীয়া ধাৰ্‌ৰা পিন্ধি ৰাস্তাত নাচি থকা কোনোবা গাভৰু ভিৰোতা যেন লাগিল। ফোঙা মুখখন বেঁহ বৰণৰ, ক'লা ডাঙৰ ডাঙৰ চকু, দীঘল হাত-ভৰি, দীঘল শৰীৰ। চেহেৰাত উথলি উঠা ভাৱটো যেন জীৱনত ভোগা সকলো 'তিতা-মিঠা' ৰসৰ মিশ্ৰণ হৈ মুখৰপৰা ভৰিলৈকে বিয়পিছে। চুবলৈ মন যোৱা নাই···ধৰ মন হৈছে কেৱল চায়েই শুচি যাবলৈ···

কিযে অদ্ভুত কথা! আজি সেই পৃথিৱীয়েই তাক কেনেকুৱাকৈ ধৰা দিছে। এই খেতিতেই সি দুৰি-পকি জীৱনৰ বিশ-বাইশ বছৰ কটালে। পিছে পৃথিৱীখন কেতিয়াও এইদৰে তিৰোতা যেন লগা নাছিল।······পিছে তাৰ আগত এইটো স্পষ্ট হৈ গ'ল যে পৃথিৱীৰ যি ৰূপ সি কল্পনা কৰিছিল, সেইটো হুবহু দানীৰেই ৰূপ। আৰু এই কথাটো মনত পৰিলতেই কেলৈ ক'ব নোৱাৰোঁ তাৰ মুখেদি এটা হুমুনিয়াহ ওলাই গ'ল।

আগবাঢ়িবৰ সময়ত যোৱনে এখোজ-দুখোজকৈ ভৰি আগবঢ়াই, দৃষ্টি ওপৰলৈ কৰি গাঁৱৰ ফালে চালে। গোটেই গাঁওখনৰ সদায়ে যোহা দেৱালবোৰ খুজি খুজি যেন লাগিল। পুখুৰীৰ পাৰত থকা বুঢ়া বৰগছৰ ঘন ডালৰ ওখ ঠেঙুলিৰ মাজেদি ওলোৱা সূৰুযে সকলো ঘৰৰ মুধচতে ব'দৰ শেহ কিৰণ ছটিয়াইছে। পিছে সূৰ্য্যৰ কিৰণে বগা মাটিৰে যোহা মুধচটোক আৰু চিক্‌মিকাই তুলিছিল আৰু কেঁচা ক'লা মাটিৰে লিপা মুধচবোৰক আৰু অন্য ধৰণে চিক্‌মিকাই তুলিছিল। যোৱনৰ কাৰণে ইও এক নতুন অনুভৱ আছিল। এইদৰে একেটা সূৰ্য্যৰ ব'দতে বেলেগ বেলেগ ধৰণেৰে উজ্জ্বল হৈ পৰা ছাল ইয়াৰ আগতে কেতিয়াও দেখা নাছিল।

পিছে সি এই মুধচৰ কথা বাদ দি নিজৰ ঘৰৰ ফালে চালে। টিলাত থকা বকুলৰ ছাঁ দীঘল হৈ তাৰ ভৰিলৈকে বাঢ়ি আহি আছিল। তাৰ পিছৰ কোঠা কুটীৰ মুধচ বকুলৰ

ছাঁৰ তলেদি আৰু উজলি উঠা দেখা গ'ল···পিছে দুৱাৰ খোলা আছিল। "মানুহ থকা ঘৰৰ দুৱাৰ খোলাই থাকে মোদন!" সি অলপ হাঁহি নিজে নিজেই ডাঙৰ ডাঙৰকৈ ক'লে।

তাৰ লগে লগে তাৰ ঘৰলৈ যোৱাৰ ইচ্ছা আৰু তীব্ৰ হৈ উঠিল। দুৱাৰ মুখ পায়েই সি গোটেই ঘৰটো ভালদৰে চালে। গোটেই বাহিৰ-ভিতৰ পুৰ্ণ পূৰ্ণ যেন লাগিল। চোতালৰ বহিৰ্ত ধুই মেলি থোৱা চাফা কৰা কাপোৰ পাঁচ-সাতটামান শুকাবলৈ মেলি দিছে। পাকঘৰত এতিয়াই ঘঁহি ধুই থোৱা বাচনে চক্‌চকাই আছে। গৌৰনিৱাসীৰ চুলাৰ লগে লগে জ্বলা জুইৰ শিখাৰ কাৰণে বাচনৰ বং তৱাৰ নিচিনা হৈছিল। দুয়োটা কোঠাৰ খোলা দুৱাৰেদি ভিতৰত পৰি থকা সৰু-সুৰা বস্তু আৰু ভুচি-বোৰ 'খোৱা-পিয়া' ঘৰৰ লক্ষণ আছিল, আৰু চোতালত পাৰি থোৱা বিছনাত খেলি থকা গেলু।

পিছে গেলুৰ ফালে চাওঁতেই মোদনে মুৰত এটা খুন্দা খালে। গেলুক নতুন কামিজ পিন্ধা দেখি তাক মোদনৰ নিজৰ অংশীদাৰ যেন লাগিল আৰু যেতিয়া সি মোদনৰ ফালে চাই মিচিকিয়ালে তেতিয়া অন্তৰত সুখী হৈছিল যদিও ছটা মাতেৰে তাক এনেকৈ মাতিলে যেন খংহে কৰিছে, "তোৰ মাৰ ক'ত আছে অই?"

"মা?" ল'ৰাটোৱে গম্ভীৰ হৈ ইফালে-সিফালে চাই ক'লে, "বাহিৰলৈ গৈছে।"

"বাহিৰলৈ ক'লৈ?"

"সেইফালে বকুল গছৰ ফালে।"

মোদনে টিলাৰ বকুলৰ ফালে দৃষ্টিপাত কৰিলে। তাত কাকো নেদেখিলে। ল'ৰাটোৱে আকৌ ভগা-ছিগা বস্তু লৈ নিজৰ খেলত ব্যস্ত হৈ পৰিল।

তাৰ পিছত হঠাৎ মোদনৰ ঘৰখন শূন্য-শূন্য যেন লাগিল। মা কোন ফালে গ'ল? সি আচৰিত হ'ল আৰু আগতকৈও বেছি টান মাতেৰে ল'ৰাটোক সুধিলে, "আৰু মা?"

"ডাঙৰ মা? ···মা···ক'ব নোৱাৰোঁ।" পিছে যেতিয়া পুনৰ বকুলৰ ফালে চালে তেতিয়া হাতত চক্‌চকাই থকা লোটাটো লৈ দানীক অহা দেখা পালে। মনটো উগুল-থুগুল লাগিল। কিন্তু যিমানেই ওচৰ চাপি আহিল, মনটো স্থিৰ হৈ গ'ল। দানীয়ে আহি ঘৰত ভৰিটো থৈছিলহিহে, তেনেতে মোদনে সুধিলে, "মেম চাহাব, কোনফালেনো যোৱা হৈছিল?" "বাচন মাজিবলৈ আৰু কলীয়া মাটি আনিবলৈ।" মিচিকিয়াই বগা বগা চিক্‌চিকীয়া দাঁত দুপাৰি উলিয়াই, আৰু দুপাট্টা ঠিক কৰি দানীয়ে ঠেও ধৰা মাতেৰে ক'লে। তেতিয়াই ঘৰখন ভৰা ভৰা যেন লাগিল।

"এইদৰে ঘৰখন খালী কৰি এৰি থৈ নাযাবি।" সি কাঁচিখন ভিতৰলৈ নি ক'লে।

"মা ঘৰতে আছিল⋯" তাই ওচৰে-পাজৰে চকু দি অলপ শংকাৰে ক'লে। পিছে যাকক নেদেখিলে।

"মা ক'ত আছে, বোপাই ?" দানীয়ে ল'ৰাটোক সুধিলে।

"ক'ব নোৱাৰোঁ।"

"নিহালকৈাৰ খুড়ীৰ ওচৰলৈ গ'ল হ'ব পায়।"

কাঁচিখন ভিতৰত থৈ বাহিৰলৈ ওলাই আহিলত মোহনৰ ল'ৰাটোৰ লগত খেলিবলৈ মন গ'ল। কিন্তু এটাই মাত্ৰ সংকোচে তাক ল'ৰাটোৰ ওচৰলৈ আহিবলৈ নিদিলে। কিমান দিন হ'ল দানীয়ে ল'ৰাটোক তাক "বাবুজী" বুলিবলৈ শিকায়ো দাবি গ'ল; কিন্তু সি সেইবুলি মাতিবলৈ বাজী নহ'ল। এইটো আক আচৰিত কথা। হাঁহি হাঁহি সি খেলিবলৈ বৌৰি গুচি যায়। ল'ৰাটোৰ মনত যে কিবা সংকোচ হৈছিল মোহনৰ ধাৰণা হোৱা নাছিল, বৰঞ্চ ল'ৰাটোৰ মনত কাঁইট থকা যেনহে লাগিছিল। কিন্তু ইমান সক ল'ৰাৰ অন্তৰত এনে "কাঁইট" কিহৰ বাবে ?

"বোপাই গেলু, তোৰ বাবুজীৰ ওচৰলৈ যা।" দানীয়ে চুলাৰ সমুখত বহি পৰিষ্কাৰ চেলোৱাৰ যোৰ জোকাৰি মিচিকিয়াই ক'লে, আক সেইদৰেই হাঁহি থকা চকুৰে মোহনৰ ডবপুৰ চেহেৰাৰ পিনে চাই অন্তৰৰ গোটেই মৰমখিনি চকুৰে পিৰিকিয়াই দিলে। ধৰি লোৱা পবিত্ৰ ভাবৰ মোহ।

ল'ৰাটোৱে মোহনৰ কালে মনে মনে এনেকৈ চাই আছিল যেন কোনোবা অচিনাকিজনক হে চিনিবলৈ চেষ্টা কৰিছে। মোহনে প্ৰথমে তাৰফালে আক তাৰ পিছত দানীৰ চকুৰ ফালে চাই হতভম্ব হৈ গ'ল। সি যেন তেনেই অজ্ঞান হৈহে গ'ল।

পিছে পিছ মুহূৰ্ত্তে ক'ব নোৱাৰোঁ কেনেকৈ তাৰ মনটোৱে সিদ্ধান্ত লৈ পেলালে। সি হাত দুখন মেলি হাঁহি মাৰি দীঘল খেওা এটা মেলিলে আক ল'ৰাটোক সাৱটি লৈ ওপৰলৈ দলি মাৰি আকৌ হাতেৰে ধৰিলে। গেলুৰ ওপৰৰ উশাহ ওপৰতে আক তলৰ উশাহ তলতে ৰৈ গ'ল। কিন্তু তাৰ পিছতে যেতিয়া সি হাতদুখন তললৈ কৰি ল'ৰাটোৰ পেটটো নিজৰ মুখৰ ওপৰত লৈ মুখেৰে 'কুট-কুট' শব্দ কৰিলে তেতিয়া গেলুৱে গোৰ-ধানৰ ফুলৰ দৰে হাঁহিবলৈ ধৰিলে। ল'ৰাটোৱে ইমান ডাঙৰকৈ আক মিঠাকৈ হাঁহিছিল যে মোহনে তাক তিনি-চাৰিবাৰ সেইদৰে আকৌ ওপৰ-তল কৰি লোৱাই তাৰ পেটটো পুনৰ মুখত লৈ কুটকুটাই দিলে।

এই সময়ত মোহনে ৰাণীৰ চকুলৈ চোৱা নাছিল। মাথোন ল'ৰাটোৰ খিলখিলোৱা হাঁহিহে শুনিছিল। তাৰ ক'লা চকুৰ মণিকেইটা উজ্জল হৈ পৰিছিল যেন অন্তৰৰ সমস্ত আনন্দ তাতে প্ৰকাশ পাইছিল। কেনেকৈ অন্তৰৰ সকলো সুখ 'আনন্দৰ অশ্ৰু' হৈ নিজে নিজেই বাহিৰলৈ ওলাই আহিছিল, কেনেকৈ এই অমৃতৰ সোঁতাটো শাওণ মাহৰ বৰষুণৰ পিছত কচুপাতৰ ওপৰত পৰি বৈ যোৱা টোপালৰ দৰে কঁপি আছিল —এইবোৰ কোনটো চকুৱে চাই আছে বাৰু ?

এই জিলমিলনি চাবলৈ মোহনৰ চকুৰ সামৰ্থ্য নাছিল। সেইকাৰণে সি গেলুৰ জগতে খেলোঁতে মাত্ৰ দুবাৰ ভিঙিটো বেঁকা কৰি চকুৰ কোণেদি এইফালে চাইছিল; চিধাকৈ চাব নোৱাৰিলে।

মাক নিহালীৰ ঘৰৰপৰা উভতিলত মোহনৰ উৎসাহ অলপ দমি গ'ল। মাকৰ উদাস চেহেৰা দেখি অৱশ্যে মনটো অলপ বেয়া লাগিল; কিন্তু তাৰ উৎসাহ একেবাৰে নাইকিয়া কৰিব নোৱাৰিলে। কটি দিবলৈ গৈ বিছনাখনৰ ভৰি-পথানত বহি অলপ হাঁহি মাৰি মাকক সুধিলে, "কি হ'ল মা, তোৰ এতিয়াও ঘৰত মন বহা নাই নেকি ?"

"কি কৈছ বোপাই !" মাকে বিমোৰত পৰা মাতেৰে ক'লে, "নাই, মই এনেয়েহে গৈছিলোঁ। গোটেই দিনটো কাম-বন নোহোৱাকৈ বহি থাকি আমনি লাগি যায়। আটাইবোৰ কাম বোৱাৰীয়েই কৰে। মই ভাবিলোঁ—বাহিৰৰপৰা অলপ ফুৰি আহোঁ।"

মোহনৰ ভাব হ'ল যেন মাকে মিছা মাতিছে। কিন্তু সি নিজে মনটোক বুজালে, "তেওঁৰনো মিছা ক'বলৈ কি দৰ্কাৰ ? আৰু তেওঁ ইয়াতকৈনো আৰু কি বেছি সুখ পাব পাৰে !" কিন্তু মাকৰ আৰু তাৰ নিজৰ কথাৰ গম্ভীৰতাখিনি ঢাকি খেমেলীয়া সুৰত সি মাকক ক'লে, "আজিলৈকে সংসাৰৰ ক'ৰবাত কোনোবা শাহুৱেকে বোৱাৰীয়েকৰ কাম-কাজত সন্তুষ্ট হৈছে, এনে কথা শুনা নাই। এতিয়া অৱশ্যে তোমালোকৰ কথা ক'ব নোৱাৰোঁ।"

"নহয় বোপাই, মই সেই বাৰুণিণী কেইজনীৰ জগত বহুত দিন কটালোঁ। এই বেচেৰীয়েতো মোক সুখেৰেই ৰাখিছে।"

মাকৰ মুখত "বেচেৰী" কথাষাৰ শুনি মোহন আচৰিত হ'ল আৰু ৰাণীৰ চেহেৰাটো একেবাৰেই অপৰিচিত যেন লাগি গ'ল। পিছে তাৰ এই অলীক কল্পনাত তাৰ নিজৰে হাঁহি উঠি গ'ল। আৰু বেজিয়া খাবৰ সময়তো মাকে দুইজনী নক বোৱাৰীয়েকৰ বদনাম আৰু ন-কৈ অনাজনীৰ প্ৰশংসা গালে তেতিয়া মোহনৰ সন্দেহ দূৰ হ'ল যে

মাকে মিছা কোৱা নাই।

"বাক, তই জানো গম পোৱা নাই, মোহনা? ইমান দিন হৈ গ'ল। লাজ ৰক্ষা কৰিবলৈ যি পইচা ছুটামান দি গ'ল তাৰ পিছত ছুৱোৱালীৰ কোনোবা এজনীয়ে আহি মুখ দেখুৱাইছেনে? কি কাৰণে...... ! এনেকুৱা ৰৰমানুহৰ জীয়েকৰ নাকৰ তলেদি কোননো আহিব? কি জানো সিহঁতে নিজকে নিজে কি বুলি ভাবে! এতিয়া চাচোন, সকলোনীকো এইকালে মুখ কৰিবলৈ নিদিয়ে। ক'ব নোৱাৰোঁ তাই সৰু-জনীৰ মুৰত কি বিহ ঢালিলে। সকলনী এতিয়াও অলপ ভাল... ...আচলতে বিষাম কাজিয়া লাগিছে আটাইবোৰ ডাঙৰজনীয়েহে লগাইছে। তইনো কোনটো কথা ক'ব নোৱাৰ? ক'ব নোৱাৰোঁ, কি কুলক্ষণীয়া সময়ত এই ছাইনীজনী আহি চোতালত ভৰি দিছিলহি। মোৰ হীৰাৰ নিচিনা ল'ৰাটোকো নষ্ট কৰিলে।"

আৰু তাৰ পিছত মাকৰ চকু চুলচুলীয়া হৈ পৰিল। মোহনে প্ৰথমে মনে মনে আনন্দিত হৈছিল, কিন্তু পিছ মুহূৰ্ততে মনটো গধুৰ হৈ পৰিল। অলপ সময়ৰ আগতে খেতি পথাৰত সকৰ লগত পতা কথাবোৰ মনত পৰিল আৰু তাৰ ওপৰত দয়া উপজিল। পিছে সজনৰ চেহেৰাটো চকুৰ আগত ভাহি উঠাৰ লগে লগে আকৌ খংটো উঠি আহিল। তেতিয়াই সি উঠি গৈ চোতাল পালেগৈ। প্ৰথমে বাহিৰৰ দুৱাৰখনৰ ফালে এনেকৈ গ'ল যেন ভিতৰৰ কোঠাটোহে বাৰ খুজিছে। কিন্তু গোহালিটোৰ ওচৰ পালত কোনেৰে গোবৰ গুচাবলৈ ধৰিলেগৈ।

সেইদিনাখন মোহনে ৰানীক মাকৰ ঘৰৰ বিষয়ে, আপোন পৰিজনৰ সম্বন্ধে বিমান-বোৰ কথা সুধিলে, ইমানবোৰ কথা আগতে কেতিয়াও সোধা নাছিল। আৰু ৰানীয়েও যেতিয়া ক'বলৈ আৰম্ভ কৰিলে, তাইৰ মাকৰ ঘৰৰ বিষয়ে প্ৰথমৰ সহৰেকৰ ঘৰৰ বিষয়েও একো লুকাই নাৰাখিলে। কিন্তু সি এটা কথাত আচৰিত হ'ল যে ৰানীয়ে গেলুৰ বাপেকৰ বিষয়ে একো নক'লে। কথা পাতি থাকোঁতে সেই বিষয়ে উলিয়ালে। তাই কথাৰ ধাৰ সলাই দিয়ে আৰু সেই মুহূৰ্তত ৰানীৰ সলনি হোৱা মাতটো সি বুজিব পাৰে। শেষত যেতিয়া তাৰ মনত কথাটোৰ বিষয়ে সন্দেহ হ'ল সি চিধা সুধি পেলালে।

"তই তাৰ বিষয়ে খুজি নকৰ কেলৈ? যেচেৰা সি এতিয়া দি মোৰ অংশীদাৰ হ'ব নেকি?"

ৰানী মৌন হৈ ৰ'ল। তাইৰ চকুপানী বৈ অহা দেখিলে মোহনে। তাৰ পিছত মনটো শাসন কৰি যেবৰ ফালে মুখ কৰি বৰ কষ্টেৰে সৰু মাতেৰে তাই ক'লে,

"এতিয়া আৰু চিন্তাত উটি মই কিটো পাম ? কি লাভ অযথা চিন্তা কৰি ?"

মোদনৰ মনত অসন্তুষ্টিৰ খং বাঢ়ি গৈছিল। সন্দেহ পূৰা হ'ল। সি অলপ খঙাল সুৰেৰে ক'লে, "মইনো তাৰপৰা কি লাড়ুটো খাব লগা আছে ? ক'ব খোজা নাই যদি নক'বি।"

সন্ত্ৰস্ত মনেৰে দানীয়ে গেলুক ভালকৈ শুৱাই থোৱাৰ অজুহাত দেখুৱাই উঠি আকৌ বহিল। তাই আচল কথাটো বুজি পাই কন্তেক পৰ নীৰৱে থাকি নিজৰ মনৰ ভাব দমাই ৰাখি হাঁহি মাৰি ক'লে, "হেচে আৰু, তুমি সক ল'বাৰ দৰে মিছাতে মুখ ওকোন্দাইছা। ক'ব লগা থাকিলেহে, ক'ম। মইনো কথা লুকাই কিটো কৰিম ? আৰু লুকাবলৈ বা আছে কিটো—ৰাখিমেই বা কিমান দিন ? ইয়াত ফাকি-ফুকা দি দিন নিয়াব পাৰি নেকি ? এইদৰে কিবা কথা লুকাই থাকে জানো ? ···আমিনো এতিয়া আৰু এইবোৰ কথা পাতি কি লাভ ?···"

মোদনৰ মনটো ভাল লাগি'ছিল যদিও সন্দেহ দূৰ হোৱা নাছিল। দানীয়ে যেন আকৌ তাক 'ছলনা' কৰিছে।

এই ৰাতিটোও প্ৰথম ৰাতিৰ দৰে 'অন্ধকাৰ' হৈয়েই গ'ল। আবেলিৰ সকলো কল্পনা শেষ হৈ গ'ল। দানীয়েও বেৰৰ ফালে মুখ কৰি পৰি থাকিল। মিঠাতেলৰ চাকিটো আধাৰাতিলৈকে জ্বলি থাকিল। সিইত দুয়োটাৰ, কোনো এটায়ে উঠি গৈ নুমুৱালে। তেল শেষ হ'লত নিজে নিজে নুমাই থাকিল।

ৰাতিপুৱা মোদনে খৰ-খৰকৈ উঠি দেখে যে দানীয়ে গোবৰ-জাবৰ শুচাই সকলো কাম কৰি আঁতাইছে। পৰিষ্কাৰকৈ সাৰি-মুচি থোৱা চোতালত ৰ'দত পাৰি থোৱা খাটিয়াখনত বহি সি চিক্‌চিকীয়া চাহৰ গিলাচটো মুখলৈ নিওঁতে যেতিয়া দানীৰ গা-পা ধুই পৰিষ্কাৰ হৈ অহা চেহেৰাটোৰ ফালে চালে, তেতিয়া পাৰ হৈ যোৱা ৰাতিটো তেনেকৈ 'অন্ধকাৰ' কৰি পাৰ কৰি দিয়াৰ কাৰণে বৰ আক্ষেপ হ'ল। সি নিজৰ মনটোকে বুজনি দি ভাবিলে, "ধেৎ, মঙ্গল যেনেকুৱাই নহওক, মোক কেলৈ ?"

দানীয়ে মোদনৰ সলনি হোৱা চেহেৰাটো দেখি সবিস্ময়ৰ নতুন ফুলৰ দৰে হালি-জালি ঘূৰি ফুৰিছে। তাইৰ গাত ফুৰ্তি দেখি মোদনৰ সকলো সন্দেহ মাৰ গ'ল। সি ভাবিলে—উজাৰ, খোৱা ঘৰখন ঠন ধৰি তোলাৰ কাৰণেই দানীৰ সকলো আসোঁৱাহকে ক্ষমা কৰি দিব পাৰি। যি কোনো উপায়েৰে নহওক, দানীৰ মনৰপৰা তাৰে থকা ভয়ৰ ভাবটো সি আঁতৰাবলৈ চেষ্টা কৰিলে। এই ভয়ৰ প্ৰতিচ্ছবি দানীৰ মুখত সি বহুবাৰ দেখিছে। সেই ভয়ৰ সময়ত দানীৰ উজ্জ্বল চকুৰ আশে-পাশে

আৰু ভিতৰখন উদাসীনতাই আৱৰি থকা দেখিবলৈ পাইছিল আৰু এই উদাসীনতাই তাইৰ সৌন্দৰ্য্যত কালিমা সানিছিল। তাইৰ এই উদাসীনতাই তাৰ মনত বৰ দুখ দিছিল আৰু তাৰ লগে লগে তাৰ নিজকে বৰ দোষী-দোষী লাগিছিল। মুখমণ্ডলত সৰ্প-দংশনৰ বিষ অনুভূত হৈছিল। তাৰ এনেহেন লাগিছিল যেন তাৰ ভিতৰখন কিহবাই বান্ধি থৈছে—সেই বান্ধ খোলাও নেযায়, লৰচৰো নকৰে। সি এই সকলোবোৰৰপৰা নিজকে মুক্ত কৰিবলৈ বিচাৰিছিল।

গাঁৱৰ মানুহবোৰে বহুতো কাল্পনিক কথা সাজি কৈ ফুৰিছিল। এইটো কথাও ক'বলৈ আৰম্ভ কৰিছিল যে মোহন আৰু কলজুৱে উৰৈহতীয়া তিৰোতা লৈ আহিছে। কলজুৱে পইচা দিলে আৰু মোহনে ঘৰ পাতিলে। —এইটো কি কথা? কোনেও একো উত্তৰ দিব পৰা নাছিল। কিছুমানে কথাটোত হাঁহিৰ ৰহণ দিছিল। কিছুমানে সন্দেহ কৰিছিল আৰু কিছুমানে সঁচা বুলিয়েই লৈছিল। কিন্তু এইটো কথা এতিয়ালৈকে কলজু আৰু মোহন কোনেও জনা নাছিল। কোৱা আৰু শুনা মানুহবোৰেও মনে মনে ভয় খাইছিল। কিন্তু এবাৰ মুখৰপৰা ওলোৱা কথা ঘূৰাই থ'ব পাৰি জানো? সময়ত কথাৰ বেহ-ৰূপ সলনি হৈ হৈ সিহঁতৰ কাণত পৰিলগৈ।

"মই এই ছালাইতক গৰম চুলাত পুৰি নেখাওঁ যদি! ···কোনোৱা আগলৈ আহচোন!" কলজুৱে গোহালিৰ তলৰ ঠাইখন চাফা কৰি কৰি নিজে নিজে চকু ৰঙা কৰি ক'বলৈ ধৰিলে। "কুকুৰৰ জাতে বাহিৰত ভুকভুকাই ফুৰে। যদি কাৰোবাৰ দম আছে তেন্তে জোৱাঁয়েৰৰ ওচৰলৈ আহইকচোন। দেখা নাই জানো—চন্দ্ৰ-সূৰ্য্যতো কলঙ্ক দিয়া নাই? যিবোৰ মানুহে ষোলকলা পূৰ্ণ ভগৱান ৰামৰ চৰিত্ৰতো চেকা সানিব পাৰে সিহঁতে কি কৰিব নোৱাৰে? কুকুৰধূলি বুলি এটয়ো ক'বলৈ সাহ কৰে··· চাচোন! ফেৰৌ, আজিকালি কাৰনো মুখত সোপা দিবি? হুঁ, তেতিয়াহে গম পাবি, তেতিয়াহে মতা মানুহৰ প্ৰমাণ পাবি। যেতিয়া কোনোবা মতা আহি মোৰ সন্মুখত হাজিৰ হৈ ক'বহি পাৰে, কওকহিচোন বাৰু! তাক যদি মোহাৰি চেপেটা কৰি নিদিওঁ! মাৰি চেপেটা কৰাই নহয়, সাতপুৰুষলৈকে ধ্বংস কৰি দিম। যদি সাহস আছে চেলাৰ নেজত হাত দি চাচোন।"

কলজুৱে মনৰ সকলো খং ইয়াতে শেষ কৰি জ'ৰ খুজিলে। তথাপি মনটো পাতল নেলাগিল। আবেলিৰ সময়ত মোহনৰ ঘৰলৈ গৈ, একো কথা নোকোৱাকৈয়ে, এনেয়ে ইফালে-সিফালে ঘূৰি-পকি মানুহবোৰক গালি পাৰিবলৈ ধৰিলে। মোহনৰ কাণতো অলপ-অচৰপ পৰিছিল; পিছে সি উত্তা হৈ কথা বঢ়াবলৈ নিবিচাৰিলে। পিছে

যিমানে কলডুৱে কথা কৈ গৈছিল, মোহনৰ খং সিমানে বাঢ়ি গৈছিল। অৱশেষত যেতিয়া সি অতিষ্ঠ হৈছিল, তেতিয়া সি ভেকাহি মাৰি ক'লে, "বাদদে বন্ধু, কেলৈ খিচিৰিৰ নিচিনা এনেকৈ উতলিছ? যেতিয়াই কোনোবাই আহি চিপা মুখত মাৰিব তেতিয়া চাম।"

"হেৰৌ, ময়ো এইটো কথাৰ কাৰণেই কান্দি মৰিছোঁ।" কলডুৱ খং আৰু চৰিহে গ'ল। আহকচোন কোনোবা আগলৈ, কান্দিব লাগিছে কেলৈ? কাকো এৰিবলৈ নাই।"

অলপেক মোহনে মনে মনে থাকি কথাৰ সুৰ বদলাই ক'লে, "ক'ৰবাত পুৰণা গৰু-গাড়ী আছে নেকি খবৰ কৰিবিচোন।"

"গৰুৰ গাড়ী?" কলডুৱে আচৰিত হৈ তাৰফালে ঘূৰি চাই ক'লে, "কি হ'ল, গৰু-গাড়ী মুখত মাৰিবি নেকি? তই কি আঁহকলা কথা কৈছ, মোহন? বোলোঁ ভাল মানুহ, মই হ'বলা মোৰ গৰু গাড়ীবোৰৰ কথা কৈছোঁ বুলি ভাবিছ? মোৰতো চাৰি যোৰ মান শস্ত ওলাব। পিচত আনিম। আগতে তোৰখিনি উঠাই ল'ম। আৰু কিবা ক'বলৈ আছে নেকি? যা যা সখি—তই কেনেকুৱা কথাবোৰ কৈছ।"

মুখখন ক'লা কৰি বাহিৰ-ভিতৰ কৰি ফুৰা ৰানীক দেখি মনে মনে কলডুৱে ভাল নেপালে। ৰানীয়ে চুটিকৈ ওৰণি লৈ আছিল। তাৰ কথা শুনি ৰানীৰ চেহেৰা বাৰে বাৰে সলনি হৈছিল। ইয়াৰবাবা কলডুৰ মনটো অলপ চেচাঁ পৰা যেন লাগিল। আৰু যেতিয়া ৰানীয়ে তাইৰ হৰিণীৰ নিচিনা চকুকেইটা তাৰ ফালে ঘূৰালে তেতিয়া কলডুৰ শৰীৰটো যেন নিস্প্ৰাণ হৈ গ'ল।

...একোৰত মানুহে সেইবোৰ কথাবোৰ সঁচা যেনেই লাগিল। সি সঁচাকৈয়ে "বেইমান"। কিন্তু এনে সময়তে পিৰপিৰাই থকা হাতখনেৰে গালখন মোহাৰি সি খঙেৰে বেৰৰ ফালে মুখ কৰি থু পেলাই দিলে আৰু ক'ব নোৱাৰোঁ, অকাই-পকাই ক'ব কথা আনি ক'ত লগালেহি। অলপ খঙাল মাতেৰে ক'লে, "মানুহৰ ছাল। অলপতো ন্যায়-ধৰ্ম থাকিব লাগে। অলপতো দয়া-মায়াও হ'ব লাগে। যদি ঠায়ে ঠায়ে মানুহে এইদৰে কজিয়া লগায়েই ফুৰে তেনেহ'লে সেই মানুহবোৰ মানুহ হ'লনে? হয় নে নহয়? এই নীলা আকাশৰ তলত সকলোৰে কাৰণে ঠাই আছে। যি বিনাই মানুহৰ ধৰ্ম-সভ্যতা জয় পাব সেইদিনাই পৃথিৱীত প্ৰলয় নহ'ব জানো? তাৰ পিছত কিটো আৰু থাকিব?"

সি যিমান বেছিকৈকে কথাবোৰ কৈ থাকিল কলডুৱে সিমান বেছিকৈকে মুখকে

দুতুলিলে। বুঢ়া মানুহৰ বিচিনাকৈ মোহনৰ লগত মুৰ লৰাই 'হুঁ হাঁ' কৰি গম্ভীৰ পৰামৰ্শ দিলে। বাকৰ সময়ত খুৰীয়েক হৰকোৰক মুৰ দোঁৱাই তাল-বেয়া লোখেঁতেই বাহিৰৰপৰা গৈলু আছিল। তাক মৰম কৰাৰ সময়ত এবাৰ পিছলৈ চাবৰ মন গৈছিল। পিছে মনটো টান কৰি, পিঠি ঘূৰালে আৰু ছুৱাৰ মুখৰ কালে আগবাঢ়িল।

"কটি হৈ আছে, খাই যাওক।" খানীয়ে পিছফালৰপৰা মাত লগালে।

তাৰ গোটেই শৰীৰটো যেন কঁপি উঠিল; শক্তি যেন নাইকিয়া হৈ গ'ল। আগলৈ ভৰি দাঙিব নোৱাৰিলে; পিছলৈও ঘূৰি চাব নোৱাৰিলে। উত্তৰটিও নাহিল। "খাই নেলাগে। ধন্যবাদ। বৰত ল'ৰাটোৱে কটি কৰি বৈ আছে চাগৈ", বুলি কৈয়েই খৰখৰকৈ বাহিৰলৈ ওলাই গ'ল। মোহনে দুৱাৰ মুখলৈ ওলাই আহি তাক আনিবলৈ চেষ্টা কৰিলে, কিন্তু সি কমলছুৱে এনেকুৱা জেদ ধৰিলে যে মোহনৰ কথা নৰখিল।

সেই ৰাতি নিজল্লাল কোঠাটোত সি বিছনাত বাগৰ দি ভৰি মেলি জেতেৰা জেপখন লৈ পৰি থাকিল। আধা ৰাতি শেষ হোৱাৰ আগতেই তাৰ তিনিবাৰ ভ্ৰম হ'ল, যেন কোনোবাই শিকলি খটখটাইছে। পাত কাপোৰ নোজোৱাকৈয়ে, খুদা পাৰে দুৱাৰ মুখলৈ গৈ 'কোন-কোন' বুলি সুধি পাজি দি আছিল। কিমানবাৰ যে এনেকৈ মনটো বেয়া লাগি চকুৰ পানী বন্ধ কৰিবলৈ চেষ্টা কৰা সত্ত্বেও চকুপানী বৰলৈ ধৰিলে! কিন্তু কুকুৰাই ডাক দিয়াৰ লগে লগে খং উঠি গ'ল। ওচৰত শুই থকা ল'ৰাটোৰ কথা চিন্তা নকৰাকৈয়ে সি উঠি বহিল আৰু জেপখন লৈ কোঁচ খাই, অস্পষ্ট মাতেৰে কিবাকিবিবোৰ বকিবলৈ ধৰিলে। "খেচ্চৰ ক'ৰবাৰ···হতশ্ৰী হোৱা ক'ৰবাৰ···। মোৰো কপাল, এই বয়সত বদনাম পাব লগা হ'ল। তোৰ লাজ নেলাগিল? বহিছে ইমান অবিশ্বাসেই আছিল তেনেহ'লে কোন বাপেৰেনো ক'লে যে তাৰ বাবেই ডহেজাৰকৈ টকা পানীত পেলালি। নিজেই লৈ আহিলোঁ···হয়, লৈ আহিলোঁ। কোনোবা বাপেৰে মানা কৰিছিলনে? কোনোবাই আপত্তি কৰিছিলনে? সংসাৰখন ঘূৰি ফুৰিছ, কোনোবাই জানো তোৰ হাতত ধৰিছিল? ·· চাই ল, ওচৰতেই অজকোৰৰ আত্মা ঘূৰি ফুৰিছে···। হাঁ, আৰু যদি সিয়েই মমৰ ভিতৰত বহি আছে তেতিয়াও···। পিছে কি হ'ল?···পিছে এনেকৈ পৰি আছ কিয়? নিজে মৰিছ কিয়? সাহসেৰে দিয় যে।···হাঁ···যদি কথা হয়···ইয়ালৈ আৰু বীৰ, সাহসেৰে আহ···জ্ঞানী হ, বুদ্ধিমান হ, মানুহ হ!"

কমলছুৱে চকুকেইটা মোহাৰিলে আৰু সেপৰ তলত ভৰি মেলি একেবাৰে চিৎ হৈ শুলে। মনটো শান্ত হোৱা যেন লাগিল। বহুত দেখিছেকে সি নিজকে নিজেই

সান্ত্বনা দিলে। বুকু ডাঠ কৰি ভোৰভোৰালে। তাৰ পাছত টোপনিৰ নিচা বাঢ়িল।

"কি হ'ল বাপু ?" তাৰ ভোৰভোৰণি শুনি ল'ৰাটোৱে হুৰমুৰাই উঠি বহিল।

"একো নহয় বোপাই, একো নহয়!" টোপনিৰ নিচা আঁতৰিলত সি শান্তভাৱে ক'লে, "মই এনেয়েহে, একো নাই, শুই থাক।"

"বেলি ওলাল নেকি ?" "ক'ত বোপাই এতিয়াও বহুত দেৰি আছে। শুই থাক।"

কলডুৰ কথাৰ মোহে যেন ল'ৰাটোৰ লগে লগেই তাৰ নিজৰো মনটো স্থিৰ কৰি পেলালে। আৰু ক্ষন্তেক পিছতে তাৰ টোপনি আহিল। পিছে সেইদিনাৰপৰা ক'ব নোৱাৰোঁ কিয় তাৰ মনত যি গাঁঠি লাগিল এতিয়া খোল নেখোৱাই হ'ল আৰু খোলাৰ আশাও নেদেখা হ'ল। কিন্তু যেতিয়া সেইটোকে তাৰ দুৰ্বলতা যেন লাগিল তেতিয়া থং উঠি গ'ল আৰু সেইদৰেই মাজ ৰাতিখন উঠি উঠি কিবা-কিবি বলকিবলৈ লাগিল। তাৰ ভাব হ'ল—আজৰি সময় বেছিকৈ থকাৰ বাবেই তাৰ মনটোৱে শাসন নমনা হৈছে। সম্ভৱ এই কাৰণেই সি খেতিৰ শস্যৰ আগমনলৈ যিমান আগ্ৰহেৰে বাট চাইছিল ইয়াৰ আগতে সি এনেকৈ কেতিয়াও চোৱা নাছিল। কিন্তু তাৰ যিমানে অস্থিৰতা বাঢ়িল সিমানে সময়ো ধীৰে ধীৰেহে পাৰ হ'বলৈ ধৰিলে, দীঘল দিনবোৰ আৰু দীঘল হৈ গ'ল।

ৰাতিবোৰো যেছিহে দীঘল আৰু নিস্তব্ধ হৈ পৰিল। শেষত ফচল কটাৰ দিনো আহিল। মানুহবোৰে সৰিয়হ কাটি ভঁৰালত থ'লেগৈ। বুট-মাহ উঠোৱা আৰম্ভ হ'ল। কলডুৰ আঢৈ-ভিনি বিঘামান মাটিত বুটৰ খেতি আছিল। বুটবোৰ যেতিয়া পকা দেখিলে, তেতিয়া তাৰ মনটো ফুলৰ দৰে হাঁহি উঠিল। সি আগতে মোদনৰ খেতি চপাব খুজিলে, কিন্তু টিউব-ৱেলৰ পানী সিঁচি খেতি কৰা বাবদ পথাৰৰপৰা শস্য উঠোৱালৈ দেৰি আছিল। সেইকাৰণে দুয়োটাই আলোচনা কৰি প্ৰথমে কলডুৰ বুট কাটিয়েই আধা দিন লগালে। সিইঁত দুয়োটাই ইমান বেগেৰে ভূতৰ দৰে কাম কৰিছিল যে দেখি লোটেই গাঁৱেই আচৰিত হৈ গ'ল।

...এই কথাটোৱেই উৰি উৰি কেউপিনে ধুমুহাৰ কঁপনি তুলি দিলে। কিছুমানে আকৌ তিলকে তাল কৰি নানান কথা সাজি উলিয়ালে।

খেতি চপোৱাৰ পিছত দুয়োজনে পাল পাতি কলডুৰ গৰুগাড়ীত শস্য ভৰাই ভৰাই হাটলৈ লৈ গ'ল। প্ৰথমে মোদনে কলডুক দশ টকা দি ক'লে, "ল, এতিয়া বৰুকত মোৰা মাটিখিনি মোকলাই আন। যদি কিবা সুতো লাগিছে তাকো দি দিবি। বাকীখিনি যেতিয়াই পাব তেতিয়া, নহ'লে পিছৰ খেতিৰ সময়ত...।"

কিন্তু টকাৰ কালে চাই কলচুৰ থং উঠি গ'ল। অলপ থঙেৰে ক'লে, "ভাই সিংহা, এয়া কলচু! এতিয়াও কলচু জীয়াই আছে। তই মোক কি বুলি ভাবিছ? চুপচাপ ঘেপত ভৰাই থ!" আৰু তাৰ পিছত কন্তেক মনে মনে থাকি কথাৰ ধাৰ সলনি কৰি ক'লে, "এই পইচাৰে এইবাৰ হাটৰপৰা এটা নগোৰী (এগৰীয়া) গৰু আনিম, আৰু তাৰ লগত থুৱিম মোৰ সৰু পোৱালিটো। তইতো জানই সি একেবাৰে অকলে আছে। যেতিয়া তোৰ ভাত কামত নহা হ'ব, তেতিয়া মোৰটোৰ লৈতে তেনেকৈয়েই থুৱাই দিবি, শুনিছ! ...শুনিছনে!"

মোহনে শুনিলে যদিও তাৰ মনটো সুখী নহ'ল। সি সংসাৰৰ চৰ্চাৰ বিষয় হ'বলৈ নিবিচাৰে। আৰু এতিয়া তাৰ ঘৰখন পাতিলে যেতিয়া সি কেনৈ কলচুৰ ওপৰত বোজা হৈ থাকিব? কিন্তু কলচুৰ কথা অগ্ৰাহ্য কৰাটোও সহজ নহয়। কেৱল সেইটো ভাবিয়েই মোহন মনে মনে থাকিল।

পিছে এদিন মোহনে বহি বহি কিবা কথা কৈ থাকোঁতে কলচুৱে তাক এনেকুৱা কিছুমান গোপন কথা ক'লে যিবোৰ এতিয়ালৈকে মোহনে সপোনতো ভবা নাছিল।

"বাকী চৰেই দোকানত শস্ত দি, লেন-দেন শেষ কৰি নঙঠা হৈ বহি আছে, কিন্তু আমি দুটাইহে এতিয়ালৈকে এটাও গুটি বেচা নাই। মীৰাৰেও বেচা নাই। সমৰ্থ আছে নহয়! এতিয়া দাম বঢ়াই বহি আছে। সজ্জন আৰু সকৰ এইবাৰ পাঁচ-ছয় 'যোগ হৈছিল। আৰু শুনিছোঁ আঢ়ৈ-তিনি হাজাৰ যোগ সেই ছাপা ঘণেৰ তাত হৈছে। দুখন ট্ৰলী ভৰাই বেচিও আহিল, কিন্তু... ।"

"সঁচা, তোক আৰু এটা কথা কওঁ...এইবাৰ শুনিছোঁ সজ্জন আৰু সকও বেলেগ হ'বলৈ ওলাইছে। অৱশ্যে সঠিককৈ ক'ব নোৱাৰোঁ, কিন্তু শুনিছোঁ কাজিয়া হৈছে ঘণেৰ ল'ৰাৰ লগত অংশীদাৰ হৈ সজ্জনে নতুন টিউব-ৱেল বহুৱাৰ খোজাৰ কাৰণে। মানুহে কৈছে যে দুয়োৰৰে মিলি ল'ব। ...তাৰ লগত ট্ৰেক্‌টৰৰ অংশীদাৰ হ'বলৈও সজ্জনৰ ইচ্ছা।"

"তই ক'ৰপৰা গম পালি?" মোহনে আচৰিত আৰু হতভম্ব হৈ সুধিলে।

"ভগৱানৰ ইচ্ছা, খবৰ লোৱাৰ গুচৰত খবৰ ক'ত লুকাই থাকে? কয়েই নহয়—

"হে মানিনী!

প্ৰেম, সুগন্ধ আৰু পাপ লুকাই থ'ব নোৱাৰি।"

"এই পগলা, এয়া কিবা শুড় পেৰা কাম নেকি? সজ্জন আৰু ঘণেৰ ল'ৰা দুয়োটাই নিজে নিজে বৰ জনাটো হৈ সুৰে, কিন্তু সংসাৰখনত এনেকুৱা বুদ্ধিমান মানুহো চলি

ফুৰে যি পাতালৰপৰাও কথা উলিয়াই আনিব পাৰে, বুজিছ। এইটো কথা আনকি মৰৰ বোলেইও জানে—এনেও সি একেবাৰে ঘাগু, দুনিয়াত নজনা কথা নাই। আছে নে ক'ৰবাত?"

এইখিনি কথাৰ অৰ্থ হ'ল এইটোৱেই যে মোদন মখৰৰপৰাও আঁতৰি যোৱা কথাটো বতাহত যে এফালেদি উৰি গৈছে সি ভাবিবকে পৰা নাছিল।

মোদনে ভাবিলে সি যেন গাঁৱলৈ উভতি অহাৰ পিছত এতিয়ালৈকে গৰালৰ অন্তৰ নিচিনাকৈ, সংসাৰৰপৰা আঁতৰত আছে। সঁচাকৈয়ে সি গাঁৱৰ খবৰ একো নাজানে। কাৰোবাৰ ঘৰত বিয়া-সবাহ হয়, মৰা-জীয়া হয়, সি কেতিয়াও কাৰো ঘৰলৈ গৈ থিয় হোৱাগৈ নাই; মাক গৈ আছে, কিন্তু সি মাকৰ লগত বহি আগৰ দৰে কথা নাপাতে। কলচুৰে কিবা সৰুসুৰা কথা কালেও সি সেইবোৰলৈ একো আগ্ৰহ নেদেখুৱায় আৰু যিদিনাৰেপৰা দানী আহিল, তেতিয়াৰেপৰাতো সি যেন একেবাৰে নিজক লৈয়ে ব্যস্ত হ'ল। ঘৰৰপৰা খেতি, খেতিৰপৰা ঘৰ আৰু কলচুৰ ঘৰ। ইয়াৰ বাহিৰে কোনো চতুৰ্থ ঠাইলৈ নেযায়। সেইকাৰণে অজ্ঞাতে আজি তাৰ নিজকে মৰা মানুহ যেন লাগিল। জীৱিত মানুহে কিবা এইদৰে একোণত বহি দিন কটায়নে? ……"কিন্তু ল'ৰাটো পালেৰহে", সি এইদৰে অকলশৰীয়া টিলাটোত আহি ঘৰ সাজি এইদৰে 'দিন কটাবলৈ' আহিছে। ……আৰু সি ভাবিলে, বাপেকে যি গৰুগাড়ীত বহি বহিয়েই, ভাগৰ লাগি শুই গৈছিল, আকৌ উঠি সেই ঠাইতে ডাঙৰ ল'ৰাটোক বহুৱাই গ'ল আৰু গৰুগাড়ীখন সেই লীকতেই হেলেক-পেলেককৈ চলি থাকিল।

"তইতো অমাবুজা মানুহ, ককাক-বাপেকৰ দিনৰ সন্মানৰ কথা চিন্তা কৰি থাকিলেনো কি লাভ?" কলচুৰে অলপ হাঁহি কথাটো ধেমালিৰ সুৰত লৈ গ'ল। "এতিয়া ক'ৰবাত নহয় ক'ৰবাত লীক কাটিব লগা হোৱা নাই জানো? আমাৰ নিচিনা-বোৰেতো ককা-দেউতাৰ সন্মান ৰখাই সেই লীকতে চলি যাব বুলিতো ঠিক হোৱা নাই। চাচোন, ডাঙৰ মানুহৰ লগত লগ হৈ আমাৰ সজ্জন সিঙে গোটেই গাঁওখনৰ ভিতৰতে ভাল মাটিটুকুৰা নিজৰ নামত লিখাই ল'লে—একেবাৰে ক'লা চিয়াঁহীৰ নিচিনা মাটি, একেবাৰে ম'হৰ মূৰৰ নিচিনা। বাকী সিহঁতৰ আদৰ-কায়দা চাই এতিয়া ডালিম-মধুৰিৰ গছ লগাই পানী বোৱাই আনিলে। যিটুকুৰা অলপ দাকৰা আছিল, তাতে টিউব-ৱেলৰ পানীও পৰিল। বাকীখিনি সুখেৰেই যাব, চাই থাক। দূৰলৈকে যে চিন্তা নকৰিলি সেইটোও তোৰ ভাগ্যৰেই কথা বুলি ধৰি ল।"

কলঙ্কৰে দাঁত কামুৰি কথা কৈ আছিল। মোহনৰ সেই সময়ত সন্দেহ হৈছিল যেন কলঙ্কৰে তাৰ মনত তাৰ ভায়েকৰ বিৰুদ্ধে বিহহে ঢালিছে। কিন্তু সি নিজেই মনক ধমকি দিলে, "হেৰ পাপী! এইটো-সেইটো মানুহ যিটোৱে তোক সিহঁতকৈ আগতে সাৱটি লৈছিল; তোৰ ঘৰ' পাতিলে। তই ইয়াৰ ওপৰত সন্দেহ কৰিছ! আৰু তদুপৰি তোৰ চকু ফুটা নাইতো। ই যিখিনি কৰিলে সেয়া গাঁৱৰ সৰু ল'ৰা এটায়ো জানে। এতিয়া যদি তই নিজেই কণা হৈ ফুৰ অইনৰ গাত কি দোষ......?"

এইবোৰ কথাকে ভাবি-চিন্তি থাকি মোহনৰ এনেহেন লাগিল যেন মৰি মৰি আৰু জীয়াই থাকিব নোৱাৰি—"লৰচৰ কৰি দিলেও জানো মৰাশ কেতিয়াবা জীয়া হ'ব পাৰে?"

সেই ৰাতি মোহনৰ টোপনি নাহিল। কিন্তু আজি-কালিকৈ ক্ৰমাৎ তাৰ মনটো ঠিক হৈ গ'ল। খং উঠিলেও সি বৰ কষ্ট কৰি শান্ত কৰিছিল। ভাবিছিল—যদি সি এইবাৰ পিছল খাই যায়, তেনেহ'লে আৰু চম্ভালিব নোৱাৰিব। যি যেন আকাশ লজ্যা কোনোবা পক্ষৰ ফেৰেঙনিত ওভোতাই লগাই থোৱা তৰোৱালৰ ধাৰৰ ওপৰতহে খোজ কাঢ়ি ফুৰিছে—অলপমান ভৰিটো পিছলি গ'লেই সকলো শেষ হৈ যাব। ভয়তে সি ওপৰলৈ চাবই নোৱাৰিলে। কিন্তু এনেকৈ কিমান দিন চলিব? "যাক যিমান দেৰী চলাব পৰা যায়, যিমান দেৰী চম্ভালিব পৰা যায়......।"

দানীৰ ভৰি গধুৰ হৈ পৰিছিল। তাইৰ ক্ষীণ কামিহাড়বোৰ চাক খাইছিল। চেহেৰাটোও ভাল হৈছিল। গাখীৰ কম হোৱা কাৰণে ঠাণ্ডা দিনকেইটা তাই বৰ কষ্টৰে কটাইছিল। কিন্তু তথাপি দানীৰ চেহেৰাৰ উজ্জলতা কমা নাছিল! বৰঞ্চ আগতকৈ বাঢ়িছিলহে।

"এইবাৰ হাটৰপৰা এটা ম'হ কিনি আনিমনে?" এইবুলি এদিন মোহনে দানীক শুনাই মাকক ক'লে।

"এতিয়া বোপাই, গাখীৰ দিয়া গাইৰ দাম বহুত হ'ব পাৰে।" মাকে আগৰ স্বভাৱ অনুসাৰে আগতেই বেগা লগালে। দানীয়েও একো নামাতিলে।

মোহন মনে মনে থাকিল। কিন্তু ইয়াৰ পিছত সি কাৰোপৰা পৰামৰ্শ নল'লে। গোপাষ্টমী মেলাৰ দিনাখন সি কলঙ্কক লগত লৈ পোৱালি থকা গৰু এজনী আৰু দেশী ম'হ এটা কিনি আনিলে। পিছদিনাখন তাৰ গোহালিটো ভৰ-পূৰ হৈ পৰিল। ভৰ-পূৰ ডাঙৰ পৰিয়ালৰ ঘৰ!

"অন্ত নোহোৱাকৈ লাটৰ ধন কেনেকৈ ভাল হ'ব পাৰে?" সাত-আঠ দিন

মানবেপৰা কলহ আহিলেই সদায় সকলোতকৈ আগত এইষাৰ কথাকে কৈছিল—"এতিয়া চা! হয় নে নহয় বাক? বুজিছ খুৰী, হাটবপৰা এইবাৰ সৰহকৈ গাখীৰ দিয়া ম'হ এজনী আনিব লাগিব। চাবে তিনি-পাঁচ সেৰ গাখীৰ দিয়া—তই এইবাৰ 'না' নকৰিবি।"

প্ৰথম দিনাথন এইটো কথা শুনি হৰকৌৰে বৰ ভাল নেপালে। তাইৰ এনেকুৱা লাগিল যেন তাইৰ মুখৰ ওপৰতহে কিবা গধুৰ দোষৰ বোজা জাপি দিয়া হৈছে। অলপ কক্ষ মাতেবে ক'লে, "বুজিছ ভতিজা, মইনো ক'বলৈ কোন? মোৰ এতিয়া কিবা জোৰ আছেনে? আৰু তাৰ উপৰিও এইটো কথাত মই না বুজিম কেনেকৈ?"

আৰু বুধিয়ক কলহুৱে ততালিকে কথাষাৰৰ ভিতৰুৱা অৰ্থ বুজি পালে। হাঁহি এটা মাৰি কথাৰ ধাৰ সলাই দিলে। তাৰ পিছত কেইবাদিনলৈও মোদনৰ ঘৰলৈ নহাকৈ থাকিল—আনোচা ক'ৰবাৰ কথা কিহৰাত পৰেগৈ।

এতিয়াও খৰালিৰ খেতি চপাবৰ হোৱা নাছিল। মোদনৰ যি দুই-আঢ়ে বিঘা মাটিৰ দাঁতিত পানী পৰিছিল, তাত আগতেই কপাহ লগাইছিল। কিন্তু সকলো আশা ৰবধুণৰ ওপৰতহে আছিল। ৰবধুণ অহাত এইবাৰ অলপ দেৰী হৈছিল। মোদনে খেতিলৈ যাওঁতে সম্মুখত ঘণেৰ ল'বাৰ টিউব-বেল চলা দেখি মনত প্ৰথমে এটা [illegible] লালসা হৈছিল। কিন্তু লগে লগে চকুৰে জুই ৰবষিবলৈ ধৰিলে। সেই সময়ত কিয় জানো কলহুৰ ওপৰত তাৰ খং উঠিছিল যে তৎকালে সি সকলো কথা পাহৰি গ'ল। কিন্তু এদিন অকস্মাৎ কি ভাব হ'ল, সি খেতিৰপৰা উলটিবৰ সময়ত চিধা কলহুৰ ঘৰলৈ গৈ তাত লাগিলগৈ।

"হেৰ ডাঙৰ তহচিলদাৰ—তই খৰালি খেতিৰ আগে আগে লগাৰ লগা দমকলটোৰ নলীভাল কিমান ডাঙৰকৈ বাখিবি?"

কলহুৱে চকু তললৈ নমালে। ক্ষন্তেক পিছতে দোষীৰ দৰে উত্তৰ দিলে, "ভাই, ভগৱানৰ কথা, তোক নোসোধাকৈয়েই মই সকলো খৰৰ কৰিছিলোঁ। সি শহৰে আকৌ খোচহে বিচাৰিলে প্ৰথমে। কৈছে যে পিছত ধাৰ দিব। মই সুধিলোঁ, "প্ৰথমে এই আঢ়ে হাজাৰ কিহৰ কাৰণে?" কৈছে যে, "ছোৱালীজনীৰ শিশুৰ তাবিজ আৰু কাণফুল কৰিব।" মই ভাবিলোঁ, ভাল কথা। যেতিয়া আমাৰ হাতলৈ আহিব তেতিয়া গোত্ৰ সুধিম। বুজিছ, যেতিয়া জেনবেন হয় তেতিয়াহে মানুহক চিনা যায়—বিধীয়ে মোৰ লগত অগ্নি সাক্ষী কৰিছে নেকি কেতিয়াবা? মই ভাবিলোঁ এনেকৈয়ে মোৰ কামটো হৈ যাব···নহ'লেও পঞ্চাচ-এশটকাবান দি-মেলি কামটো কৰি দিব। কিন্তু মোৰ সক

খুলশালটোৱে ঘৰিয়ালৰ নিচিনাকৈ মুখ মেলি ৰহি আছে। তই আৰু এটা কথা মন কৰচোন। প্ৰতাপী মানুহৰ ঘৰত জুই নালাগোঁতেই নলাৰপৰা পানী তুলি দিয়া হয়। তাকে বোলে ধনীয়ে "এশ দিনেও এশছল্লিছ" বুলি কওঁতা ঢেৰ ওলাব। সিহঁতলৈহে মোৰ আৰু বেছি ভয় লাগিছে। চৰকাৰ সিহঁতৰে, দৰবাৰ সিহঁতৰ, কোনোবা ডাঙৰ মানুহক মাতি আনিলে কাৰ মাকক মাহী বুলি মাতিম? পিছত যি জীৱিত পৰিৱৰ্গে সি আগতে চুপচাপ হৈ কাম কৰি থাকে। কিন্তু মই যেনেকুৱা তালৈ ভয় কৰিম কিয়? তহচিলদাৰৰ তাত দৰ্খাস্ত দিব লগা হ'লে সেই বদমাচ পাগুৰী পিন্ধা কেৰেণীয়েও পোনে তিনি ভাগ বিচাৰিব। তাতে থিয় হৈ থিয় হৈয়েই দাবোগাই তিনি-পইচাৰ কাগজত ডেৰপইচাৰ চহীটো দি ওপৰতে লাভ খাব। হেৰা ভাল মানুহ, এতিয়া কোৱাচোন—এয়া সত মানুহৰ কাম নেকি? হৰি হৰি।" কন্তেক মনে মনে থাকি কলহুৱে ডমৰুৰ নিচিনাকৈ মূৰটো লৰাই লৰাই ক'লে, "এইটো কাম পূৰা হ'ব তেতিয়াহে যেতিয়া মই তাৰ ডিঙিত ধৰিবলৈ জাঁপ দিমগৈ। তেতিয়া চাবি—দদাই বুলি নেমাতে যদি। তাৰ ভয়ৰ কোবত অজ্ঞানলৈ লৰ মাৰোঁতেও চকু দিব থাকিবত কোন কোন ওলাই আছে। ...টিউব-বেল কি, নিজে নিজে আহি ঘৰত বিজুলী চাকি লগাই যায় নে নাই...! চাই লবি তোৰ সন্মুখতে। এইদৰেহে কাম হব ভাই লিংকা।"

কথাই কথাই কলহুৱে যেন তাকহে খোঁচ মাৰিছে যোদনে তেনে অনুভৱ কৰিলে। এনেকুৱা সময়ত কলহুক সি বৰ বেয়া পাইছিল। কিন্তু লগতে দয়াও উপজিছিল। তাৰ পাছত, মোহ উপজিবলৈ ধৰিলে আৰু সি 'যা ছালা কথকী' বুলি কৈ তাক জোকাৰি পেলালে আৰু ক্ষমা কৰি দিলে।

কলহুৱে এটা দৃষ্টিতে যোদনৰ খং অনুমান কৰি ল'লে। কথাত কথা বঢ়াই ঠেহেৰকৈ ক'লে, "কিন্তু তই চিন্তা কেলৈ কৰিছ? —তই চাই যা এইবাৰ কেনেকুৱা বং ওলায়? দৰ্খাস্তৰ কাৰণে মই কৈ থৈছোঁ, বচ এইবাৰ চিধাই গৈ ডি. চি.ৰ তাত উপস্থিত হ'মগৈ। যদি তেৰোঁ ইফাল-সিফাল কৰে তেতিয়া যাম এম. এল. এ.ৰ ওচৰলৈ নিজৰ কথা লৈ। তেতিয়াতো পাগুৰি মাৰি আহিছিল নহয় ভোট খুজিবলৈ, এতিয়া চাম নহয় কি কৰে। ...বুজিছ, এই কথা তই মনত ৰাখ যে এইবাৰ খেঁহুৰ পানী তাৰপৰা লগাম, লাগে জীৱনকে দিম, বুজিছ।"

যোদনৰ আকৌ খং উঠি আহিল। "দেখা যাব, বাপেকে প্ৰতিজ্ঞা কৰাৰ কিমান দিনৰ মূৰত বিয়া দিব পাৰে।" কৈ পেলাই হাঁহি কথাটো শেষ কৰিলে।

কলহুৰ কথাত সি সঁচাকৈয়ে মনত উৎসাহ পায়। এই সময়তো সি কল্পনাৰ কাৰেং

শাজিবলৈ আৰম্ভ কৰিলে। কেতিয়া টিউব-ৱেল লগাই, দুগুণ ফচল হোৱা ঘেঁহুৰ বীজ আনি, নতুন কীটনাশক দৰৱ ছটিয়াই, বিলাতী সাৰ দি—'থোপাই থোপাই' হালি-*জালি থকা ঘেঁহু দেখিবলৈ পাব···*ঘৰত হাতীৰ নিচিনাকৈ ওলমি থকা দুটা ম'হ আৰু নগোৰী গৰুৰ যোৰা কেতিয়া দেখা যাব! শস্য আৰু ভুচি ভিতৰে-বাহিৰে ভৰি থকা তাৰ চকুৰ আগত দেখিবলৈ পালে। এইটো ঘৰৰ সন্মুখত ওলা লগোৱা দুৱাৰ আৰু ভিতৰত পকাৰ কোঠাও চকুত ভাহি উঠিল আৰু দেখিলে খোলা চোতালত খেলি থকা শিশু। সেই শিশুতাৰ পিছত স্কুললৈ যোৱা, তাৰ পিছত ডাঙৰ হৈ 'সহায় হোৱা' আৰু খেতি-বাতি চম্ভালা দেখা পালে।···আৰু সকলোৰে উপৰি, দেখিলে ওপৰত বহি থকা দানীৰ উজ্জ্বল চকু আৰু সুন্দৰ চেহেৰাটো। দানীৰ চেহেৰাটো চন্দ্ৰ-তৰাৰ নিচিনাকৈ চকমকাই থকা যেন লাগিল।

মোদনৰ বহুত দেৰীলৈকে, আনকি কেইবা দিনলৈকে এই কল্পনাৰ নিচা থাকি গ'ল। যেতিয়া শাওণ সোমায়েই প্ৰথম বৰষুণ হ'ল তেতিয়া শুকান, অতৃপ্ত পৃথিৱী শুকান কল তিতি গোন্ধোৱাৰ নিচিনাকৈ গোন্ধাবলৈ ধৰিলে আৰু তাৰ এই নিচা দুগুণ-তিনিগুণ হ'ল। মাটি তৈয়াৰ হোৱাৰ পিছতেই কলহুৰ গৰু আনি যিদিনাই হাল বুৰিলে তেতিয়াই যেন এটা সম্পূৰ্ণ জন্ম নৰকত ভোগাৰ পিছত প্ৰথমবাৰ 'মিৰজা-চাহিবাৰ' কলিটো পালে। তাৰ মাতটো কলহুৱে এক ক্ৰোশ আঁতৰৰপৰাই শুনি ফুলৰ নিচিনাকৈ হাঁহি পেলালে।

সেইদিনাই আবেলি সিহঁত দুয়োটাই সিদ্ধান্ত কৰিলে যে এইবাৰ বাৰিষাৰ খেতি একেলগ কৰিব। কলহুৱে উলিয়ালে আৰু মোদনে চিন্তা কৰিলে। কলহুৱে কোনো চিন্তা নকৰাকৈয়ে আটাইবোৰ কৈ পেলালে আৰু শেষত সমাধান কৰি ক'লে, "চা, শ হাত বহি, মুৰত গাঁঠি, কাজিয়া, এইবোৰ হয় হিচাব-পত্ৰ 'কৰিয়েই'। হিচাব-পত্ৰ তেতিয়া বেয়া হয়, যেতিয়া মনত ময়লা থাকে। তেনেকুৱা যেতিয়া কথাই নাই তেনেহ'লে আমাৰ কাজিয়া কি কাৰণে লাগিব?"

কথা বুজিলেই বতাহ। যেতিয়া খবৰটো বতাহত উৰিল তেতিয়া গোটেই গাঁওখনেই চৰ্চা কৰিবলৈ লাগিল।

"ভগবানৰ বৰ বন্ধু।" চৌপালৰ 'ধূৰ্ত' মানুহে ক'লে, "কয় মহয় যোৰেঁ এবাৰ মৰদানা আৰু বাবা নানক গৈ আছিল। মৰদানেক তিনিটা কুঁৱা দেখুৱালে। প্ৰথম কুঁৱাটোৰ পানী দ্বিতীয় কুঁৱাটোৰ ওপৰেদি বাগৰি আহি তৃতীয় কুঁৱাটোত পৰিছিলহি। সি সুধিলে, "আচল বাদছাহ! কি অপূৰ্ব!" বাবাই কৈছিল মহয়, "ভাইহঁত এইবোৰ

হ'ল কলিযুগৰ যাদু। এনেকুৱাই হ'ব। চাই ল, চকুৰে পৰিষ্কাৰকৈ চাই ল!···একে মাকৰ পুতেকহঁতৰ চেহেৰা বেলেগ বেলেগ।" "থাক ভাল বাদছাহ, তোমাৰ কথা তুমি জানা!"

কিন্তু মানুহৰ মাজত কাজিয়া লগাবলৈ স্বৰ্গৰপৰা ঈশ্বৰে কাকো নপঠায়। সেইবোৰ ঘৰৰ চোতালতে বহি থাকে। আৰু এইবাৰেই বিবাদ লগাবলৈ মন্দু থওঁতেই মুখ বেঁকা কৰি মাহুলক ধমকি মাৰি ক'লে, "সিংহ খুৰা, কিয়নো এতিয়া কাজিয়া দুই কুৰিছা? ···এইটো কিবা লুকাই থকা কথা নেকি? যিমানেই সন্তি-সন্ততি বাঢ়ি যাব সিমানেই মাটি কমি যাব। তোৰ বাপেৰৰ তিনিখন হাল আছিল; তোৰ হাতত এখন হালহে আছেগৈ। আৰু আগলৈ তোৰ পাঁচোটা পুতেৰে ভাগ বটালে প্ৰত্যেকৰে ভাগতে পোনে চাৰি-চাৰিত পৰিবগৈ; পৰিব নে নাই? আচলতে এই মাটিকে লৈয়েই জীয়াই থাকিব লাগিব। মানুহে কি কৰিব? সেইকাৰণে অলপ ইকাল সিকাল কৰি চালাক মানুহৰ লগত লগ হৈ দিন কটাবই লাগিব।···আৰু তোমালোকৰ দিনত যেনেকুৱা ভাই-ককাই আছিল, এতিয়া আৰু তেনেকুৱা নাই। তোমালোকেতো 'ভাই-ভাই' কৰিয়েই নিজৰ নিজৰ খাল খান্দিছিলা, এতিয়া সকলো মানুহেই 'ভাই-ভাই' কৰি মিঠা মৰম দেখুৱাই মনে মনে কেনেকৈ আনৰ ছাল বখলিয়াব পাৰি, আৰু কোনোবা যদি ভতিজা হয়, তাৰ এনেয়েই মাজতে উপাৰ্জন হয়। এনেকুৱা সাধুতাত জানো কোনোবা ভোল যাব? সংসাৰত আজিকালি সকলো চেঙৰ হ'ল, ভাবিবলৈ শিকিলে। তোমালোক মূৰ্খ আছিলা, খাল খান্দি গ'লা। এইদৰে আজিকালি কোনেও খাল নাখান্দে। আৰু ইকালে তোমালোকে তেতিয়াৰ দিনত এনেকুৱা হৈছিল, এইদৰে হৈছিল, আমাৰ দিনেই ভাল আছিল···আদি সাধু কথা কোৱাইক।"

"অ', ভালৰ কিবা শেষ আছে নেকি?" এইদৰে আৰু এটা বিবাদ বাঢ়ি যোৱাৰ কাৰণে যীপুৰে কথাটো ওলোটাই আৰু থেমেলীয়া সুৰত ক'লে, "এওঁলোকৰ দিনত ইমান 'বুদ্ধিমান' মানুহ আছিল যে যদি ক'ৰবাত বাস্তাত ইটাৰ বোজা কঢ়িয়াবলৈ হ'লে মানুহে গুদা গাৰে হাতখন পিঠিত বান্ধি লৈ গাবোৱালৰ ওচৰত কুঁজা হৈ থিয় হয়। পিছৰ মানুহটোৱে এমোণমান বোজা তাৰ পিঠিত বহুৱাই দিয়ে। কঢ়িওৱা মানুহটোৱে কুঁজা হৈয়ে আহি ইটা পাৰি থকা মানুহটোৰ ওচৰত আহি থিয় হয়। এতিয়া এই বুদ্ধিয়কক সোধাচোন এনেকৈ পিঠিত অনাতকৈ ছুটা পাছি আৰু কেৰাহিত আনিব নোৱাৰিলাহেঁতেননে? এনেকৈ আনোতে যদি কঁকালত কটকা খাই যায় নাইবা পিঠিত ঘা লাগে তেনেহ'লে কি কৰিবা? এনেকুৱাই বুদ্ধিয়ক নাছিল জানো? কোনোবাই সুবুদ্ধি দিয়া হ'লে তাৰকালেও বাধ্য। এইদৰে 'বুদ্ধিয়ক'বোৰেইতো, বেতিয়া নতুন

নতুন ৰেলগাড়ী চলিছিল, কোনোবা গাঁৱত এটা ধৰ্মপ্ৰাণ মানুহ পিটি মাৰি পেলালে। সি ক'ৰবাত ৰেলগাড়ী দেখি আহি কৈছিল যে এখন গাড়ী গৰু নোহোৱাকৈ চলিছে। "এই বুদ্ধিয়ক"বোৰে প্ৰথমে গালি দিলে তাৰ পিছত যেতিয়া মানুহটোৱে সিহঁতক বুজাবলৈ গ'ল, তেতিয়া তাক ডিঙিত বন্ধী বান্ধি গাঁৱৰ মাজেদি চোচোৰাবলৈ ধৰিলে আৰু তেতিয়াই বেচেৰা শেষ হৈ গ'ল। পিছত সিহঁতে নিজে গৈ ৰেল নিজ চকুৰে চাই আহিল, তথাপি মানিব খুখুজিলে। কৈছিল যে, "ইয়াৰ ইঞ্জিনৰ ভিতৰত ক'ৰবাত গৰু জোঁটা আছে।" "অ' শুনিলি এই বুদ্ধিয়কৰ জ্ঞানী কথা, কেনে? ...বিশ্বাস হৈছে নে নাই?"

কাউৰীয়ে বেৰি পোৱা কেঁচাৰ নিচিনাকৈ মালুৱে মোচোকা মাৰি বহি থং আৰু লাজত "হয়, হয়" কৰিলে; কিন্তু আজিৰ সংসাৰত সি অকলে নোৱাৰে। এনেবিধ "জ্ঞান" আৰু "সংসাৰৰ বন্দ নতুন কথা নহয়।" গাঁৱৰ সকলো বুঢ়া সকলো ডেকাৰ নিজৰ নিজৰ চিন্তাধাৰা আছিল। নতুন কথা এইটোহে আছিল যে যি মানুহ এই 'যুগত'কৈ আগবঢ়া আছিল, সিহঁতে তাক স্বীকৃতি নিদিছিল। মালুৰ নিচিনা বুঢ়াকো যেতিয়া তাৰ মাজলৈ টানিব লগা হ'ল তেতিয়া সিহঁতে শ-শ কথা জোৰা লগাই গল্প মাৰি থাকে, কিন্তু যেতিয়া তেনেকুৱা কথা গাঁৱত হোৱা দেখে, যিবোৰ মানুহক গালি পাৰি থাকে সি নিজেই সেই 'বুদ্ধিয়ক'ৰ দলত গৈ থিয় হয়গৈ। এইটো 'যুগ'ৰ মানুহ হৈ সেই 'যুগক' গালি দিয়ে। এইটোও এটা পাৰ্থক্য আছিল যিটো এতিয়ালৈকে সিহঁতে গম নেপাইছিল।

"ভিতৰৰ কথা এইটো আছিল যে এই ছালাবোৰে ছটা মুখ একেলগ হোৱাটো সহ্য কৰিব নোৱাৰিছিল। শৰীৰটোৱে পূৰ্ণ পেট ভোজন কৰিবলৈ পাওক, সুখৰ নিশ্বাস লওক, এই কথাও জাটে সহ্য কৰিব নোৱাৰে। ......উঁহো! নহয়! কেতিয়াও সহ্য কৰিব নোৱাৰে!" আৰু ঘৰত বহি যেন কলজুৱে মোহনক এইটো ৰহস্যকে বুজাইছিল —যিবোৰ মোহনে একো বুজি পোৱা নাছিল। প্ৰতি মুহূৰ্ত্তেই তাৰ এই ভাব বাঢ়ি গৈছিল যে সি ওপৰৰপৰা গছৰ ঠালত ভৰোৱালৰ ধাৰত খোজ কাঢ়ি আছে··· অলপ ভৰি পিছলি গ'লেই···। কিন্তু সি প্ৰতিটো খোজ চম্ভালি পেলাইছিল।

কথা হৈ থাকিল। তাৰ ভালো লাগিল। কামটোও পূৰা হ'ল, কিন্তু বাৰে বাৰে তাৰ এটা পুৰণি ফকৰা মনলৈ অহিবলৈ ধৰিল:

"বুঢ়ীয়া কাৰবাৰ ভাল নহয়।

লাগে অলপমানেই কৰা; কিন্তু অকলেই কৰা!"

কিন্তু মানুহেনো অকলশৰীয়াকৈ জীৱন কেনেকৈ কটাব পাৰে? এইটো কথাহে বুজি পোৱা নাই। ভিতৰত কিবা এটা লুকাই থকাৰ ভয়ত এই কথাই বাৰে বাৰে আমনি দি আছে।

"মিছকে কৰ ভাবি-চিন্তি কৰিবি। আজিকালি সংসাৰত কাৰো বিশ্বাস নাই। ভিতৰত এটা বাহিৰত এটা।" মাকে কথাৰ মাজতে সহজভাৱেই ক'লে।

এইটো কথাই মোহনক কেইবাদিনলৈকো চিন্তাত পেলাই দিলে। আৰু শেষত যেতিয়া চকুৰ আগত কোনো ৰাস্তা নেদেখিলে তেতিয়া সি সাহস কৰি নিৰ্ণয় কৰি পেলালে। কলহু বন্ধুৰো বন্ধু। তাৰ ওপৰত কেনেকৈ অবিশ্বাস কৰিব, কি কথাৰ কাৰণে?

উৎসৱ আহিলত সকৰ বৈণীয়েক মাকৰ ঘৰলৈ গুচি গ'ল। ক'ব নোৱাৰোঁ সি এতিয়া অকলশৰীয়া হোৱাৰ কাৰণেই নে, আইন কিবা কাৰণতহে দুই-তিনিদিনৰ মূৰে মূৰে আহি মোহনৰ ওচৰত বহেছি। কেতিয়াবা পথাৰত; কেতিয়াবা ঘৰতে আহি। প্ৰথমে ইটো-সিটো কথা কৈছিল; পিছত নিজৰ দুখৰ পাতনি মেলিবলৈ ধৰিলে।

"ককাইদেউ, আমাৰ মীমাংসা তয়েই কৰিব লাগিব।" এদিন সাহ কৰি সি আচল কথাটো মোহনক ক'লে। মোহনৰ প্ৰথমে খং উঠিছিল, কিন্তু পিছ মুহূৰ্ততে চম্ভালি লৈ সক মাতেৰে ক'লে, "মইনো কোন তহঁতৰ মীমাংসা কৰিবলৈ—নাই তিনিটাৰ ভিতৰত, নাই তেৰতাৰ ভিতৰত!"

সকৰ চেহেৰাটো শেঁতা পৰি গ'ল। তাৰ ভাব হ'ল যেন মোহনে তাৰ গালত বৰ জোৰেৰে চৰ মাৰি দি মুখ বন্ধ কৰি দিলে। মোহনো চিন্তিত হ'ল। তাৰ পুৰণি মৰম আৰু মোহ জাগি উঠিল। কিবা এটা ভাবি সুধিলে, "তহঁতৰনো কি এনেকুৱা কাজিয়া লাগিছে যে মই নহ'লে মীমাংসা কৰিব নোৱাৰ?"

সেই সময়ত সকৰ মুখখন চপচপীয়া গিলাচৰ নিচিনা হৈ ভবি পৰিল। পূৰ্ণ চেহেৰা, ৰাঙলী বৰণ চকু আৰু পাতল ৰঙা ওঁঠখনৰ বং ভমৰ নিচিনা হৈ পৰিল। আৰু তাৰ সুন্দৰ চেহেৰাটো কিবা হৈ গ'ল। বোৰেৰে ভৰা কন্দনামুৱা মাতেৰে সি সকলো ক্ষোভ উলিয়াই দি ক'লে, "ককাইদেউ, তই যদি কেতিয়াবা মোৰ অন্তৰখন খুচৰি চালি হয় তেতিয়া হ'লে গম পালিহেঁতেন। ......তই মোক এনেকৈ গালি পাৰিছ যেন মই এতিয়াও সক হৈ আছো। তদুপৰি মানুহে অন্তৰৰ কথা কেনেকৈ ক'ব? তই কেনেকৈ জানিবি, মই কিমান দুখী হৈছোঁ......।"

সকৰে সঁচাকৈয়েই কন্দা যেন লাগিল মোহনৰ, যেনেকৈ সক বাজত তাৰ চৰ খাই কান্দিছিল। মোহনৰ নিজকে দোষী যেন ভাব হ'ল। কেতিয়াও সকৰ খা-খবৰ

মতে সি দোষ কৰিছে। তাৰ ওচৰ চাপিবলৈকে সকল দিয়া নাছিল।

"এতিয়া তুমাহ হ'ল কৰিয়া লগাৰ", সকৰে উপায় নেপাই মনৰ খোজা পাতলাবলৈ ক'লে। "সিও মোক মতা নাই, ময়ো তাক মতা নাই।"

"কিয় ?"

"সিহঁতে কৈছে মণৰ পুতেকহঁতৰ লগত মিলিব লাগে। মই কৈছোঁ, সেই ছাগাবোৰৰ ওচৰলৈকে নেযাবি। তহঁতে কেতিয়াবা শুধিছনে······ ?"

"ওচৰলৈ যোৱাটো কি, এতিয়ালৈকে তই সিহঁতৰ বিয়া-সবাহলৈ গৈছনে ?"

"তোৰ এই খংটোক ভয় কৰি মই মনে মনে আছোঁ। ভাবিছিলোঁ, যদি মই কিবা কওঁ তেতিয়া তই সঁচা বুলি নেভাবিবি। তোৰ জন্ম হোৱাৰপৰাই তাৰ লগত মোৰ সম্বন্ধ নাই। কেইবাবাৰো হুতাহুতি হোৱাৰপৰা এৰাইছোঁ। কিন্তু ক'ব নোৱাৰোঁ কি ভাবি মনে মনে থাকোঁ। একালে মায়েও একো কৰিবলৈ নিদিয়ে। যেতিয়াই কিবা কথা ওলায়, মায়ে কয়, 'এতিয়া তই গোটেই বংশটো মাটিৰ লগত মিলাবি। তহঁতে দেখিছোঁ শাস্তিৰে ভাতকেইটা খাব নোখোজা। আগতেই যথেষ্ট ধ্বংস হ'ল। কিবা সদনাম বাকী আছে জানো ?' কিন্তু সঁচাকৈয়ে বিশ্বাস কৰ, শপত খাই কৈছোঁ—মনটোৱে কোনোমতে মানানিলে। সজ্জন গোঁৱাৰ আছিল। যদি তাঁৰ কথা নেমানিলোঁহেঁতেন তেনেহ'লে কথা আৰু বেয়াৰ ফালে ঢাল খালেহেঁতেন। ক'ব নোৱাৰোঁ সজ্জনৰ ওপৰত ইহঁতে কি যাদু কৰিলে। আগতে কেৱল ওপৰে ওপৰে সাংসাৰিক কথাতহে যোগ আছিল, কিন্তু এতিয়া বজাৰলৈ গৈ একেলগে মদো খায়।"

"মোৰ এইটো কথা সহ্য নহ'ল। ভগৱানৰ নামত শপত খাই কৈছোঁ, গুৰুবাৰৰ শপত লৈছোঁ, মই আৰু তাৰ লগত কটাৰ নোৱাৰোঁ। মোক মীমাংসা কৰাই দে, নহ'লে কথা গৈ পঞ্চায়ত পাবগৈ আৰু হুলস্থুল লাগিব। যদি নিজৰ ভিতৰতে সম্বন্ধ বেয়া হৈ যায় তেনেহ'লে এনেয়েই গোটেই ঘৰখন কটামৰা কৰি ধ্বংস হ'ব। সিহঁত ছাগাইতো বং চাব······মানুহে হাঁহিব····· "

সকৰে অন্য কোনোবা এখন সংসাৰ আৰু মানুহৰ কথা কোৱা যেনহে লাগিল মোহনৰ। বিবোৰ কথা সি শুনাইছে তেনেকুৱা কথা শুনিব বুলি সি কল্পনাই কৰা নাছিল। এই সময়ত তাৰ চেহেৰাত কিবা এটা আচৰিত ধৰণৰ অস্থিৰতা দেখি সকৰে অলপ স্থিৰ হৈ অলপ বহলাই ক'লে।

"আচল কথাটো হ'ল যে সিহঁতে সজ্জনক বান্ধ খুৱাই ৰাখিছে······। এতিয়ানো

তোক কি ক'ম—ক'ব পৰা একো কথাই নাই……। তয়েই কচোন এতিয়া, সজ্জনে সদায় মনে মনে ঘণেৰ লক ল'ৰা কৰ্ণেলৰ ঘৰলৈ যায়—কি আনিবলৈ বাৰু? আৰু ইফালে তিৰোতাজনী হ'ল চোত জাতৰ। ……আৰু বিজনী ঘৰলৈ আনিলে তাই পাকিস্তান হোৱাৰ সময়ত কোনোবা জাটৰ ঘৰত আনি ৰখা মুছলমান তিৰোতাৰ ছোৱালী……। লাজ-চৰম এই ছালাবোৰৰ নায়েই। তাৰ মাজৰ কথা হ'ল এইবোৰ! ঘৰখন নৰকত পৰিণত হ'ল। বোৱে সকলো জানে। যেতিয়া সকলো কথা মুকলি হৈ পৰিল তেতিয়াতো আৰু কোনো কথা হৈ নাথাকে। সজ্জন ঘৰলৈ উভতি অহাৰ সময়ত সদায়েই বোৱে কাজিয়া কৰে, কিন্তু থাকিবলৈ নাহে। এতিয়া কচোন ইয়াৰ কি উপায়? —যেতিয়া মানুহৰ দিন-চিন বেয়া হয়……।"

কিন্তু খঙৰ কোবত মোহনে যি উপায় ভাবিলে, সেইটো ঘৰ অন্ধকাৰময়—ক'লা, ঘোপমৰা অন্ধকাৰৰ নিচিনা! ……সি 'চিন্তাৰ পৃথিৱী'ত থকা গছ-গছনি আটাইবোৰ ভাঙি সকলোবোৰ পাত ছিঙি, ডাল ভাঙি পেলালে।

"যদি এনেকুৱা কথাই হয়, তেনেহ'লে মোৰ হাতত তাৰ বংশ নাশ হ'ব, আৰু কোনো কথা নাই…… !"

মোহনৰ চকুৰে যেন জুই ওলাই আহিল। সকৰে ভয় খাই, ভয়াতুৰ মাতেৰে ক'লে, "কথা যদি এনেকুৱাই হৈছেগৈ, তেনেহ'লে ছালাইত মোতকৈ শক্তিশালী আছিল জানো? মই ভাবিছিলোঁ—সজ্জন যদি কেনেবাকৈ ভাল হয়, তেনেহ'লে ঘৰখন বাচি যাব। ভাবিছিলোঁ মই যেতিয়া বেলেগ হৈ আছিলোঁ মাটিও ভাগ কৰা হ'ল, কাম কৰিবও লগীয়া হ'ল। গতিকে নিজে নিজেই চিধা হৈ যাব। কিন্তু এতিয়াতো গৰু-ম'হক দানা এমুঠিও নিদিয়ে—সেইবোৰ মই জানো, সকলোৱেই জানে। তিৰোতায়ো খং কৰে, হাতৰপৰা একো এৰিও নিদিয়ে……বৰ দুখী। ঘৰ-বাৰী নষ্ট হৈ গৈছে, কোনোফালে চিন্তা নাই।

কুকুৰৰ নেজ কৃষ্ণৰ বাঁহীত ভৰালে চিধা হয় জানো? লাগে তুমি বাঁহীত বাৰ বছৰ থোৱা।"

মোহনে আৰু একো নক'লে, উঠি থিয় হ'ল।

ইয়াৰ পিছত লক সদায় আহে। কথা-বতৰা পাতোঁতে এই কথাটোৰ কিবা নহয় কিবা উপায়েৰে সমাধান কৰিবলৈ কৈছিল। মোহনে কেতিয়াও ধীৰলীয়া কথা কোৱা নাছিল, কিন্তু কলছুৰ মুখত লকৰ বিষয়ে শুনা সকলোবোৰ কথা বিশ্বাস হ'ল। আৰু মনত এনেকুৱাকৈ বহি গ'ল যে হেজাৰ চেষ্টা কৰিলেও অবচৰ নহয়। আৰু ইয়াৰ

পিছত যেতিয়াই সকৰ লগত কথা পাতে, তেতিয়াই তবোৱালৰ ধাৰৰপৰা ভৰি পিছলি যোৱা যেন লাগে……"সক, তোমালোকে যেনেকৈয়ে হওক, কিবা এটা মীমাংসা কৰি সমস্যাটো সমাধান কৰি লোৱা। মই মাজত সোমালে কথাটো বেয়া হৈ যাব। মোক একলীয়া হৈ থাকিবলৈ দিয়া।" সি এইটো ভয়তে এদিন সচকিত হৈ ক'লে।

সক মনে মনে থাকিল। কথাটো একেবাৰে ঠিকেই লাগিল, কিন্তু সি মনতে ক'বলৈ বিচাৰিলে, "যদি কথাটো এইদৰে সমাধান হ'লেইহেঁতেন তেনেহ'লে মই তোৰ আগত কওঁনো কেলৈ?"

এই কথাটো এইদৰে সমাধান হ'ব লগা নাছিল, নহ'লো। অৱশেষত সকৰে দুই-এটা বুদ্ধিয়ক মানুহৰ পৰামৰ্শ লৈ পঞ্চায়তৰ চুটামান মানুহ মাতি আনিলে আৰু ঘৰতে বহি সজ্জনৰ লগত সমাধান কৰিবলৈ চেষ্টা কৰিলে। কিন্তু উত্তৰত সি এনেকুৱা কথাল্বাৰ ক'লে আৰু ইমান থং দেখুৱালে যে সকৰে সহ্য কৰিব নোৱাৰিলে।

"বুজিছ, বিমানেই কথা নবঢ়াবলৈ চেষ্টা কৰিছিলোঁ, এতিয়া কথা সেইখিনিয়েই পালেগৈ।" সকৰে শুকান খৰি ভমককৈ জ্বলাৰ নিচিনাকৈ জ্বলি-পকি ক'লে। "ভই বহুত দিন মোৰ ছাল বখলিয়ালি, এতিয়া মই আৰু নিদিওঁ। যদি এনেয়েই চিধা হ'ব, খুজিছ, তেনেহ'লে দহ দিনৰ ভিতৰত ঘৰ আৰু মাটিৰ ভাগ কৰি দে; নহ'লে মই যি কৰিব লাগে, তাকে কৰিম। এই সময়ত যি সমাধান কৰি দিবি, সেয়াকেই ল'ম। কিন্তু পিছত যি বিচাৰিম, তাক লৈহে এৰিম। যদি নোৱাৰোঁ, তেনেহ'লে পালেৰ নহ'লেও কোনোবা চুৰবৰ বাচ্চা বুলি মাতিবি।"

সেই সময়ত সজ্জনে বঙা চকু দেখুৱাই তাক লৈমান কৰাবলৈ চালে, কিন্তু পিছত যেতিয়া বন্ধু-বান্ধৱৰ লগত শান্ত হৈ গোটেই কথাটো আলোচনা কৰিলে তেতিয়া সেইকেইটা চকুৰেই শিল হৈ গ'ল। গোটেই পৃথিৱীখন তেজেৰে বাঙলী হৈ ঘূৰি থকা দেখিবলৈ পালে (এইটোও গম পালে যে সকৰে এতিয়া মোদনৰ লগত খুব বন্ধুত্ব পাতিছে)। সাত দিনৰ দিনা সকক মাতি আনি প্ৰথমে খুব মিঠা মিঠা কথা ক'লে, পিছে যেতিয়া তাক নিজৰ জেদ এৰি নিদিয়া যেন দেখিলে তেতিয়া পঞ্চায়ত বহুৱাই মীমাংসা কৰি পেলালে।

চাবে চাৰি টকাৰ মাটি বাটৰ দাঁতিতে আৰু আনফালে তিনি-চাবে তিনি বিঘা খণেৰ টিউবৱেলৰ পানী খোৱা আৰু তাৰ নিজৰ মাটিৰ আনটো মূৰৰ কাষে দিলে। (এইটুকুৰাৰ বাস্তা খণেৰ খেতিৰ মাজেদিয়েই গৈছিল—এইটো খেয়াল সকৰ সেই সময়ত নাছিল।) যি তিনি বিঘা সজ্জনে আগৰ বছৰ সুৰবালা গণেশৰপৰা কিনি লৈছিল, সেইখিনিঃ

সজ্জনে আগতেই তাৰ নামত ৰেজিষ্টাৰী কৰাইছিল। সকৰে এইটো কথা আজিহে গম পালে। আৰু এইটো শুনিয়েই তাৰ দেহ-মনত জুই লাগি গ'ল। ভালে-কুশলে সকলো কথাৰ সমাধান হোৱাৰ কামনা কৰি সকলো কথাৰে দেপ টুকি থ'লে, যদিও পঞ্চায়তক জনাই থ'লে যে যেনেতেনে ইয়াৰ উচিত বিচাৰ সি কৰাই ল'বই।

যেতিয়া ঘৰ ভাগ বটোৱাৰ কথা আহিল তেতিয়া কোনো ৰকমে দিম খুজি কৈ সজ্জনে নতুন ঘৰৰ ওপৰত অধিকাৰ দাখিল কৰিলে আৰু সকৰ ঘৰদেউতাকৰ কালে থকা ঘৰৰ ভাগ দিবলৈ নিজেই সিদ্ধান্ত কৰিবলৈ ল'লে। পঞ্চায়তে এইটো কথাত অসন্তুষ্ট হ'ল, কিন্তু সকৰে ক্ষোভ আৰু ঠাট্টা মিহলি সুৰত ক'লে, "কোনো কথা নাই, পঞ্চসকল, ডাঙৰ ককায়ে যি কৈছে মই তাতেই ৰাজী হৈছোঁ। কিন্তু ভায়েক-ককায়েকৰ মাজত সৰু-ডাঙৰ কোনো নহয়! যিদিনাখন মোৰ নিজৰ শক্তি বাঢ়িব, সমানে সমানে থিয় হৈ দেখুৱাম। এতিয়া আপোনালোকে এনেকৈয়েই সমস্যাৰ সমাধান কৰক।"

সমানে সমানে থিয় হোৱাৰ কথাষাৰে এবাৰ সজ্জনক কঁপাই দিলে; কিন্তু সি নিজৰ বহুত সা-সম্পত্তিৰ কথা ভাবি ক'লে, "ভগৱান তুষ্ট হৈ···মোৰ সহায় হোৱা।"

ইমানতে বিবাদ শাম কাটিল নে নাই বাঢ়িলহে বুজা নগ'ল। মোহনেও ধৰিব নোৱাৰিলে। এইটো ঠিক যে গোটেই কথাটো শাম কাটিল। গোটেইবোৰ মানুহ শান্ত হৈ গ'ল যেন লাগিল। কিন্তু পাঁচ-সাতদিন মানৰ পিছত তাঁৰৰ জোকাৰ বেছিহে হ'ল।

সকৰে সদায়েই আহি কিবা নহয় কিবা এটা নতুন কথা কয়হি। মোহনে অশান্ত হৈ ভাবি থাকে। ঘণেৰ লৰাই সেই গণ্ডগোল আৰম্ভ কৰিলে—যিটোক সিহঁতে ভয় কৰিছিল। সি সকৰক খেতিৰ মাজৰ ৰাস্তা দিবলৈ অমান্তি হ'ল। এতিয়া সি ওপৰেদি ঘূৰি যাবলগীয়া হ'ল।

"গাড়ী-ঘোঁৰাৰ কাৰণে ৰাস্তা ভালেই। এতিয়া দেখা যাব তাত অকলে ঘূৰিলে তোক কোনে মানা কৰে, তই ইমান দূৰ ঘূৰি যাবি কেলৈ?" মোহনে নিজেই তাক সুধিলে।

"নহয় ঐ, মই ভয় কৰোঁ।" সকৰে সঁচা মাতিলে। "ভাবিলোঁ—সিহঁতে যুঁজিবলৈ আহেই যেতিয়া, মই আগবঢ়ে আৰু বৈ থাকিব নোৱাৰিম। তেতিয়া কথা ৰৈগে কিবাৰপৰা কিবা হ'বগৈ।"

মোহন প্ৰথমে মনে মনে আছিল। তাৰ পিছত জ্বলি উঠিল, "মূৰ্খ, এইৰূপে হ'লে যেখোন কাইলৈ সিহঁতে মাইকী মানুহকো ঘৰৰ ওচৰৰ খেতিলৈ যোৱাটো বন্ধ কৰি দিব। ভিতৰ সোমাই থাকিলেও জিয়েই কোনে কাক কিমান দিনলৈ এৰিব? অহপৰি আটৰ

ল'ৰাই ইমান ভয় কৰাটো লোভা নাপায়।...এইদৰে শুধৰণি নহ'ব।"

ভয়তে সৰু ত্ৰাস্তমান হৈ গ'ল। তাৰ পিছত কেইবাদিনলৈকো নহাকৈ থাকিল। সুদখোৰৰপৰা অলপ পইচা ধাৰলৈ লৈ সি খুড়াকৰ ঘৰৰ কাষে থকা মাটিডোখৰতে কোঠাটো সাজিবলৈ আৰম্ভ কৰি দিলে আৰু এতিয়া সেইটো কামতে ব্যস্ত হৈ ৰ'ল।

সজ্জনে একেবাৰে বাঁহগছ শুকাই যোৱাদি শুকাই যাবলৈ ধৰিলে। এতিয়া সি কটি আৰু চাহপানীও নিবিচৰা হ'ল। সৰুও দূৰে দূৰে থাকিবলৈ ল'লে। কেইবাদিনো যোদনৰ ভাত আহি কটি খালেহি। যিদিনাৰেপৰাই কামত ব্যস্ত হ'ল, যোদনে কলছুৰ ল'ৰাটোৰ হাতত আহাৰ দি পঠিয়ালে। সিহঁতৰ সম্বন্ধটো যিমানেই ওচৰ চপা যুলি গম পালে, সিমানেই সজ্জনৰ খং দুগুণে চৰি গ'ল। এইদৰে মনৰ দূৰত্ব আৰু বাঢ়ি গ'ল।

মানুহে আকৌ চৰ্চা কৰিবলৈ ধৰিলে। এবাৰ কথা সঁচা প্ৰতিপন্ন কৰি মানুহবোৰে সৰু ল'ৰাৰ মুখলৈকে এইবুলি যিয়পাই দিলে যে এই সকলোবোৰ কাম যোদনে অনা চালাক বৈণীয়েকৰ। তাই সৰুৰ গাত এনেকুৱা মন্ত্ৰ কৰিলে যে দহবছৰ আগৰেপৰা সুখ-শান্তিৰে বাস কৰা ভায়েক-ককায়েকৰ মাজত কজিয়া লগালে। তাক এতিয়া সম্পূৰ্ণ নিজৰ দখলত ৰাখিবৰ কল্পি পাতিছে। কিন্তু যদি কোনোবা সাধু স্বভাৱৰ মানুহে চাই-চিন্তি কয়, "দেখাত কিন্তু মানুহজনী বৰ নম্ৰ স্বভাৱৰ যেন লাগে। তাইক দেখোন এনেকুৱা বিধৰ যেন নালাগে। তাইৰ বিষয়ে এনেকুৱা কোনো কথা আগতে কেতিয়াও শুনা নাই।" তেতিয়া তাৰ উত্তৰত কোনোবা এটাই ওপৰতে পৰি তেনে সাধু মানুহৰ ডিঙিত ধৰিবলৈকে ওলায়।

"হেৰা দেৱতাসকল, তোমালোকে কেনেকৈ জানিবা তেকুলীয়ে কেতিয়া পানী খায়। তিৰোতা এক এটা জাতি হৈ ফুৰিব পাৰে। তোমাৰ নিচিনা মানুহেতো এজনীৰো কথা ক'ব নোৱাৰা।" সেইজনী তিৰোতাই আকাশৰ লগত সংযোগ কৰি আছিলে, আকাশৰ লগত। এনেকুৱা বিলোৰ টেঙৰ মানুহ, সিহঁতৰ মনৰ ভিতৰুৱা কথা পোৱাটো বৰ টান। কয়েই নহয়, 'কথা কোৱা মানুহৰ কথা নাৰাখিলে, ধূৰ্তৰ গাঁও উজাৰ হয়।' আমি ভেদ পাব নোৱাৰোঁ। আৰু সন্মুখত যিটো দেখা দিব, চাই ল, তাৰ মনত যিটো আছিল হ'ল···তাৰ পিছত ? ক এতিয়া !"

ইয়াৰ উত্তৰ কোনেনো কি দিব ? ভিতৰত বা কি লাগিছে বা কি ভেদ হৈছে ? সকলো সঁচাই আছিল। কোনেনো কাৰ সাক্ষী দিব ? আজিকালি নিজৰ ওপৰত ভাৰসা নাই। কিন্তু সাক্ষী দিয়াসকলে এইবুলি কৈ সান্ত্বনা দিয়ে যে, "এতিয়া

তোমালোকে চাবা কি হয় দেখুৱাম। এতিয়া ইহঁত তিনিওটা তালৈকৰ মাজত নিজৰ ভিতৰতে মৰামৰি লাগিব, নহ'লে যণেৰ ল'বাৰ লগত আজি নহ'লে কাইলৈ খুন্দা-খুন্দি লাগিবই বুলি ধৰি লোৱা।"

কয়েই নহয়, মানুহৰ মুখেদি যি ভৱিষ্যৎ বাণী ওলায়, সি কেতিয়াবা নহয় কেতিয়াবা সঁচা হয়েইগৈ। গাঁওখনৰ আধা মানুহে আজি কিবা হ'ব, কাইলৈ কিবা হ'ব বুলি ভয়ে, চাবলৈ বহি থাকিল। কিন্তু একো নহ'ল। কথাবোৰ পাতল হৈ হৈ চেঁচা পৰিল। কিন্তু যিবোৰ মানুহে এইবোৰ কথা উলিয়াইছিল সিহঁতে বৰ অশান্তি ভোগ কৰিছিল। কথাত কথা উলিয়াই জোৰকৈ হ'লেও সেইবোৰ কথাকে সোঁৱৰাই আৰু কয়, "তোমালোকে চাবাচোন, কি হ'ব। এই জুই ভিতৰে ভিতৰে জ্বলি আছে, যিদিনাখন জ্বলি উঠি শিখা ওলাব, সেইদিনা একক্ৰোশ দূৰৰপৰা দেখা পোৱা যাব…।"

কিন্তু এতিয়ালৈকে নাই কোনোবাই ধোঁৱা দেখিবলৈ পালে, নাই জুই বা শিখা।

সকৰে মূৰ ঘূমাৰ পৰা ছাজি কৰি বৈণীয়েকক আনিলে। এতিয়া কাম চলাবলৈ, ভিতৰ-বাহিৰ কৰিবলৈ, তাৰ ডাঙৰ খুলশালীয়েকৰ ল'ৰা এটাও লগত আনিলে।

শস্য পকিবৰ সময়ত অহা-যোৱা বাটচোক লৈ তাওৰ সমস্তাৰ সৃষ্টি হ'ল। সকৰে মোদনৰ লগত কথা পাতিলে। সি এদিন মাজ ৰাতিলৈকে ঘৰৰ বাহিৰত চিলাৰ বকুল গছৰ ওচৰত বহি আলোচনা কৰি থাকিল। ঘৰলৈ যেতিয়া উভতিল ঘোলে, তেতিয়া মাকে চিন্তিত হৈ ক'লে, "চাবি, এতিয়া যেনেকৈ সমাধান কৰিব পৰা যায় কৰি ল, কথা আৰু নবঢ়াবি।"

"আই আমিতো যায় দিবলৈ বহুত চেষ্টা কৰিছিলোঁ; কিন্তু সিহঁতবোৰে কথা নবঢ়োৱাকৈ এৰিব নোখোজে!" সকৰে চাপ মাতেৰে ক'লে।

বানীয়ে ভয় খাই চাৰপাইৰপৰা হৰমুৰকৈ উঠি থিয় হ'ল আৰু মূৰৰ চুপাট্টাখন চম্ভালি লৈ গোহালিৰ গোবৰ গুচাবলৈ লাগিলগৈ। সক আৰু মোদন দুয়োটাই আচৰিত হৈ তাইৰ ফালে চালে আৰু তাই গৰুৰ খুঁটাটোত চকা এটা মাৰি যি 'মই যোৱাটো কটা' বুলি কোৱাও শুনিলে। তাইৰ মাতটো কঁপা যেন লাগিল, মূৰত তাই চুপাট্টাখন খোপাটোৰ নিচিনাকৈ বান্ধিছিল।

মোদনে তাইৰ ফালে চাই সঁচাকৈয়েই ভয় খালে। তাই অকাৰ দিনবেলাও, কোনেও তাইক টিয়াম থং উঠা আৰু নিমোৰ হোৱা দেখা নাছিল।

"তোৰ কি হৈছে চৰ্চাৰনী?" মোদনে হাঁহি মাৰি সুধিলে।

"কি?" বানীয়ে বুলি তাৰ ফালে চালে আৰু চৌকাৰ ওচৰত ওপৰৰ ফেকত জ্বলি

থকা চাকিৰ ধিমিক ধামাক পোহৰত তাইৰ নাক-মুখবোৰ বেলেগ যেন দেখা গ'ল। “মোৰনো কিটো হ'ব?” নিহালী খুৰীৰ নিচিনাকৈ তৎক্ষণাতে কথা বদলাই হাঁহি মাৰি ক'লে, “মই গোবৰ গুচাবলৈহে উঠিছিলোঁ।”

দানীৰ মিঠা, মিহি মাতত বেজীৰ খোচ মোদন আৰু সক দুয়োটাই অনুভৱ কৰিলে। কিন্তু কথা পাতি পাতি পঞ্চায়ত সভাৰ কথা চিন্তা আলোচনা কৰিলে।

কিছু সময়ৰ পিছত যেতিয়া মোদনে সকক বাহিৰত, নিহালী খুৰীৰ ঘৰৰ ওচৰলৈকে আগবঢ়াই থ'বলৈ গ'ল, তেতিয়া দানীয়ে পিছফালৰপৰা চাকিটো নুমাই দিলে আৰু নিজৰ বিছনাখন টানি আনি, মোদনৰ বিছনাখনৰপৰা দূৰ কৰি বেৰৰ কাষত পাৰি শুই থাকিল।

মোদনে দুৱাৰখনত শিকলি লগাই মনে মনে আহি বিছনাত পৰিলহি। সকৰ লগত হোৱা কথাৰ 'জালত' পৰি সি দানীৰ কথা একেবাৰেই পাহৰি গ'ল। কিন্তু যেতিয়া অশান্ত মনটো শান্ত হৈ এইফালে ঘূৰিলে তেতিয়া সি দেখি আচৰিত হ'ল যে দানীৰ বিছনাখন আগৰ ঠাইত নাই। উঠি পেলাই ওচৰলৈ যাবলৈও মন নগ'ল। সম্ভৱ তাই শুলে। এইফালে পিঠি দি লৰচৰ নকৰাকৈ পৰি আছে, জগাবলৈ মন নগ'ল। দিনৰ দিনটো কাম-কাজ কৰি ভাগৰে-জোগৰে কোনোমতে টোপনি আহিছে।

অল্প সময়ৰ পিছত দানীয়ে বাগৰ সলাই চিধা হৈ শুলে। বকুল গছৰ ফাঁকেদি অহা চন্দ্ৰৰ পোহৰে চোতালখন পোহৰাই তুলিছে। জোনাকৰ পোহৰত দানীৰ উপচি পৰা পেটটো দেখি সি মূৰৰপৰা ভৰিলৈকে জাৰত কঁপাদি কপিবলৈ ধৰিলে। মূৰত ওপৰত থোৱা তাইৰ ভৰি আহিছে। ভৰি পৰা বুকুখনেৰে সৈতে দীঘল সুস্থ দেহাটো দেখি মনত অলপ সাহস বাঢ়িল। কিন্তু তাই উচুপাৰ নিচিনাকৈ দীঘল উশাহ লোৱা দেখি সি বিমোৰত পৰিল। সেই সময়ত মাকৰ বিছনাৰ ফালে চাই (মাকৰ মূৰটো এইফালে আছিল আৰু সাত-আঠ খোজ মানহে আঁতৰত) সি থিয় হ'ল আৰু গুদা ভৰিৰে দানীৰ বিছনাৰ ঢাৰিত বহিলগৈ।

“ভাই...” সি মাত মাতিবলৈ নৌয়েই দানীৰ, চকুৰপৰা ওলোৱা পানীৰ ধাৰা দেখি স্তব্ধ হৈ ৰ'ল। এবাৰ পুনৰ মাকৰ বিছনাৰ ফালে চালে। তাৰ পিছত বকুল গছৰ ওপৰৰ চন্দ্ৰটোৰ ফালে। প্ৰথমে জোনাকৰ স্নিগ্ধতা অনুভৱ কৰিলে, তাৰ পিছত জুইৰ কাষত মম গলাৰ নিচিনাকৈ গৰমত তাৰ গাটোৰপৰা ঘাম ওলাবলৈ ধৰিলে, পুনৰ যেতিয়া মাত ওলাল তেতিয়া যেন শব্দবোৰ হুনি খাইহে বাহিৰ ওলাল, “তোৰ মাজে মাজে এইবোৰ কি হয়?” তাৰ আঙুলিকেইটাৰে দানীৰ চকুৰ পানীৰে তিতি

থকা চকুকেইটা মচি মৰমলগা মাতেৰে ক'লে আৰু হাউলি তাৰ মুখখন তাইৰ মুখত লগাই দিলে।

কিযে আচৰিত কথা, সেই সময়ত দানীৰ কান্দোনে বান্ধ ভাঙি ওলাই আহিল। নিজকে শাসন কৰিবৰ কাৰণে বহুত চেষ্টা কৰিলে, কিন্তু যেতিয়া শাসন কৰিব নোৱাৰিলে, মোদনকে নিজৰ বাহু দুটাৰে জোৰেৰে ধৰি, নিজৰ কোমল, পাতল দেহাটোৰে তাৰ কান্ধ আৰু ডিঙিৰ ভিতৰত নিজকে সুমুৱাই ল'লে। তাৰ ডিঙিৰ ওপৰৰ থৰথৰীয়া চালখনত ইমান জোৰেৰে ওঁঠখন মোহাৰিলে যে, মোদনৰ সেইখন ওঁঠ সহয় অওঠা যেনহে লাগিল। মোদনে লৰচৰ নকৰাকৈ তাইৰ গৰম শৰীৰটো সাৱটি ধৰি থাকিল। দানীৰ বাহু আৰু ওঁঠৰ স্পৰ্শ আৰু বুকুৰ উত্তেজনা বহুত দেৰীলৈকে ঢিলা নহ'ল। কিন্তু হঠাতে তাইৰ গোটেই অঙ্গ-প্ৰত্যঙ্গ ৰবৰৰ নিচিনা চেঁচা পৰি গ'ল, খাজোন ঢিলা হৈ গ'ল।

কিছু সময়ৰ পিছত মোদনে যেতিয়া তাইৰ মূৰত লাহে লাহে হাত বুলাবলৈ ধৰিলে আৰু সোঁহাতেৰে তাইৰ তিতি থকা শৰীৰটো খাৰে খাৰে চুই তাইক মাতিবলৈ চেষ্টা কৰিলে, তেতিয়া দানীয়ে নিৰ্বাক চকুকেইটাৰে মনে মনে চন্দ্ৰৰপৰা ওলোৱা জোনাক চাবলৈ ধৰিলে। মাজে মাজে তাইৰ ওঁঠখনে কিবা কৈ থাকিল কিন্তু মাত বুজা নগ'ল। আৰু যেতিয়া মাত ওলাল তেতিয়া গোটেই দেহটো কঁপি উঠিল। মোদনৰ ডিঙিত আকৌ এবাৰ দুহাতেৰে ধৰি পুনৰ আলিঙ্গন কৰি ক'লে, "কেতিয়াবা কেতিয়াবা সংসাৰ নিচিনাকৈ ভয় লাগে...।"

এইবাৰ মোদনেও তাইক জোৰেৰে দুবাহুৰ মাজত সুমুৱাই ল'লে যেন তাইৰ ভয় নাইকিয়া কৰি দিব খুজিছে। কিন্তু তাৰ পিছত তাৰ হাঁহি থকা চকুকেইটাও সেমেকি গ'ল। সেই ৰাতি গেলুক আনখন বিছনাত শুৱাই লৈ মোদনে দানীক ৰাতিপুৱালৈকে নিজৰ লগত সক ল'বা বথাদি ৰাখিলে, তাই যেন ফুচুল খাই শুই গ'ল। কিন্তু যেতিয়াই মোদনৰ চকু আপ খাব খোজে তাই ধপহকৰে সাৰ পাই যায়। ভয়ত সাৰ পাই উঠা দানীক কিছুসময়লৈকে নতুন কেঁচুৱাৰ নিচিনা লাগে। এবাৰ সাৰ পালেই আকৌ চৰাইৰ নিচিনাকৈ দানীৰ বুকুৰ ধৰফৰণি উঠে আৰু তাই দুনাই মুদিব নোৱৰা হৈ পৰে।

ৰাতিপুৱা উঠিয়েই সি কলডুৰ ঘৰ পালেগৈ। তাৰ লগত কোনো পৰামৰ্শ নকৰাকৈয়ে তাক ক'লেগৈ যাতে সি দানীৰ মাকৰ ঘৰত খবৰ দিয়েগৈ যেন কোনোবা আহি তাইক মাকৰ ঘৰলৈ লৈ যায়। তেতিয়া হয়তো তাইৰ মনটো ভাল লাগিব। আৰু যদি প্ৰসৱ তাতে কৰায় তেতিয়াতো আৰু ভালহে হ'ব।

"বাহ্, তই কি কথাবোৰ কৈছ ?" কলছুৱে চকু নক কৰি থঙেৰে ক'লে, "ছোবাজীৰ মৰমকনো কোনোবা বুদ্ধিমান মানুহে বিশ্বাস কৰেনে ? যদি প্ৰসৱ কৰাবলৈও ইচ্ছা কৰে তেন্তে এইটো জানো কটিতকৈও দাবী হ'ব ? তদুপৰি এইৰ মাৰেক এইৰ মাকৰ দাবী। মই তাক একো বিশ্বাস নকৰোঁ।"

"সি যদি ইমান বেয়া মানুহ, তেনেহ'লে তই মোক তাৰ জগত বাছ খুৱালি কিয় ?"

"তোৰে শপত !" কলছুৱে সেই সময়ত কথা সজনি কৰি হাঁহি পেলাই ক'লে, "পগলাটো ক'ৰবাৰ ! আমাৰ সেই আপদটোক আমাৰ কিহৰ দৰ্কাৰ ? আমি হীৰাৰ টুকুৰা পাইছোঁ, লাগিলে ক'লা চোৰবপৰাই পাওঁ—আমাৰ কিটো ?"

মোদনে প্ৰথমে মিচিকিয়ালে, কিন্তু তাৰ পিছত সেই মুহূৰ্ত্ততে গম্ভীৰ হৈ পৰিল। তাৰ যেন ভয় ভয় লাগিল। আৰু তাৰ পিছত সি এইবোৰ কথা শুনিয়ালে।

পিছে আহিন সোমাওঁতেই দানীৰ সক ভায়েক বৰিয়াম্বা নিজে নিজেই ওলালহি। সি দানীক নিবলৈ আহিছোঁ বুলি ক'লে। মোদন বোধোৰ-মোধোৰত পৰিল। সক মাতেৰে ক'লে "মোৰ কোনো আপত্তি নাই, তোমাৰ বায়েৰাক সুধি লোৱা।"

"চৰ্দাৰজী, বাইদেউকনো কি সুধিম ? আপোনাৰ সম্মতিৰ অবিহনে মই তাইক কেনেকৈ লৈ যাম ?"

দুটা [illegible]কেট থকা পাগুৰি, মাটিত লাগি যোৱা কঁকালৰ পটে, কটা দাড়ি আৰু ৰঙীন চকুৰ থুলশালীয়েকৰ ফালে চাই মোদনৰ বিশ্বাস নহ'ল যে, এনেকুৱা মানুহে ইমান আত্মীয়তাৰে মিঠা মাতেৰে এইদৰে কথা ক'ব পাৰে। কিন্তু লগে লগেই যেন কিবা এটা অজান ভয়ত তাৰ মনটো কঁপিবলৈ ধৰিলে।

"মোৰ সম্মতিৰ কি কথা, মই তোমালোকৰপৰা বাহিৰ নহয় নহয়।" সি পুনৰ সেই অস্পষ্ট কথা ক'লে। "তোমাৰ বাইদেৱেৰাৰ জগত কথা পাতি যেনেকৈ মন যায় কৰি লোৱা।"

পিছে দানীৰো এই অৱস্থাই হৈছিল। তাই যাবলৈ খুখুজিছিল, কিন্তু ভায়েকৰ অনুৰোধো অগ্ৰাহ্য কৰিবলৈ টান হ'ল। "তোৰ বোৱাৰীয়েৰ খৰ উদাস হৈ আছে। কৈছে যে—এবাৰ আহি লগ পাই যাওক, লাগিলে পিছদিনাই ঘূৰি যাব।" সি এদিন এৰাতি এই একেষাৰ কথাকে কেইবাৰ যে ক'লে।

বাতি মোদনে অকলেও দানীৰ লগত পৰামৰ্শ কৰিলে। সেই সময়তো দানীৰ স্থিতি অস্থিৰ আছিল। এটাই আমটোক মাত্ৰ এইবুলিহে কৈ থাকিল, "ঠিক কৰ। তোৰ যি ইচ্ছা, তই যেনেকৈ কৰ।"

ক'ৰবালৈ বা কোৱাৰবলৈ কাৰ কিটো আছিল ? ৰবিয়ামে চিঠী যদৰ কৰি মোৰ দিলে আৰু সাতদিনৰ পিছত নিজেই আহি মৈ মোবাৰ খলত থাই, দানীক লগত লৈ গ'ল।

কলহ কোনোবাকালে বাহিৰলৈ গৈছিল। চাৰি দিনৰ মূৰত ঘূৰি আহি যেতিয়া এইটো খবৰ শুনিলে, তেতিয়া সি অলপহে হৈ ক'লে, "তই এইটো কৰিব লেলাগিছিল। মোক যদি সুধিলিহেঁতেন ! বাক যি হৈ গ'ল ভালেই হ'ল। পিছে, তই বুঢ়িয়েকৰ কাম নকৰিলি—উৎসৱৰ দিনা ঘৰৰপৰা লক্ষ্মী উলিয়াই দি! বাক···কোনো কথা নাই।"

মোহনৰ কেৱল কলহৰে কওঁতেহে মনত পৰিল যে যিদিনাখন দানী গৈছিল, সেই-দিনাখন দশেৰা আছিল।

দানীৰ অবিহনে গোটেই ঘৰখাৰী যেন শুদা হৈ গ'ল। মোহাকেশৰ মোহনৰ মনত ভয়ৰ ভাব হ'বলৈ ধৰিলে। তাৰ মন একো কথাতে নবহা হ'ল।

দুদিন-চাৰিদিনকৈ দহদিন পাৰ হ'ল, কিন্তু দানীক খ'বলৈ কোনো নাহিল। ভুল্লেকৰ এজন সম্বন্ধীয় মানুহৰ হাতত খবৰ পঠিয়ালত, সাত-আঠদিনমানৰ মূৰত মাত্ৰ এইটো খবৰ আহিল যে দানীৰ লক বৌৱেকৰ বেমাৰ, সেই কাৰণে আৰু কেইদিনমান ৰন্ধা-বঢ়াৰ কাৰণে থাকিব লাগিব। প্ৰথমে মোহনে ভিজে গৈ খবৰ লৈ আহিবগৈ বুলি ভাবিলে, কিন্তু পিছত মনে নক'লে। দ্বিতীয়তে, এই কথাটো লক যেনো লাগিল।

কিন্তু পোন্ধৰ দিনৰ পিছত ৰবিয়ামা নিজেই আহিল। বৈণীয়েকৰ বেমাৰৰ বিষয়ে বহলাই ক'লে আৰু তাৰ পিছত মোহনক নকলো কথা বুজাই আগ্ৰহেৰে ক'লে, "বুজিছে চৰ্দাৰজী, আপোনাৰ খোৰা-বোৰাৰ কষ্টৰ কথা মই ভালদৰে বুজিছোঁ, কিন্তু আমাৰনো আৰু আছে কোন ? ডাঙৰ ভনীজনী মৰা সাত বছৰ হ'ল। গতিকে আমিনো আৰু কাৰ লগত থাকিম ? আৰু আমাৰ কিছুমান কালো ইমান খেলিমেলি হৈ গৈছে যে পিছলৈ পৰি গৈ আছে। কিন্তু যদি আপুনি কয় মই ভনীক আহা অসাৰভ্ৰান্ত কৈ ৰাখিছি। মোক আবেশ দিয়ক। কিন্তু আপোনাৰ বৌৱেতো মামানে। কৈছে যে দানীৰ প্ৰণৰ ইয়াতে কৰাৰ।"

এইটো কথা মনত পৰিলত মোহন হঠাৎ চিন্তিত হৈ পৰিল। যদি দানীৰ প্ৰণৰ ইয়াত কৰোৱা যায় তেনেহ'লে তাইক কোনে চলাজিব ? আয়ে চৌকাচৌকে কোনো-মতেহে চলাজিব পাৰিছে। গোবৰ-চোৰৰ ওচোৱাৰ কামবোৰ কোনোমতে সি নিজেই কৰিছে। ৰবিয়ামৰ কথা শুনি সি মনে মনে সুখী হ'ল, আৰু ক'লে, "এই বিলয়তো

মই সেই সময়তেই কৈ দিছোঁ ভাই, মই তোমালোকৰ পৰ নেকি? তোমালোকে যেনেকৈ কোৱা তেনেকৈয়েই কৰিম।"

ৰবিয়ামাই সুখী হৈ, সন্তোষ মনেৰে পুনৰ গাঁৱলৈ ঘূৰি গ'ল। কিন্তু কমলচুৱে যেতিয়া গোটেই কথাটো গম পালে তেতিয়া জ্বলি উঠিল, "ভাই মোদনা, এইটো মিছা কথা।" সি ডবকৰ নিচিনাকৈ মুখটো লৰাই ক'লে, "সঁচাকৈয়ে ক'বলৈ গ'লে এই কথাটোত মই সম্পূৰ্ণ অসুখী হৈছোঁ। তই সিহঁতক বেছি জান নে মই?...কচোন! মই তোক কৈ থৈছোঁ ভাই—ভায়েকৰ হাতত দানীক পঠিয়াব নেলাগিছিল। বাক সেইটো কথা গ'ল। কিন্তু এতিয়া তই তাইক তাত কেলৈ থৈছ; তোৰ কি সন্তোষ হৈছে? কেনেকৈ জানিবি সি চালাই বেমাৰৰ কথা উলিয়াই তাইক ৰাখি থৈছে?"

"সিহঁতক ৰাখি খুৱাবৰ যি ইচ্ছা।" মোদনে ব্যঙ্গৰে হাঁহি মাৰি ক'লে।

"তই এইবোৰ কথা কি বুজিবি মোদন সিংহ?" বৰ জ্ঞানী বুঢ়াৰ নিচিনাকৈ কমলচুৱে মুখটো লৰাই ক'লে, "যি হ'ব লগা আছিল সেইটোৱেই হ'ল, কয়েই নহয় যাৰ লগত যিহৰ সম্বন্ধ আছে সিহে জানে।...বাক ভগৱানে সুখে ৰাখিলে, মই চাৰি-পাঁচ দিনতে নিজেই যাম। যাবই লাগিব—তই থাক... ।"

কিন্তু চাৰি-পাঁচ দিনৰ ঠাইত চাৰি-পাঁচ সপ্তাহ পাৰ হৈ গ'ল। নাই কমচু যাব পাৰিলে নাই মোদন যাব পাৰিলে (এইবাৰ আগৰেপৰাই ৰবি শস্য লগাবলৈ ভাবি থৈছিল—যি কাৰণে দিনে-ৰাতিয়ে এটা ভৰি এইখন খেতিত আছিল আৰু আনটো ভৰি সেইখন খেতিত)। ইয়াৰ ভিতৰতে দানীৰ মাকৰ ঘৰৰপৰা এবাৰ খবৰ আৰু এবাৰ চিঠিও আহিল; দানীৰ বোৱেক এতিয়া ভালেই আছে, কিন্তু দানী প্ৰসৱৰ পিছতহে আহিব। বাকী সকলো ভালেই।"

মোদনৰ মনটো ভাল লাগি গ'ল। কমচুৱেও দুই-এদিন খেচখেচাই পাকি মনে মনে থাকিল। তাৰ পিছত দুয়োটাই কামত ইমান ব্যস্ত হৈ গ'ল যে কিছু দিনলৈকে কথাটো পাহৰি যোৱাৰ দৰে হ'ল।

কিন্তু এদিন অজানিতেই যেন 'ভূমিকম্প' আহিল—গোটেই পৃথিৱীখন কৰড়ী (তিয়ঁহৰ) নিচিনাকৈ ফাটি গ'ল—সকলো বস্তু ফাটি গ'ল। সক আহিলত তাক কান্দোন ওলাল। মোদনে বাৰে বাৰে সুধি, টান মাত মাতিলত সি ক'লে যে ঘণেৰ ডাঙৰ ল'ৰাটোৱে আজি তাক বহুত কথা শুনাইছে।

"অকল কিবা কথা বোধকৰোঁ হৈছে?" মোদনে নিজকে সংযত কৰি ক'লে।

সকয়ে চত্তাল ক'লে, "মই তাৰ আখিয়াৰৰ লগত কথা পাতি উবং কপাহ গুজিয়েছি

গৰুগাড়ীখন উলিয়ালোঁ। তেতিয়া প্ৰথমে সি দুৰ্বলপৰা চাই কথা ক'লে, "কি হ'ল এতিয়া যাব লগা হ'ল? গম পালি নহয়?...তাৰ পিছত চিধা ওপৰতে পৰি ক'বলৈ লাগিল, 'খবৰদাৰ', এইফালে কেতিয়াবা গৰুগাড়ী আনিবিচো। (সকলে সত্তৰ খণ্ডতেই চিধাই আহিছিল, সি সম্ভৱ ভবাই নাছিল যে যদি সি েগ ঠাণ্ডা হোৱাৰ আগতেই কথাটো কয়, তেতিয়া মোদনৰ ওপৰত ইয়াৰ প্ৰভাৱ কেনেকৈ পৰিব)

মোদন সেই মুহূৰ্ত্ততে উঠি থিয় হ'ল আৰু ঘণেৰ ল'ৰাৰ নাম লৈ মাকক গালি দি দাঁত কামুৰি কোঠাৰ ভিতৰলৈ সোমাই গ'ল। নিজৰ মূৰ্খতাৰ কাৰণে পস্তাই, সকলে মোদনক শান্ত কৰিবলৈ চেষ্টা কৰি বিছনাত বহুৱাই বুজাবলৈ লাগিল। কিবা কৰিব-লগীয়া হোৱা হ'লে লিয়েই পাৰিলেহেঁতেন। সি ঘণেৰ ছুয়োটা ল'ৰাৰ সন্মুখীন হ'বলৈ নিশকতীয়া নাছিল। পিছে সি কথাটোৰ কিবা নহয় কিবা প্ৰকাৰে অৰ্থ উলিয়াবলৈ চাইছিল। সকলে বুজাই-বৰাই মোদনক শান্ত কৰিব পৰাৰ আশা নাছিলেই যেনিবা, তেনেতে কলহু আহি পালেহি। গোটেই কথাটো গম পোৱাৰ পিছত তাৰ পৰি থকা চেহেৰাটো আৰু ক'লা হৈ পৰিল।

"বাৰু...পিছে কথাটোতো বৰ বেয়া হ'ল।" সুলফি হোৱা পাগুৰিটোত ছুই-তিনিটামান পাক দি সি আকৌ উত্তৰ দিলে, "কিন্তু এতিয়া মনে মনে থাকিলেও কাম নহ'ব—কাটিব লগা উটক মোছোকাতো মাৰিবই লাগে... !"

কলহুৰ খঙাল চেহেৰাটো দেখি সকৰ খং উঠিল; কিন্তু সি একো নক'লে।

দিনটো পাৰ হ'ল। সক ঘৰলৈ গ'ল। তাৰ মনটো অলপ ভাল লাগিল, পিছে তথাপি সি পিছফালে ঘূৰি ঘূৰি এনেকৈ চাই গ'ল যেন খেৰ থোৱা কোঠাত অলঙ্কাৰহে এৰি থৈ গৈছে।

মোদন সেই ৰাতি কলহুৰ ঘৰত শুলে। সিহঁত ছুয়োটাই বহ খাই বহুত কথা পাতিলে। মাজ ৰাতিলৈকে ডাঙৰ ডাঙৰ মাতেৰে কথা কৈ থাকিল। কলহুৱে নিজৰ চতুৰতা এনেকুৱা ঢঙেৰে দেখুৱালে যেন গোটেই কথাবোৰ শান্ত হৈ গ'ল। কিন্তু শুবৰ সময়ত মোদনে হঠাতে ক'লে, "বুজিছু, এতিয়া আৰু কোনো ভয় নাই... ।"

"কিহৰ?" কলহুৱে স্তব্ধ হৈ মোদনৰ ফালে চালে। কিন্তু ৰাতিৰ অন্ধকাৰৰ কাৰণে তাৰ চেহেৰাৰ ৰূপ প্ৰত্যক্ষভাৱেহে দেখা নাপালে।

"যি কোনো কথাৰে... !"

কলহুৱে তাৰ মাততেই বুজিলে যে 'যি হ'ব লগা আছিল সেয়া হৈ গ'ল।' এতিয়া কেৱল এই কাজিয়াখন কিবা নহয় কিবা উপায়েৰে একেবাৰে অকণমান লোকচাৰ

হওঁতেই শাম কটাই দিয়াৰ বাহিৰে আন উপায় নাই। সেইখিনি কোৱাৰ পিছত সত্বৰ মোহন গুলে, কিন্তু কলছুৰ ৰাতিপুৱালৈকে টোপনি নাহিল।

পিছদিনাখন মোহনে হাল জুৰি কলছুৰ খেতিলৈ গ'লত কলছুৱে তাক থ'বলৈ তালৈকে আহিল। উভতিবৰ সময়ত তাক সৰু ল'ৰাক বুজোৱাদি বুজাই ক'লে, “বুজিছ মোহনা, মই অহালৈকে ইয়াতে থাকিবি। ওঁৰাজত ল'ৰাটো বহুৱাই থৈ মই এতিয়াই কটি লৈ আহিম।”

মোহনে যেন তাৰ কথাটো বুজি নেপালে। সি মনে মনে হালখন জুৰিলে। শুকান মাটিত জোৰ হাত জোৰ হাত দ কাট দেখি তাৰ মনটো ওপৰে ওপৰে উৎফুল্লিত হ'ল। য'ত য'ত মাটি কোমল আছিল, সেই ঠাইত সি নাঙলৰ ফালডাল জোৰেৰে হেঁচি দিয়ে আৰু তেতিয়া ফালেৰে সৈতে তলৰ ভাগটো মাটিত গৈ সোমায়গৈ। পিছে কলছুৰ সৰু গৰুটোৱে এনেকুৱা জোৰ দেখুৱাইছিল যে তাক এই সময়ত চম্ভালিব লগা হৈছিল। যদি জোৰেৰে হালখন ওলাই আহে তেনেহ'লে খুৰা কাটিব পাৰে। সেই সময়ত মোহনে গৰুৰ পাতল ভৰি আৰু খুৰাৰ ফালে চালে। তাৰ ভাব হ'ল যেন খুৰা ৰক্তাক্ত হৈ গ'ল…।

“হেৰ, ব, জীয়াই থকাৰ যোগ্য।” সেই সময়ত সি গৰুটোক নিজৰ অধীনত আনিবলৈ, যথাৰলৈ চালে। কিন্তু কিয় জানো তাৰ মুখেদি শব্দ কেনেকৈ ওলাইছিল; দুয়োটা গৰুৱে ৰঙক ছাবি জোৰেৰেহে খোজ দিবলৈ ধৰিলে।

সি কোনোমতে দহখাৰ মান হাল বাওঁতেই বেলি দুহাত ওপৰ পালেহি। তাৰ ভৰি আৰু আঁঠুত আহি বেলি পৰা দেখি গৰুহাল থিয় কৰাই চাপৰ ওপৰত বহিল। তাৰ সংগোৰী গৰুটোৱে চকু মুদি ঘাঁহ পাগুলিবলৈ ধৰিলে। কিন্তু কলছুৰ গৰুটোৱে জঙ্গলী গৰুৰ নিচিনাকৈ খঙাল দৃষ্টিৰে ওচৰে-পাজৰে ঘূৰি ফুৰিলে।

মোহনে দূৰলৈকে বহুত দূৰলৈকে দৃষ্টি নিক্ষেপ কৰিলে, ঠায়ে ঠায়ে খেতিৰ কপাহৰ শুকান ঠাৰিবোৰ জেওৰ কোঠাৰ দুৱাৰৰ শলখাৰ নিচিনা লাগিল। তাৰ মাজে মাজে কই দিয়া সেউজীয়া শৰিয়হৰ বিশৃঙ্খল খেতিৰ মাজত এনেকুৱা দেখিছিল যেন কোনোবা অশিক্ষিত তিৰোতাই ময়লা কটা চেলোৱাৰত বিভিন্ন ৰঙৰ টাপলিহে মাৰিছে। কিন্তু কলছুৰ মাটিৰ ওচৰৰ খেতিবলা বিস্তৃত অঞ্চললৈ বিয়পি থকা কুঁহিয়াৰৰ মাজত শিত গছৰ বোৰা পুলিবোৰৰ দাঁতিত কুঁহিয়াৰ, কপাহ আৰু ৰবি খেতিৰ সেউজসূচীয়া ৰঙে সেই গোটেইখন ঠাই আনকি এই গাঁওখনৰ শেষলৈকে উজলাই তুলিছিল—যেন পৃথিৱীৰ ভাগ্য উদয় হৈছে। পিছে এতিয়াই তাৰ মনত পৰিল যে সেইখিনিৰ

আঘাতকৈও বেছি 'লেউজীয়া' ভাগৰ মাজিক ৰঙৰ লʼৰা আৰু মীৰাৰৱহে, তেতিয়া পোটেই মাটিখিনিৰপৰা ধোঁৱা ওলোৱা যেন লাগিল, তাৰ পিছত দুই ওলোৱা দেখিলে আৰু সঁচাকৈয়ে চাৰিও ফালৰপৰা ধোঁৱা আহিবলৈ ধৰিলে··· ।

সি সোনকালে উঠি নগৌৰী গৰুটোৰ কালে মন নকৰাকৈয়েই দুয়োটা গৰুকে জুৰি লৈ এছাট এছাট লগাই দিলে। গৰুকেইটাই ভয় খাই দৌৰ মাৰিলত হালখন কোনোমতেহে চম্ভালিলে।

"তোৰ তেজ পিম", দাঁত কৰচি কৰচি দুইটা গৰুকে একোৰ একোৰ মাৰি হাত নমালে আৰু চাৰিটুকুৰা মাটি আটা পিহাৰ নিচিনাকৈ চকুৰ পচাৰতে পুৰা কৰিলে।

পিছে সেইখিনি ঠাই পাই তাৰ আকৌ আঁঠু আৰু জোৰাবোৰ অৱশ হৈ যোৱা যেন লাগিল, মূৰ তললৈ কৰি সি গৰুকেইটাক মৰম কৰিলে আৰু সিহঁতৰ খোজ ঢিলাই দিলে।

আগৰ মাটিডোখৰত হাল চলোৱাৰ সময়ত পোনতে চকুকেইটা জলক-তবক লাগিল আৰু তাৰ পিছত কিছুমান মানুহৰ আচৰিত চেহেৰা দেখিবলৈ পালে। এটাৰ নাক আৰু দাড়ি ঘণেৰ নিচিনা; এটাৰ চকু দানীৰ, আৰু শৰীৰটো নিহালী খুৰীৰ দৰে; এটাৰ চেহেৰা সম্পূৰ্ণ ভূতৰ নিচিনা আৰু ভৰিকেইটা ডাইনীৰ নিচিনা ওভোতা··· ।

"হে ভগৱান।" সি উচপ খাই মূৰটো ওপৰলৈ তুলিলে আৰু চেকনিডালেৰে লাহেকৈ দুয়োটা গৰুৰ টিকা চুই পোৱাকৈ লৰথৰাই কʼলে, "আৰে মোৰ সোণাই, জীয়াই থাক—চম্ভালি, চম্ভালি।"

কিন্তু সি চম্ভালি চলিবলৈ কোৱাৰ সময়ত সি নিজৰ ভৰিকেইটা কেতিয়াবা পাক খাই খাই চাৰিওফালে আৰু কেতিয়াবা হালখনৰ বাহিৰে ওলাই নেজৰ আগটোৰ দৰে ইকাল-সিকাল কৰি থকা যেন লাগিল। কলহু কটি লৈ আহিল। পিছে তাৰ এতিয়ালৈকে আধা খেতিতো হাল যোৱা হোৱা নাছিল। কটি খাবলৈ বহিলত কলহুৱে ভাওৰ মাতেৰে হাঁহি হাঁহি নিহালী খুৰীৰ ভাওৰ পুতেকৰ কথা কʼবলৈ আৰম্ভ কৰিলে, যাৰ বৈণীয়েক মাকৰ ঘৰলৈ প্ৰসৱ কৰিবলৈ গৈছিল।

চাজাই মাজ ৰাতি তোৰা মুচিৰামীৰ ঘৰত লৈ সোমাইছিলগৈ...ইকালে তাত জুমুৰ টোপনি ভাগিল, তাৰ চিকচিকাই থকা তৰোৱাল দেখি সি ভয় খাই গʼল আৰু কʼবলৈ ধৰিলে যে "মই যাৰ জোতাবোৰৰ কথা সুধিবলৈ আহিছিলোঁ।" ইকালে জুমুও আছিল তাৰ বাপেক। সিও সুধিলে, "মানৰ জোতা কি আজি ৰাতিয়েই লাগে নেকি? আৰু এদিন-দুদিনমান কাম চলাব নোৱাৰনে?" জুমুৱে তাক ধৰিলত সি

নিৰ্লজ্জভাৱে উত্তৰ দিলে, "অন্ততঃ চাৰি-পাঁচ দিনমান কাম চলিব...." আৰু সি কাপৰৰ মোহাৰি ভাবপৰা থুৰি আছিল। হেৰ নীচ জাতৰ পোৱালী, যদি লুটি খাই পৰিব খুজিছ তেতিয়া হ'লে ভাল ঠাইত পৰচোন। কাউৰীৰ মিচিনাকৈ লেতেৰা ঠাইত খুটিয়াই ফুৰ কেলৈ? সেই মুচিয়নীজনীৰ চেহেৰাটোলৈ হেৰৌ চাচোন। মানুহ হৈও তাইৰ ভাইনীৰ নিচিনা দাঁত।

এইটো কথা এৰি কলহুৱে অইন এটা কথা উলিয়ালে। পিছে, মোদনৰ ভাব হ'ল যেন কলহুৱে তাক নিচুকাইছেহে। এইটো ভাবি সি থং কৰি কটিএৰি থিয় হ'ল।

সেইদিনা গধূলি কলহুৰপৰা লুকাই মনে মনে এবটল মদ উলিয়াই ঘৰলৈ থালে। আবোল-তাবোল কথা কৈ কটি খাই সি বিছনাত ইকাটি-সিকাটি কৰি থাকিল। সকবে কোৱা কথাবোৰে তাৰ গাত কাঁইটে বিন্ধাদি বিন্ধিবলৈ ধৰিলে। অশান্তি বাঢ়ি গ'ল। ধপহকৈ সি বিছনাৰপৰা উঠিল।

"কি হৈছে?" কলহুৱে টোপনিৰ আলতে ব্যাকুল হৈ সুধিলে। কঁপা কঁপা হাতেৰে সি মুৰত পাগুৰিটো মেৰিয়াই ক'লে, "একো হোৱা নাই। এনেয়েহে মনলৈ কিবা ভাববোৰ আহিছিল।"

কলহুৱে শুই শুয়েই ক'লে, "কলহৰপৰা পানী এগিলাচ লৈ থা।" পিছে মোদনে মুৰত পাগুৰিটো মৰাৰ কথাটো মনত পৰি সি উঠি বহিল আৰু তাক সুধিলে, "কিন্তু তই এইটো সময়ত কলৈ যাব?"

"ঘৰলৈ।"

"ঘৰলৈ?"

"হুঁ।"

মোদনে মাতবোল নকৰাকৈ ওলাই গ'ল। কলহু সঁচাকৈয়ে হতভম্ব হ'ল, সিও জোতা পিন্ধি, পাগুৰি মাৰি তাৰ পিছে পিছে গ'ল। বাহিৰৰ ৰাস্তা পাই দেখিলে মোদনৰ ভৰি থৰক-বৰক কৰিছে। সি তাৰ খোজ বেগাই দিলে। কিন্তু মোদন ইমান বেগেৰে গৈছিল যে কলহুৱে তাক লগ ধৰিবকে নোৱাৰিলেগৈ। কলহু অলপ দূৰ যোৱাৰ পিছতেই মোদনে বাটটো ঘূৰিলে। মোদন যেতিয়া হাতত যাঠি লৈ নিহালী খুৰীৰ ঘৰৰ ওচৰ পালেগৈ তেতিয়া কলহুৱে ভয়ে ভয়ে ঘৰৰপৰা দা-খন লৈ তাৰ লগত লৈ লগ লাগিলগৈ। (তাৰ নিচাও যেন আজি মোদনৰ নিচিনাকৈ কতাহ জাগি জজি উঠিল।)

"বুজিছ, আজি পুনৰ তই তোৰ শত্ৰুক নৈধান কৰাই ল। আমাৰ হ'ব আৰু...."

সি পিছফালৰপৰা মোহনক আশ্বাস দিলে। মোহনে পিছফালে খুবি চালে আৰু লগে লগে ডাঙৰ মাতেৰে গৰজি উঠিল। "অই, উৰাই দিম চালাইতক আজি! ···কোনোবা আছ যদি ওলাই আহ ইয়ালৈ!···জোঁৱায়েৰৰ ওচৰলৈ ওলাই আহ— আহি প্ৰণাম কৰহি...।"

আৰু লগে লগে যেন গোটেই গাঁওখন ধ্বংস হৈ গ'ল। মানুহবোৰ উঠি ঘৰৰ ভিতৰত মনে মনে বহিল; কেৱল ঘণেৰ ঘৰৰ ভিতৰত হুলস্থুল শুনা গ'ল।

মোহনে গলিটোৰ পাকটোৰ দাঁতিয়েদি দৌৰি গৈ চিধাই ঘণেৰ ঘৰৰ ডাঙৰ দুৱাৰ-খনৰ মুখত থিয় দিলেগৈ আৰু ঘণেৰ নাম লৈ উটৰ নিচিনাকৈ জোৰজোৰাই হুৱাৰ মাৰিলে, "আহ, অই ঘণে, এইবাৰ আকৌ তোক সকটোৰ লৈতে লৈ যাওঁ।···আহ, বাহিৰলৈ ওলাই আহ, বৰ সাহসীকিটা। তইঁতে আজিলৈকে মই চিধা কৰি পেলোৱা, মেড়টো এতিয়ালৈকে বেঁকা কৰিব নোৱাৰিলি। অই...আহ, কোনোবাই আহি তইঁতৰ জোঁৱায়েৰৰ লগত যুঁজ লগাহি। হো···এ···এ...হিচ···চি...।" আৰু তাৰ মনৰ ভিতৰত জ্বলা জুইকুৰা যেন ভিতৰতে জ্বলি উঠিল।

ঘণেৰ পকা দুৱাৰখনৰ খিৰিকীৰ ওপৰেদি কোনোবাই মূৰ উলিয়াই চালে আৰু সেই সময়তে ভিতৰৰপৰা কন্দ কণ্ঠৰ প্ৰলাপ শুনিবলৈ পোৱা গ'ল। মোহনে খিৰিকী-খনৰ ফালে চকু দি তুখোজ পিছলৈ গ'ল আৰু পুনৰ জোৰেৰে লাঠিডাল মাটিত খোচ মাৰি দি আকৌ এবাৰ গৰ্জিলে, "কোনোবা জীয়াই আছ নেকি, ঘণেৰ জোঁৱায়েকৰ লগত এখুন্দা লাগিব পৰা ?"

"অই, আকৌ ফিৰি যাব নোৱাৰিবি", ঘণেৰ চোতালৰপৰা উত্তৰ আহিল, আৰু তাৰ পিছতেই দুৱাৰ খুলিলত দুনলীয়া বন্দুকটো গৰজি উঠিল। মোহনে ক'ব নোৱাৰা হৈ, লাঠি চিধা কৰি দুৱাৰমুখত থিয় হৈ থকা ঘণেৰ সক ল'ৰাটোৰ ফালে চোঁচা মাৰি গ'ল। কিন্তু সি পিছলৈ গৈ দুৱাৰৰ আঁৰত লুকালগৈ। লাঠিডাল দুৱাৰ দলিত ঠেকা খাই ছিটিকি পৰিল আৰু মোহনৰ ভৰি পিছলি গ'ল।

"বাচি আহিলিনে মোহন।" পিছফালৰপৰা কলহুৰ মাত শুনা গ'ল।

পিছে এনে সময়তে সন্মুখৰ ফালৰপৰা হাতত দা-খন লৈ লক্ষনক দৌৰি অহা, দেখিলে। কলহু মোহনৰ ফালে গুলীটো অহা'দ আহিল। কিন্তু ইতিমধ্যে দেৰি হৈয়েই গ'ল। কলহু আহি পোৱাৰ আগতেই লক্ষনে মোহনৰ ওপৰত দা-খনেৰে দুখাপ মাৰিলে।

"ঘৰৰ ভিতৰতে কাটি মৰ কেনৈ, অই চুচৰন।" কলহুৱে লক্ষনৰ মূৰৰ ওচৰলৈ

আহি আকৌ গুজৰিলে আৰু লগে লগে এটা ঘাপ সজ্জনৰ কান্ধত মাৰি দিলে।

দা-ৰ ঘাপ লাগিলত সজ্জনে ধৰফৰাই বেৰত খুন্দা খালেগৈ। পিছে সি উঠি আহি দাঁত কৰচি কলহুৰ ওপৰত জঁপিয়াই পৰিলত কলহুৱে চিধাই দা-খন মাৰি তাৰ দা-খনৰ নালডালৰ তলকালে গাজৰ কটাদি কাটি পেলালে, আৰু দাঁত কৰচি চিঞৰিবলৈ ধৰিলে, "গুচি যা সজ্জন, গোটেইখন ঘৰ ধ্বংস হৈ যাব।....মই বেয়া কাম কৰিপেলাম... গুচি যা···।"

সজ্জনে কঁকালৰ পটি-ছটা চন্তালি লৈ দৌৰ মাৰি ঘণেৰ ঘৰৰ ভিতৰত সোমাল। কলহুৱে ভিতৰৰপৰা তাৰ দৰিওৱা মাত শুনিলে। "ই চালা ছচমনে আমাৰ গোটেই ঘৰখন ধ্বংস কৰিহে এৰিলে; কোনোফালেদি নেৰিলে। অই মোদনা তোক চোবাওঁ আহ, অই।"

সাপুৰ নিচিনাকৈ উভতি মোদনে চিৰিৰ ওচৰত পৰি আছিল, তাৰ চোলা, পাগুৰিটো তেজেৰে লুতুৰি-পুতুৰি হৈ আছিল। তাৰ ওপৰত চকু পৰিলতহে কলহুৰ কলিজাৰপৰা এহাতমান দীঘল হুমুনিয়াহ ওলাল, আৰু সি নিজৰ অন্তৰৰ ভিতৰত গৰজি থকা ৰাক্ষসৰ গৰ্জন শুনিবলৈ পালে। চকুৰ আগত ডাঙৰ ডাঙৰ আকাৰৰ জুইৰ শিখা দেখিবলৈ পালে। ডেকা কালৰ বন্ধু, আটৈ সেৰ তেল ঢালি ক'লা কৰা নালডালৰ লগত বৰ্চ্ছা, ঘন আন্ধাৰতো বিজুলীৰ দৰে উজ্জ্বল হৈ থকা নিজৰ দা-খনৰ ফালে চাই হুঙ্কাৰি পিছলৈ হুঁহকি গ'ল। আকৌ তৎক্ষণাৎ তাৰ পিছতে তাৰ গৰ্জনে বুঢ়া বৰগছ-জোপাৰ পাতো লৰাই তুলিলে।

"অই···আহ···ঘৰে ঘৰে কাজিয়া লগাই মৰা নাৰদবোৰ!···আহ! এতিয়া চাই লওঁ তহঁতবোৰৰ চুনজীয়াটো...অলপ বাহিৰলৈ মুখখন উলিয়াচোন। একে ফুঁতে তহঁতক উৰাই নিদিওঁ যদি ক'বি।···অই আজি কলহু জীয়াই থাকিও মৰিল... অই···।"

কিন্তু ক্ষন্তেকতে সন্মুখৰ ডাঙৰ দুৱাৰ বন্ধ হৈ গ'ল। ভিতৰত এনেকুৱা হুলস্থুল শুনা গ'ল যেন ঘণেৰ ল'ৰাহঁতৰ বৈণীয়েকবোৰে সজ্জন আৰু ঘণেৰ সৰু পুতেকক ধৰি ৰাখিব খুজিছে।

"আহ, মাৰৰ পুতেক হয় যদি···বীৰে এইদৰে বৈণীয়েকৰ কথা শুনি ৰৈ নাযায়!··· এতিয়া বাহিৰলৈ ওলাই আহচোন ডাঙৰ বীৰকেইটা। মোৰ অন্তৰঙ্গ বন্ধুৰ ওপৰত ভিৰোত্তাৰ নিচিনাকৈ ঘাপ মৰাকিটা···!" কলহুৰ এই হুঙ্কাৰ আৰু ডাঙৰ হ'ল। গোটেই গাঁওখনৰ বেৰবোৰে শব্দ কৰিলে—যেনেকৈ বুঢ়া সিংহই গৰজে!

"চুৰি পিন্ধি ভিতৰ সোমালি, অই শিয়াল ? এতিয়া হাতৰ তলুৱাত চলুৱে চলুৱে পানী ল…মাৰৰ কোলাত সোমাই থাক—" সি পুনৰ গৰজিলে।

ভিতৰৰপৰা ওলোৱা হুলস্থুল চোতাল পাই লক হৈ গ'ল আৰু তাৰ পিছত নীৰৱতা বিৰাজ কৰিলে।

সেই সময়ত কলডুৰ পিছফালৰপৰা দৌৰি অহা কোনোবা মানুহৰ ভৰিৰ শব্দ শুনিলে আৰু সি পিছুৱাই দাখনৰ নালডাল আগতকৈ ও মজবুতকৈ ধৰিলে।

"শক্তি সঞ্চয় কৰ, মই আহিছোঁ।" কাষৰ ওপৰত কোৰখন লৈ অহা সকৱে চিঞৰিলে। কলডু পিছলৈ চুঁহকি গ'ল।

সকৱে ওচৰলৈ আহি যি দেখিলে, সেয়া দেখি তাৰ প্ৰাণ শুকাই গ'ল। কন্তেক হতভম্ব হৈ বোৱাৰ পিছত সি চিৎকাৰ কৰিবলৈ ধৰিলে, "হায়, হায় ! এয়া কি কৰিলি ?…তই যদি মোক খবৰ দিলিহেঁতেন, মই তেতিয়া আগৰ-পিছৰ কাৰোবাক এৰি দিয়া হ'লে, তই মোৰ মুখত থুৱাই দিলিহেঁতেন।" আৰু তৎক্ষণাৎ দাঁত কৰচি সক খঙত অন্ধ হৈ, গাৰ সমস্ত জোৰেৰে কোৰখন ঘণেৰ ডাঙৰ দুৱাৰখনত মাৰি দি চন্ধালিলে, "এতিয়া ক'ত লুকাই বাচি থাকবি, জোৱাঁয়েৰৰপৰা…"

কিন্তু বহুত দেৰিলৈকে ভিতৰৰপৰা একো শব্দ নোলাল। কোনো মানুহো বাহিৰ নোলাল। কলডু আৰু সকৱে বহুত দেৰিলৈকে শুজৰি গাজি পাৰি থাকিল। তাৰ পিছতহে কলডুৰ নিজৰ মূৰ্খতা উপলব্ধি কৰিলে। মোদনৰ শৰীৰৰপৰা তেজৰ নৈ বৈছিল।

"সক, মোৰ লগত ধৰি ইয়াক উঠা। সোনকালে কৰ !" কলডুৱে বহি লৈ মোদনৰ শক্তি নাইকীয়া বাহুকেইটা নিজৰ ডিঙিত সাৱটি ল'লে আৰু মোদনক চন্ধালি লৈ নিজৰ পিঠিত তুলি লৈ থিয় হ'ল।

সেই গোটেই ঘটনাটো কন্তেকতে হৈ গ'ল। সিহঁতে যেতিয়া মোদনক লৈ ঘৰ পালেগৈ, তেতিয়াহে গাঁৱৰ সভাস্থলত 'ভদ্ৰ পুৰুষ'ৰ ভিৰ হৈছিল। মধু ৰৰ বৌকা, জীৱন সিং, ৰতনা আৰু সুন্দৰ সীমা মোদনৰ ঘৰলৈ আহিল। মীৰ'ৰ আৰু বুধিয়াল দুয়োটা ঘণেৰ ঘৰলৈ গ'ল।

মোদনৰ ভালকৈ আঘাত লাগিছিল। এখাপ মুৰত, এখাপ ক'ষত আৰু তৃতীয় খাপ সোঁ ভৰিত লাগিছিল। খাপত ভৰিৰ হাড় বেঁকাকৈ ক'টিছিল। চুনলীয়াটোৰো দুই-তিনিটা গুলী কৰডনত সোমাইছিল; এটা সন্তৰ বাঁও কান্ধতো আছিল। তেজ ওলাই ওলাই তাৰ গোটেই গাটো শেঁতা পৰি গৈছিল। পিছে গান্ধীৰ-থিউ পুউৰাৰ পিছত

আৰু জখমবোৰ বান্ধি দিয়াৰ পিছত ছুচ আহিলে। কিন্তু ইফালে কোঠাটোত হৰকোৰ বেছুচ হৈ পৰি আছিল। নিহালী খুৰী আৰু দুই-এগৰাকী আন তিৰোতাই চম্ভালি আছিল।

গোটেই ৰাতি, কলচু আৰু সক মোহনৰ ওচৰত বহি থাকিল। গাঁৱৰ আগ-পিছ কৰি থকা মানুহে হৈ যোৱা কথাবোৰ ভালদৰে জানিবলৈ ইফালে-সিফালে ঢপলিয়াবলৈ ধৰিলে। প্ৰথমে মোহনক হস্পিতেললৈ নিবলৈ ব্যৱস্থা কৰা হ'ল, কিন্তু সি তালৈ যাবলৈ অনিচ্ছুক হ'ল। জীৱন সিঙে বুজাবলৈ চেষ্টা কৰি কথা ক'বলৈ যত্ন কৰিলত মোহনে ফিঙাথন কোনোমতে লৰাই ক'লে, "তানালৈও যাব নালাগে, বুজাপৰাৰ পত্ৰও দৰ্কাৰ নাই, দম থাকিলে···জীয়াই থাকলে চাই ল'ম। নহ'লে···নহ'ব আৰু···।"

সকলোৱে নিজৰ নিজৰ ৰবি ফচল বৈ দিলে আৰু থাৰিক শস্য আনি কাম শেষ কৰিলে। আগতে বোৱা কপাহৰ ক'ৰবাত দুই-এজোপা আনিবলৈ আছিল—তাকো দুই-এঘৰৰে আৰু এই আজৰি বতৰত কলচু আৰু সকৰে দিনে-ৰাতিয়ে ক'ব নোৱৰা হৈ ফুৰিছে। দুয়োটা অকলশৰীয়া মানুহ, লগত কেৱল কলচুৰ মুখ ল'ৰাটো। তিনি-চাৰি ঠাইত থকা মাটি, কাম কোনোমতে নোহোৱা হৈছে। যিমানখিনি ৰাব শস্য বোৱাৰ কথা আছিল, তাৰ আধাও বোৱা হোৱা নাই। এতিয়ালৈকে সকৰে কপাহ বেচিবলৈ যাব পৰা নাই।

মোহনৰ বাকী সকলো জখম ভাল হৈ আহিছিল, কিন্তু ভৰিৰ ঘাঁডোখৰৰপৰা এতিয়াও পুঁজ ওলাই আছে। উখহাটো কেতিয়াবা কমে, কেতিয়াবা বাঢ়ে। লাঠীৰ সহায় নোলোৱাকৈ অলপ দূৰো খোজ কাঢ়িব নোৱাৰে। ৰাতি ঠাণ্ডা বেছিকৈ পৰাৰ কাৰণে গোটেই ভৰিটোত অসহনীয় বিষ উঠিছিল।

এই কাজিয়াখনৰ চাৰি দিনৰ পিছত বৰিয়ামা খবৰ ল'বলৈ আহিছিল। বাতটো থাকি কথা কৈ কৈ সকলোৱে মন ভাল লগাবলৈ চালে। এবাৰ ক'লে মানুহ লগাই ঘৰেৰ ল'ৰাটোক চাকা কৰাৰ কথা; এবাৰ ক'লে দাৰোগা আৰু পুলিচৰ ওপৰৱালাৰ ওচৰলৈ নিজে গৈ সিহঁতবোৰক ধৰি নিওৱাৰ কথা; আৰু মাজতে এবাৰ 'ফুচফুচাই' সিহঁতক অন্ত এটা মোকৰ্দমাত ফচোৱাৰ কথাও ক'লে। মোহন আৰু কলচুৱে মনে মনে শুনি থাকিল, মুখেৰে কিন্তু একো নামাতিলে। পিছে সেই সময়ত তাক বৰ চেলেপু আৰু নীচ মানুহ যেন লাগিল।

পিছদিনাখন ৰাতিৰ সময়ত সি বৰ নম্ৰ হৈ ক'লে, "মিহনা ছোৱালীজনীৰ বেৰমাহ হ'লেই বাইদেউক থৈ যামহি। এনেয়ে হ'লে এই সময়ত ৰাখি থোৱাৰ কথা নহয়—এই

কাজিয়াখনৰ কথাও আমি তাইৰপৰা লুকুৱাইহে থৈছো। পিছে এতিয়া উপায় নাই, ছোৱালীজনীৰো সাত-আঠ দিনমানহে হৈছে। আৰু বাইদেৱো যোৱা মাহত তাল-কৈয়ে বেমাৰত পৰিছিল, এতিয়া বৰ দুৰ্বলো হৈ আছে···তোমালোকে ভাবি চোৱা কি কৰা। নহ'লে তোমালোকৰপৰা বেলেগ নহয়··· ।"

তাক এতিয়া কি বুলি ক'ব ? মোহনৰ সম্পূৰ্ণ বিশ্বাস আছিল যে সি একেবাৰে মিছা কথা কৈছে আৰু এই ছোৱালী হোৱা খবৰটোও সি একেবাৰেই মিছাকৈ কৈছে। প্ৰথম সন্তানটোৱেই ছোৱালী—এইটো কেনেকৈ হ'ব ? ভগৱানেনো মূৰত পাথৰ মাৰিবনে···এইটো সঁচা যেন নালাগিল।

বৰ্দিয়ামা মোহনৰ পিছত কলঙ্কৰে হাঁহি ক'লে, "কি, কি হ'ল—ল'ৰাটো তোৰ ঘৰত জন্ম হ'বলৈ গ'লে নেকি ? আৰু ছোৱালীয়ে কিবা কাৰোবাৰ ভাগ্য খাই পেলাব নেকি ? যিটো 'ওপৰত' থকা জনে কৰে তাক কোনোবাই জোৰেৰে বদলাব নেকি ?"

·· ব'ল—যিটো ওপৰত থকাজনে দিছে, এতিয়া জন্ম হোৱা ছোৱালীজনীটো আৰু ঘূৰাই নিদিও, কিন্তু ছোৱালীৰ নাম শুনিয়েই মোহনৰ যেন ভদ্ৰলোক হৈ যোৱা যেন লাগিল। আৰু কোনে জানে এই কেনেকুৱা দুৰ্ভগীয়া—যি জন্ম হৈয়েই এই নতুন সংকটৰ সৃষ্টি কৰিলে।

"মই নিজেই গৈ খবৰ কৰি আহিম নেকি ? তুমিৰ বিউও দি থৈ আহিম ?" এদিন কলঙ্কৰে নিজেই সুধিলে।

বহুত দিনৰপৰা মোহনেও মনতে এইটো কথা ভাবি আছিল ; কিন্তু ক'ব নোৱাৰো কি ভাবি মনে মনে ৰ'ল। কলঙ্কৰে কণ্ঠ নে নকওঁকৈ আলপ লাজ কৰি থাকোঁতেই মোহনে তাক ক'লে, "এতিয়া ছোৱালীজনী ডাঙৰ হ'ল। যদি পঠিয়াব, তই লগতে লৈ আনিবি।···পিছে এইটো কথাৰ বিষয়ে নক'বি। মিছাই চিন্তা কৰিব।"

তাৰ অৱস্থা দেখি কলঙ্কৰে হাঁহি দিলে।

সকলো কাম এৰি থৈ সি পিছদিনাই বাওনা হ'ল। বিউৰ কথা ওলালত সি হৰকোৰক কৈ দিলে যে মানীক যেতিয়া আনিবই লাগিব, তেতিয়াহ'লে ইয়াতেই তুমিৰ দি দিম। হৰকোৰৰ এইটো কথা ভাল নালাগিল।

চাৰি দিনৰ মূৰত কলঙ্ক যেতিয়া ঘূৰি আহিল, তেতিয়া সি মুখৰপৰা বাখিটোও আঁতৰাই পেলাব নোৱৰা অৱস্থা। চেহেৰা দেখিলে খুব দীঘলীয়া বেমাৰৰপৰা উঠি অহা যেনহে লাগে আবেলিৰ সময়ত আহি পিছফালৰ বেলি ভালদৰে ওলোৱা-কৈয়ে মোহনৰ ঘৰলৈ নগ'ল। আৰু যেতিয়া গ'ল তেতিয়া মনটোক একেবাৰে টান

কৰি ভাবি গ'ল যে যি অৱস্থাতেই নহওক মোদনক এইটো কথা একেবাৰেই জানিবলৈ নিদিয়ে। মনটো হাতৰ মুঠিত ৰাখিলে, কিন্তু ভিতৰত জলি উঠা জুইকুৰা তাৰ চেহেৰাত লুকাই ৰাখিব নোৱাৰিলে।

"যদি ৰানীৰ মনো আছিল আৰু ছোৱালীজনীও ভালেই আছে তেনেহ'লে তই তাইক লৈ নাহিলি কেলৈ?" মোদনে মনৰ সন্দেহ মনতে লুকাই সুধিলে।

"সিহঁতে ক'লে—আমি চাৰি-পাঁচ দিনতে নিজেই থৈ আহিম।" আচলতে কলচুৱে ফাঁকি দিলে। পিছে সি লগে লগে মোদনৰ শেঁতা চেহেৰাটো আৰু শেঁতা পৰা আৰু মুখত অসহ্য বেদনাৰ সিৰ উঠা দেখিলে।

কলচুৱে যিমান বেছি দেখিবলৈকে পাৰে নিজকে চম্ভালি ৰাখিলে। তাৰ পিছত কোনো খা-খবৰ নোহোৱাকৈ গাঁৱৰপৰা ক'ৰবালৈ গুচি গ'ল। তিনি দিনৰ মূৰত তাৰ ঘৰলৈ গৈ মোদনে খবৰ কৰিলত পুতেকে ক'লে যে মাত্ৰ এইখিনিকে কৈ গৈছে যে, "হাতলৈ যাওঁ, কাইলৈ ঘূৰি আহিম।" হাটত খবৰ ল'লত তাতো খবৰ নাপালে ।

আঠ দিনৰ দিনাখন সি আহিয়েই চিধা মোদনৰ ঘৰলৈ গ'ল। মোদনে গোহালিৰ ওচৰত ৰ'দত খাটিয়া পাৰি কাপোৰ লৈ বহি আছিল। হৰকৌৰ ক'ৰবালৈ ওলাই যোৱা যেন অনুমান হ'ল। অইন কোনো কথালৈ মন নকৰাকৈয়ে বেৰৰ ওচৰত খাটিয়াখন পাৰি কলচু বহিল। কঁকালৰ পেটিচটা ওচৰতে থৈ, মূৰৰ পাগুৰিটো খুলি, পাতলীয়া চুলিখিনিত আঙুলি বুলাই এনেকুৱাকৈ ক'বলৈ লাগিল যেন মাজতে বৈ গ'লে ক'বই নোৱাৰিব।

"বুজিছ সিংহা, যি হ'ব লগা আছিল, সেয়া হৈ গ'ল; কিন্তু এতিয়া এনেকুৱা নহ'ব যে ছাগাই আৰামত থাকিব পাৰিব। এইবাৰ সি হয় ইপাৰ নহ'লে সিপাৰ! কৈ দিছোঁ ৰানীৰ সেই কৃপণ খুৰাকটোক, আৰু লগতে সেই দুটাকো কথাটো কৈ আহিছোঁ। যদি অহা সোমবাৰলৈকে সি একো উত্তৰ নিদিয়ে তাৰ পিছত জীয়া কলচুৰ মৰা শ দেখিবি!...মোৰনো কি ওকালতিখন পৰি থাকিব যিখনক চম্ভালিব নোৱাৰিব—"

কলচুৰ চকুকেইটা জোনাকী পকৰাৰ নিচিনাকৈ জলি নুমাই থাকিল। ৰ'দত চেহেৰাটো উজ্জলি উঠিল।

মোদনে কথাটো বুজি নেপালে। ক্ষন্তেক পৰলৈ ভয় খাই, হতভম্ব হৈ ধূলিৰে পোত খাই থকা কলচুৰ বেঁকা শুকান ভৰিকেইটালৈ, বিশৃঙ্খল দাড়ি আৰু, চকুকেইটালৈ ৰাৰে ৰাৰে চাই ৰ'ল। কিন্তু এনেকুৱাতে কলচুৱে মনৰ সকলো খেদ উজাৰিবলৈ ধৰিলে।

চিন্তকৰা কথা এইটো যে হানীৰ মাকৰ খবৰ মানুহে ডুহেজাৰ টকা লৈ তাইক কৈছুবা হোৱাৰ আগতেই অন্য কাৰোবাৰ লগত পঠিয়াই দিলে। ৰবিয়াখাই সকলোবোৰ কথা লুকাবৰ কাৰণেই চিঠি দিয়া, খবৰ দিয়াৰ ব্যৱস্থা কৰিছিল আৰু নিজেও সেইকাৰণেহে আহিছিল। ভিতৰে ভিতৰে কথা ইমান হৈছিল যে হানীক যাৰ লগত পঠিয়াইছিল সি এটা ভালকৈ খাই-বৈ থকা বদমাচ জাট আছিল, যাৰ দহ বিঘা মাটি ৰবিয়াখাই বন্ধক কৰি লৈছিল আৰু এতিয়া সি তাতে খেতি কৰিছেগৈ। পিছে শুনিছিল যে সি গাঁৱৰ কোনোবা ঠাইত আছিল। ইয়াৰ খবৰ ল'বলৈকে কলছুৱে ইমান দিন অনাই-বনাই ঘূৰি ফুৰিছিল। অৱশেষত মাত্ৰ এইখিনিহে খবৰ সি পালে যে সি এবাতি সেইখন গাঁৱলৈ গৈ কোনোবা জাটৰ ঘৰত আলহী হৈ থাকি আহিছিল আৰু তাৰে কোনোবা নাপিতৰ লগত কথাবতৰা পাতি বন্দবস্ত পকা কৰি আহিছিল।

“মই তালৈ যাবলৈ দৰ্কাৰ নহ'ব”, কলছুৱে কথাটো শেষ কৰি ক'লে, “মই তাইৰ শহুৰেকক দপদপাই কৈ দিছোঁ যে, ‘চা, চৰ্দাৰ! যদি মোক ঠিকনা নিদিয়, তোৰ হাড়েৰে শলাকাঠি জ্বলাম। মোৰ জীৱনটোতো মই হাতত লৈ ফুৰোঁৱেই’। সি মোৰ স্বভাৱ ভালদৰে জানিছিল, যে যদিহে মোৰ খং উঠে তেতিয়াহ'লে তিনি পুৰুষলৈকে মৰিশালিত চাকি জ্বলাবলৈ কাকো নথওঁ। আৰু মই তাক নেৰিম মোদনা।”

কলছুৰ চকু আকৌ এবাৰ জোনাকী পৰুৱাৰ নিচিনাকৈ জ্বলি নুমাই গ'ল। কিন্তু মোদনাৰ গোটেই শৰীৰৰ তেজবোৰ যেন পানী হৈ গ'ল। ভৰিৰ ওপৰত জোৰা ফুলাম কাপোৰখনত মুখখন দি মূৰটো তললৈ কৰিলে আৰু কলছুৰ চকুলৈ চাব নোৱাৰিলে।

পিছদিনাখন সূৰ্য্য উদয় হ'লতেই চাহ খাই, ফুলকৰা কাপোৰখন লৈ লাঠীৰ সহায়ত মোদন খেতিৰ ফালে আগবাঢ়িলত মাকে অলপ চিন্তা কৰি আৰু মাতত কোমলতা আনি ক'লে, “বোপাই, ঘাড়োৎৰ বেছি হৈ যাব। ভৰিটোক ভালদৰে জিৰণি ল'বলৈ দে!”

কিন্তু মোদনৰ শৰীৰটো দাহিবলৈ ধৰিলে, সি খঙাল মাতেৰে ক'লে, “আই, তোৰ এই বাধা দিয়া অভ্যাসটো কেতিয়াকৈ যাব?”

তাৰ কথা শুনি হৰকৌৰৰ অন্তৰখন তৰাই গ'ল। মুহূৰ্ত্ততে তাইৰ চকুৰ আগত দহ-বাৰ বছৰ আগৰ সেই দিন, সেই সময়ৰ কথা মনত পৰিল। সেইদিনাও এইদৰেই বাধা দিছিল আৰু সি এইদৰেই কৰ্কশ উত্তৰ দিছিল—আৰু তাৰ পিছত ঘৰ ধ্বংস হৈ গ'ল। মোদনে ডুৱাৰমুখৰপৰা বাহিৰ ওলালত গৰুৰ গোবৰ গুচোৱাৰ ভাও ধৰি বেৰৰ ওচৰলৈ গৈ চকুত জোৰ দি চাওঁতে মোদনৰ পিঠিখন হৰকৌৰে দেখিলে। তাক খোৰোৱা দেখি চকুৰপৰা জৰজৰকৈ পানী ব'বলৈ লাগিল, সেই চকুপানী সোনকালে শেষ নহ'ল।

কিন্তু বাহিৰ ওলাই হৰকোৱৰ কথা মোদনৰ মনত নপৰিল। নিজৰ দুখ পোৱা ভৰিটোৰ কথাও পাহৰিলে। আঁঠুৰ সমান হোৱা লেউজীয়া বৰি শস্যৰ মাজেদি পাৰ হৈ যাওঁতে তাৰ এনেকুৱা লাগিল যেন সি একেবাৰে অকলসৰে নিস্তব্ধ হাবিৰ মাজলৈ সোমাই গৈছে—সোনকালে শেষ নোহোৱা অসীম পৃথিৱীৰ বুকুলৈ, যাৰ কোনো আগ-গুৰি নাই। মৰুভূমিৰ নিচিনা দৃশ্য··পথাৰ পাই ভৰিত বল বিৰ উঠিল। সি লাহেকৈ বুঢ়া পীৰুৰ টিলাটোৰ ওপৰত বহিলগৈ। ওচৰৰ খেতিখিনিত্তো বুটবোৰ চাৰি আঙুল ওখ হৈছিল। দৃশ্যটো বৰ আচহুৱা লাগিল। সি চকু মুদিলে আৰু মুৰটো ওপৰলৈ কৰি আগলৈ চালে। ঘণেৰ ল'ৰাৰ বমকলৰ মুখখন অজগৰৰ মুখ যেন লাগিল। খেতি-বোৰ শুকাই আছিল। কিন্তু ওচৰতে থকা ঘেঁহুবোৰ আঁঠুৰ সমান হৈছিল। সি ভাবিলে—এইবোৰ কেনেকৈ হ'ল! তাৰ পিছত এই পথাৰখন ঘণেৰ তেজেৰে তিতি থকা আৰু ঘেঁহুবোৰো তেজৰ নিচিনা ৰঙা যেন চকুত লাগিল।

সি আকাশলৈ চালে। বেলিটো মূৰৰ ওপৰতে পৰিছে। বালিচৰত বালিবোৰ তপত হৈ গৈছে। বুকুত ধৰি থকাৰপৰা হাতখন একৰাই তপত বালিৰ ওপৰত থৈ বাহুত ভেঁজা দি পিছফাললৈ অকণমান হাউলি ল'লে। ভৰিকেইটাৰপৰা কাপোৰ-কানি আঁতৰাই বালিৰ ওপৰত থ'লে। তাৰ পিছত পিছফালে হাউলি গৈ চিত্ হৈ শুই দিলে।

ক্ৰমেকলৈ তাৰ টোপনি অহাৰ নিচিনা লাগিল। উদং অঙ্গবোৰত বালিৰ স্পৰ্শ লাগি তাৰ তেজত কিবা এটা বল উৎপন্ন হৈ গোটেই দেহটো যেন নতুন আৰু শক্তিশালী হৈ উঠিছিল। আৰু লাহে লাহে সি সৰু ল'ৰাৰ দৰে খেলিবলৈ ধৰিলে। সেইদৰে শুই শুয়েই প্ৰথমে বালিবোৰ মুঠি মাৰিবলৈ হাতখন ওপৰলৈ কৰি এনেকৈ উঠাবলৈ লাগিল যেন বতাহৰ জোৰ চাইছে। কিন্তু কিছু সময়ৰ পিছত মুঠিত বালি ভৰাই লৰচৰ নকৰাকৈ পৰি থাকিল। হঠাৎ গোটেই অঙ্গবোৰ অৱশ হৈ গ'ল। সি বহুত দেৰিলৈকে এইদৰে পৰি থাকিল।

হঠাৎ দুখ পোৱা ঠাইডোখৰৰ ভলৰ কলামুলত বিষ উঠিল, আৰু সি ভয় খাই উঠি বহিল। সেঁতা পৰা চেহেৰাটো বিষত আৰু সেঁতা পৰি গ'ল আৰু সি বহুত দেৰিলৈকে বিষটো লাঘৱ কৰিবলৈ আঁঠুত মুৰটো গুজি চকু মুদি ভৰিকেইটাৰ জোৰত বহি থাকিল। বেছ কিছুসময়ৰ পিছত যেতিয়া সি মুৰ দাঙিলে তেতিয়া অন্ধকাৰ দেখি সি দিন শেষ হ'ল বুলি ভাবিলে। খন্তেকৰ বাবে লাঠিডাল উঠাই লৈ দাঁত কামুৰি, ভৰি চিধা কৰি থিয় হ'ল।

গোৱাৰ আগতে আৰু এবাৰ নিজৰ খেতিখিনিৰ ফালে চালে। ৰৈ যোৱা খেতিৰ আধাখিনি শস্যত মাটিৰ চপৰা দেখি তাৰ মনটো উদাস আৰু নিৰাশ হ'ল। যোৱাৰ সময়ত, নিজৰ পুৰণা জোতাজোৰ ভুৰভুৰীয়া মাটিত সোমোৱা দেখি তাৰ আনন্দ লাগিল। অতি কষ্ট কৰি লাঠিৰ সহায় লৈ যিদৰে খেতিলৈ গৈছিল, সেইদৰে শুদা হাতেৰেই ঘূৰি আহিল।

আধা বাটলৈকে আহি সি পিছফালে চালে। খুৰীয়েকৰ ওলমি পৰা কঙ্কালসাৰ হাতখন, তললৈকে ওলমি পৰা বুঢ়া বৰগছৰ ওলমি পৰা জৰিবোৰ দেখি এনেকুৱা লাগিল যেন গছজোপাৰ দিন পূৰা হৈ গৈছে। ইয়াক এইবাৰ কাটি নজলাবিনে? —সি ভবা এই কথাষাৰ নিজৰে বৰ ঘৃণনীয় লাগিল।

টিলাত থকা বকুল গছজোপাৰ ওচৰ পাওঁতেই ভৰিটোত অসহ্য বিষ উঠিল আৰু মোদন ৰৈ গ'ল। ইয়াৰ পিছত খোজ কাঢ়িবলৈ আৰম্ভ কৰিলত আৰু বেছিকৈ লেঙেৰাবলৈ ধৰিলে। ঘৰলৈ আহিয়েই খাটিয়াখনৰ ওপৰত শুই পৰিল। শৰীৰটো ভাটিৰ দৰে তপত হ'ল। সন্ধৰ ভাগৰতে জ্বৰ উঠিল।

আবেলি সৰু আৰু কমলু আহি হৰকোৱৰপৰা মোদন খেতিলৈ যোৱাৰ কথা শুনি খং কৰিলে। কিন্তু ক'ব নোৱাৰোঁ কেলৈ তাৰো হাঁহিৰ ওপৰত খং উঠিল, আৰু সি অলপ খঙেৰেই ক'লে, "তহঁতে মোক কি এতিয়াও গাখীৰ খোৱা কেঁচুৱা বুলি ভাবিছ নেকি?"

হঠাৎ মোদনৰ এইদৰে সলনি হোৱা চেহেৰা দেখি সিহঁত দুয়োটাই ভয় খালে। কিবা অঘটন ঘটা যেন লাগিল।

পিছদিনাখন গাঁৱৰ কবিৰাজ চুহড়ক মাতিলে। তেওঁ ভালদৰে চাই-চিতি ক'লে যে ভৰিৰ জখম গুৰুতৰ, আৰু সেইকাৰণে দীঘলীয়া চিকিৎসা কৰিব লাগিব। এইটো কথাই সকলক সঁচাকৈয়ে ভয় খুৱালে আৰু সকলোৰে তাক বুজাই-বঢ়াই জোৰজবৰদস্তি বজাৰত থকা 'ডাঙৰ ডাক্তৰৰ' ওচৰলৈ লৈ গ'ল। ডাক্তৰে পাঁচ-সাত দিনমান বেজী দি বহুত পইচা খাৱালে, আৰু যেতিয়া সি বেমাৰটো ভাল কৰিব নোৱাৰিলে, তেতিয়া মুখখন সেমেনা-সেমেনি কৰি দিলে, "পাটিয়ালাৰ ডাঙৰ হস্পিতেললৈ লৈ যোৱা।"

এতিয়ালৈকে মোদনে একো কোৱা নাছিল। কিন্তু যেতিয়া সিহঁতে পাটিয়ালালৈ নিবলৈ উপদেশ দিয়া বুলি গম পালে তেতিয়া সি খং কৰি টান মাতেৰে ক'লে, "কোনো দৰ্কাৰ নাই মোৰ মাটি টুকুৰা ঠায়ে ঠায়ে হানি কৰিবলৈ। মই গাঁৱলৈ যাম।"

সিইত দুয়োটাই তাক মিনতি কৰিবলৈ ধৰিলে, পিছে সি সিইতৰ জেদী বৰ বাপেকৰ দৰে যি জেদ ধৰিলে, সেই জেদ পূৰা কৰিহে এৰিলে।

গাঁৱলৈ আহি সিইঁতবো ভাব হ'ল যে পাটিয়ালালৈ নি সঁচাকৈয়ে মোদনৰ মাটিহে নষ্ট কৰা হ'ব। ভাগ্যৰ কি ফেৰ! যতীৰ গাঁও পাওঁতে পাওঁতেই মোদনৰ অৱস্থা একেবাৰেই বেয়া হৈ পৰিল। সিইঁতে গৰুগাড়ীৰপৰা চাৰপাইখনো নমাই দিলে, কিন্তু সি উঠিব নোৱাৰিলে। খবৰ পাই হৰকৌৰৰ অন্তৰ ভাগি গ'ল। নিহালী খুৰীয়েও খবৰ ল'বলৈ আহি মোদনৰ অৱস্থা দেখি দীঘলকৈ উচুপিলে।

"বুজিছ, এতিয়া সেই ওপৰত থকাজনৰ ওচৰত কাবোবাৰ জোৰ চলিব জানো? ডাক্তৰেও সকলো চেষ্টা কৰিলে। যেতিয়া বেয়া দিন আহে, হৰকৌৰ, তেতিয়া কাকো সুধি নাহে! বাক এতিয়া কি কৰা যায়……!" কিন্তু সেই সময়তে তাই নিজৰ কথা সলালে আৰু কোমল মাতেৰে সান্ত্বনা দি ক'লে, "নাই! তেওঁ সকলো কৰিব পাৰে। যেতিয়া ভাগ্যত দীঘল আয়ুস লিখা থাকে, তেতিয়া নিজে নিজেই ভাল হৈ আহিব। আৰু তই কিবা মানুহৰ দুৱাৰে দুৱাৰে গৈ যাচু কৰি ফুৰিছগৈ নেকি যে ভগৱানে তোৰ ওপৰত এইদৰে প্ৰতিশোধ ল'ব? সকলো ঠিক হৈ যাব। বেমাৰ কি নহয় নেকি? মানুহৰ হাত-ভৰি একেবাৰে কাটি যায়, তাৰ পিছতো সি একেবাৰে [illegible] হৈ যায়, এনেকুৱাতো একেবাৰেই নহয়। ভগৱানে শুনিব বুজিছ, তেওঁৰ ঘৰ অন্ধকাৰ নেকি কিবা? হঁা?"

পিছে মোদনৰ অৱস্থা আৰু হৰকৌৰৰ উদাসীনতাই তাইৰ কথাৰ গতি সলাই পেলালে। কন্দনামুৱা হৈ ক'লে, "হৰকৌৰ, কোনোৱা কোনোৱা মানুহৰ ভাগ্য এনেকৈয়ে লেখি দিয়ে! ……মূৰতে ভাবি ল যেন এনেকৈয়ে লেখিছে, 'হে ভগৱান! তুমি গোটেই জীৱনটোৱেই সুখৰ নিশ্বাস ল'বলৈ নিদিবা……' এতিয়া তয়েই কচোন, তইনো ল'বাৰ কিটো সুখ দেখিলি? আগতে সক আছিল। যেতিয়া ই ডাঙৰ হৈ অৰ্জন কৰিব পৰা হ'ল তেতিয়া সি নিজেই বেয়া হ'ল। আশা আছিল—ভাল হৈ যাব। পিছে সি নিজেই এনেকুৱা ভতোভগোৰে নাচিল যে অৱশেষত বাৰ বছৰ কয়দী জীৱন কটালে। তাৰ পিছত তই তাক কি দৰে পালিলি, বিয়া কৰালি। পিছে সুখ পোৱাৰ সময়ত বোৱাৰী আহি পকা মজিয়াত বহিলহি। তোক তাই খেলিমেলি লগালে। সি মহলী-চহলীও নহয়। মই আমো এইবোৰ নিজ চকুৰে দেখা নাই! তইতো 'পূৰ্বজন্মৰ কৰ্মফলহে ভুগিছ, নৰকৰ যাতনা ভুগিছ ……।"

কন্দেক মনে মনে থাকি নিহালীয়ে পুনৰ-দীঘলীয়া উশাহ ল'লে আৰু মূৰটো লৰাই

ক'লে, "এইটোৱেই এটা আছিল যাৰ ওপৰত তই প্ৰথম দিনাৰেপৰা আশা কৰিছিলি। সদায়েই এইটোকে কৱ, 'মোক মোৰ যৌৱনে সুখ দিব।' "দিয়া নাছিল নেকি? পিছে ভাগ্যৰ ফেৰৰ কথা কোনে জানিছিল? কোনোৱাই জানো ভাবিব পাৰিছিল যে এইদৰে তিনিটা ভাই-ককাইৰ মুখ চাবিলগীয়া হ'ব? ৰাকীতো ই একো দোষ কৰা নাই। যেনেকৈ নহওক ঘৰখনো পাতিলে, ভায়ো ভাল আছিল। তোক বছৰাই বছৰাইতো কটি খাবলৈ দিছিল। মিছা কেনেকৈ মাতিম, খুব ভাল আছিল। তাইৰ কথা শুনিছোঁ,—কোনো দিনে মুখৰপৰা এষাৰ বেয়া কথা ওলোৱা নাই। ছোৱালী-বোৱাৰীৰ আৰু কি দায়িত্ব থাকিব পাৰে! পিছে ভাগ্য লিখোঁতাৰ ওচৰত কাৰো আবেদন নচলে। কোনে কি কৰিব পাৰে হৰকোৰ? ঈশ্বৰে যেতিয়া ফুটা কপালত এটাও আখৰ নেলেখে তেতিয়া ধাৰ কৰি পাৰিবনেকি?—তই মোক কচোন।" হৰকোৱে কি ক'ব? তাই গোটেই জীৱনটোত কাৰো একো বেয়া চিন্তা কৰা নাই; সঁচাকৈ মুখেৰে এটাও বেয়া শব্দ কোৱা নাই, তথাপি যদি এতিয়া ঈশ্বৰে তাইৰ ভাগ্যত সুখ নিলিখিলে, দূষিব কাক। সেই ৰাতিটো হৰকোৱে উজাগৰেই পাৰ কৰিলে। এটা ভৰি এইটো কোঠাত আনটো ভৰি ইটো কোঠাত। যেতিয়া পাঁচ-সাতবাৰমান অহা-যোৱা কৰিলে, তেতিয়া সকৰ খং উঠি ক'লে, "আই, তই ভালদৰে শুই থাকিব নোৱাৰনে?—আৰু দৰকাৰ হ'লেও তই দাদাক ভাল কৰিব পাৰিবি নেকি…কোট দি?"

তাই মনে মনে সজল চকুৰে নিজৰ অকলশৰীয়া বিছনাখনত পৰিলগৈ আৰু অস্থিৰ মনটোৰে আকৌ উঠি আহিবলৈ সাহস গোটাব নোৱাৰিলে।

হৰকোৰৰ কেতিয়াও ইমান খং উঠা নাছিল যে মনত উথলি উঠা কথাবোৰ বাহিৰ উলিয়াই দিব। গোটেই জনমটো ভিতৰৰ কথা ভিতৰতে ৰাখি মনে মনেই আছিল। "পিছে মোৰ নিমাত কেন্দ্ৰটোৰ কথা কোনোৱাই খুচৰি চাইছিলনে?" এই কথাষাৰ মনলৈ আহিলত তাইৰ ভাব হ'ল যেন তাই দেহহীন হৈ এই পৃথিৱীত জীয়াই আছে। তাই যে মানুহ এজনী আছে এই ভাব দেখা নেপালে। নাই ঘৰত, নাই বাহিৰত। তথাপি তাইৰ এইটো কথাত কোনো আক্ষেপ নাই। এতিয়াও তাইৰ মনটোৱে বাৰে বাৰে কৈ আছে, "সকলো আছে। মোৰ যৌৱন ভাল হওক; ইয়াৰ ঘৰখন হওক; মই তামোল-পাণ ত্যাগ কৰিছোঁ। আজি নহ'লেও কাইলৈতো চকু মুদিমেই। ইয়াক সদায় সুখীকে দেখোঁ যেন; মই নিজে নিজেই সুখী হ'ম…সুখনো আৰু কি?"

পিছে মনটো নিজে নিজে ওলোটা কালে যাবলৈ লাগিলত আৰু অন্য কথাও

ভাবিবলৈ ধৰিলে। ভিতৰৰপৰা যেন কোনোবাই কৈ কৈ সন্মুখত লেখা দিলে, "হৰকৌৰ, যদি সংসাৰখন আশীৰ্বাদেৰে সুখী হ'লহেঁতেন, তেনেহ'লে এমুঠি আটাৰ কাৰণে ভিক্ষাৰীয়ে দিয়া আশীৰ্বাদ দিয়ে, তাৰদ্বাৰা মানুহে সাত পুৰুষলৈকে স্বৰ্গসুখ ভোগ কৰিলেহেঁতেন। পিছে ক'ব নোৱাৰি 'তেওঁ' কি কথাতনো সন্তোষ হয়। তেওঁৰ লীলাৰ মহিমা কি পাবা ? আৰু 'তেওঁ' যেন মানুহবোৰে দুখ ভোগা দেখি শান্তিহে পায়—হৰকৌৰৰ এইবাৰ কথাহে বিশ্বাস হ'ল। নহ'লে মোহনৰ নিচিনা ইমান ভাল ল'ৰাটোক তেওঁ কেলেই ইমান দুখেৰে বিন্ধিছে ?···

ৰাতিপুৱা উঠি যেতিয়া মনটোৱে নেমানিলে তেতিয়া তাই মোহনৰ বিছনাৰ ওচৰলৈ গৈ থিয় হ'লগৈ। ঘটনাবশতঃ সৰু আৰু কলহু দুয়োটাই বাহিৰত আছিল। মুখৰপৰা লেপখন গুচাই সুধিলে, "মোপাই, এতিয়া গাটো কেনে পাইছ ? বিষাইছে নেকি ?···"

মোহনে জোৰেৰে চকু মেলিলে আৰু বিষত জৰ্জৰিত হোৱা চেহেৰাটো দাঁত কামুৰি ধৰি সংযত হৈ অস্ফুট মাতেৰে ৰব কষ্টেৰে ক'লে, "ভাল পাইছোঁ।"

"হায় মই কি কৰোঁ !" হৰকৌৰৰ মনৰ ভিতৰৰপৰা চিৎকাৰ কৰি ওলাই আহিল, "এতিয়া মোক আই বুলিও নেমাতে !" কিন্তু পিছ পাকতে ভিতৰখনে ধমকি দিলে, "নহয়, মোৰ মোহন এনেকুৱা নহয়। বিষতে মনে মনে পৰি আছে। সি মাতিব পাৰিলেহে ক'ব···।"

কুঁজা হৈ এখন হাত আঁঠুত, আনখন দুৱাৰ-খিৰিকীৰ সহায় লৈ চুলাৰ ওচৰলৈ আহিল, তেতিয়া কঁপনিত সৰ্বশৰীৰ জোকাৰ খালে। নিয়ৰত তিতা খৰিবোৰ ভাঙি হাজাৰ চেষ্টা কৰিও জুইকুৰা জ্বলাব নোৱাৰিলে। ধোঁৱাই ধৰাত চকুৰ পানী ওলাল। পিছে তাই জুইত পানী তোলাটোকে সৰুৱে ভিতৰৰপৰা চাহ লৈ আনিলে। সি আহিয়েই মাকক গালি পাৰিলে, "মা, তোক কিমানবাৰ ক'ম যে তই আৰাম কৰি বহি থাক। দুয়োখন বিছনা ওচৰা-উচৰিকৈ পাৰিব লাগিব।"

জ্বলা জুইকুৰা সেইদৰে এৰিয়েই তাই মনে মনে ভিতৰলৈ উঠি গ'ল।

দিনটো বাঢ়ি গ'লত চকু তল কৰি সজ্জন ভিতৰ সোমাই আহিল। তাক অহা দেখি কলহু বাহিৰলৈ ওলাই গ'ল। সি মনে মনে সোমাই আহি আনখন বিছনাত বহিলহি। মোহনে এবাৰ চকু মেলি তাৰ ফালে চালে, তাৰ পাছত কষ্টেৰে মাধৰ সজাই মুখখন বেৰৰ ফালে ঘূৰালে।

"দাদা, মই তোমাৰ ওচৰলৈ ক্ষমা বিচাৰি আহিছোঁ।" সজ্জনে খোকাথুকি মাতেৰে আনখন বিছনাৰপৰা ক'লে।

মোহনে আকৌ বাগৰ সলালে। নোচোৱাকৈয়ে সজ্জনৰ চেহেৰাটো বিনন্দীয়া যেন লাগিল। তাৰ এনেকুৱা ভাব হ'ল যেন সজ্জনে জানি-শুনিয়েই মাতটো পোকাখুকি কৰিছে। পিছে তাৰ মনৰ ভিতৰত লহৰ উঠাৰ নিচিনা হ'ল আৰু মনটো ভৰি আহিল। "বি হৈ গ'ল ভালেই হ'ল সজ্জনা!" মোহনে বৰ কষ্টেৰে ক'লে, "মোৰ কালৰপৰা ক্ষমা কৰি দিছোঁ; পিছে তই ভাল কাম কৰা নাই...।"

সজ্জনে বহুত বেবিলৈকে মুৰ তললৈ কৰি চকুপানী মোহাৰি থাকিল; তা'ৰ পিছত উঠি মাকৰ ওচৰলৈ গ'লগৈ। সি আৰু এটা কথা ক'ব নোৱাৰিলে, নাই মোহনৰ ওচৰত বহিব পাৰিলে।

সেই ৰাতি বৰ কষ্টেৰে পাৰ হ'ল। কমলু আৰু সক ছুৱালীটোই সাৰে থাকিল। পিছদিনাৰ দিনটোও সেইদৰে পাৰ হৈ দীঘলীয়া ৰাতিটো আহিল।

পিছে সূৰ্য্য অস্ত যাওঁতেই অলপ অলপ পোহৰ থাকোঁতে কমলুৱে এটা অলৌকিক কথা দেখিলে। তাৰ এনেকুৱা লাগিল, সঁচাকৈয়ে যেন আগৰ জন্মৰ, নহ'লে পৰীৰ দেশৰ, নহ'লে স্বৰ্গৰ কথা হ'ব। সি বাহিৰত টিলাৰ ওচৰৰ বকুল গছজোপাৰ ওচৰলৈ, মোহনৰ বিছনাৰ ওচৰত থৈ দিয়া কঁ'হি-বাতিবোৰ ধুৰলৈ আৰু দূৰৰ পিয়ালোৰ খেতিৰ ওচৰত একনী তিৰোতা আহি থকা দেখিবলৈ পালে। সি হতভম্ব হৈ সেই ঠাইতে চাই ৰ'ল। তিৰোতাজনীয়ে ওচৰলৈ আহি ওৰণি টানিলে। কমলুৰ যেন উশাহ বন্ধ হৈ গ'ল।

"ভালে আছেনে?" তিৰোতাজনীয়ে ওচৰলৈ আহি মুখখন আনফালে ঘুৰাই ফোপাই ফোপাই ক'লে। কমলুৰ চকুৰ আগত যেন তৰাইহে নাচিছিল আৰু যেন সি কথাটো ভালদৰে বুজিবকে পৰা নাই। সি চকু ডাঙৰ কৰি চাই ৰ'ল।

সি কিবা এটা ভাবি উত্তৰৰ হৈ সুধিলে, "কোন? বাপেকৰ নেকি?"

"হয়।" এইবাৰ তাইৰ মাতটো কন্দনামুৱা হৈ গ'ল।

"তই এই সময়ত?"

"আৰু কেতিয়া? কষ্ট ভুগিবলৈ আৰু সময় বাকী আছে নেকি?" আৰু ওৰণিৰ তলতে চুলি ঠিক কৰি অলপ বৈ ক'লে, "আৰু বাকীবোৰ ঠিকে আছে নহয়?"

কমলুৰ শৰীৰত যেন শক্তি নোহোৱা হ'ল। তাৰ মনে মনে ভলমুৰ কৰি থকা দেখি ঘানীয়ে ওৰণিখন অলপ গুচাই তাৰফালে চালে, কিন্তু বকুল গছৰ ছাঁ পৰা বাবে তাই কমলুৰ চেহেৰাৰ পৰিবৰ্ত্তন গম ধৰিব নোৱাৰিলে।

"কি হ'ল—মনে মনে থাকিল যে?" ঘানীৰ মাতত এইবাৰ গভীৰ চিন্তাৰ কঁপনি

ভালদৰে ধৰিব পৰা গ'ল, সেই কঁপনিত কলচুৰ ভৰিকেইটা পুৰি গ'ল।

"বহুত দেখিকৈ আহিলি দানকৌৰ।"...এই শব্দটো কৈয়েই তাৰ মাত খোকাথুকি হ'ল আৰু সি তলৰে মুৰ কৰি বেগাই তাইৰ আগে আগে এনেকৈ খোজ ল'লে যেন তাইৰ আগত ৰ'বলৈকে ভয় কৰিছে।

যিজনী দানীয়ে এশক্ৰোশ ৰাস্তা খোজ কাঢ়ি সাত সাগৰ পাৰ হৈ নিজৰ ঘৰৰ দুৱাৰ মুখত উপস্থিত হ'ল, তেতিয়া তাইৰ কাৰণে দুৱাৰদলি পাৰ হোৱাটো পাহাৰ বগোৱাৰ নিচিনা হ'ল। পিছে এই পাহাৰ বগাই ভিতৰ সোমায়েই মোদনক দেখি উশাহ-নিশাহ বন্ধ হৈ গ'ল।

"দানী আহিল, মোদনা... বিচনাৰ তলত কাঁহি-বাটিবোৰ থৈ কলচুৱে সেই একেই কন্দনামুৱা মাতেৰে ক'লে আৰু পিঠিখন মোহাৰি পাগুৰিটোৰ আগেৰে চকু মোহাৰি ওলাই গ'ল।

দানীয়ে পাতলীয়া আন্ধাৰত ট ট কৰে চাই মোদনৰ শুকাই অহা চেহেৰাটোলৈ চালে। পিছে কঁপি থকা ভৰিকেইটাৰে বিচনাৰ পাটিখনৰ ওপৰত বহোঁতে তাই মোদনৰ থৰথৰীয়া, শুকান ওঁঠত ওলোৱা হাঁহিটো দেখি ভ্ৰম হ'ল, আৰু সেই ওঁঠৰপৰাই ক্ষীণ মাতেৰে ওলোৱা শুনিলে, "তই...আ-আহিলি !"

মাতটো শুনি ক্ষন্তেকলৈ দানী শিল হৈ গ'ল। পিছত তাই হিয়া ধাকুৰি মোদনৰ বুকুত মুৰটো থৈ কান্দিবলৈ ধৰিলে। যেতিয়া নিজৰ গোটে মাৰি থকা চকুপানীখিনি চকুৰেদি বৰলৈ লাগিল তেতিয়া মোদনৰ বুকুৰ ওলাই থকা কামিহাড় ভিতৰলৈ তিয়াই দিলে...মোদনৰ শুকাই কাঁইট যেন হোৱা হাতখন এবাৰ তাইৰ নিজৰ ডিঙি আৰু পিঠিত ফুৰোৱা যেন অনুভৱ হ'ল। কিন্তু পিছ মুহূৰ্ত্ততেই অসাৰ হৈ ওলমি পৰিল।

ক'ব নোৱাৰোঁ কিমান সময়ৰ পিছত, চকুৰ পানীৰে তিতি থকা শেঁতা পৰা চেহেৰাটো ওপৰলৈ তুলি মোদনৰ আত্মাটো চাবলৈ চেষ্টা কৰিলত তাই একো নেদেখিলে। এতিয়া-লৈকে কোনেও চাকিটোকে অলোৱা নাই। দানীৰ মুৰটো আকৌ মোদনৰ বুকুত লাগিলগৈ।

"ক'ব নোৱাৰোঁ কি ভুলৰ কাৰণে মোৰ এইখন সংসাৰ হৈছিল। নিঃসন্তানৰ এইটোও সহ্য নহ'ল। নিজ পুত্ৰৰ মুখ খোৱা সংসাৰ দেখিবলৈ পাৰোঁ। মই কাৰ কি বেয়া কৰিছিলোঁ !" কান্দিকাটি নিজৰ দেহত খোচাবিন্ধা কৰি থকা বেদনাবোৰ দানীয়ে এইদৰে চকুৰ পানীৰ লগত মিহলি কৰি দিলে। কিন্তু মোদনে যি এবাৰ মুখ আৰু চকু বন্ধ কৰিলে তাক আৰু নেমেলিলে।

ৰাতিপুৱা যেতিয়া যোৰনক বাহিৰলৈ উলিয়ালে কলহুৱে উচুপি ক'লে, "দানকৌৱৰ কাৰণেই ই ইমান দিন অপেক্ষা কৰি আছিল যেন।"

প্ৰথম ৰাতিয়েই কলহু আৰু সকৰে দানীক সকলো কথা বুজাই দিলে, "যি হ'ব লগা আছিল সেয়া হৈ গ'ল, তই এতিয়া সিহঁতৰ সংযোগটো নষ্ট নকৰিবি।" আৰু বাকী-খিনি দানীয়ে বুজি পাইছিল। সিহঁতবোৰে গোটেই ৰাতি হৰকৌৱক এইফালৰ কোঠালৈ আহিবলৈ নিদিলে। কলহুৱে দানী অহাৰ কথাটো হৰকৌৱক জানিবলৈ নিদিলে। কিন্তু শেষ সময়ত কোনেও কাকো চম্ভালিব নোৱাৰিলে।

"এনেকুৱাই যদি শত্ৰুতা কৰিবলগীয়া আছিল, তেনেহ'লে এই দুদিনৰ কাৰণে মোক দিলা কেলেই, হে ভগৱান!" দানীয়ে ভৰি-হাত এচাৰি, বুকুত দুই হাত মাৰি কান্দিবলৈ ধৰাত, চকুপানী মচি থকা কলহুৰ হুঁচ তেতিয়াহে আহিল। সি কন্দনাবুৰা মাতেৰেই দানীক দাবি দি ক'লে, "এয়াই তিৰোতাৰ বুদ্ধি। ...তোক গোটেই ৰাতিটো বুজালোঁ; আৰু উঠ...উঠি আহ ..উঠ, উঠ...বুদ্ধিয়ক হ!"

কলহুৱে তাইক সক ছোৱালীৰ নিচিনাকৈ লগত লৈ আহিল আৰু হৰকৌৱে গম পোৱাৰ আগতেই চোতালৰ বাহিৰলৈ উলিয়াই আনিলে।

বাহিৰত এতিয়াও অলপ আন্ধাৰ হৈ আছিল। আগে আগে গৈ সি নিজে নিজেই কৈ গৈ থাকিল, "পাগলী, যদি এইদৰে বসুমতী ফাটি ঠাই দিবলৈ হয় তেন্তে দুখ ভুগিব কোনে? কয়েই নহয়, 'যদি বিচৰাটোৱেই পায়, তেনেহ'লে দুখীয়া কেনেকৈ জীয়াই থাকিব, কোনোবাই কাৰোবাক মানিবনে?' তাৰ পিছত কি হ'ব?"

কিন্তু বকুলৰ ওচৰত, ৰাতিৰ ঠাইটুকুৰা পাই কন্দেকলৈ মনে মনে থাকি দানীক আশ্বাস দি ক'লে, "এতিয়া তই তাৰ অংশটো চম্ভালিব লাগিব বুজিছ! ...এতিয়া ছোৱালীজনী অলপ চম্ভালিব পৰা হ'লেই মই লৈ আনিম, তাইক আমাৰ জন্মৰ বুলিয়েই ভাব। এতিয়া তাৰ একমাত্ৰ অংশ তাইহে আছেগৈ। কোনো কথা নাই, কেতিয়াবা ভাব লৈ যাম, জকল...জকল। উদাস নহ'বি......।" দানীয়ে অলপ সময় তাত থিয় হৈ থাকিল। ৰাতিৰ দৰেই ওৰণিৰ তলৰ চুলিখিনি ঠিক কৰি চকুৰ পানীখিনি দুপাট্টাৰ আগেৰে মচি টিলাটোৰ তললৈ নামি গ'ল। কলহুৱে তাইৰ পিঠিখন চাবলৈ মূৰটো ওপৰলৈ দাঙ্গিলত তাইৰ পাতল শৰীৰটো বতাহত লৰি থকা পাতৰ দৰে লাগিল; আৰু সি ভয় খাই গ'ল। তাৰ পিছত ডাঙৰ খোজ দি, বুঢ়া মানুহৰ দৰে পিঠিৰ পিছফালে হাত দুখন দি দানীৰ লগ পালেগৈ।

"সঁচা, দানকৌৰ, এতিয়া তই ক'লৈ যাবি ?" কল্পনামুৰা মাতেৰে সি তাইৰ ওচৰ চাপি গ'ল।

দানীয়ে বাস্তাৰপৰা অলপ আঁতৰি থিয় হ'ল, অলপ সময় কঁপা কঁপা হাতেৰে ওৰণিখন ঠিক কৰি ল'লে। তাৰ পিছত আগৰ দৰেই দুপাট্টাৰ আগেৰে চকু মোহাৰি খেৰখেৰীয়া মাতেৰে ক'লে, "মুমুহাত উৰা ধূলিবোৰৰ কিবা ঠিকনা থাকে জানো ?" আৰু অনায়াসে তাইৰ কান্দোন ওলাই আহিল।

কলচুৰো ডিঙিটো সোপা মাৰি ধৰিলে। তাৰ মনটো ইমান অসংযত হ'ল যে সি সেই ক্ষন্তেকতে পিঠি ঘুৰাই পিছফালে ঘূৰিলে আৰু বকুল গছৰ ওচৰলৈ আহি বহুত দেৰিলৈকে, চকুকেইটা টেলেকা কৰি কৰি ইফালে-সিফালে চাই থাকিল। পিছলৈ ঘূৰি চাবলৈ সাহস নহ'ল।

অকস্মাৎ তাৰ সোঁফালে আকাশখন ভাটিত ওলোৱা জুইৰ নিচিনাকৈ ৰঙা হোৱা যেন লাগিল। সন্তৰ ব'দ ওলাইছে। কিন্তু ইমান ৰঙা ? এই ৰঙাখিনিৰ ওপৰেদি ফটা মেঘৰ নিচিনাকৈ গোটেই মেঘখিনি নতুনকৈ ওলোৱা তেজৰ নিচিনা লাগিল। ভয় খাই কলচুৰে বাঁওফালে ঘূৰি দূৰলৈ দৃষ্টি দিলে, কিন্তু দানীক নেদেখিলে। দুই-এবাৰ চকু মুদিলত ভ্ৰম হ'ল যেন সি শুকান বগৰীজোপাৰ ওচৰলৈ গৈছে। চকুৰ ওপৰত হাতখন দি ভালদৰে চালত তাইক দেখা পালে। পিছ মুহূৰ্ততে তাৰ যেন ভ্ৰম হ'ল আৰু সি যেন ধৰ্মৰাজৰ দৰবাৰত থিয় হৈ আছে।

"এয়াও কি ন্যায় নেকি ভগবান !" ঘৃণাভৰা মাতেৰে সি নিজে নিজেই ক'লে আৰু পিঠি ঘুৰাই ঠাণ্ডা বালিত বহি পৰিল। তাৰ ভৰিকেইটা শক্তিহীন হৈ গ'ল।

এতিয়া তাৰ মুখখন গাঁৱৰ ফালে আছিল। প্ৰথমে মোদনৰ অকলশৰীয়া ঘৰৰ দুৱাৰখন মেল খাই থকা দেখিলে। তাৰ পিছত নিস্তব্ধ চোতালখন। গোটেই ঘৰটোৰ বাহিৰে-ভিতৰে আন্ধাৰে আবৰি থকা দেখিলে। গাঁৱৰ ঘৰ-দুৱাৰবোৰৰ ফালে চোৱাত অচিনাকি যেন লাগিল। নিজৰ অকলশৰীয়া ঘৰটোও এই ঘৰবোৰৰ পিছফালে আছিল—হ'ত তাৰ অকলশৰীয়া ল'ৰাটো শুই আছিল। চাগে……।

পোহৰ ক্ৰমাৎ বাঢ়ি আহিল। ঘৰবোৰৰ বেলেগ বেলেগ মুখচ দেখা গ'ল। কিন্তু কলচুৰে মুৰটো লৰাই লৰাই পুনৰ ক'লে, "ঙঁহো……! সকলো ফালে অন্ধকাৰেই অন্ধকাৰ……। কয়েই নহয়, 'নিজৰ অবিহনে সকলো অন্ধকাৰেই অন্ধকাৰ।"

পিছ মুহূৰ্ত্ততে সি ভুঁইকুঁহৰ নিচিনাকৈ ভুমকৈ জ্বলি উঠিল। খঙতে দাঁত কৰচি ক'লে, "পিছে এই অৰণ্যভূমিত জুই লগাই যাবি ক'লৈ, প্ৰতিদ্বন্দ্বী হ। কচোন, এইদৰে যাব ক'লৈ?"

আৰু সি যেন থাই থকা দুৱাৰখনৰ ফালে এনেকৈ দপদপাই গ'ল যেন সঁচাকৈয়েই খং কৰি গুচি যোৱা যোদ্ধাক ঘূৰাই আনিবলৈকে গৈছে।

ছপা: পূৰ্বদেশ মুদ্ৰণ, বিহাবাৰী, গুৱাহাটী-৮